চাৰি বছৰীয়া স্নাতক পাঠ্যক্রম

(চি.বি.চি.এছ্এন ই পি ২০২০ অনুসৰি)

ষষ্ঠ ষাণ্মাসিক

১৭ শ শতিকাৰ পৰা ১৯৪৭ চনলৈ অসমৰ ইতিহাস

ইতিহাস

সূর্যকুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্র

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° **পাৰমিতা দাস**, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়
ড° **ৰাজীৱ সন্দিকৈ**, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়
ড° **বর্ণালী শর্মা**, সহযোগী অধ্যাপক, কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° প্রীতি সলিলা ৰাজখোৱা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
1	ড^{0} মিতালী কলিতা	মিতালী কলিতা
2	ড^{0} মামণি শর্মা, এল চি বি মহাবিদ্যালয়	ড^{0} দ্বীপমণি কলিতা
3	ড^{0} প্রীতি সলিলা ৰাজখোৱা, কৃ. কা. স. ৰা. মু. বি.	
4 আৰু 7Ë	ড^{0} মৃদুৎপল গোস্বামী, দুধনৈ মহাবিদ্যালয়	
5Ë	ড^{0} অৰিন্দম তালুকদাৰ, ভট্টদেৱ বিশ্ববিদ্যালয়	
	ড^{0} মালবিকা দাস, দুধনৈ মহাবিদ্যালয়	
6Ë	ড^{0} দ্বীপমণি কলিতা	
8, 9, 10, 12	ড^{0} অৰিন্দম তালুকদাৰ, ভট্টদেৱ বিশ্ববিদ্যালয়	ড^{0} দ্বীপমণি কলিতা
	ড^{0} প্রীতি সলিলা ৰাজখোৱা, কৃ. কা. স. ৰা. মু. বি.	
11	ড^{0} মৃদুৎপল গোস্বামী, দুধনৈ মহাবিদ্যালয়	তুলিকা দেৱী
13	ড^{0} মালবিকা দাস, সন্দিকৈ ছোৱালী মহাবিদ্যালয়,	
	ড^{0} প্রীতি সলিলা ৰাজখোৱা, কৃ. কা. স. ৰা. মু. বি.	
14 আৰু 15	ড^{0} বিনোদ শর্মা, ফৱকাটিং কলেজ	

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ **পাৰমিতা দাস**, অধ্যাপিক, ইতিহাস বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ভাষা সম্পাদনা ঃ ড° **প্রীতি সলিলা ৰাজখোৱা**, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
গাঁথনিক সম্পাদনা ঃ ড° **প্রীতি সলিলা ৰাজখোৱা**, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non-Commercial-Share Alike 4.0 License (international) http://creativecommons.org/licenses/by-nc-sa/4.0/

ISBN: .....
প্রকাশ ঃ মে', ২০২৬

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী - ৭৮১ ০১৭
নগৰ চৌহদ ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী - ৭৮১ ০২২

বিষয়সূচী

অধ্যায়			পৃষ্ঠা নং
অধ্যায় ১	ঃ	**আহোম ৰাজতন্ত্ৰৰ শীৰ্ষবিন্দু** আহোম-কোচ সংঘাট, আহোম মোগল সম্পৰ্ক, ৰুদ্ৰ সিংহ।	**৭-১৭**
অধ্যায় ২	ঃ	**আহোম প্ৰশাসনীয় ব্যৱস্থা** কেন্দ্ৰীয় প্ৰশাসন, স্থানীয় প্ৰশাসন, ন্যায়িক প্ৰশাসন, ৰাজহ প্ৰশাসন, সামৰিক প্ৰশাসন।	**১৮-২৯**
অধ্যায় ৩	ঃ	**মোৱামৰীয়া বিদ্ৰোহ** প্ৰকৃতি, কাৰণসমূহ, তাৎপৰ্য।	**৩০-৩৩**
অধ্যায় ৪	ঃ	**আহোমসকলৰ পতন** আহোমসকলৰ পতনৰ বিভিন্ন কাৰণসমূহ।	৩৪-৪২
অধ্যায় ৫	ঃ	**বৃটিছৰ অসম অধিকাৰ** ইংগ-মান যুদ্ধ, ইয়াণ্ডাবু সন্ধি, প্ৰাৰম্ভিক সম্প্ৰসাৰণ ঃ অসম, কাছাৰ, জয়ন্তীয়া আৰু খাছী পাহাৰ।	৪৩-৪৯
অধ্যায় ৬	ঃ	**ঔপনিৱেশিক সীমান্ত নীতি** ঔপনিৱেশিক সীমান্ত ঃ গাৰো পাহাৰ, লুচাই পাহাৰ, নগা পাহাৰ, সুদূৰৰ আভ্যন্তৰীণ পৰিসীমাৰ জনজাতিসকলৰ লগত সম্পৰ্ক।	৫০-৫৬
অধ্যায় ৭	ঃ	**ঔপনিৱেশিক অসমৰ প্ৰাকৃতিক সম্পদ** অৰণ্য, চাহ, খনিজ উদ্যোগ, আফিং।	৫৭-৬৯
অধ্যায় ৮	ঃ	**বৃটিছ শাসন সুদৃঢ়কৰণ** ডেভিদস্কট, ৰচাটচন।	৭০-৭৬
অধ্যায় ৯	ঃ	**বৃটিছ শাসনৰ প্ৰতি প্ৰতিক্ৰিয়া** গোমধৰ কোঁৱৰ, পিয়লি ফুকন, তিৰাট সিংহ, কৃষক বিদ্ৰোহসমূহ।	৭৭-৮৪
অধ্যায় ১০	ঃ	**১৮৫৭ চনৰ বিদ্ৰোহ আৰু অসম** পটভূমি, মণিৰাম দেৱানৰ ভূমিকা, পৰিণাম।	৮৫-৯২
অধ্যায় ১১	ঃ	**আধুনিকীকৰণৰ দিশেষ** মধ্যবিত্ত শ্ৰেণীৰ ভূমিকা, ছপা মাধ্যম, আধুনিক শিক্ষা, ভাষা বিৰ্তক।	৯৩-১০৩
অধ্যায় ১২	ঃ	**আৰ্থ-সামাজিক বিকাশ** উদ্যোগৰ বিকাশ, যাতায়াত আৰু যোগাযোগ ব্যৱস্থাৰ বিকাশ, বাণিজ্য, বজাৰ আৰু ব্যৱসায়।	১০৪-১১৬

অধ্যায় ১৩ ঃ অসমীয়া জাতীয়তাবাদৰ উত্থাপন ১১৭-১২১
অসমীয়া জাতীয়তাবাদ উত্থানৰ কাৰণসমূহ

অধ্যায় ১৪ ঃ অসম আৰু স্বাধীনতা সংগ্রাম-১ ১২২-১২৮
বংগ বিভাজনৰ প্রভাৱ, প্রথম বিশ্বযুদ্ধৰ প্রভাৱ, অসহযোগ আন্দোলন।

অধ্যায় ১৫ ঃ অসম আৰু স্বাধীনতা সংগ্রাম-২ ১২৯-১৩৫
আইন অমান্য আন্দোলন, ভাৰত ত্যাগ আন্দোলন, বর্গীকৰণ বির্তক।

প্রসঙ্গপুথি ১৩৬

পাঠ্যবিষয়ৰ পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ অন্তর্গত ষাণ্মাসিক পদ্ধতিৰ স্নাতক (কলা) পাঠ্যক্রমৰ ইতিহাস বিষয়ৰ ষষ্ঠ ষাণ্মাসিকৰ এটি পাঠ্যবিষয় হৈছে '*17 শতিকাৰ পৰা 1947 চনলৈ অসমৰ ইতিহাস*'। ইয়াত মুঠ 15টা অধ্যায় আছে। ইয়াত আধুনিক অসমৰ ইতিহাসৰ বিষয়ে বহলভাৱে আলোচনা কৰা হৈছে।

প্রথম অধ্যায়টো হৈছে *আহোম ৰাজতন্ত্রৰ শীর্ষবিন্দু*। এই অধ্যায়টোত আহোম-কোচ সংঘাট, আহোম মোগল সম্পর্ক, ৰুদ্র সিংহৰ বিষয়ে আলোচনা কৰা হৈছে।

দ্বিতীয় অধ্যায়টো হৈছে *আহোম প্রশাসনীয় ব্যৱস্থা*। এই অধ্যায়টিত কেন্দ্রীয় প্রশাসন, স্থানীয় প্রশাসন, ন্যায়িক প্রশাসন, ৰাজহ প্রশাসন, সামৰিক প্রশাসনৰ বিষয়ে আলোচনা কৰা হৈছে।

তৃতীয় অধ্যায়টি হৈছে *মোৱামৰীয়া বিদ্রোহ*। এই অধ্যায়টিত প্রকৃতি, কাৰণসমূহ, তাৎপর্যৰ বিষয়ে আলোচনা কৰা হৈছে।

চতুর্থ অধ্যায়টি হৈছে *আহোমসকলৰ পতন*। এই অধ্যায়টোত আহোমসকলৰ পতনৰ বিভিন্ন কাৰণসমূহৰ বিষয়ে আলোচনা কৰা হৈছে।

পঞ্চম অধ্যায়টি হৈছে *বৃটিছৰ অসম অধিকাৰ*। এই অধ্যায়টিত ইংগ-মান যুদ্ধ, ইয়াণ্ডাবু সন্ধি, প্রাৰম্ভিক সম্প্রসাৰণ ঃ অসম, কাছাৰ, জয়ন্তীয়া আৰু খাছী পাহাৰৰ বিষয়ে আলোচনা কৰা হৈছে।

ষষ্ঠ অধ্যায়টি *ঔপনিৱেশিক সীমান্ত নীতি*। এই অধ্যায়টিত ঔপনিৱেশিক সীমান্ত ঃ গাৰো পাহাৰ, লুচাই পাহাৰ, নগা পাহাৰ, সুদূৰৰ আভ্যন্তৰীণ পৰিসীমাৰ জনজাতিসকলৰ লগত সম্পর্কৰ বিষয়ে আলোচনা কৰা হৈছে।

সপ্তম অধ্যায়টো হৈছে *ঔপনিৱেশিক অসমৰ প্রাকৃতিক সম্পদ*। এই অধ্যায়টিত অৰণ্য, চাহ, খনিজ উদ্যোগ, আফিঙৰ বিষয়ে আলোচনা কৰা হৈছে।

অষ্টম অধ্যায়টো হৈছে বৃটিছ শাসন সুদৃঢ়কৰণ। এই অধ্যায়টোত ডেভিদস্কট, ৰচাটচনৰ বিষয়ে আলোচনা কৰা হৈছে।

নৱম অধ্যায়টি হৈছে *বৃটিছ শাসনৰ প্রতি প্রতিক্রিয়া*। এই অধ্যায়টোত গোমধৰ কোঁৰৰ, পিয়লি ফুকন, তিৰাট সিংহ, কৃষক বিদ্রোহসমূহৰ বিষয়ে আলোচনা কৰা হৈছে।

দশম অধ্যায়টো হৈছে *1857 চনৰ বিদ্রোহ আৰু অসম*। এই অধ্যায়টোত পটভূমি, মণিৰাম দেৱানৰ ভূমিকা, পৰিণামৰ বিষয়ে আলোচনা কৰা হৈছে।

একাদশ অধ্যায়টো হৈছে *আধুনিকীকৰণৰ দিশে*। এই অধ্যায়টিত মধ্যবিত্ত শ্রেণীৰ ভূমিকা, ছপা মাধ্যম, আধুনিক শিক্ষা, ভাষা বির্তকৰ বিষয়ে আলোচনা কৰা হৈছে।

দ্বাদশ অধ্যায়টো হৈছে *আর্থ-সামাজিক বিকাশ*। এই অধ্যায়টোত উদ্যোগৰ বিকাশ, যাতায়াত আৰু যোগাযোগ ব্যৱস্থাৰ বিকাশ, বাণিজ্য, বজাৰ আৰু ব্যৱসায়ৰ বিষয়ে আলোচনা কৰা হৈছে।

ত্রয়োদশ অধ্যায়টো হৈছে *অসমীয়া জাতীয়তাবাদৰ উত্থাপন*। এই অধ্যায়টিত অসমীয়া জাতীয়তাবাদ উত্থানৰ কাৰণসমূহৰ বিষয়ে আলোচনা কৰা হৈছে।

চর্তুদশ অধ্যায়টো হৈছে *অসম আৰু স্বাধীনতা সংগ্রাম-1*। এই অধ্যায়টোত বংগ বিভাজনৰ প্রভাৱ, প্রথম বিশ্বযুদ্ধৰ প্রভাৱ, অসহযোগ আন্দোলনৰ বিষয়ে আলোচনা কৰা হৈছে।

পঞ্চদশ অধ্যায়টো হৈছে *অসম আৰু স্বাধীনতা সংগ্রাম-2*। এই অধ্যায়টিত আইন অমান্য আন্দোলন, ভাৰত ত্যাগ আন্দোলন, বর্গীকৰণ বির্তকৰ বিষয়ে আলোচনা কৰা হৈছে।

এই খণ্ডটি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব পাৰিব। এইবোৰে আপোনাক মূল পাঠত উল্লেখ কৰা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। 'জানি থোৱা ভাল'

বাকচবোৰৰ যোগেদি আপুনি মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ বিষয়ে জ্ঞান লাভ কৰিব। আকৌ 'অগ্রগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্বপৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান আৰ্হি প্রশ্ন তুলি দিয়া হৈছে। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথি স্বৰূপ। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১ ঃ আহোম ৰাজতন্ত্ৰৰ শীৰ্ষবিন্দু

অধ্যায় গাঁথনি

1.1 উদ্দেশ্য
1.2 পৰিচয়
1.3 আহোম-কোচ সংঘাত
1.4 আহোম-মোগল সংঘাত
1.5 ৰুদ্ৰ সিংহ
1.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
1.7 অধিক জানিবলৈ
1.8 অগ্ৰগতিৰ খতিয়ান
1.9 আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- আহোম, কোচ আৰু মোগলৰ মাজত লগা যুদ্ধবোৰৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- সংঘটিত যুদ্ধৰ বিভিন্ন কাৰণ আৰু তাৰ ফলাফলসমূহ আলোচনা কৰিব পাৰিব
- অসমত এক শ্ৰেষ্ঠতম ৰাজবংশ হিচাপে আহোম ৰাজবংশক প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত ৰুদ্ৰ সিংহৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব।

১.২ পৰিচয়

ইয়াৰ আগৰ যান্মাসিকত আপুনি অসমলৈ আহোমসকলৰ আগমন আৰু চুকাফাৰ দ্বাৰা 1268খ্ৰীঃ ত আহোম ৰাজবংশ প্ৰতিষ্ঠাৰ বিষয়ে জানিব পাৰিলে। আপুনি লগতে কোচসকলৰ উত্থান তথা খিলঞ্জীয়া জনগোষ্ঠী আৰু তুৰ্কী-আফগান আক্ৰমণকাৰীসকলৰ বিৰুদ্ধে আহোমসকলৰ যুদ্ধৰ বিষয়েও জানিব পাৰিলে। যি নহওক, চুহুংমুঙে (1497–1539 খ্ৰীঃ) সিংহাসনত আৰোহণ কৰাৰ পিছতে অসমত আহোম ৰাজবংশ শক্তিশালী হয় আৰু এই অৱস্থা ৰুদ্ৰ সিংহ (1696–1714 খ্ৰীঃ)ৰ দিনলৈ বৰ্তি থাকে। এই অধ্যায়ত আমি আহোম ৰাজবংশৰ উত্থানৰ বিষয়ে আলোচনা কৰিম।

১.৩ আহোম-কোচ সংঘাত

আহোম আৰু কোচৰ মাজৰ সম্পৰ্ক কেতিয়াও মধুৰ নাছিল। সামান্য অজুহাততে পৰস্পৰে পৰস্পৰৰ সৈতে যুদ্ধত লিপ্ত হৈছিল। আকৌ প্ৰয়োজন হ'লে তেওঁলোকে বৈবাহিক সম্পৰ্কও গঢ়িছিল। আহোম বুৰঞ্জীত উল্লেখ কৰা লেখীয়াকৈ কোচসকলৰ আহোমৰ সৈতে এক বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছিল। 1537 চনত বিশ্ব সিংহই তেওঁৰ ভাতৃৰ সৈতে আহোম ৰাজ্য ভ্ৰমণ কৰা কথা উল্লেখ আছে। অৱশ্যে কোচৰ কালানুক্ৰমিক বিৱৰণত বিশ্ব সিংহই আহোম ৰাজ্য আক্ৰমণ কৰা বুলি এক বিৱৰণ আছে য'ত কোচ সৈন্যই পিছ হুহকিব লগা হৈছিল।

বিশ্ব সিংহৰ পিছত তেওঁৰ পুত্ৰ মল্লদেৱ সিংহাসনত অধিষ্ঠিত হৈছিল। তেওঁ নৰনাৰায়ণ নামেৰে বিখ্যাত হৈছিল। বিশ্বসিংহৰ আন এগৰাকী পুত্ৰ আছিল শুক্লধ্বজ। তেওঁক চিলাৰায় নামেৰে বেছি ভালদৰে জনা গৈছিল। নৰ নাৰায়ণৰ ৰাজত্বকালত আহোম আৰু কোচৰ মাজত যুদ্ধ লাগে আৰু আহোমসকল গভীৰ বিপৰ্যয়ৰ সন্মুখীন

হৈছিল। এগৰাকী সামান্য মুখিয়াল লোকে নৰনাৰায়ণৰ বিৰুদ্ধে ষড়যন্ত্ৰ ৰচিবলৈ আৰম্ভ কৰিছিল আৰু যেতিয়াই তেওঁৰ ষড়যন্ত্ৰ ধৰা পৰিল তেতিয়া তেওঁ চুক্লেংমুঙৰ তালৈ পলাই গ'ল। চুক্লেংমুঙে এই মুখিয়ালজনক আশ্ৰয় প্ৰদান কৰিছিল। ইয়াৰ ফলত কোচ ৰজা নৰনাৰায়ণ আৰু আহোম ৰজাৰ মাজত এখন যুদ্ধ লাগিছিল। চিলাৰায়ৰ অধীনত কোচ সৈন্যই ডিক্রাই নৈৰ পাৰত যুঁজ দিলে আৰু প্ৰতিদ্বন্দ্বীক পৰাস্ত কৰিবলৈ সক্ষম হ'ল। কলিয়াবৰত আন এখন যুঁজ লাগিল আৰু এই যুদ্ধত আহোমসকল বৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈ পৰাজয় বৰণ কৰিলে। এই সময়ছোৱাতে কোচসকলে কোচ ৰজাৰ আন এগৰাকী ভাতৃ গোঁহাই কমলৰ নেতৃত্বত কোচৰাজ্যৰ ৰাজধানীৰ পৰা নাৰায়ণপুৰলৈ (এতিয়া লক্ষিমপুৰ জিলাত) এটি পথ নিৰ্মাণ কৰিলে। এই পথটি গোঁহাই কমল আলি বুলি জনাজাত হৈছিল। 1547 চনত পথটিৰ নিৰ্মাণ সম্পূৰ্ণ হয় আৰু ইয়াৰ পিছতে কোচসকলে নাৰায়ণপুৰত এটি দূৰ্গ নিৰ্মাণ কৰে।

অতি কম সময়ৰ ভিতৰত চুক্লেংমুঙে আক্ৰমণ চলালে আৰু পিচলা নদীৰ পাৰত শিবিৰ স্থাপন কৰিলে। ইয়ে কোচ শিবিৰত দুৰ্যোগ মাতি আনিলে, কিয়নো ইয়াৰ ফলত কোচ সৈন্য যোগান ধৰা প্ৰক্ৰিয়া ব্যাহত হ'ল আৰু তেওঁলোকৰ বহুতৰে মৃত্যু ঘটিল। এই যুদ্ধৰ পিছত কোচ সৈন্যৰ অৱস্থা শোচনীয় হৈছিল। নৰনাৰায়ণে ততাতৈয়াকৈ আহোম ৰাজ্যৰ সীমান্তবৰ্তী কিছুমান গাওঁ জ্বলাই দি আক্ৰমণৰ এক প্ৰচেষ্টা চলালে। আহোমে প্ৰতিশোধ ল'বলৈ যুদ্ধত নামি পৰিল আৰু দিখৌ নদীৰ মোহনাত হোৱা এক যুঁজত আহোমসকল পৰাজিত হ'ল। একে ঠাইতে হোৱা আন এক যুদ্ধত কোচ সেনাপতি চিলাৰায়ে আহোমসকলক মষিমুৰ কৰিলে। আহোম ৰজা আৰু বিষয়ববীয়াসকলে পলাই পত্ৰং দিলে আৰু অতি কম দিনৰ ভিতৰত আহোম ৰাজ্যৰ ৰাজধানী গড়গাওঁ কোচে দখল কৰিলে। আহোমে শান্তিৰ প্ৰস্তাৱ আগবঢ়াব লগা হ'ল। আহোম ৰজাই বহুকেইজন বিষয়াক তথা কেইবাজনো মুখিয়ালৰ সন্তানক পণবন্দী হিচাপে কোচ ৰজাক দিব লগা হ'ল। তাৰোপৰি যুদ্ধৰ ক্ষতিপূৰণ হিচাপে কোচৰজাৰ লগত হোৱা শান্তি চুক্তি অনুযায়ী ষাঠিটা হাতী, ষাঠী ডোখৰ কাপোৰ আৰু অজস্ৰ সোণ-ৰূপ দিব লগা হ'ল।

যদিও কোচ ৰজা নৰনাৰায়ণে সকলোতে সফলতা অৰ্জন কৰিছিল, কিন্তু গৌড়ৰ পাদশ্বাহৰ বিৰুদ্ধে কোচ সৈন্যই অলেখ বিপদৰ মুখামুখি হৈছিল। কোচৰ সময়ানুক্ৰমিক বিৱৰণত চিলাৰায়ৰ অধীনত কোচ সৈন্যৰ পৰাজয়ৰ কথা জানিব পৰা যায় তথা ইয়াত চিলাৰায়ক কাৰাৰুদ্ধ কৰা বুলিও জানিব পাৰি। ইয়ে কোচৰজা নৰ নাৰায়ণক আহোমৰ সৈতে সু-সম্পৰ্ক গঢ়াৰ বাবে ব্যাকুল কৰি তুলিছিল। সেইবাবে তেওঁ যুদ্ধৰ সময়ত কাৰাৰুদ্ধ কৰা বন্দীসকলক মোকলাই দিয়াৰ সিদ্ধান্ত লয়। অৱশ্যে কোনোৱে যাতে আচল অভিপ্ৰায় গম নাপায়, সেই কাৰণে তেওঁ সেই কামটো এটা কৌশল অৱলম্বন কৰি কৰিছিল। তেওঁ সুন্দৰ গোঁহাই (এগৰাকী পণবন্দী) ক পাশাখেল খেলিবলৈ আহ্বান জনাই আৰু পৰাজিত হ'লে পণবন্দীসকলক মোকলাই দিয়াৰ বাজী ৰাখে। তেওঁ ইচ্ছাকৃতভাৱে পাশাখেলত পৰাস্ত হয় আৰু এনেদৰে বন্দীসকলক মোকলাই দি আহোমৰ সৈতে বন্ধুত্ব স্থাপন কৰিছিল।

1563 চনৰ জুলাই মাহত কোচ সেনাপতি টিপুৱে ব্ৰহ্মপুত্ৰলৈ এক অভিযান চলায়। আহোমে তেওঁক পৰাস্ত কৰে। 1570 চনত টিপু আৰু ভিতৰুৱালে আহোমৰ বিৰুদ্ধে অন্য এক সেনা অভিযান চলাই যদিও আহোম সৈন্যই তেওঁলোকৰ প্ৰচেষ্টা মষিমুৰ কৰি সফলতা লভে। 1577 চনত তিনি গৰাকী লোকে নৰনাৰায়ণৰ বিৰুদ্ধে বিদ্ৰোহ সূচনা কৰে যদিও বিফল হৈ আহোম ৰজাৰ শৰণাপন্ন হয়গৈ। আহোম ৰজা চুখামফাই তেওঁলোকক গজলাত সংস্থাপিত হ'বলৈ অনুমতি দিয়ে। 1585 চনত কোচ হাজোৰ কোচ ৰজা ৰঘুদেৱে তেওঁৰ কন্যা শনকলাক চুখামফাৰ সৈতে অলেখ যৌতুকসহ বিবাহ দিয়ে। চুখামফাই প্ৰতিদানস্বৰূপে কোচৰজাক মুক্তহস্তে উপহাৰ দিয়ে।

নৰনাৰায়ণৰ মৃত্যুৰ পাছত আহোম-কোচ সম্পৰ্কই এক নতুন পৰ্যায়ত ভৰি দিলেহি। কোচ সাম্ৰাজ্য নৰনাৰায়ণ আৰু শুক্ৰধ্বজ (চিলাৰায়) ৰ পুত্ৰসকলৰ মাজত ভাগ কৰা হ'ল। সোণকোশ নদী বিভাজন ৰেখা হৈ পৰিল। সোনকোষ নদীৰ পূব প্ৰান্তৰ ভূ-ক্ষেত্ৰ চিলাৰায়ৰ পুত্ৰ ৰঘুদেৱক আৰু পশ্চিমৰ ভূ-ক্ষেত্ৰ নৰনাৰায়ণৰ পুত্ৰ লক্ষ্মী নাৰায়ণৰ হাতত থাকিল।

5 জানি থোৱা ভাল

নৰ নাৰায়ণে বহু বছৰ ধৰি বিবাহ পাশত আবদ্ধ হোৱা নাছিল আৰু চিলাৰায়ৰ পুত্ৰ ৰঘু দেৱকে তেওঁৰ প্ৰকৃত উত্তৰাধিকাৰী বুলি ঘোষণা কৰা হৈছিল। কিন্তু পাছলৈ চিলাৰায়ৰ ফুচুলনিত ভোল গৈ বিবাহ কৰায় আৰু এটি সন্তানৰ পিতৃ হয়। ইয়ে ৰঘু দেৱক বৰকৈ অসুৰক্ষিত কৰি তুলিছিল। সেয়েহে চিলাৰায়ৰ মৃত্যুৰ পাছত ৰঘু দেৱে বিদ্ৰোহ কৰিব চেষ্টা চলাইছিল। সেয়েহে তেওঁৰ বৰদেউতাক নৰ নাৰায়ণে শান্তিৰ স্বাৰ্থত ৰাজ্যখন দুভাগ কৰিছিল।

অৱশ্যে ৰঘুদেৱে তেওঁৰ বৰদেউতাক নৰনাৰায়ণক কৰ দিব লগা হৈছিল আৰু তেওঁ নৰনাৰায়ণৰ প্ৰভুত্ব স্বীকাৰ কৰিব লগা হৈছিল। কিন্তু নৰনাৰায়ণৰ মৃত্যুৱে ৰঘুদেৱক তেওঁৰ স্বাধীনতা ঘোষণা কৰাৰ অতীব প্ৰয়োজনীয় সুযোগকণ প্ৰদান কৰিলে। সেইবাবে নৰনাৰায়ণৰ সন্তান তথা উত্তৰাধিকাৰী লক্ষ্মী নাৰায়ণে ৰঘুদেৱৰ সন্তান পৰীক্ষিত নাৰায়ণক পিতৃৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ উচতনি দিছিল। পৰীক্ষিত নাৰায়ণে নিজ পিতৃৰ বিৰুদ্ধে বিদ্ৰোহ কৰি ধৰা পৰে আৰু কাৰাবন্দী হ'ব লগা হয়। পাছলৈ তেওঁ পলাই যায় আৰু আহোম ৰাজ্যত আশ্ৰয় লয়। পিতৃৰ মৃত্যুৰ পিছত পৰীক্ষিতে 1603 খ্ৰীষ্টাব্দত ৰাজ্যত নিজ কৰ্তৃত্ব স্থাপনৰ বাবে প্ৰত্যাৱৰ্তন কৰে। প্ৰত্যাৱৰ্তনৰ পিছত পৰীক্ষিতে লক্ষ্মী নাৰায়ণৰ প্ৰভুত্বক অৱমাননা কৰে আৰু সেয়েহে দুয়ো পৰস্পৰৰ বিৰুদ্ধে অস্ত্ৰ তুলি লয়। যুদ্ধত লক্ষ্মী নাৰায়ণ পৰাস্ত হয়। ইয়াৰ পিছত দুয়োজনে আহোমৰ সৈতে মিত্ৰতা স্থাপন কৰিবলৈ বিচাৰে। পৰীক্ষিতে নিজ কন্যা ম!লদহিক আহোম ৰজা প্ৰতাপ সিংহৰ সৈতে বিয়া দিয়ে। অন্য উপায় নেদেখি লক্ষ্মী নাৰায়ণে মোগলৰ সহায় বিচাৰে। বংগৰ নৱাবে এই সুযোগ দেখি পৰীক্ষিতৰ বিৰুদ্ধে মুকৰম খানৰ অধীনত এটা সৈন্য বাহিনী প্ৰেৰণ কৰে। পৰীক্ষিত নাৰায়ণ শান্তিৰ বাবে সৈমান হ'ব লগীয়া হ'ল। তেওঁ আহোমৰ সাহায্য বিচাৰিলে যদিও আহোমে কোচ সৈন্যবাহিনীয়ে আহোমে সৈন্যৰ লগত লগহৈ সংযুক্তভাৱে যুঁজ কৰাত জোৰ দিলে আৰু ফলত পৰীক্ষিতে অকলশৰে যুঁজ দিয়াৰ সিদ্ধান্ত ল'লে। যুদ্ধত তেওঁ পৰাজিত হ'ল আৰু তেওঁৰ ভাতৃ বলি নাৰায়ণে আশ্ৰয়ৰ বাবে আহোম ৰাজ্যলৈ পলাই গ'ল। প্ৰতাপ সিংহই তেওঁক দৰঙৰ কৰতলীয়া ৰজা হিচাপে নিযুক্তি দিলে আৰু তেওঁক ধৰ্ম নাৰায়ণ নামে নতুনকৈ নামকৰণ কৰিলে।

এনেদৰে কোচসকলৰ বাবে আহোম মোগলৰ সৈতে সংঘাতত লিপ্ত হ'ল। মোগলৰ বিৰুদ্ধে আহোমে সফলতা লাভ কৰিছিল। অৱশ্যে বংগৰ পৰা 1637 চনত প্ৰেৰণ কৰা এক নতুন সৈন্য অভিযানত আহোম আৰু তেওঁলোকৰ মিত্ৰ বাহিনী পৰাজিত হ'ল। 1638 চনত ধৰ্ম নাৰায়ণক হত্যা কৰা হ'ল আৰু শান্তিৰ বাবে বুজাপৰা আৰম্ভ হ'ল। পৰীক্ষিতৰ ৰাজ্য আহোমৰ হাতলৈ যোৱাৰ বিপৰীতে মোগলে বৰনদীৰ পশ্চিমৰ ভূ-খণ্ড দখল কৰিলে। পৰীক্ষিতৰ পুত্ৰ সুন্দৰ নাৰায়ণক নতুন ৰজা পতা হ'ল যদিও তেওঁ এগৰাকী স্বাধীন ৰজা হৈ নাথাকিল। সকলো গুৰুত্বপূৰ্ণ বিষয়তে তেওঁ বৰ ফুকনৰ মন্ত্ৰণা ল'ব লগা হ'ল। একেদৰে পশ্চিমৰ কোচ ৰাজ্যও মুছলমানসকলৰ অধীনস্থ এক ৰাজ্যলৈ পৰ্যবসিত হ'ল। এনেদৰে কোচ ৰাজ্যই নিজ অস্তিত্ব হেৰুৱাই পেলালে। অৱশ্যে 1658 চনত কোচ বিহাৰৰ শাসকে পুনৰাই আহোমৰ সৈতে সংঘাতত লিপ্ত হৈছিল। চাহজাহানৰ মৃত্যুৰ পিছত মোগল সৈন্যৰ অপসাৰণ কৰিব লগা হৈছিল। ইয়ে প্ৰেম নাৰায়ণক স্বাধীনতা প্ৰাপ্তিৰ ক্ষেত্ৰত উৎসাহিত কৰি তুলিছিল। ৰাজিৰ ভৱনাথৰ নেতৃত্বত অহা মোগল বাহিনীত তেওঁ পৰাস্ত কৰিছিল। এই সহজ জয়ৰ পিছত তেওঁ আহোমৰ সৈতে এক আক্ৰমণাত্মক আৰু প্ৰতিৰক্ষামূলক মৈত্ৰী গঢ়াৰ প্ৰস্তাৰ আগবঢাইছিল। যদিও আহোমে ইয়াক প্ৰত্যাখ্যান কৰে। বৰঞ্চ তেওঁক পৰাস্ত কৰি সোণকোষ নদীৰ সিপাৰলৈ খেদি পঠোৱা হয়। চক্ৰধ্বজ সিংহই (1663-1670 খ্ৰীঃ) সিংহাসন আৰোহণ কৰাৰ সময়ত দৰঙৰ কোচ ৰজাই উষ্ণ অভিনন্দন প্ৰেৰণ কৰে। পুনৰবাৰ কোচ ৰজাই মোগলক সহায় কৰাৰ এক ঘটনা সংঘটিত হৈছিল। তথাপিও বলি নাৰায়ণৰ নাতিয়েক চন্দ্ৰ নাৰায়ণ বা সূৰ্য নাৰায়ণক আহোম ৰজা উদয়াদিত্য সিংহই (1670-1672 খ্ৰীঃ) দৰঙৰ কৰতলীয়া ৰজা পাতিছিল। এনেদৰে আহোম-কোচৰ সম্পৰ্ক বিভিন্ন পৰ্যায়ৰ মাজেৰে আগবাঢ়িছিল। কোচসকলে তেওঁলোকৰ স্বাধীনতা প্ৰতিষ্ঠা কৰিব বিচাৰিছিল যদিও আহোম শক্তিৰ ওচৰত সেও মানিব লগা হৈছিল।

Wঅগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বিশ্ব সিংহৰ পিছত সিংহাসনত আৰোহণ কৰা কোচ ৰজাজন কোন আছিল?

.....

.....

প্ৰশ্ন নং ২ ঃ শুল্কধ্বজক ..... নামেৰে ভালদৰে জনা যায়।

প্ৰশ্ন নং ৩ ঃ কোচ বিহাৰৰ কোচ ৰাজধানী আৰু নাৰায়ণপুৰ সংলগ্ন কৰি কোচসকলে নিৰ্মাণ কৰা পথটিৰ নাম কি আছিল?

.....

.....

প্ৰশ্ন নং ৪ ঃ প্ৰতাপ সিংহৰ লগত বিবাহ পাশত আবদ্ধ হোৱা কোচ ৰাজকুমাৰী গৰাকীৰ নাম কি আছিল?

.....

.....

প্ৰশ্ন নং ৫ ঃ আহোমে কাক দৰঙৰ ৰজা পাতিছিল?

.....

.....

১.৪ আহোম-মোগল সংঘাত

চুহুংমুঙৰ সময়ৰ পৰা আমি মুছলমানৰ আক্ৰমণৰ কথা জানিব পাৰো। তেওঁলোকৰ সেই আক্ৰমণক প্ৰতিহত কৰা হৈছিল। মোগলৰ পৰৱৰ্তী আক্ৰমণ চুচেংফা (প্ৰতাপ সিংহ)ৰ সময়ত সংঘটিত হৈছিল। বলি নাৰায়ণক (পৰীক্ষিত নাৰায়ণৰ ভায়েক) আহোমে আশ্ৰয় প্ৰদান কৰা তথা কলিয়াবৰৰ কাষত এগৰাকী মুছলমান ব্যৱসায়ীক হত্যা কৰাই এই আক্ৰমণৰ কাৰণ আছিল। বংগৰ নবাব শ্বেইখ কাছিমে আহোমৰ বিৰুদ্ধে এক যুদ্ধাভিযান পঠিয়াইছিল আৰু এই অভিযানত তেওঁলোকৰ লগত সট্টৰজিৎ আৰু আখেক গোঁহাইও আছিল। ভৰলী নদীৰ পাৰত দুয়ো পক্ষই সমুখ-সমৰত লিপ্ত হৈছিল। প্ৰথম অৱস্থাত কুঁৱলীৰ বাবে মোগলে যুঁজত প্ৰাধান্য বিস্তাৰ কৰিছিল যদিও আখেক গোঁহাইৰ বিশ্বাসঘাতকতাৰ বাবে জল-স্থল উভয়তে মোগল আহোম সৈন্যৰ আচম্বিত আক্ৰমণৰ মুখামুখি হ'ব লগাত পৰিছিল আৰু মোগলে পৰাজয় স্বীকাৰ কৰিব লগাত পৰিছিল। বহুতো সেনাপতি আৰু সৈন্যক হত্যা অথবা বন্দী কৰা হৈছিল। অৱশিষ্ট সৈন্যবোৰক হত্যা কৰা হৈছিল আৰু বৃহৎ মাত্ৰাত সামগ্ৰী লুণ্ঠন কৰা হৈছিল। ইয়াৰ পিছতে আহোম সেনাধিনায়কসকলে ৰজাৰ নিৰ্দেশ অমান্য কৰি হাজোলৈ মোগলসকলৰ পিছ লৈছিল। কিন্তু আহোম সৈন্য পৰাজিত হৈ শ্ৰীঘাটলৈ পিছ হুহকিব লগা হৈছিল। বুঢ়াগোঁহাইক বন্দী কৰা হৈছিল। বহুতো জাহাজ, হাতী আৰু সামগ্ৰী মোগলে লুণ্ঠন কৰিছিল। বহুতো আহোম সৈন্য ঘূণীয়া হৈছিল।

1612 চনৰ চেপ্তেম্বৰ মাহত মোগলে যেতিয়া ধৰ্ম নাৰায়ণক ব্ৰহ্মপুত্ৰৰ দক্ষিণে থকা তেওঁৰ দুৰ্গত অৱৰোধ কৰিলে, তেতিয়া আহোম আৰু মোগলৰ মাজত স্পষ্ট ৰূপত নতুনকৈ অৰিয়া-অৰি আৰম্ভ হ'ল। ধৰ্ম নাৰায়ণক উদ্ধাৰ কৰিবলৈ আহোম সৈন্য ততাতৈয়াকৈ আগবাঢ়ি আহিল আৰু মোগলক শোচনীয়ভাৱে পৰাজিত কৰিলে। এক বন্ধুত্বপূৰ্ণ বুজাবুজিৰ প্ৰচেষ্টা চলিছিল যদিও সট্টৰজিতৰ অভিসন্ধিমূলক কাৰ্যৰ বাবে ই সম্ভৱ হৈ নুঠিল। কিছু বছৰপাছত সট্টৰজিৎ আৰু তেওঁৰ চতুৰালিৰ বাবে আৰু লগতে বংগৰ নবাবৰ এগৰাকী বাকীদাৰী বিষয়া হৰিকেশক প্ৰতাপ সিংহই সুৰক্ষা প্ৰদান কৰাত এই সম্পৰ্ক অধিক জটিল হৈ পৰিল। মোগলে হৰিকেশক আটক কৰিব বিচাৰিছিল যদিও আহোমে শক্তিৰে ইয়াৰ প্ৰত্যুত্তৰ দিলে আৰু যুদ্ধক্ষেত্ৰত মোগল বাহিনী পৰাস্ত হ'ল। প্ৰতাপ সিংহই তেতিয়া শত্ৰুৰ ভূ-খণ্ডত গৈ যুদ্ধ কৰাৰ সিদ্ধান্ত ল'লে আৰু স্থানীয় মুখিয়ালসকলৰ সহায় বিচাৰিলে। অলপ দিনৰ ভিতৰতে তেওঁ দেওমিয়া, বন্তিকোট, চমৰিয়া আৰু নগৰবেৰাত থকা মোগলৰ দুৰ্গবোৰ দখল কৰিলে।

বঙ্গৰ নবাবে হাজোলৈ অতিৰিক্ত মোগল সেনাৰ ফৌজ পঠিয়াই মোগল বাহিনী শক্তি মান হৈ উঠিল। ইয়াৰ পিছত লগা যুদ্ধত আহোমসকল পৰাজিত হ'ল। কিন্তু লগে লগে প্ৰতাপ সিংহই অধিক সৈন্যবাহিনী প্ৰেৰণ কৰিলে আৰু আহোমে যুদ্ধত আগবাঢ়ি গৈ মোগলক শুৱালকুছিলৈ খেদি পঠালে। হাজোৰ কাষত ব্ৰহ্মপুত্ৰ নদীৰ পাৰত নৌ বাহৰত শক্তিশালী আক্ৰমণ চলাই মোগল বাহিনীক ধাৰাশায়ী কৰা হৈছিল। আহোম বুৰঞ্জীত তিনিশ কামান, নাও, অস্ত্ৰ আৰু আন আন সামগ্ৰী আহোমে লুণ্ঠন কৰাটো লিপিবদ্ধ হৈ আছে। হাজো অতি কম সময়ৰ ভিতৰত আহোমৰ দখললৈ আহিল আৰু সকলো যোগান বন্ধ হৈ যোৱা হেতুকে আত্মসমৰ্পনৰ বাদে মোগলৰ হাতত আন কোনো বিকল্প নাথাকিল।

বংগৰ নৱাবৰ ভাতৃ মিৰ জয়নুদ্দিনে অলপ দিনৰ পাছতে আন এক আক্ৰমণ চলালে। যাত্ৰাপথত তেওঁ মোগলৰ দুৰ্দশাৰ কথা শুনিলে যদিও তেওঁ আগবাঢ়ি গ'ল আৰু কোচ বিহাৰৰ ৰজা প্ৰাণ নাৰায়ণে তেওঁক সহায় কৰিলে। তেওঁলোকে যোগীঘোপা আৰু হিৰাপুৰত বাহৰ পাতিলে। ইয়াৰ পিছত হোৱা কেবাখনো যুদ্ধত আহোমসকল পৰাজিত হৈছিল। 1637 চনৰ অক্টোবৰ মাহত আহোমে মোগলৰ সৈন্যৰ ওপৰত আক্ৰমণ চলালে যদিও তেওঁলোক পৰাজিত হৈছিল। বৰপেটাত মোগলে আহোমসকলক চাৰিওফালৰ পৰা ঘেৰি ধৰিলে আৰু হৰুৱালে। ইয়াৰ পিছত মোগলে আগিয়াঠুৰি আৰু শ্ৰীঘাটৰ দুৰ্গ দখল কৰিলে। কাজলিৰ দুৰ্গটোও মোগলে অধিকাৰ কৰি ল'লে আৰু এক নৌ যুদ্ধত আহোমসকল শোচনীয়ভাৱে পৰাস্ত হ'ল। 1638 চনত মোগলে প্ৰাণ নাৰায়ণৰ সৈতে ভৰলী নদীলৈ আগবাঢ়িল আৰু যুদ্ধত আক্ৰমণকাৰীসকলে পৰাস্ত হৈ গুৱাহাটীলৈ পিছুৱাই যাব লগা হ'ল। ইয়াৰ পিছত দুয়োপক্ষৰ মাজত শান্তি স্থাপন হ'ল আৰু ইয়াৰ জৰিয়তে ব্ৰহ্মপুত্ৰৰ উত্ত ৰ পাৰত বৰনদী আৰু দক্ষিণ পাৰত অসু�ৰৰ আলী দুয়োপক্ষৰ সীমা হিচাপে ঠিক কৰা হ'ল।

জয়ধ্বজ সিংহ বা ছুটাম্‌লাৰ (1648–1663 খ্ৰীঃ) দিনত পৰৱৰ্তী আহোম-মোগল যুদ্ধ সংঘটিত হয়। ছাহজাহানৰ মৃত্যুৱে ক্ষমতা পিপাসুসকলক এক সুযোগ প্ৰদান কৰিলে আৰু এনেদৰে উত্তৰাধিকাৰৰ বাবে এক দীঘলীয়া সংঘাতৰ সূত্ৰপাত হ'ল। পৰিস্থিতিৰ সুযোগ গ্ৰহণ কৰি জয়ধ্বজ সিংহই গুৱাহাটীলৈ আগুৱাই আহিল। গুৱাহাটীত থকা মোগল ফৌজদাৰজনে বন্দুক, বাৰুদ, ঘোৰা আদি এৰি থৈ গুৱাহাটীৰ পৰা পলায়ন কৰিলে। কোচ বিহাৰৰ ৰজা প্ৰাণ নাৰায়ণে মোগলৰ বিৰুদ্ধে আহোমৰ সৈতে মিত্ৰতা গঢ়িব বিচাৰিলে যদিও আহোমে ইয়াত সন্মতি নিদিলে। তেওঁলোকে কোচৰ বিৰুদ্ধে যুদ্ধাভিযান চলাই কোচ সৈন্যক সোনকোষ নদীৰ সিপাৰলৈ পঠিয়ালে। এনেদৰে সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকা আহোমৰ হাতলৈ গ'ল। 1662 চনত বংগৰ শাসক মিৰ জুমলাৰ অধীনত মোগলে আহোমৰ বিৰুদ্ধে আগ্ৰসৰ হয়। এই অভিযানত তেওঁক ৰশ্বিদ খানে সহায় কৰিছিল। এক দীঘলীয়া যাত্ৰাৰ অন্তত এক বিশাল সেনাবাহিনী সৈতে তেওঁ যোগীঘোপাত উপস্থিত হয়। যোগীঘোপাত থকা আহোম সৈন্যাদলে মোগল সৈন্যক প্ৰতিহত কৰিব নোৱাৰিলে আৰু সেয়েহে তেওঁলোকে শ্ৰীঘাটলৈ পিছ হুহকি আহিব লগা হ'ল। এই বাৰ্তা শুনি জয়ধ্বজ সিংহই শ্ৰীঘাট আৰু পাণ্ডুলৈ অতিৰিক্ত সৈন্যবল পঠিয়ালে যদিও মোগলে ইতিমধ্যে আহি সেই স্থানত উপস্থিত হৈছিলহি আৰু সেয়েহে আহোমে কোনো যুদ্ধত অৱতীৰ্ণ নহ'ল। শ্ৰীঘাটৰ দুৰ্গ মোগলে ধ্বংস কৰিলে আৰু গুৱাহাটী আক্ৰমণকাৰীৰ হাতলৈ গ'ল। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত থকা আহোম সৈন্য কাজলিলৈ পলাই গ'ল আৰু দক্ষিণ পাৰত থকা বোৰক হত্যা কৰা হ'ল। কাজলিত থকা আহোম সৈন্যবাহিনীয় এই বাতৰি পাই ইমান মৰ্মাহত হ'ল যে তেওঁলোকে চামধৰালৈ পিছ হুহকাৰ সিদ্ধান্ত ল'লে। আহোমে চামধৰা আৰু শিমলাগড়ত থকা দুৰ্গ শক্তিশালী কৰাত লাগি গ'ল।

সেই সময়তে মিৰ জুমলাই আহোম ৰাজধানী গড়গাওঁলৈ অগ্ৰসৰ হ'ল। বহুতো মুখিয়াল আৰু ৰজা তেওঁৰ শৰাণাপন্ন হ'ল -যাৰ ভিতৰত ডিমৰীয়া আৰু দৰঙৰ ৰজাও আছিল। ইয়াৰ পিছতে শিমলাগড়ৰ দুৰ্গৰ কাষত মিৰ জুমলাই সেনা শিবিৰ স্থাপন কৰিলে। আহোমে এক দুৰ্বল প্ৰতিৰোধ আগবঢ়াই দুৰ্গ ত্যাগ কৰি পলাই গ'ল। এনেদৰে শিমলাগড়ৰ দুৰ্গ অতি সহজতে মোগলৰ হাতলৈ গ'ল। এই বাতৰি শুনি চামধৰাৰ দুৰ্গৰক্ষী আহোম সৈন্যবাহিনীৰ মনোবল ভাগি পৰিল। বিস্ফোৰক সামগ্ৰীৰ ভঁৰাল ধ্বংস কৰি তেওঁলোক পলাই গৈছিল। মিৰ জুমলাই দুৰ্গৰক্ষাৰ বাবে এগৰাকী ফৌজদাৰ নিয়োগ কৰি আগবাঢ়ি গৈছিল। আহোম মোগলৰ নৌবহৰত আক্ৰমণ চলাইছিল,কিন্তু এই নৌ বহৰ বিচ্ছিন্ন আছিল যিহেতু মিৰ জুমলাই পদাতিক সৈন্যৰ সৈতে আগবাঢ়িছিল। গোটেই

নিশা ধৰি যুদ্ধ চলিছিল, কিন্তু পিছ দিনাখন যেতিয়াই আহোমসকলে মোগল অহাৰ দুন্দুভি শুনিলে তেতিয়াই তেওঁলোকে পলাই পত্রং দিলে। মোগলে প্রায় তিনিশখন জাহাজ বাজেয়াপ্ত কৰিলে। ৰৰগোঁহাইৰ নেতৃত্বত আহোম সৈন্যই কিছু সফলতা লভিছিল যদিও তেওঁলোকে পিছ হুহকিব লগা হ'ল। ইয়াৰ পিছতে আহোমে লাখৌ বা লাখৌগড়ত অৱস্থান কৰে যদিও আক্রমণকাৰীসকল আহি পোৱাত পিছ হুহকিব লগা হয়। আহোম ৰজা জয়ধ্বজ সিংহই বুঢ়াগোঁহাইক গড়গাওঁত থকাৰ নির্দেশ দি ৰৰফুকন, ৰৰবৰুৱা আৰু পাঁচ হাজাৰ মানুহ লগত লৈ নামৰূপলৈ পলাই যায়। গজপুৰ পোৱাৰ পিছত মিৰ জুমলাই আহোম ৰজাৰ পলায়নৰ কথা শুনিলে আৰু তৎক্ষণাত গড়গাওঁলৈ তেওঁৰ সৈন্যবাহিনী প্রেৰণ কৰিলে।

1662 চনৰ 17 মার্চত মিৰ জুমলাই আহোম ৰাজধানী গড়গাওত প্রৱেশ কৰি ইয়াক দখল কৰে। 82 টা হাতী, তিনিলাখ টকা মূল্যৰ সোণ আৰু ৰূপ আৰু প্রত্যেকতে একৰ পৰা দহ হাজাৰ মোনকৈ চাউল ৰাখিব পৰা সুবিধা থকা 170টা ভঁৰালগৃহ মোগলৰ হাতত পৰে। লাহে লাহে বর্ষাকাল আৰম্ভ হয়। ইয়াৰ গইনা লৈ আহোম সৈন্যই আক্রমণকাৰীসকলৰ ওপৰত আচম্বিত আক্রমণ চলালে। গজপুৰত থকা সৈন্যদলক আহোম সৈন্যই বশ কৰিলে, কিন্তু তেওঁলোক দেওপানীত পৰাস্ত হ'ল। ৰৰষুণ দি থকা বাবে মিৰ জুমলাৰ দূৰ ৰতী শিবিৰবোৰ চলাই থকাটো অসম্ভৱ হৈ পৰিল আৰু সেয়েহে তেওঁ গড়গাওঁলৈ পিছুৱাই আহিল। বেছিভাগ ঠাইয়েই আহোমে অধিকাৰ কৰিলে আৰু শাসনৰ দায়িত্ব ল'বলৈ জয়ধ্বজ সিংহই প্রত্যাৱর্তন কৰিলে। শান্তিৰ বাবে বুজাবুজি আৰম্ভ হ'ল যদিও ই বিফল হ'ল। আহোমে ৰাজধানী গড়গাওঁৰ ওপৰত আক্রমণ চলালে। এক তুমুল যুদ্ধৰ অন্তত মোগলে গড়গাওঁ পৰিত্যাগ কৰিলে। আহোম সৈন্যই দিনে-ৰাতিয়ে মোগল বাহিনীৰ ওপৰত আক্রমণ চলালে। তাৰোপৰি খাদ্য সামগ্রীৰ যোগান কমি অহাৰ লগতে মোগল সৈন্যবাহিনী জ্বৰ আৰু গ্রহণী ৰোগত আক্রান্ত হ'ল। সেই সময়তে কোচ বিহাৰৰ ৰজা প্রাণ নাৰায়ণে নামনি অসমত থকা মোগল সৈন্য খেদি পঠিয়ালে।

ছেপ্তেম্বৰৰ শেষলৈ ৰৰষুণৰ মাত্রা কমি অহাত মোগলে নিজকে শক্তিশালী কৰাত লাগি গ'ল। যেতিয়া বানপানী আঁতৰি গ'ল তেতিয়া যোগান আৰম্ভ হ'ল। মোগল সৈন্যবাহিনীয়ে শক্তি ঘূৰাই পাই পুনঃ যুদ্ধৰ বাবে সাজু হৈছিল। আহোম ৰজা আৰু তেওঁৰ বিষয়-ৱবীয়াসকলে নামৰূপলৈ পলাই গ'ল। মিৰ জুমলাই বাদুলি ফুকনৰ ওপৰত আক্রমণ চলোৱাত তেওঁ আত্মসম র্পন কৰিলে আৰু আহোম ৰজাৰ পিছ লোৱা মোগল বাহিনীত যোগ দিলে। কিন্তু বংগত সংঘটিত দুর্ভীক্ষৰ বাবে মোগল বাহিনীৰ হাতলৈ খাদ্য সামগ্রী অহা নাছিল। মিৰ জুমলাও শাৰীৰিকভাৰে অসুস্থ হৈ পৰিছিল। তেওঁৰ সৈন্যসকলো আন এক বর্ষাকালীন প্রত্যাহ্বানৰ মুখামুখি হ'বলৈ অকণো প্রস্তুত নাছিল। সেয়েহে তেওঁলোকে তেওঁক এৰি যোৱাৰ ভাবুকি দিছিল। সেয়েহে মিৰ জুমলাই আহোম ৰজাৰ সৈতে শান্তি চুক্তি কৰিবলৈ বাধ্য হৈছিল। 1663 চনৰ 9 জানুৱাৰীত ঘিলাঝাৰী ঘাটৰ বিখ্যাত চুক্তিখন স্বাক্ষৰিত হৈছিল আৰু এই চুক্তিৰ দ্বাৰা ব্রহ্মপুত্রৰ উত্তৰ পাৰে ভৰলী নদীৰ পশ্চিমলৈ আৰু দক্ষিণে কলঙ নদীলৈ এই ভূ-ভাগ দিল্লীৰ সম্রাটৰ হাতলৈ গুচি গৈছিল। এই চুক্তি সম্পাদন হোৱাৰ পিছত মিৰ জুমলাই বংগলৈ প্রত্যাবর্তন কৰাৰ নির্দেশ জাৰি কৰিলে। কিন্তু 1663 চনৰ 30 মার্চত ঢাকা পোৱাৰ ঠিক আগতেই তেওঁৰ মৃত্যু হ'ল।

যেতিয়া জয়ধ্বজ সিংহৰ মৃত্যু হ'ল তেতিয়া তেওঁৰ কোনো প্রত্যক্ষ উত্তৰাধিকাৰী নাছিল আৰু সেয়েহে ৰাজ বিষয়াসকলে চাৰিঙৰ ৰজাক সিংহাসনত অধীস্থিত হ'বলৈ আমন্ত্রণ জনালে। তেওঁক চুপুংমুং নামকৰণ কৰা হ'ল আৰু সিংহাসনত অধিস্থিত হৈ তেওঁ হিন্দু নাম চক্রধ্বজ সিংহ গ্রহণ কৰিলে। জয়ধ্বজ সিংহই শান্তি চুক্তিমতে দিবলৈ প্রতিশ্রুতিবদ্ধ হোৱা ক্ষতিপূৰণ পৰিশোধৰ বিষয়টিক লৈ মোগলৰ সৈতে পুনৰ শত্রুতা আৰম্ভ হ'ল। গুৱাহাটীৰ ফৌজদাৰ হিচাপে ৰশ্বিদ খানৰ ঠাইত চৈয়দ ফিৰোজ খান স্থলাভিষিক্ত গৈছিল। ফিৰোজ খানে আহোম ৰজাৰ পৰা পাব লগা ধনখিনি দাবী কৰিছিল। চক্রধ্বজ সিংহই তেতিয়া যুদ্ধৰ সিদ্ধান্ত ল'লে আৰু এৰছৰতকৈ অধিক কালৰ প্রস্তুতিৰ অন্তত 1667 চনৰ আগষ্ট মাহত লাচিত ৰৰফুকনৰ নেতৃত্বত আহোম সৈন্যই মোগলৰ হাতৰ পৰা গুৱাহাটী মোকোলোৱাৰ অভিযান আৰম্ভ কৰিলে। কাজলি আৰু বংশবাৰীত থকা চকী দুটা আহোমে দখল কৰিলে। দুমাহ কাল ঘেৰি ৰখাৰ অন্তত গুৱাহাটী আৰু পাণ্ডু দখল কৰা হ'ল। মোগল সৈন্যক পৰাস্ত তথা ফিৰোজ খানক বধ কৰা হ'ল। যদিও নতুন সৈন্য শক্তিৰ সমাগম ঘটিল তথাপি মোগলে বেছি দূৰ আগবাঢ়িব নোৱাৰিলে। তেওঁলোকে আগিয়াঠুৰিৰ পৰা পিছহুহকি যাব বাধ্য হ'ল আৰু মানস নদীলৈ পৃষ্ঠভংগ দিলে।

তেওঁলোকক সকলো পিনৰ পৰা ঘেৰি ধৰা হৈছিল। মোগল সৈন্যৰ বহুতকে হত্যা কৰা হৈছিল আৰু তাৰে কিছুমানক বন্দী হিচাপে আহোমৰ ৰাজধানী গড়গাওঁলৈ অনা হৈছিল।

1668 চনত মোগলৰ সৈতে পুনৰ সংঘাত আৰম্ভ হয়। মোগল শাসক ঔৰংজেৱে ফিৰোজ খানৰ হত্যা আৰু গুৱাহাটী হেৰুৱাৰ প্ৰতিশোধ ল'বলৈ ৰজা ৰাম সিংহক সম্ৰাটৰ সৈন্যবাহিনীৰ সেনাপতি হিচাপে অসমলৈ প্ৰেৰণ কৰে। ৰজা ৰাম সিংহক ৰশ্চিদ খানে সহায় কৰিছিল । তেজপুৰৰ কাষত হোৱা এক যুদ্ধত আহোম সৈন্য পৰাস্ত হয় যদিও কম সময়ৰ ভিতৰতে তেওঁলোকে এক নৌ যুদ্ধত বিজয় সাব্যস্ত কৰে আৰু ৰংমহলৰ দুৰ্গ দখল কৰে। শুৱালকুচিৰ কাষত জল-স্থল উভয়তে মোগল সৈন্যৰ পৰাজয় ঘটে। চেঁচাত হোৱা দুখন যুঁজত আহোমে জয়লাভ কৰে। তাৰ পিছতেই আগিয়াঠুৰিৰ দুৰ্গ আহোমৰ হাতলৈ আহে। কিন্তু কম দিনৰ ভিতৰতে ৰাম সিংহই আহোমক পৰাস্ত কৰে আৰু বৃহৎ ক্ষতিৰে বৰফুকনে পিছ হুহকিব লগা হয়। ৰজা ৰাম সিংহই শান্তিৰ প্ৰস্তাৱ আগবঢ়াই আৰু কিছুদিনৰ বাবে দুই প্ৰতিদ্বন্দ্বী শিবিৰৰ মাজত বৈৰিতাৰ শাম কাটে।

এই সময়ছোৱাতে চুন্যাৎফা বা উদয়াদিত্য সিংহই চক্ৰধ্বজ সিংহৰ ঠাইত স্থলাভিষিক্ত হ'ল। ৰজা ৰাম সিংহই আহোমক পুনৰ পুৱণি চাৰিসীমা মানি ল'বৰ বাবে হেঁচা দিলে। যিহেতু তেওঁ এই ক্ষেত্ৰত ব্যাকুল হৈ পৰিছিল আৰু সেয়েহে তেওঁ সীতামাৰীলৈ আগবাঢ়ি গৈছিল। আহোমেও চামধৰাৰ পৰা শ্ৰীঘাটলৈ আগুৱাইছিল। আহোমে এখন যুদ্ধত জয়লাভ কৰিছিল যদিও নৌ যুদ্ধত পৰাজিত হোৱাৰ বাবে সেন্যবাহিনী পিছ হুহকিব লগা হৈছিল। যেতিয়াই আহোম শক্তি বৃদ্ধি পালে, তেতিয়াই আহোমে মোগলক নৌ যুদ্ধ হৰুৱাবলৈ সক্ষম হ'ল আৰু তেওঁলোকে দ্বিতীয়খন স্থল যুদ্ধতো জয়লাভ কৰিলে। শৰাইঘাটৰ নিৰ্ণয়কাৰী যুদ্ধত জয়লাভ কৰাত নেতৃত্ব দিয়া লাচিত বৰফুকনে নৰিয়া দেহাৰে মৃত্যুক সাৱতি লৈছিল। 1671 চনৰ মাৰ্চৰ শেষলৈ উপৰ্যুপৰি পৰাজয়ৰ বাবে ৰাম সিংহই ৰঙামাটিলৈ পিছুৱাই গৈছিল। ইয়াৰ পৰৱৰ্তী সময়ছোৱাত কিছু বছৰৰ বাবে শান্তি বিৰাজ কৰিছিল। চুদাইফা (1677–1679 খ্ৰীঃ) ৰ সময়ত আহোমে মোগলৰ হাতত গুৱাহাটী হেৰুৱাব লগা হৈছিল। 1679 চনত বুঢ়াগোঁহাইৰ সৈতে বিবাদত লিপ্ত হৈ মোগলৰ সৈতে মিত্ৰতা স্থাপন কৰি নতুন বৰফুকনে গুৱাহাটী মোগলৰ হাতত গতাই দিছিল।

গদাধৰ সিংহ(1681–1696 খ্ৰীঃ) ৰ সময়ত শেষ মুছলমান যুদ্ধখন সংঘটিত হৈছিল। সিংহাসনত আৰোহন কৰি তেওঁ পোনতে মোগলক গুৱাহাটীৰ পৰা উৎখাত কৰাৰ কাৰ্যপন্থা হাতত লৈছিল। প্ৰথম আক্ৰমণত কাজলি আৰু বংশবাৰীৰ দুৰ্গ আহোমৰ হাতত পৰে। বৰনদীৰ পাৰত হোৱা এক নৌ যুদ্ধত আহোম সৈন্য জয়ী হয়। গুৱাহাটীৰ মোগল ফৌজদাৰজন প্ৰতিৰোধ কৰিবলৈ তেনেই নিশকতীয়া আছিল আৰু তেওঁ পলাই গৈছিল। এনেদৰে অজস্ৰ সা-সম্পদসহ আহোমে গুৱাহাটী পুনৰ দখল কৰিছিল। তেতিয়াৰে পৰা মানাহ নদীক দুয়োপক্ষই সীমা হিচাপে মানি লৈছিল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ মিৰ জুমলাই কেতিয়া অসম আক্ৰমণ কৰিছিল?

.....

.....

প্ৰশ্ন নং ৭ ঃ কাৰ ৰাজত্বকালত মিৰ জুমলাই অসম আক্ৰমণ কৰিছিল?

.....

.....

প্ৰশ্ন নং ৮ ঃ মুছলমানসকলে অসমলৈ অহাৰ সময়ত আহোমসকলৰ ৰাজধানীৰ নাম কি আছিল?

.....

.....

প্ৰশ্ন নং ৯ ঃ মিৰ জুমলাৰ আক্ৰমণৰ ফল কি হৈছিল ?

.....

.....

প্ৰশ্ন নং ১০ ঃ কাৰ ৰাজত্বকালৰ সময়ত মুছলামনৰ লগত শেষ যুদ্ধখন লাগিছিল ?

.....

.....

১.৫ ৰুদ্ৰ সিংহ

1696 চনত পিতৃ গদাধৰ সিংহৰ পিছত চুক্ৰুংফাই (1696–1714 খ্ৰীঃ) ৰুদ্ৰ সিংহ নাম লৈ ৰাজপাটত বহে। তেওঁৰ ৰাজত্বকালৰ সময়ত কছাৰীবোৰে তাম্ৰধ্বজৰ অধীনত স্বাধীনতা বিচাৰে। সেইবাবে কছাৰীসকলক বশ কৰিবৰ বাবে ৰুদ্ৰ সিংহই বৰ্ব্বৰুৱা আৰু পানী ফুকনৰ অধীনত আহোম সৈন্য প্ৰেৰণ কৰিছিল। দুয়োজন বিষয়াই শত্ৰু ৰাজ্যখন আক্ৰমণ কৰাৰ বাবে বেলেগ বেলেগ দিশ নিৰ্বাচন কৰিছিল। 1706 চনৰ ডিচেম্বৰ মাহত বৰবৰুৱাই তেওঁৰ অভিযান আৰম্ভ কৰিছিল আৰু সুদীৰ্ঘকালীন এই যুদ্ধ যাত্ৰাত তেওঁ নগাসকলৰ লগত যুদ্ধ কৰিব লগা হৈছিল। কছাৰী ৰাজধানী মাইবং দখল কৰা হৈছিল আৰু বৃহৎ মাত্ৰাত সম্পদ লুণ্ঠন কৰা হৈছিল। অন্যহাতে পানী ফুকনে ৰহালৈ বুলি আগবাঢ়িল, তেওঁ কোনো ধৰণৰ প্ৰতিৰোধ নোপোৱাকৈ ডেমেৰা অধিকাৰ কৰি লৈছিল। আহোম সৈন্যক কছাৰীসকলে ভয় কৰিছিল বাবে কোনো প্ৰতিৰোধ আগবঢ়োৱা নাছিল। কম দিনৰ ভিতৰত মাইবঙত পানী ফুকন আৰু বৰবৰুৱা লগ হৈছিল। কিন্তু বেয়াবতৰৰ বাবে সৈন্যসকলে আগবাঢ়ি যাব পৰা নাছিল।

ৰুদ্ৰ সিংহ খাছপুৰ পৰ্যন্ত আগবাঢ়ি যাবলৈ আগ্ৰহী আছিল। বৰবৰুৱা নৰীয়াত পৰিছিল আৰু ডেমেৰালৈ ঘূৰি অহা পথত তেওঁৰ মৃত্যু হৈছিল।অৱশ্যে পানী ফুকনে যাত্ৰা অব্যাহত ৰাখিছিল আৰু ছামপানি গৈ পাইছিল। অৱশ্যে 1707 চনৰ মাৰ্চ মাহৰ শেষলৈ বেমাৰ আৰু বৰষুণৰ বতৰত সৈন্যৰ মৃত্যু ঘটাৰ বাবে ৰুদ্ৰ সিংহই সেন্যদলক উভতি আহিবলৈ ক'ব লৈ বাধ্য হৈছিল। সেই সময়তে তাম্ৰধ্বজে বিক্ৰমপুৰলৈ পলাই গৈছিল আৰু আহোম সৈন্যৰ আগমন দেখি জয়ন্তীয়া ৰজা ৰাম সিংহৰ সহায় বিচাৰিছিল। যেতিয়াই তেওঁ আহোম সৈন্য উভতি যোৱা বুলি শুনিবলৈ পালে তেতিয়া তেওঁ ৰাম সিংহই সহায় কৰিব আহিব নালাগে বুলি অবগত কৰিলে। অৱশ্যে ৰাম সিংহই আন ধৰণে পৰিকল্পনা কৰিছিল। তেওঁ কছাৰী ৰজা আৰু তেওঁৰ কেবাজনো পৰিয়ালৰ সদস্যক বন্দী কৰিছিল আৰু বান্দাশিল আৰু ইচ্ছামাটিৰ দুৰ্গ দুটি দখল কৰিছিল। তাম্ৰধ্বজে তেতিয়া ৰুদ্ৰ সিংহৰ সহায় বিচাৰিলে আৰু তেওঁ কৰা ভুলৰ বাবে ক্ষমা বিচাৰিলে।

এনেদৰে কছাৰী ৰজাক মুক্ত কৰাৰ বাবে ৰুদ্ৰ সিংহই জয়ন্তীয়া ৰাজ্যৰ ফালে অভিযান চলালে। সৈন্য বাহিনীক আকৌ দুটা ভাগত বিভক্ত কৰা হ'ল। বৰবৰুৱা আৰু বৰফুকনে বাহিনীৰ নেতৃত্ব দিছিল। মুলাগুল পাই বৰবৰুৱাই তাম্ৰধ্বজ আৰু তেওঁৰ পৰিয়ালক তাৎক্ষণিকভাৱে মুকলি কৰি দিবৰ বাবে ৰাম সিংহলৈ এক বার্তা প্ৰেৰণ কৰিছিল। ৰাম সিংহই ইয়াৰ উত্তৰত তেওঁলোকক মোকোলাই দিয়াৰ প্ৰস্তাৱ মানি ল'লে যদিও বৰবৰুৱা আৰু বৰফুকনৰ নেতৃত্বাধীন আহোম সৈন্যৰ অভিযান বন্ধ ৰখাৰ চৰ্ত আগবঢালে। ৰাম সিংহই বন্দীসকলক মোকোলাই দিলে যদিও আহোম সৈন্যই তেওঁলোকৰ যুদ্ধাভিযান অব্যাহত ৰাখিলে। ৰাম সিংহই এখন ডাঙৰ যুদ্ধৰ বাবে প্ৰস্তুতি চলালে যদিও তেওঁ বৰবৰুৱাৰ আগত আত্মসমৰ্পণ কৰিব লগা হ'ল আৰু তেওঁক বন্দী কৰা হ'ল। এই সময়তে বৰফুকনে জয়ন্তীয়া ৰাজ্য অভিমুখে আগবাঢ়িছিল।

বাটত জয়ন্তীয়াসকলে তেওঁক বাধা দিবলৈ প্ৰয়াস কৰিলে যদিও একাধিক বাৰ তেওঁলোকে পলাই গৈছিল। যেতিয়া জয়ন্তীয়া ৰাজ বিষয়াৰ দলে তেওঁলোকৰ শাসকক কৰায়ত্ব কৰাৰ খবৰ শুনিলে তেতিয়া আক্ৰমণকাৰীসকলক খেদি পঠাবৰ বাবে খৈৰামৰ ৰজা বৰদলৈ আৰু দুশখন স্বতন্ত্ৰ খাচী গাঁৱৰ আবাসীসকলৰ সহায় বিচাৰিলে। যেতিয়া জয়ন্তীয়া ৰজাক গোভালৈ লৈ অনা হ'ল তেতিয়া আহোম সৈন্যই জয়ন্তীয়া সেনা বাহিনীৰ পৰা কঠিন প্ৰতিৰোধৰ সন্মুখীন হ'ল। আহোম সৈন্যৰ ওপৰত তেওঁলোকে সততে আচম্বিত আক্ৰমণ

চলালে। এনে আক্রমণৰ ফলত আহোম সৈন্যই পলাবলৈ বাধ্য হ'ল। ৰুদ্র সিংহই ততাতৈয়াকৈ বুঢ়াগোঁহাইৰ অধীনত অতিৰিক্ত সৈন্যবল প্রেৰণ কৰিলে যদিও জয়ন্তীয়া সেনাক বশ কৰিব পৰা নগ'ল। কিন্তু আহোমে বহু গাওঁ ধ্বংস তথা তেওঁলোকৰ বহুত শত্রুক হত্যা কৰিলে। বৰষুণৰ বতৰ আৰম্ভ হোৱাৰ বাবে আহোম সৈন্য পিছুৱাই আহিল। এই যুদ্ধবোৰত আহোমৰ পক্ষত 2366 জন সেনাৰ মৃত্যু হ'ল যাৰ ভিতৰত 12 গৰাকী শীৰ্ষ বিষয়াও আছিল।

আহোম ৰজাই তেওঁৰ ওচৰত বশ স্বীকাৰ কৰাৰ পাছত তাম্রধ্বজক মোকলাই দিলে। অৱশ্যে গ্রহণীত আক্রান্ত হৈ জয়ন্তীয়া ৰজাৰ মৃত্যু হ'ল। আহোমে সম্ভৱতঃ তেওঁৰ সন্তানক মোকোলাই দিছিল। ৰুদ্র সিংহই ইয়াৰ পিছতে মোগলৰ বিৰুদ্ধে যুদ্ধ কৰাৰ পৰিকল্পনা গ্রহণ কৰিলে। এই অভিযানত তেওঁক কছাৰী, জয়ন্তীয়া ৰজা আৰু ডফলাসকলে সহায় কৰিলে। এক বৃহৎ সৈন্য বাহিনী লৈ তেওঁ গুৱাহাটী অভিমুখে আগবাঢ়িল যদিও 1714 চনৰ আগষ্ট মাহত বেমাৰ হৈ তেওঁৰ মৃত্যু ঘটিছিল।

ৰুদ্র সিংহই ইটাৰ নগৰী ৰংপুৰ, নামডাং আৰু ডিমৌ নগীৰ ওপৰত দলং আৰু খৰিকটীয়া, দুৱৰিয়াম আৰু মেটেকাৰ পথ নির্মাণ কৰিছিল। জয়সাগৰৰ মন্দিৰ আৰু পুখুৰী তথা ৰঙ্গনাথৰ মন্দিৰ আৰু পুখুৰী তেওঁৰেই নিমার্ণ কৰিছিল। পূর্বসুৰীসকলে গ্রহণ কৰা অকলশৰীয়াকৈ থকাৰ পন্থাক তেওঁ পচণ্ড কৰা নাছিল; বৰঞ্চ দেশৰ বিভিন্ন প্রান্তলৈ তেওঁ দূত প্রেৰণ কৰিছিল। বহুতো পাহাৰীয়া জাতিয়ে তেওঁৰ শৰাণাপন্ন হৈছিল। বংগৰ নদিয়া জিলাৰ শাক্ত পন্থী মহন্ত কৃষ্ণৰাম ভট্টাচার্যৰ ওচৰত তেওঁ শৰণ লৈছিল। বৈষ্ণৱ গোঁসাইসকলক হাৰাশাস্তি কৰা তেওঁৰ পিতৃৰ নীতিক ৰুদ্র সিংহই সলাই পেলাই। তেওঁ পৰিবর্তন ঘটাই গোঁসাইসকলক পূর্বৰ স্থান ঘূৰাই দিছিল তথা সন্মান যাচিছিল। তেওঁক আহোমসকলৰ মাজৰ এজন শ্রেষ্ঠ শাসক বুলি গণ্য কৰা হয়।

5 জানি থোৱা ভাল

চুহুংমুঙৰ পৰা ৰুদ্র সিংহলৈ আহোম ৰজাসকলৰ কালানুক্রম

1) চুহুংমুং উপদিহিঙীয়া ৰজা	খৃ 1497 – 1539 লৈ
2) চুক্লেনমুং উগড়গয়া ৰজা	খৃ 1539 – 1552 লৈ
3) চুখামফা উখোৱা ৰজা	খৃ 1552 – 1603 লৈ
4) চুছেংফা উবুঢ়া ৰজা	খৃ 1603 – 1641 লৈ
5) চুৰাম্ফা উভগা ৰজা	খৃ 1641 – 1644 লৈ
6) চুত্যিনফা উনৰিয়া ৰজা	খৃ 1644 – 1648 লৈ
7) চুটাম্লা উজয়ধ্বজ সিংহ	খৃ 1648 – 1663 লৈ
8) চুপুংমুং উচক্রধ্বজ সিংহ	খৃ 1663 – 1669 লৈ
9) চুন্যাত্ফা উউদয়াদিত্য সিংহ	খৃ 1669 – 1673 লৈ
10) চুক্লামফা উৰামধ্বজ সিংহ	খৃ 1673 – 1675 লৈ
11) চুহুং	খৃ 1675 – 1675 লৈ
12) গোবৰ	খৃ 1675 – 1675 লৈ(20দিনৰবাৰে)
13) চু জিনফা	খৃ 1675 – 1677 লৈ
14) চুডাইফা	খৃ 1677 – 1679 লৈ
15) চুলিকফা উল'ৰা ৰজা	খৃ 1679 – 1681 লৈ
16) চুপাতফা উগদাধৰ সিংহ	খৃ 1681 – 1696 লৈ
17) চুক্রুংফা উৰুদ্র সিংহ	খৃ 1696 – 1714 লৈ

Wঅগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১১ ঃ ৰুদ্ৰ সিংহৰ আহোম নাম কি আছিল?

.....

প্ৰশ্ন নং ১২ ঃ আহোমৰ সৈতে যুদ্ধত লিপ্ত হোৱা কছাৰী ৰজাজনৰ নাম কি আছিল?

.....

প্ৰশ্ন নং ১৩ ঃ ৰুদ্ৰ সিংহৰ সমসাময়িক জয়ন্তীয়া ৰজাজন কোন আছিল?

.....

প্ৰশ্ন নং ১৪ ঃ কোনজন গুৰুৰ অধীনত ৰুদ্ৰ সিংহই শৰণ লৈছিল?

.....

প্ৰশ্ন নং ১৫ ঃ ৰুদ্ৰ সিংহৰ মৃত্যু কোনটো বৰ্ষত হৈছিল?

.....

2১.৬ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়নৰ কৰি আপুনি —

- আহোমসকলে ব্ৰহ্মপুত্ৰ উপত্যকাত নিজকে প্ৰতিষ্ঠা কৰিবলৈ লওঁতে সন্মুখীন হোৱা আহোম-কোচ আৰু আহোম-মোগল সংঘাতসমূহৰ বিষয়ে জানিব পাৰিলো।
- চুছুহুংমুঙৰ ৰাজত্বকালৰ সময়ছোৱাত মোগল, চুতীয়া আৰু নগা আদিৰ লগত সংঘটিত হোৱা আহোমৰ যুদ্ধৰ বিষয়ে জানিব পাৰিলোঁ।
- চুহুংমুঙৰ শাসনকালৰ পৰা ৰুদ্ৰ সিংহৰ সময়ছোৱালৈ আহোমে যুদ্ধ চলাই গৈছিল আৰু দাঁতি কাষৰীয়া ৰাজ্যবোৰক বশ কৰাত সফল হৈছিল। এই সময়ছোৱাতে আহোমসকলৰ উত্থান হৈছিল বাবে এই খিনি সময়ক অতিকৈ গুৰুত্বপূৰ্ণ কাল বুলি জনা যায় আৰু আহোম ৰাজবংশৰ সোণালী যুগ বুলি অভিহিত কৰিব পাৰি।
- এই সময়ছোৱাত মোগল সৈন্যৰ বলপূৰ্বক প্ৰৱেশক প্ৰতিহত কৰা হৈছিল। বৈবাহিক সম্পৰ্ক স্থাপনেৰে আহোমে কৰতলীয়া ৰজাসকলৰ লগত বন্ধুত্ব স্থাপন কৰিছিল।
- এই সময়ছোৱাত বাখৰৰ ব্যৱহাৰ, স্থাপত্য আৰু কলাৰ উন্নতি সাধন তথা এক নতুন ধৰ্মীয় পৰম্পৰা আৰু সামাজিক সংস্কৃতিৰ উদয় ঘটিছিল। অৱশ্যে ৰুদ্ৰ সিংহৰ ৰাজত্বৰ শেষত পৰৱৰ্তী শাসকৰ সময়ছোৱাৰ পৰা আহোম ৰাজ বংশৰ পতন আৰম্ভ হৈছিল।

O ১.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Barpujari, H.K (2004), *The Comprehensive History of Assam,* Volume-II, Publication Board Assam.
2) Baruah, S.L (2014), *A Comprehensive History of Assam,* Munishram Manoharlal.
3) Gait, Edward (2004), *A History of Assam,* Eastern Book House.

K১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ নৰনাৰায়ণ
২ নং প্রশ্নৰ উত্তৰ ঃ চিলাৰায়
৩ নং প্রশ্নৰ উত্তৰ ঃ গোঁহাই কমল আলি
৪ নং প্রশ্নৰ উত্তৰ ঃ ম !লদহি
৫ নং প্রশ্নৰ উত্তৰ ঃ বলি নাৰায়ণ বা ধর্ম নাৰায়ণ
৬ নং প্রশ্নৰ উত্তৰ ঃ 1662
৭ নং প্রশ্নৰ উত্তৰ ঃ জয়ধ্বজ সিংহ
৮ নং প্রশ্নৰ উত্তৰ ঃ গড় গাও
৯ নং প্রশ্নৰ উত্তৰ ঃ ব্রহ্মপুত্রৰ উত্তৰ পাৰে ভৰলী নদীৰ পশ্চিমলৈ আৰু দক্ষিণে কলং নদীলৈ এই ভূ-ভাগ আহোমৰ হাতৰ পৰা মোগলৰ হাতলৈ গ'ল।
১০ নং প্রশ্নৰ উত্তৰ ঃ গদাধৰ সিংহ
১১ নং প্রশ্নৰ উত্তৰ ঃ চুক্রুংফা
১২ নং প্রশ্নৰ উত্তৰ ঃ তাম্রধ্বজ
১৩ নং প্রশ্নৰ উত্তৰ ঃ ৰাম সিংহ
১৪ নং প্রশ্নৰ উত্তৰ ঃ কৃষ্ণ ৰাম ভট্টাচার্য
১৫ নং প্রশ্নৰ উত্তৰ ঃ 1714

M১.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ 50 শব্দৰ ভিতৰত লিখক)
প্রশ্ন ১ঃ গোঁহাই কমল আলিৰ নিদর্শন কার্য কেতিয়া সম্পূর্ণ হয়?
প্রশ্ন ২ঃ খোৰা ৰজা হিচাপে কোন জনাজাত আছিল?
প্রশ্ন ৩ঃ ৰুদ্র সিংহৰ আহোম নাম কি আছিল?
প্রশ্ন ৪ঃ মিৰজুমলাই কেতিয়া অসম আক্রমণ কৰিছিল?

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ 150–300 শব্দৰ ভিতৰত লিখক)
প্রশ্ন ১ঃ আহোম-কোচ যুদ্ধৰ এক সংক্ষিপ্ত বিৱৰণ দাঙি ধৰক।
প্রশ্ন ২ঃ আহোম-মোগল সংঘাতৰ কাৰকসমূহৰ বিষয়ে লিখি উলিওৰাক।
প্রশ্ন ৩ঃ ৰুদ্র সিংহৰ প্রত্নতাত্ত্বিক কৃতিৰ বিষয়ে আলোচনা কৰক।
প্রশ্ন ৪ঃ নৰ নাৰায়ণ কোন আছিল?

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ 300–500 শব্দৰ ভিতৰত লিখক)
প্রশ্ন ১ঃ আহোম-মোগল যুদ্ধৰ বিষয়ে আলোচনা কৰক।
প্রশ্ন ২ঃ আহোমৰ সময়ত মিৰজুমলাই কৰা আক্রমণৰ এক বর্ণনা দিয়ক।
প্রশ্ন ৩ঃ ৰুদ্র সিংহৰ মহত্বৰ মূল্যাংকন কৰক।

অধ্যায় ২ ঃ আহোমসকলৰ প্ৰশাসনীয় ব্যৱস্থা

অধ্যায় গাঁথনি

2.1 উদ্দেশ্য
2.2 পৰিচয়
2.3 আহোম প্ৰশাসনীয় ব্যৱস্থা
  2.3.1 কেন্দ্ৰীয় প্ৰশাসন
  2.3.2 স্থানীয় প্ৰশাসন
  2.3.3 ন্যায়িক প্ৰশাসন
  2.3.4 ৰাজহ প্ৰশাসন
  2.3.5 সামৰিক প্ৰশাসন
2.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
2.5 অধিক জানিবলৈ
2.6 অগ্ৰগতিৰ খতিয়ান
2.7 আৰ্হি প্ৰশ্ন
2.9 আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ঃ -

- আহোম প্ৰশাসনীয় ব্যৱস্থাত প্ৰশাসনৰ গঠনৰ আলোচনা কৰিবলৈ সক্ষম হ'ব
- আহোমৰ কেন্দ্ৰীয় আৰু স্থানীয় প্ৰশাসনৰ বিষয়ে আলোচনা কৰিব পাৰিব
- আহোমৰ ন্যায়িক প্ৰশাসনৰ বিষয়ে আলোচনা কৰিব পাৰিব
- আহোমৰ ৰাজহ প্ৰশাসনৰ বিষয়ে আলোচনা কৰিবলৈ সমৰ্থ হ'ব
- আহোমৰ সামৰিক প্ৰশাসনৰ বৰ্ণনা কৰিব পাৰিব।

২.২ পৰিচয়

আপুনি ইয়াৰ আগৰ অধ্যায়টোত ৰুদ্ৰ সিংহৰ দিনলৈকে আহোমৰ ক্ষমতা আৰু তেওঁলোকৰ পতনত অৰিহণা যোগোৱা কাৰকসমূহৰ বিষয়ে পঢ়িলে। এই অধ্যায়টোত আমি শক্তিশালী আহোম সাম্ৰাজ্যৰ ভেটিস্বৰূপ আহোমসকলৰ প্ৰশাসনৰ বিষয়ে আলোচনা কৰিম। শাসন, চৰকাৰ গঠন, কেন্দ্ৰীয় আৰু স্থানীয় প্ৰশাসন, ন্যায়িক প্ৰশাসন, ৰাজহ প্ৰশাসন আৰু সামৰিক প্ৰশাসনৰ বিষয়ে আলোচনা আগবঢোৱা হৈছে।

২.৩ আহোম প্ৰশাসনীয় ব্যৱস্থা

আহোমসকল বিখ্যাত টাই বংশৰ এটা ভাগ। তেওঁলোকে 13 শতিকাৰ আৰম্ভণিতে ব্ৰহ্মপুত্ৰ উপত্যকাত এখন ৰাজ্য প্ৰতিষ্ঠা কৰিছিল আৰু 19 শতিকাৰ প্ৰথম চতুৰ্থাংশত বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে নিজৰ ক্ষমতা প্ৰতিষ্ঠা কৰা পৰ্যন্ত অসমত শাসন কৰিছিল। তেওঁলোকৰ 600 বছৰীয়া দীঘলীয়া শাসনকাল কিছু পৰিমাণে উপযুক্ত প্ৰশাসনৰ কাৰণেই সম্ভৱ হৈছিল।

আধুনিক দেশবোৰৰ নিচিনাকৈ আহোমসকলৰ কোনো লিখিত সংবিধান নাছিল। ই বহু পৰিমাণে চলিত ৰীতিৰ ওপৰতে আশ্ৰিত আছিল আৰু লিখিত বংশাৱলীত অন্তৰ্ভুক্ত আছিল। আহোমসকলৰ সংবিধান বুলি ক'লে কিছু বংশাৱলী আৰু ৰীতি-নীতিকে বুজায়। আহোমসকলৰ উপযুক্ত প্ৰশাসনীক ব্যৱস্থাই দিছিল, যাৰ কাৰণে আহোমসকল অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত নিজৰ প্ৰভুত্ব স্থাপন কৰাত সক্ষম হৈছিল।

আহোমসকলৰ শাসন ব্যৱস্থা ৰাজতান্ত্ৰিক আছিল। যদিও আকৃতিত ৰাজতন্ত্ৰ চৰম আছিল। তথাপি ইয়াত গণতন্ত্ৰৰ উপাদান থকাৰ কাৰণে কাৰ্যক্ষেত্ৰত ই সীমাবদ্ধ আছিল। ৰজা বা স্বৰ্গদেউ আছিল সৰ্বোচ্চ ক্ষমতাৰ অধিকাৰী। যি নহওক, সময়ত শক্তিশালী গোঁহাইসকলে (বুঢ়াগোহাঁই, বৰগোহাঁই আৰু বৰপাত্ৰ গোহাঁই) দুৰ্বল আহোম শাসকসকলক ৰক্ষা কৰিছিল। চলিত প্ৰথমতে শাসকজন সকলো ক্ষমতাআৰু ন্যায়ৰ অধিকাৰী আছিল। ৰজাই সৰ্বোচ্চ আছিল যদিও তেওঁ বুঢ়াগোহাঁই বৰগোঁহাই, বৰপাত্ৰগোহাঁই, বৰবৰুৱা, বৰফুকন, মেলদাগীয়া ৰজাসকল, দাঁতীয়ালীয়া গোহাঁইসকল আৰু কৰতলীয়া ৰজাসকলৰ লগতো আলোচনা কৰাটো আৱশ্যক আছিল। আহোম ৰজাৰ লগত দেৱত্ব সংযোগ কৰা হৈছিল আৰু তেওঁক টাই-আহোম শব্দ চেঅ'ফা (স্বৰ্গৰ ৰজা) ৰ অসমীয়া প্ৰতিশব্দ স্বৰ্গদেউ বুলি কোৱা হৈছিল। কিন্তু আহোম শাসনৰ পিছৰ সময়ছোৱাত ৰজাৰ স্বৰ্গীয় মূলৰ ধাৰণাটোৱে বেলেগ পথ লৈছিল আৰু অঙ্গত ক্ষত থকা ৰাজকুমাৰ আহোম সিংহাসনৰ কাৰণে অনুপযুক্ত বিবেচিত হৈছিল।

সাধাৰণতে উত্তৰাধিকাৰীস্বত্বে পুৰুষসকলে জ্যেষ্ঠানুক্ৰমে সিংহাসনত আৰোহণ কৰাৰ প্ৰথা আছিল। কিন্তু ন্যায্য দাবীদাৰা নাথাকিলে ৰজাৰ ভ্ৰাতৃ বা তেওঁৰ ওচৰ সম্পৰ্কীয় সিংহাসন প্ৰদান কৰা হৈছিল। ৰজা বাচনিৰ দায়িত্বটো প্ৰদান কৰা হৈছিল। ৰজা বাচনিৰ দায়িত্বটো তিনিগৰাকী গোহাঁই ক্ৰমে বুঢ়াগোহাঁই, বৰগোহাঁই আৰু বৰপাত্ৰগোহাঁইৰ হাতত ন্যস্ত কৰা হৈছিল। আনকি তেওঁলোকে নিজকে অপৰাধী বোধ কৰিলে আৰু ৰজাজনক পদচ্যুত কৰিবও পাৰিছিল। আহোম ৰাজকীয় প্ৰথা অনুসৰি, "তেওঁ, যাৰ পূৰ্বপুৰুষ কেতিয়াও শাসক নাছিল, তেওঁ এজন ৰজা হ'ব বুলি কথমপিহে আশা কৰা যায়।" টাই-আহোম ৰীতি অনুসৰি ৰাজপৰিয়ালৰ সদস্য আৰু চুকাফাৰ পোনপটীয়া বংশৰ নহ'লে কোনোপধ্যেই সিংহাসনত আৰোহণ কৰিব নোৱাৰিছিল। এজন ৰজাৰ মকৰলত বিভিন্ন আহোম পৰিয়ালৰ উপস্থিতি গুৰুত্বপূৰ্ণ বিষয় আছিল। ৰজাজনক ছটা আহোম পৰিয়াল যথা চাৰিঙ্গিয়া, দিহিঙ্গিয়া, নামৰুপীয়া, চামগুৰীয়া, পৰ্বতীয়া আৰু তুংখুঙীয়াৰ মাজৰ পৰা বাছনি কৰা হৈছিল। গোহাঁই তিনিজনে বাছনি কৰা ৰজাজনক বৰমেল বা পৰিষদে অনুমোদন জনাব লাগিছিল।বৰমেলখন ৰাজ্যৰ গোহাঁইসকল, ফুকনসকল, বৰুৱাসকল আৰু ৰাজখোৱাসকলৰ দ্বাৰা গঠন কৰা হৈছিল আৰু ইয়াৰ সভা বৃহৎ সভাগৃহত অনুস্থিত হৈছিল।

5 জানি থোৱা ভাল

ৰুদ্ৰ সিংহই আন্তিম শয়নৰ সময়ত তেওঁৰ মৃত্যুৰ পিছত গোটেইকেইজন পুতেকে ক্ৰমানুসাৰে ৰাজ্য শাসন কৰিব বুলি আদেশ দি চলি অহা উত্তৰাধিকাৰী স্বত্ব বা নিয়মৰ উলংঘা কৰিছিল।

আহোম ৰাজ অভিশেষক উৎসৱক শিঙৰি ঘৰত উঠা উৎসৱ বুলি কোৱা হৈছিল আৰু ইয়াৰ এটা বিশেষ গুৰুত্ব আছিল। উক্ত সকামটো পবিত্ৰ আৰু আড়ম্বৰপূৰ্ণভাৱে আনন্দ উল্লাস আৰু মহাভোজেৰে কেইবাদিন ধৰি চলিছিল। যি নহওক, উৎসৱৰ এই দিনকেইটা ধৰ্মীয় ৰীতি-নীতিবিলাক হিন্দু ধৰ্মৰ প্ৰভাৱত পৰি বিভিন্ন সময়ত বেলেগ বেলেগ হোৱা পৰিলক্ষিত হৈছিল। এই সকামৰ পিছতহে ৰজাজনে মুদ্ৰা জাৰি আৰু নিজৰ নামৰ পিছত 'সিংহ' উপাধি ব্যৱহাৰ কৰিব পাৰিছিল।

২.৩.১ Âকেন্দ্ৰীয় প্ৰশাসন

সমসাময়িক মোগল বা অন্য ভাৰতীয় শাসকীয় গোষ্ঠীতকৈ আহোমসকলৰ প্ৰশাসনীয় ব্যৱস্থা বিভিন্ন আছিল। কেন্দ্ৰীয়, প্ৰাদেশীক বা স্থানীয় প্ৰশাসনৰ কোনো স্পষ্ট বিভাজন নাছিল। আহোম ৰাজ্যখন প্ৰদেশ আৰু জিলাত বিভক্ত নাছিল। যি নহওক, আহোমসকলে মোগলৰ পৰা দখল কৰি লোৱা

অঞ্চলবোৰত পৰগণা প্ৰথাটো চলি থাকিবলৈ দিয়া হৈছিল। প্ৰশাসনীক বিভাজন নথকাৰ কাৰণে বিভাগীয় ৰাজকৰ্মাচাৰীক লৈ কেন্দ্ৰীয় প্ৰাদেশীক প্ৰশাসনৰ মাজত কোনো পাৰ্থক্য নাছিল।

আহোম প্ৰশাসনীক ব্যৱস্থাত ৰজা বা স্বৰ্গদেউ আছিল ৰাজ্য আৰু চৰকাৰ বা প্ৰশাসনৰ সৰ্বোচ্চ মূৰব্বী। ৰজাই তেওঁৰ সকলো প্ৰজাৰ ওপৰতে ক্ষমতা আৰোপ কৰিব পাৰিছিল। তেৱেই আছিল সকলো ধৰণৰ শক্তিৰ উৎস। সকলো ধৰণৰ মান, উপাধি, বাব আৰু সিদ্ধান্তবিলাক তেওঁ জাৰী কৰিছিল। ৰজাজন সেনাবাহিনীৰ মুখ্য হোৱাৰ উপৰিও কাৰ্যপালিকা, আইনকাৰী আৰু ন্যায়িক ক্ষমতাৰো শীৰ্ষত আছিল। ইয়াৰাপৰি, আহোম ৰজাজনৰ কিছুমান একচেটিয়া স্বত্ব আৰু বিশেষ সুবিধা আছিল যাৰ অপপ্ৰয়োগ দণ্ডনীয় আছিল।

ৰজাৰ পিছত পাত্ৰমন্ত্ৰী নামেৰে মন্ত্ৰীসকলৰ এটা দল আছিল যিটোৱে ৰজাক প্ৰশাসনীক বিষয়বোৰত উপদেশ দিছিল। তেওঁলোকৰ ভিতৰত তিনিজন গোহাঁই আছিল ৰাজ্যৰ স্থায়ী আৰু পুৰুষানুক্ৰমিক মন্ত্ৰী আৰু তিনিও জনৰে বাবে একে আছিল। ৰজাজনে চৰম বা স্বেচ্ছাচাৰীভাৱে শাসন কৰিব নোৱাৰিলে, গোহাঁইসকলৰ উপদেশ মতেহে দেশ শাসন কৰিব পাৰিছিল। সৰুমেল পাতি ৰাজ্যৰ বিষয়বিলাক আলোচনা কৰিবলৈ ৰজাই কটকীৰ হতুৱাই গোহাঁইসকলৰ ৰাজধানীলৈ মাতি পঠাইছিল। গুৰুত্বপূৰ্ণ বিষয়ৰ আলোচনাৰ কাৰণে বৰচ'ৰাও আছিল। আহোম ৰজাসকৰ ব্যক্তিগত সচিবোআছিল যাক মজিন্দাৰ বৰুৱা কোৱা হৈছিল আৰু যি সদায় ৰজাৰ লগত থাকিছিল। তেওঁ ঘৰুৱা আৰু বৈদেশিক কামবোৰ চোৱাচিতা কৰিব লাগিছিল।

ৰজাই যিকোনো গুৰুত্বপূৰ্ণ কথা তেওঁৰ যিকোনো পৰামৰ্শদাতাৰ লগত আলোচনা কৰিব পাৰিছিল। তথাপি আহোমৰ শাসনৰ কালছোৱাত 27 গৰাকী ৰাজমন্ত্ৰী আছিল। ৰাজমন্ত্ৰী জন ৰজাৰ দ্বাৰা নিৰ্দেশিত হৈছিল আৰু ৰজাৰ লগত যিকোনো বিষয়ৰে আলোচনা কৰিছিল। পৰামৰ্শদাতাসকলেও শাসনৰ ক্ষমতা ভোগ কৰিছিল, যিটো আমি আহোম ইতিহাসৰ সিংহাসন শূন্য অৱস্থা বা সংকট কাল (1376–1380 আৰু ১৬৮৯–1697) তদেখিআহিছোঁ।

5 জানি থোৱা ভাল

পাত্ৰমন্ত্ৰী পাঁচজন সভ্যৰে গঠিত পৰিষদ আছিল যিয়ে ৰজাক বিভিন্ন ক্ষেত্ৰত সহায় কৰিছিল। ই বুঢ়াগোহাঁই, বৰপাত্ৰগোহাঁই, বৰবৰুৱা আৰু বৰফুকনেৰে গঠিত আছিল। কিন্তু কিছুমান অৱস্থাত পৰিষদৰ সাল-সলনি কৰা হৈছিল। বুঢ়াগোহাঁই আৰু বৰগোহাঁইৰ বাব দুটা দৰাচলতে চুকাফাই সৃষ্টি কৰিছিল। তিনি শতিকাৰ পিছত চুহুংমুঙে বৰপাত্ৰগোহাঁইৰ পদ সৃষ্টি কৰে। তাৰো পিছত চুচেংফা বা প্ৰতাপ সিংহই (1603–1641 খ্ৰীঃ) বৰ্দ্ধিত আহোম সাম্ৰাজ্যৰ প্ৰয়োজন পূৰণ কৰিবলৈ বৰবৰুৱা আৰু বৰফুকনৰ পদৰ সৃষ্টি কৰে। যি নহওক, পিছৰ দুজন গোহাঁইতকৈ কম ক্ষমতাসম্পন্ন আছিল আৰু তেওঁলোকৰ পদবাটোও পুৰুষানুক্ৰমিক নাছিল। তিনিজন গোহাঁইক ডাঙৰীয়া হিচাপেও জনা গৈছিল।

দেশীয় গুৰুত্ব থকা বেহা-বেপাৰৰ বিষয়ৰ কাৰণে আহোম আৰু অনা-আহোম বিষয়ববীয়াসকলৰ বৰমেল বা ৰজাৰ বৃহৎ পৰিষদৰ ব্যৱস্থাও আছিল। প্ৰয়োজন হ'লে বৰমেল চমন কৰা হৈছিল। ইংৰজাৰ সিদ্ধান্তবোৰ মাজত সোমাব বা আইন প্ৰণয়ন কৰিবও নোৱাৰিছিল। সেয়েহে ই সম্পূৰ্ণৰূপে মন্ত্ৰণাদায়ক সভা আছিল আৰু বৰমেলৰ সিদ্ধান্তক গ্ৰহণ কৰিবলৈ ৰজা বাধ্য নাছিল। কিন্তু কাচিৎহে বৰমেলৰ সিদ্ধান্ত বা পৰামৰ্শবোৰ ৰুচিৎহে নাকচ কৰা হৈছিল। ৰজাই বৰমেলৰ ইচ্ছাবোৰক সন্মান জনাইছিল।

প্ৰতিৰক্ষা ব্যৱস্থা সুদৃঢ় কৰাৰ অৰ্থে ৰজাই দায়িত্বশীল বিষয়াসকলক কিছুমান নিৰ্দিষ্ট পৰিয়ালৰ পৰা নিয়োগ কৰিছিল।

এজন গোহাঁইৰ পিছত তেওঁৰ পুতেকে সেই বাব লাভ কৰিছিল যদিহে তেওঁ অনুপযুক্ত নহয়। এনে ক্ষেত্ৰত গোহাঁইজনৰ ভ্ৰাতৃ বা ভতিজাকক আন দুজন গোহাঁইৰ সম্মতিক্ৰমে ৰজাই বাছনি কৰিব পাৰিছিল। আহোম প্ৰসাসনীক ব্যৱস্থাত ৰজা আৰু তেওঁৰ মন্ত্ৰীসকলৰ মাজত ক্ষমতাৰ ভাৰসাম্য আছিল। যেনে দৰে চূড়ান্ত গোচৰসমূহত ৰজাক আঁতৰোৱা হৈছিল, তেনেদৰেই পৰিষদ ভংগ কৰিব পাৰিছিল। এই দমন কৰা আৰু ভাৰসাম্য ৰক্ষা কৰা প্ৰথা আহোম প্ৰশাসনীক ব্যৱস্থাৰ এটা অতুলনীয় বৈশিষ্ট্য আছিল।

অসামৰিক প্ৰশাসনৰ চোৱাচিতা কৰিবলৈ পুৰুষানুক্ৰমে সম্ভ্ৰান্ত পৰিয়ালৰ পৰা 12 জন ফুকন আৰু 20 জন বৰুৱাক বাছনি কৰা হৈছিল, যিসকল ৰজাৰ প্ৰতি দায়বদ্ধ আছিল। বৰবৰুৱাৰ প্ৰশাসনত 6 জন ফুকন ক্ৰমে নাওবৈচা ফুকন, ভিতৰুৱাল ফুকন আৰু ন ফুকন, দিহিঙ্গিয়া ফুকন, ডেকা ফুকন আৰু নেওগ ফুকনেৰে গঠিত পৰিষদে সহায় কৰিছিল। তেওঁলোকক একেলগে চ'ৰাৰ ফুকন বা চৰোৱা ফুকন বুলি কোৱা হৈছিল। বৰফুকনক সহায় কৰিবলৈ দিহিঙ্গীয়া ফুকন, চেতীয়া ফুকন, পানী ফুকন, ডেকা ফুকন, ৰাজখোৱা আৰু পানী দিহিঙ্গীয়াসকল আছিল। লগতে বৰুৱা, হাজৰীকা, শইকীয়া আৰু বৰাও আছিল। ইয়াৰোপৰি কটকী (ৰাজদূত), কাকতী (মহৰী), দলৈ (গণক), নেওগ (সামৰিক বা অসামৰিক দুয়োটা) ইত্যাদি বিভিন্ন মন্ত্ৰীও আছিল।

২.৩.২ স্থানীয় প্ৰশাসন

আগতেই উল্লেখ কৰি অহা হৈছে যে আহোম ৰাজ্যৰ কোনো নিৰ্দিষ্ট ভাগ বা স্থানীয় আৰু কেন্দ্ৰীয় প্ৰশাসনৰ মাজত কোনো নিৰ্দিষ্ট পাৰ্থক্য নাছিল। যি নহওক, আহোম শাসকসকলে উচিতভাৱে ভাৰসাম্য ৰক্ষা কৰা কাৰণে কেন্দ্ৰস্থ শাসনভাৰ বিতৰণৰ ওপৰত বিশ্বাস ৰাখিছিল। সেয়েহে তেওঁলোকে বিভিন্ন অঞ্চলৰ প্ৰশাসনৰ চোৱাচিতা কৰিবলৈ দাঁতিকাষৰীয়া শাসনকৰ্তা নিয়োগ কৰিছিল।

স্থানীয় প্ৰশাসনৰ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ বিভিন্ন ধৰণৰ বিষয়া নিয়োগ কৰা হৈছিল। এওঁলোকৰ গোহাঁই আৰু সলাল গোহাঁইয়ে আহোম প্ৰশাসনীক ব্যৱস্থাত পৃথক স্থান অধিকাৰ কৰিছিল। তেওঁলোকক দাতীয়ালীয়া গোঁহাই বুলি কোৱা হৈছিল যিটোৰ আধুনিক ৰাজনৈতিক প্ৰতিনিধিৰ সৈতে মিল আছিল।

- শদিয়া খোৱা গোহাঁইসকলে চুতীয়াসকলৰ পৰা অধিকাৰ কৰা অঞ্চলৰ চোৱাচিতা কৰিছিল আৰু তেওঁলোকৰ সদৰ ঠাই আছিল শদিয়া তেওঁলোকে মিচিমি আদি, পাহাৰীয়া মিৰি, ডফলা, খামফা আৰু অন্যান্য সৰু জনজাতিসকলৰ প্ৰতিও চকু দিবলগীয়া হৈছিল।
- মৰঙী খোৱা গোহাঁইয়ে সদৰ ঠাই মৰঙ্গীৰ পৰা ধনসিৰী নদীৰ পশ্চিমে নগাৰ ওচৰা-ওচৰিকৈ থকা অঞ্চলৰ তদাৰক কৰিছিল। তেওঁ কছাৰী, নগা, মিকিৰ আৰু অন্য জনজাতিৰ পৰা ধনসিৰীৰ নামনি অঞ্চল ৰক্ষা কৰিব লাগিছিল।
- সলাল গোহাঁইয়ে নিজৰ সদৰ ঠাই কলিয়াবৰত থাকি বিশ্বনাথৰ পৰা বৰ্তমানৰ মঙ্গলদৈ জিলাৰ মাজৰ অঞ্চলবিলাকৰ তদাৰক কৰিছিল। তেওঁ উত্তৰ অঞ্চলৰ পাহাৰীয়া জনজাতি যেনে ভূটিয়া, অকা, ডফলা আৰু মিৰিৰ প্ৰতি চকু দিব লাগিছিল। তেওঁ চাৰি-দুৱাৰ, ন-দুৱাৰ আৰু ছয়-দুৱাৰ নামৰ দুৱাৰবোৰৰ ডফলাৰ আক্ৰমণৰ পৰা ৰক্ষাও কৰিব লাগিছিল। নিৰাপত্তাৰ খাতিৰত কিছুমান চকিয়াল গোহাঁইকো দাঁতীকাষৰীয়া চাউনীৰ দায়িত্বত থকা গোহাঁই) নিযুক্তি দিয়া হৈছিল।
- দুজন কাজলীমুখীয়া গোহাঁইক নিযুক্তি দিয়া হৈছিল। তেওঁলোকে কাজলীত বাহৰ পাতি অঞ্চলটোৰ ৰাজহ আৰু অসামৰিক প্ৰশাসনৰ তদাৰক কৰিছিল। তেওঁলোকে আহোম ৰাজ্যৰ পশ্চিম সীমান্ত জয়ন্তীয়া, কছাৰী আৰু মোগলৰ পৰা ৰক্ষা কৰিব লাগিছিল। তেওঁলোকে ডিমৰুৱা আৰু জয়ন্তীয়াৰ এটা অংশৰ (গোভা, নেলী আৰু মায়ং) লগতো মোকাবিলা কৰিব লাগিছিল।

- জাগিয়াল গোহাঁইয়ে জাগি চকীত থাকি অঞ্চলটোৰ ৰাজহ আৰু অসামৰিক প্ৰশাসনৰ তদাৰক কৰিব লাগিছিল। তেওঁ অঞ্চলটোৰ বাতৰি সংগ্ৰহ কৰাৰ উপৰিও জয়ন্তীয়াসকলৰ লগত ৰাজনৈতিক সম্পৰ্কৰো তদাৰক কৰিছিল।
- ৰহিয়াল গোহাঁইয়ে ৰহা চকীত বাহৰ পাতি নগাঁও অঞ্চলৰ সাধাৰণ আৰু ৰাজহ প্ৰশাসনৰ চোৱাচিতা কৰিছিল। তেওঁ কাছাৰ অঞ্চল আৰু স্থানীয় পাহাৰীয়া জনজাতিসকলৰ খবৰ বা বাতৰিও সংগ্ৰহ কৰিছিল।

ইয়াৰোপৰি, আহোম ৰাজ্যত 7 খন চকী আছিল। প্ৰত্যেকটো চকীতে শাসন কৰিবলৈ আৰু ৰজাৰ কাৰণে একোজনকৈ চকীয়ালে বাহ ৰ পাতিছিল।

স্থানীয় প্ৰশাসনৰ চোৱাচিতা কৰাৰ কাৰণে মেলদাগীয়া বা মেলখোৱা ৰজা আছিল। ৰাজকুমাৰসকল আৰু শাসকীয় ৰজাৰ ওচৰ সম্পৰ্কীয়সকলকো কিছুমান অঞ্চলত শাসনকৰ্তা হিচাপে নিযুক্তি দি মেলখোৱা ৰজা উপাধি দিয়া হৈছিল। চিৰাং, টিপাম আৰু নামৰূপৰ পুৰুষানুক্ৰমিক মাটি-বাৰী বা জমিদাৰীবিলাক ৰাজকুমাৰসকলৰ বন্দবস্তিৰ কাৰণেই তৈয়াৰ কৰা হৈছিল। তেওঁলোকৰ ভিতৰত ভাবী উত্তৰাধিকাৰীজনক চিৰাং ৰজা পতা হৈছিল। সিংহাসন আৰোহনৰ ক্ৰম অনুসাৰে তেওঁৰ পিছৰ জনক টিপাম ৰজা পতা হৈছিল। ক্ৰমে ক্ৰমে দিহিং, চামগুৰি আৰু টুংখুং অঞ্চলবিলাকো ৰাজপৰিয়ালৰ সদস্যৰ তলতে ৰখা হৈছিল।

তিনিগৰাকী ডাঙৰীয়াক সেইবিলাক অঞ্চলো দিয়া হৈছিল য'ত তেওঁলোকে প্ৰায় সাৰ্বভৌম হিচাপে শাসন কৰিছিল। বুঢ়াগোহাঁইৰ শাসনৰ বিস্তৃতি দিখৌৰ উত্তৰৰ পৰা শদিয়ালৈকে আছিল। বৰগোহাঁইৰ এলেকা দিখৌৰ দক্ষিণৰ পৰা কলিয়াবৰলৈকে বিস্তৃত আছিল। বৰপাত্ৰ গোহাঁইৰো নিজৰ এলেকা আছিল। বৰপাত্ৰ গোহাঁইৰো নিজৰ এলেকা আছিল। বৰবৰুৱাৰ সদৰ ঠাই প্ৰথমে গড়গাওঁ আৰু পিছলৈ ৰংপুৰ আছিল। তেওঁৰ এলেকা গোহাঁই আৰু মেলদাগীয়া ৰজাসকলৰ তলতীয়া অঞ্চলসমূহৰ বাহিৰে, উত্তৰ দৰং গোলাঘাট, নগাঁও আৰু ৰহাক অন্তৰ্ভুক্ত কৰি শদিয়াৰ পৰা পূব কলিয়াবৰলৈকে আছিল আৰু সেই অঞ্চলটো আহোম অধিকৃত অঞ্চলসমূহৰ মধ্যভাগত অৱস্থিত আছিল। তেওঁ পূব বা উজনী অসমৰ ভাইচৰয়ৰ নিচিনা আছিল। বৰফুকন আছিল পশ্চিম বা নামনী অসমৰ ভাইচৰয়। আৰম্ভণিতে বৰফুকনৰ সদৰ ঠাই আছিল কলিয়াবৰ, কিন্তু পিছত গুৱাহাটীলৈ পৰিৱৰ্তন কৰা হৈছিল। তেওঁৰ এলেকা কলিয়াবৰৰ পৰা কামৰূপ, দৰং, নগাঁও আৰু কলিয়াবৰৰ পৰা গোৱালপাৰালৈ থকা দুৱাৰসমূহলৈ বিস্তৃত আছিল।

আহোম শাসকে নিযুক্তি দিয়া ৰাজবিষয়াসকল বিভিন্ন বাবৰ বাবে থকাৰ উপৰিও তেওঁলোকৰ সাংবিধানিক স্থিতিও আছিল ভিন্ন। আহোম ৰাজ্যতঅন্তৰ্ভুক্ত হোৱা শাসকীয় মুখীয়াসকলকো ৰাজবিষয়া হিচাপে নিযুক্তি দিয়া। প্ৰায় ভাগ ৰাজবিষয়াই কেৱল সামৰিক বিষয়া আছিল। তেওঁলোকে প্ৰত্যেকেই হাজাৰ হাজাৰ পাইকৰ গৰাকী আছিল। ইয়েই প্ৰমাণ কৰে যে ৰাজবিষয়াসকলে তেওঁলোকৰ দায়িত্বত থকা অঞ্চলসমূহৰ প্ৰশাসনৰ দায়িত্ব গ্ৰহণ কৰাৰ উপৰিও ওচৰৰ দাঁতিকাষৰীয়া অঞ্চলসমূহৰ সুৰক্ষাৰ প্ৰতিও নজৰ দিব লাগিছিল। মুঠতে ৰাজবিষয়াসকলে নিজস্ব এলেকাত আইন আৰু আদেশ বলবৎ কৰিছিল, কৰ সংগ্ৰহ কৰিছিল আৰু ন্যায় পৰিচালনা কৰিছিল। ৰজাৰ যিকোনো ৰাজবিষয়াকে নিযুক্তি দিয়া বা বৰ্খাস্ত কৰাৰ ক্ষমতা আছিল। আহোম প্ৰশাসনীক ব্যৱস্থাই স্থানীয় আৰু কেন্দ্ৰীয় প্ৰশাসনৰ মাজত সমতুল্যতা আনি দিছিল।

Wঅগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ তলৰ প্ৰশ্নসমুহৰ উত্তৰ লিখক ঃ

ক) আহোম শাসনৰ আধুনিক দেশবিলাকৰ নিচিনাকৈ কোনো লিখিত সংবিধান আছিলনে ?

.....

খ) আহোম ৰাজ্যক প্রদেশ আৰু জিলাত স্পষ্টভাৱে ভাগ হৈছিলনে?

.....

গ) আহোম শাসকসকলে কেনে প্রকাৰত বিশ্বাস কৰিছিল ?

.....

ঘ) আহোমসকলৰ চৰকাৰৰ প্রকাৰ কেনে আছিল?

.....

ঙ) সম্ভ্রান্ত মন্ত্রীসকলৰ দলক ..... বুলি জনা গৈছিল।

চ) আহোম ৰজাৰ সচিব কোন আছিল?

.....

ছ) শদিয়া খোৱা গোঁহাইসকলৰ সদৰ ঠাই ক'ত আছিল ?

.....

২.৩.৩ ন্যায়িক প্রশাসন

আহোম প্রশাসনত ন্যায়িক প্রশাসনৰ কাৰণে কোনো পৃথক বিভাগ নাছিল। যিহেতু ক্ষমতাৰ বিভাজন কৰা হোৱা নাছিল, সেয়েহে কার্যকৰী, ন্যায়িক আৰু আইনপ্রণয়নৰ ক্ষমতা একেজন মানুহৰ হাততে আছিল। ৰজাই আছিল এই তিনিওটা ক্ষমতাৰ মূৰব্বী। বৰবৰুৱা আৰু ফুকনৰ ন্যায়ালয়ৰ পৰা ৰজাৰ ন্যায়ালয়ত আপীল কৰিব পৰা গৈছিল।

- **ৰজাৰ ন্যায়ালয় ঃ** আহোম ন্যায়িক ব্যৱস্থাত ৰজাৰ ন্যায়ালয় আছিল একেবাৰে ওপৰত। এইখনেই আপীল কৰাৰ কাৰণে চূড়ান্ত ন্যায়ালয় আছিল। ৰজাৰ অনুপস্থিতিত ন্যায় সোধা ফুকনে এই ন্যায়ালয়খন পৰিচালনা কৰিছিল। এই ন্যায়ালয়ত মূল আৰু আপীল কৰা দুয়োটা ন্যায়ৰে ব্যৱস্থা আছিল। এই ন্যায়ালয়ত অসামৰিক আৰু ফৌজদাৰী গোচৰৰ উপৰিও ৰাজদ্রোহৰো সমস্যা সমাধানৰ চেষ্টা কৰা হৈছিল। প্রধান ন্যায়ালয় হোৱাৰ কাৰণেই বৰবৰুৱা, বৰফুকন আৰু শদীয়া খোৱা গোহাঁইৰ ন্যায়ালয়ৰ পৰাও আপীল লাভ কৰিছিল। ইয়াৰোপৰি ফুকনৰ ন্যায়ালয়ৰ পৰাও আপীল পাইছিল। ৰজাৰ প্রতিনিধি হিচাপে কাম কৰা ন্যায় সোধা ফুকনৰ সিদ্ধান্তই আছিল চূড়ান্ত।
- **বৰবৰুৱাৰ ন্যায়ালয় ঃ** ৰজাৰ ন্যায়ালয়ৰ পিছতে বৰবৰুৱাৰ ন্যায়ালয়ৰ স্থান আছিল। তেওঁ কার্যকৰীআৰু ন্যায়িক মন্ত্রী আছিল আৰু সকলোধৰণৰ জৰুৰী অসামৰিক আৰু ফৌজদাৰী গোচৰসমূহ তেওঁৰ ন্যায়ালয়তে নিষ্পত্তি কৰাৰ চেষ্টা কৰিছিল। তেওঁ ফুকন, ৰাজখোৱা আৰু বৰবৰুৱাৰ ন্যায়ালয়ৰ পৰা আপীল লাভ কৰিছিল। এই ন্যায়ালয়খন ইমানেই ক্ষমতাশালী আছিল যে ডাঙৰীয়া তিনিগৰাকীও ইয়াৰ পৰা সাৰি যাব নোৱাৰিছিল। এই ন্যায়ালয়ে সাধাৰণ মানুহৰ ওপৰত গুৰু শাস্তি প্রদান কৰাৰো হুকুম দিব পাৰিছিল। উচ্চ স্তৰৰ বিষয়াৰ ওপৰত কৰা গুৰু শাস্তিৰ ওপৰত ৰজাই অনুমোদন জনোৱাটো আৱশ্যক আছিল।
- **ফুকনৰ ন্যায়ালয় ঃ** আহোম ন্যায়িক ব্যৱস্থাত বৰবৰুৱাৰ ন্যায়ালয়ৰ পিছতে ফুকনৰ ন্যায়ালয়বোৰে এক বিশেষ বা সুকীয়া স্থান অধিকাৰ কৰিছিল। তেওঁলোক প্রত্যেকেই নিজৰ তলতীয়া পাইকসকলৰ মাজত হোৱা ওজৰসমূহ নিষ্পত্তি কৰাৰ প্রয়াস কৰিছিল। ফুকনৰ ন্যায়ালয়বোৰে আপীল কৰা গোচৰসমূহো নিৰীক্ষণ কৰিছিল। তেওঁলোকৰ তলতীয়া বিষয়াসকলৰ পৰাও তেওঁলোকে আপীল লাভ কৰিছিল। এই ন্যায়ালয়বোৰৰ হুকুমৰ বিৰুদ্ধে বৰবৰুৱাৰ ন্যায়ালয় বা শেষত ন্যায় সোধা ফুকনৰ ন্যায়ালয়ত আপীল জনাব পৰা গৈছিল, যিয়ে ৰজাক প্রতিনিধিত্ব কৰিছিল। ফুকনসকলে গুৰু শাস্তি দিব পাৰিলেও মৃত্যুদণ্ডৰ আদেশ দিব নোৱাৰিছিল।

- **বৰুৱাসকলৰ ন্যায়ালয় ঃ** এজন ফুকনৰ অনুপস্থিতিত বৰবৰুৱাই ন্যায়িক প্ৰশাসনৰ তদাৰক কৰিছিল। তেওঁ তৎক্ষণাত আদেশেৰে অসামৰিক আৰু ফৌজদাৰী গোচৰসমূহৰ নিষ্পত্তি কৰাৰ চেষ্টা কৰিছিল। কিন্তু এই ন্যায়ালয়ত অপীল কৰিব পৰা গৈছিল।
- **শাসনকৰ্তাৰ ন্যায়ালয় ঃ** ৰাজ কতৃপক্ষৰ অৱতাৰণা নকৰাকৈ শাসনকৰ্তাৰ ন্যায়ালয়ে অসামৰিক আৰু ফৌজদাৰী গোচৰৰ ৰায় দিব পাৰিছিল। আনকি তেওঁলোকে গুৰু শাস্তিও দিব পাৰিছিল। এনে পদক্ষেপ কিয় লোৱা হ'ল সেই বিষয়ে বৰ্ণনাই ৰাজ কতৃপক্ষৰ সন্মতিৰ কাৰণে লিখিতভাৰে যোগোযোগ কৰা হৈছিল। শাসনকৰ্তাসকলে মূল আৰু আপীল কৰা দুয়োটা গোচৰৰে নিষ্পত্তি কৰাৰ চেষ্টা কৰিছিল। কামৰূপৰ বহুসংখ্যক জনসাধাৰণৰ কাৰণে এই ন্যায়ালয়ে কাম কৰিছিল। যদিও এই ন্যায়ালয়ৰ বৰফুকনৰ মতৰ বিপক্ষে ৰজাৰ ন্যায়ালয়ৰ বৰফুকনৰ ওপৰত গোচৰ দিব পৰা গৈছিল, তথাপিও এনে কাম কাচিৎহে হৈছিল।
- **ৰাজখোৱাৰ ন্যায়ালয় ঃ** ৰাজখোৱাসকলে তেওঁলোকৰ অঞ্চলৰ ন্যায়িক প্ৰশাসনৰ দায়িত্বত আছিল। তেওঁলোকৰ তলতীয়া পাইকসকলৰ ন্যায়ৰ বিচাৰ কৰিবলৈ তেওঁলোকৰ পৃথক ন্যায়ালয় আছিল। ৰাজ কতৃপক্ষৰ অৱতাৰণা নকৰাকৈ তেওঁলোকে কেৱল সামান্য শাস্তিহে দিব পাৰিছিল। ৰাজখোৱাৰ ন্যায়ালয়ৰ হুকুমৰ আপীলবিলাক ন্যায় সোধা ফুকনে ৰজাৰ ন্যায়ালয়ত শুনানী কৰিছিল।
- **ডাঙৰীয়ৰ ন্যায়ালয় ঃ** তিনিগৰাকী ডাঙৰীয়া ক্ৰমে বুঢ়াগোহাঁই, বৰগোহাঁইও আৰু বৰপাত্ৰগোঁহাই তেওঁলাকৰ নিজা নিজা অঞ্চলত নিজেই বিচাৰকৰ্তা আছিল। তেওঁলোকে প্ৰত্যেকেই একোটা ন্যায়ালয়ত সভাপতিত্ব কৰিছিল, য'ত অসামৰিক আৰু ফৌজদাৰী দুয়ো ধৰণৰ গোচৰৰে মিমাংসাৰ চেষ্টা কৰা হৈছিল। এই ন্যায়ালয়ৰ আপীল কৰা গোচৰৰ একতিয়াৰ নাছিল। তেওঁলোকে নিজৰ খেলৰ মানুহ, তলতীয়া কৰ্মচাৰী আৰু পাইকসকলৰ ওপৰত স্বাধীন ক্ষমতা প্ৰয়োগ কৰিব পাৰিছিল। এই ন্যায়ালয়বোৰত পৰামৰ্শদাতাৰ মত লৈ চলিত নৈতিক বিধিমতে শাস্তি প্ৰদান কৰা হৈছিল।
- **গাঁৱলীয়া ন্যায়ালয় ঃ** সৰু সৰু ওজৰ আপত্তিবিলাক গাঁৱৰ নামঘৰ, মুকলি পথাৰ বা সভাৰ প্ৰভাৱশালী ব্যক্তিৰ ঘৰত নিষ্পত্তি কৰা হৈছিল। এই প্ৰথাক মেল দোৱান বুলি জনা গৈছিল। গুৰুত্বপূৰ্ণ ওজৰবিলাকৰ ক্ষেত্ৰত নিৰ্দিষ্ট গাঁওসমূহৰ উপৰিও চুবুৰীয়া গাঁওবিলাকৰ নেতৃস্থানীয় ব্যক্তিকো মেললৈ নিমন্ত্ৰণ জনোৱা হৈছিল। গোচৰ মীমাংসাৰ কাৰণে প্ৰত্যেকজন সদস্যই মাত মাতিব পাৰিছিল। এজন বয়সীয়াল প্ৰভাৱশালী ভদ্ৰ মানুহক মুখ্য বিচাৰক হিচাপে নিৰ্বাচন কৰা হৈছিল। সমবেত ৰাইজ আৰু গোচৰীয় পক্ষৰ উপস্থিতিতে তেওঁ এটা অনুসন্ধানৰ ব্যৱস্থা কৰিছিল। মেলৰ সিদ্ধান্তবোৰ সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হৈছিল। ঐক্যমত নহ'লে, উপস্থিতসকলৰ অধিকাংশৰ মতেই বাহাল থাকিছিল।
- **কামৰূপৰ অন্যান্য ন্যায়ালয়সমূহ ঃ** কামৰূপত চৌধুৰীসকলক স্থানীয় পৰ্যায়ত ন্যায়িক প্ৰশাসনৰ দায়িত্ব প্ৰদান কৰা হৈছিল। তেওঁলোকে কৰ দিব নোৱাৰা মাটিবোৰ বাজেয়াপ্ত কৰিছিল। তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল ব্যক্তিসকলৰ ওজৰ আপত্তিবিলাকৰো সমাধান কৰিছিল। চৌধুৰীসকলৰ নিচিনাকৈ তালুকদাৰসকলেও সৰু সৰু ওজৰ আপত্তিবিলাকৰ নিষ্পিত্তি কৰিছিল।

২.৩.৪ ৰাজহ প্ৰশাসন

আহোম প্ৰশাসনৰ মৌলিক ব্যৱস্থা আছিল ইয়াৰ ৰাজহ ব্যৱস্থা। আহোম ৰাজ্যৰ ভিন ভিন অঞ্চলত প্ৰচলিত থকা ৰাজহ ব্যৱস্থা ভিন্ন আছিল। পাইক প্ৰথা কলিয়াবৰৰ পৰা শদিয়ালৈকে প্ৰায় গোটেই আহোম ৰাজ্যতে প্ৰচলিত আছিল। আমি এতিয়া পাইক প্ৰথাৰ বিষয়ে আলেচনা কৰিম।

- **পাইক প্ৰথা ঃ** আহোম ৰাজত্বৰ সময়ত পাইক প্ৰথা বা মেল প্ৰথাৰ ৰাইজক ভালদৰে সংগঠিত কৰা হৈছিল। এই প্ৰথামতে ৰাজ্যৰ 16 ৰ পৰা 50 বছৰৰ যিকোনো প্ৰাপ্তবয়স্ক পুৰুষেই ৰাজ্যৰ সেৱাৰ কাৰণে পাইকৰ অন্তৰ্ভুক্ত হৈছিল। আৰম্ভণিতে 4 জন আৰু পিছলৈ তিনিজন পাইকৰ দ্বাৰা এটা

গোট গঠিত হৈছিল। গোটৰ প্ৰথম বা মূৰব্বী পাইকজনক মূল, দ্বিতীয়জনক দেৱাল আৰু তৃতীয়জনক তেৱাল বুলি কোৱা হৈছিল। গোটৰ পাইকসকলে একাদিক্ৰমে ৰাজ্যৰ সেৱা কৰিব লাগিছিল। এজন পাইকে বছৰত তিনি মাহ (পিছলৈ চাৰি মাহ) সেৱা আগবঢ়াব লাগিছিল। ৰাজ্যৰ প্ৰতি সেৱা আগবঢ়োৱাৰ উপৰিও পাইকসকলে নিজৰ গৰাকীৰ কাৰণেও কাম কৰিব লাগিছিল। খেতি-বাতি আৰু অন্যান্য সামাজিক কামৰ দায়িত্বত থকা পাইকৰ তদাৰক গোটৰ অন্য পাইকসকলে কৰিছিল। যি নহওক, জৰুৰী সময়ত বিশেষকৈ যুদ্ধৰ সময়ত সামৰিক সেৱাৰ বাবে প্ৰত্যেকটো গোটৰ পৰা 2 বা 3 জন পাইকে সেৱা আগবঢ়াবলগীয়া হৈছিল।

কিছুমান পাইক ব্যৱহাৰিক বা ব্যৱসায়িক খেল ৰূপেও সংগঠিত হৈছিল। ব্যৱসায়িক খেল ৰাজ্যৰ কাৰণে নাও সজা, কাড় চাঁচি উলিওৱা, ইত্যাদি কাম কৰিছিল। পাইকসকল মূলত দুটা বিভক্ত ভাগত বিভক্ত আছিল — কাড়ী আৰু চমুৱা। সাধাৰণ খেতিয়সকল যিসকলে যুদ্ধৰ সময়ত সৈন্য হিচাপে আৰু শান্তিৰ সময়ত শ্ৰমিক হিচাপে সেৱা আগবঢ়াব লাগিছিল বাবে তেওঁলোকক পাইক বুলি জনা গৈছিল। যিসকল খেতিয়ক বিত্তসম্পন্ন আৰু ভাল ঘৰৰ আছিল তেওঁলোকক চমুৱা পাইক বুলি কোৱা হৈছিল। তেওঁলোক প্ৰত্যেকেই বছৰি 3 টকাকৈ গা-ধন দি ব্যক্তিগতভাৱে ৰাজ্যৰ সেৱা কৰাৰ পৰা সাৰিছিল। অন্যান্য পাইকৰ ভিতৰত বিলতীয়াসকলে সম্ভ্ৰান্ত লোকৰ বাগিচাত খেতিয়ক হিচাপে দেৱলীয়াসকলে সত্ৰ আৰু মন্দিৰসমূহত আৰু বহতীয়াসকলে তেওঁলোকৰ পাহাৰীয়া মূৰব্বীৰ কাৰণে সেৱা আগবঢ়াব লাগিছিল। বিলতীয়া আৰু দেৱলীয়াসকলে বহু ধৰণৰ কৰৰ পৰা ৰেহাই পাইছিল।

ৰাজ্যৰ প্ৰতি সেৱা আগবঢ়োৱাৰ প্ৰতিদান হিচাপে প্ৰত্যেকজন পাইকে বিনামূল্যত গা-মাটি হিচাপে 2 পূৰা উৰ্ব্বৰ মাটি লাভ কৰিছিল।যি নহওক মাটি খেলৰ অন্তৰ্ভুক্ত আৰু পাইকসকলে উত্তৰাধিকাৰী স্বত্ব আৰোপ কৰিব নোৱাৰিছিল। ইয়াৰোপৰি, পাইকৰ বিনামূল্যৰ ব্যক্তিগত পুৰুষানুক্ৰমিক সম্পত্তি বাৰী-মাটি আছিল। পিছলৈ মানুহে পৰিত্যক্ত মাটি যিমান পাৰে চিকুনাব লোৱাত এটকাৰ টকা নামভুক্তি কৰ আৰোপ কৰা হৈছিল। ব্যৱসায়িক খেলৰ তলতীয়া পাইকসকলক খেতিয়ক হিচাপে গণ্য কৰা হৈছিল। তেওঁলোকে যেতিয়া অন্য ব্যৱসায়ত হাত দিছিল। তেতিয়া ব্যৱসায়ৰ স্বৰূপটো চাই তেওঁলোকৰ কৰ ধাৰ্য কৰা হৈছিল। সোণ পিতলৰ ব্যৱসায় কৰা সকলক 5 টকা, তেলৰ ব্যৱসায় কৰা আৰু মাছমৰীয়াসকলক 3 টকা আৰু মূগা কাপোৰৰ তাঁতীসকলৰ ক্ষেত্ৰত 2 টকাকৈ বছৰি কৰ ধাৰ্য কৰা হৈছিল। ব্যৱসায়িক পাইসকলৰ মাজত যাতে কোনো ধৰণৰ ব্যৱসায়িক সম্পৰ্কৰ উন্নতি নঘটে তাৰ বাবে ৰাজ কতৃপক্ষই তীক্ষ্ণ চকু দিছিল।

পাইকসকলে পাইক খেল প্ৰথাত সুস্থিৰতা আনিবলৈ কঠোৰভাৱে তদাৰক কৰিছিল। প্ৰত্যেক 20 জন পাইকৰ ওপৰত থকা বিষয়াজনক বৰা, তেওঁৰ ওপৰত যিয়ে 100 জন পাইকৰ তদাৰক কৰিছিল, তেওঁৰ পিছত হাজৰিকা যিয়ে 1000 পাইকৰ তদাৰক কৰিছিল, তেওঁৰ ওপৰত বৰুৱা যিয়ে 2000 পাইকৰ নেতৃত্ব দিছিল, তেওঁৰ পিছতে ৰাজখোৱাই 3000 পাইক আৰু ফুকনে 6000 পাইকৰ নেতৃত্ব দিছিল।

- **নামনি অসম ঃ** ওপৰত উল্লেখ কৰা হৈছে যে পাইক প্ৰথা উজনি অসমৰ কলিয়াবৰৰ পৰা শদিয়ালৈকে প্ৰচলিত আছিল। কামৰূপত মোগলে আৰম্ভ কৰা পৰগণা প্ৰথাই বৰ্তি আছিল। আহোমসকলে কামৰূপ অধিকাৰ কৰাৰ পিছত প্ৰশাসনৰ সুবিধাৰ্থে পৰগণা প্ৰথাৰ লগত পাইক প্ৰথাৰ সান-মিহলি কৰিছিল। এই প্ৰথামতে, কামৰূপৰ 26 টা পৰগণাত বিভক্ত কৰা হৈছিল। প্ৰত্যেকটো গৰগণা এজন চৌধুৰীৰ দায়িত্বত দিয়া হৈছিল, যিয়ে বেতন হিচাপে নিজে কাৰ্যনিৰ্বাহ কৰা অঞ্চলৰ এটুকুৰা মাটি লাভ কৰিছিল। পৰগণাক কিছুমান তালুকত ভাগ কৰা হৈছিল। চাৰি বা পাঁচখনমান গাঁও লগ লাগি একোটা তালুত গঠিত হৈছিল। প্ৰত্যেকটো তালুকেই এজন তালুকদাৰৰ দায়িত্বত দিয়া হৈছিল, যিয়ে বেতন হিচাপে ভূমি লাভ কৰিছিল। তালুকদাৰসকলক তলতীয়া বিষয়া ঠাকুৰীয়া

আৰু পাটগিৰিসকলে সহায় কৰিছিল আৰু তেওঁলোকেও বেতন হিচাপে ভূমি পাইছিল।

খেতিৰ উপযোগী মাটি তিনিটা ভাগত বিভক্ত কৰা হৈছিল — খেৰাজ (কৰ দিবলগীয়া), নিচ্‌ফ খেৰাজ (আধা কৰ দিবলগীয়া) আৰু লাখেৰাজ (কৰ শূন্য)। আহোম ৰজাসকলে দান দিয়া আৰু ধৰ্মীয় আৰু দাতব্য লখোৰাজ ভূমিৰ শ্ৰেণী ভাগ বৰ্তাই ৰাখিছিল। লাখেৰাজ পিছলৈ বিভিন্ন শ্ৰেণীত ভাগ কৰা হৈছিল, যথা ব্ৰহ্মোত্তৰ (ব্ৰাহ্মণসকলৰ কাৰণে), ধৰ্মোত্তৰ (ধৰ্মীয় আৰু দাতব্য কামৰ কাৰণে, যেনে— সত্ৰ), আৰু দেবোত্তৰ (মন্দিৰবিলাকৰ ভৰণ পোষণৰ কাৰণে)। দেবোত্তৰ ভূমি পিছলৈ ভোগদানী আৰু পাইকান- এই দুই শ্ৰেণীত বিভক্ত কৰা হৈছিল মন্দিৰৰ দেৱতালৈ (ৰীতিমতে দেৱতালৈ অৰ্পণ কৰা খাদ্য দ্ৰব্য) পৰিশোধ কৰিব লাগিছিল। পাইকান ভূমি খেতিয়কসকলে মন্দিৰত কাম কৰাৰ চৰ্ত সাপেক্ষে লাভ কৰিছিল। মছজিদবিলাকক অৰ্থনৈতিক সকাহ দিবলৈ পিৰনাম বা পিৰপল শ্ৰেণীৰ ভূমি দিয়া হৈছিল।

দৰঙৰ ৰাজহ প্ৰশাসন কাৰ্দপৰ সৈতে একেই আছিল। একমাত্ৰ পাৰ্থক্যটো আছিল কামৰূপত বাৰী-মাটি (ঘৰ সজা মাটি) ত, ঘৰ-কৰ নামৰ কৰ আৰোপ কৰ হৈছিল। আনহাতে দৰঙত এই কৰটো জুহাল কৰ বা চৰু ধন হিচাপে লোৱা হৈছিল। তলতীয়া ৰাজ্য ৰাণী, লুকি, বেলতলা আৰু অন্য ঠাইত ভূমি জনজাতীয় ৰীতিমতে ৰাইজে উমৈহতীয়াভাৱে ভোগ কৰিছিল।

ৰাজহৰ অন্য উৎসবিলাক আছিল তলতীয়া শাসকসকলে পৰিশোধ কৰা কৰ দান (বিক্ৰী কৰ), ফট (বজাৰ অঞ্চলত বেচা-কিনাৰ ওপৰত আৰোপ কৰা কৰ), ঘাট (নদী পাৰ হোৱা কৰ), জলকৰ (নদী আৰু হ্ৰদ বিলাকত মাছ কৰ), উভকৰ (খাৰ-বাৰুদৰ নিৰ্মাণৰ কৰ), ইত্যাদি।

২.৩.৫ সামৰিক প্ৰশাসন

আহোমসকলে ব্ৰহ্মপুত্ৰ উপত্যকাত এটা স্থানীয় ৰাজ্য স্থাপন কৰিছিল যিটো প্ৰায় 600 Âৰছৰ ধৰি বৰ্তি আছিল। এইটো সম্ভৱ হৈছিল তেওঁলোকৰ উপযুক্ত সামৰিক সংগঠনৰ কাৰণে। আহোম সেনাৰ এটা অতুলনীয় বৈশিষ্ট্য যে সমাজৰ সকলো স্তৰৰ মানুহ ইয়াত জড়িত আছিল। পাইক প্ৰথা অনুসৰি আহোম ৰাজ্যৰ সকলো সক্ষম লোকেই সামৰিক সেৱা আগবঢ়োৱাটো বাধ্যতামূলক আছিল। এক বিশাল সেন্যবাহিনীক ভৰণ পোষণৰ দিয়াৰ কোনো প্ৰয়োজন নাছিল। কৰ্তব্যত নথকা পাইকসকলৰ দ্বাৰা পদাতিক সৈন্য গঠিত হৈছিল যিটো খেলদাৰৰ জাননীত তেওঁৰ তলতীয়া বিষয়াৰ যোগেদি সংগ্ৰহ কৰা হৈছিল। ভূএগা আৰু অন্যান্য নৌ বিষয়াসকলেও সৈন্যৰ যোগান ধৰিছিল।

বৰবৰুৱা উজনি অসমৰ আৰু বৰফুকন নামনি অসমৰ মুখ্য সেনাধ্যক্ষ আছিল। জৰুৰী সময়ত ৰজাই নিজেও যুদ্ধত নেতৃত্ব দিছিল। সামৰিক প্ৰশাসনত সুস্থিৰতা আনিবলৈ 12 জন সেনা ফুকন আছিল। তাৰে 6 জনে ৰংপুৰত আৰু 6 জনে গুৱাহাটীত বাহৰ পাতিছিল। আহোম সেনাত নিয়মীয়া পদোন্নতিৰ ব্যৱস্থা আছিল বৰা, শইকীয়া আৰু হাজৰিকাৰ তলতীয়া পাইকবিলাকক উচ্চ স্তৰীয় সেনা বিষয়া ক্ৰমে ফুকন, ৰাজখোৱা আৰু বৰুৱাই নেতৃত্ব দিছিল। ফুকনৰ 6000, ৰাজখোৱাৰ 3000, বৰুৱাৰ 2000, হাজৰিকাৰ 1000, শইকীয়াৰ 100, বৰাই 20 জনক নেতৃত্ব দিছিল।

সম্পূৰ্ণ আহোম সেনাবাহিনী পদাতিক সৈন্য নৌ সেনা, হিলৈদাৰী সেনা, হাতী, অশ্বাৰোহী সেনা আৰু চোৰাংচোৱাৰে গঠিত আছিল। অসমীয়া পদাতিক সৈন্যৰ আৰু শ্ৰেষ্ঠতাৰ বিষয়ে পাৰ্চিয়ান বংশাৱলীত উল্লেখ আছে। পদাতিক সৈন্য বহুত শক্তিশালী আছিল। নৌ বিভাগ আহোম সৈন্যবাহিনীৰ এটা প্ৰয়োজনীয় বাহু বা অংশ আছিল। নৌ বি ভাগটো নাও বৈচা ফুকনৰ তলত আছিল। বহু পৰিমাণে আহোম নৌ বিভাগটোৰ কাৰণেই শক্তিশালী মোগলসকলে অসমত স্থায়ী বাহৰ পতাৰ আশা ত্যাগ কৰিবলগীয়া হৈছিল। যুদ্ধৰ নাওবিলাক যিবিলাকক বচৰি বোলা হৈছিল বহুত মজবুত আৰু দিন টিকা আছিল। এইবিলাক বৃহৎ বন্দুক আৰু টোপৰ লগতে 70 ৰ পৰা 80 জন মানুহ কঢ়িয়াব পৰাকৈ লগতে সক্ষম হৈছিল। বৃহৎ নাওবোৰ সাজিবলৈ প্ৰথমে গড়গাওঁ আৰু পাছলৈ ৰংপুৰত কেন্দ্ৰীয় কাৰখানা আছিল

যাক বাৰনাওচল বুলি কোৱা হৈছিল। ইয়াৰোপৰি গড়গাওঁ, জয়পুৰ, মাজুলি আৰু দেৰগাঁৱত সৰু কাৰখানা আছিল যাক নাওচল বোলা হৈছিল।

আহোম যুদ্ধ কার্যৰ কাৰণে হিলৈদাৰী সেনা এটা উল্লেখযোগ্য অংশ আছিল। আহোম সৈন্যবিলাক বিভিন্ন প্ৰকাৰৰ বন্দুক, হিলৈ আৰু টোপসজোৱাত সিদ্ধহস্ত আছিল। খাৰঘৰীয়া ফুকন নামৰ বিষয়াজনে অস্ত্ৰ-শস্ত্ৰ আৰু খাৰ বাৰুদৰ কার্যৰ তদাৰক কৰিছিল। হাতীত উঠি যুদ্ধ কৰা সৈন্যবোৰৰ তদাৰক কৰিছিল হাতী বৰুৱাই। মৰাণ জনজাতিৰ এটা অংশ, হাতী চুংগীয়ে ৰাজ্যৰ কাৰণে প্ৰয়োজনীয় হাতীৰ যোগান ধৰিছিল। দূর্গ গড় ভাঙিবলৈ আৰু লগতে পাতল হাবি চাফা কৰিবলৈ হাতী ব্যৱহাৰ কৰা হৈছিল, যাতে পদাতিক সৈন্য পাৰ হৈ যাব পাৰে। এইটো পদাতিক আমোদজনক যে গোটেই হস্তী বিভাগটোৰ দায়িত্ব এজন বৰুৱাই দিয়া হৈছিল যাৰ স্থান ফুকনতকৈ তলত আছিল। অশ্বাৰোহী সেনাৰো তদাৰক এজন সৈনাই কৰিছিল যাক ঘোঁৰা বৰুৱা বুলি কোৱা হৈছিল। তেওঁ ঘোঁৰাবোৰৰ হিচাপ-নিকাচ কৰিবলগীয়া হৈছিল। তেওঁ জনম, বয়স, ৰং আৰু আকাৰ চাই ঘোঁৰাবোৰৰ বিভাজন কৰিছিল। আহোম অশ্বাৰোহী সৈন্যক যুদ্ধক্ষেত্ৰত পৰিচালনা কৰা দায়িত্বও তেওঁৰ আছিল। কিন্তু যুদ্ধক্ষেত্ৰত ঘোঁৰাৰ ব্যৱহাৰ কমকৈ কৰা হৈছিল, কিয়নো অসমত ঘোঁৰা উভৈনদী নাছিল আৰু বাহিৰৰ পৰা আমদানি কৰিবলগীয়া হৈছিল। বুৰঞ্জীয়ে আহোমসকলে যুদ্ধক্ষেত্ৰত ঘোঁৰা ব্যৱহাৰ কৰাৰ উদাহৰণ কমকৈ দিয়ে।

আহোমসকলৰ অতি উচ্চ স্তৰৰ চোৰাংচোৰা প্ৰথা আছিল। যিকোনো অভিযানৰ পূর্বে শত্রুপক্ষৰ শক্তি আৰু যুদ্ধ কৌশলসমূহৰ বিষয়ে জানিবলৈ চোৰাংচোৰাক শত্রুপক্ষৰ শিবিৰলৈ পঠিওৱা হৈছিল। যুদ্ধৰ কাৰণে লগা ঠাইবোৰত দূর্গ সজা হৈছিল, যিটো মোগলসকলেও যথেষ্ট প্ৰশংসা কৰিছিল। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে থকা উল্লেখযোগ্য দূর্গবিলাক আছিল চামধৰা, শিঙৰি, শ্ৰীঘাট আৰু আগিটাঠুটী আৰু দক্ষিণফালে লাখুগড়, শিমলুগড়, কলিয়াবৰ, কাজলী আৰু পাণ্ডু। একে সময়তে গুৱাহাটী আৰু যোগীঘোপাতো দূর্গ সজা হৈছিল। দূর্গবিলাক বোকামাটি, বাঁহ আৰু কাঠেৰে সজা গৈছিল। কিন্তু কিছু সময়ত ঘাঁহ -বনো ব্যৱহাৰ কৰা হৈছিল। দূর্গসমূহ উপযুক্তভাৱে ৰক্ষণাবেক্ষণ দিয়া হৈছিল আৰু প্ৰায়ে ওচৰৰ বন্দৰত নৌসেনা মজুত কৰি ৰখা হৈছিল। ক্ৰমে ক্ৰমে মানুহে ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত নাৱৰ দলং নির্মাণতো সিদ্ধহস্ত হৈছিল। যুদ্ধৰ মূল সঁজুলিসমূহ আছিল তৰোৱাল, ধনু-কাড়, কুঠাৰ, মাটি, ইত্যাদি।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ঃ আহোমসকলৰ কার্যকৰী, আইনকাৰী আৰু ন্যায়িক বিভাগৰ মূৰব্বী কোন আছিল?

.....

প্ৰশ্ন নং ৩ঃ আহোম ন্যায়িক ব্যৱস্থাত ৰজাৰ ন্যায়ালয়ৰ পিছতে কোনখন ন্যায়ালয়ৰ স্থান আছিল?

.....

প্ৰশ্ন নং ৪ঃ কামৰূপত স্থানীয়ভাৱে কোনে ন্যায়িক প্ৰশাসনৰ তদাৰক কৰিছিল?

.....

প্ৰশ্ন নং ৫ঃ গোটত থকা দ্বিতীয়জন পাইকক কি নামেৰে জনা গৈছিল?

.....

প্ৰশ্ন নং ৬ঃ কাড়ী পাইক বুলি কাক জনা গৈছিল?

.....

প্ৰশ্ন নং ৭ঃ খেতি উপযুক্ত মাটিৰ ভাগ তিনিটা কি কি আছিল?

.....

প্ৰশ্ন নং ৮ঃ নামনি অসমত আহোম সেনাৰ মুখ্য সেনাধ্যক্ষ কোন আছিল?

.....

প্ৰশ্ন নং ৯ঃ আহোম সামৰিক প্ৰশাসনত কেইজন সেনা ফুকন আছিল?

.....

প্ৰশ্ন নং ১০ঃ আহোম সামৰিক প্ৰশাসনত নৌবিভাগ কাৰ দায়িত্বত আছিল?

.....

প্ৰশ্ন নং ১১ঃ অস্ত্ৰ -শস্ত্ৰৰ আৰু খাৰ বাৰুদৰ নিৰ্মাণ কোনে তদাৰক কৰিছিল?

.....

২.৪ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি —

- আহোমৰ শাসনকালত বৰ্তি থকা প্ৰশাসনীক ব্যৱস্থাৰ বিষয়ে জানিব পাৰিলে। আহোমসকলৰ ৰাজতান্ত্ৰীক শাসন ব্যৱস্থা আছিল বুলি উল্লেখ কৰা হৈছে।
- আহোমসকলৰ এটা শক্তিশালী কেন্দ্ৰীয় চৰকাৰ আছিল য'ত ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কৰা হৈছিল। স্থানীয় প্ৰশাসনৰ তদাৰকো ভালদৰে কৰা হৈছিল। ন্যায়িক প্ৰশাসনৰ কাৰণে তৰপে তৰপে ন্যায়ালয়ৰ ব্যৱস্থা আছিল। ৰাজহ প্ৰশাসনৰ কাৰণে উজনি অসমত পাইক আৰু নামমি অসমত পৰগণা ব্যৱস্থা আছিল।
- আহোমৰ শাসনকালত বৰ্তি থকা প্ৰশাসনীক ব্যৱস্থাৰ সামৰিক প্ৰশাসনও উপযুক্ত আছিল।

২.৫ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থঃ

1) Barpujari, H.K (2004): *The Comprehensive History of Assam, Volume-II, 2nd edition,* Publication Board Assam.
2) Baruah, S.L(2012): *A Comprehensive History of Assam, 2nd edition,* Munishram Manoharlal.

২.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ ক) শুদ্ধ খ) শুদ্ধ গ) কেন্দ্ৰীয় ক্ষমতা ঘ) ৰাজতান্ত্ৰীক ঙ) মজিন্দাৰ বৰুৱা

২ নং প্ৰশ্নৰ উত্তৰঃ ৰজা

৩ নং প্ৰশ্নৰ উত্তৰঃ বৰুৱাৰ পৰিষদ

৪ নং প্ৰশ্নৰ উত্তৰঃ চৌধুৰী

৫ নং প্ৰশ্নৰ উত্তৰঃ দেৱাল

৬ নং প্ৰশ্নৰ উত্তৰঃ সাধাৰণ খেতিয়ক যিসকলে যুদ্ধৰ সময়ত সৈন্য হিচাপে আৰু শান্তিৰ সময়ত শ্ৰমিক হিচাপে সেৱা আগবঢ়াব লাগিছিল তেওঁলোকক কাড়ী পাইক বোলা হৈছিল।

৭ নং প্ৰশ্নৰ উত্তৰঃ খেতিৰ উপযুক্ত মাটি তিনিভাগত বিভক্ত আছিল, যথা— খেৰাজ কৰ দিবলগীয়া নিচফ খেৰাজ (আধা কৰ দিবলগীয়া আৰু লেখৰাজ (কৰ শূন্য)

৮ নং প্ৰশ্নৰ উত্তৰঃ ৰৰফুকন

৯ নং প্ৰশ্নৰ উত্তৰঃ 12

১০ নং প্ৰশ্নৰ উত্তৰঃ নাওশলীয়া ফুকন

১১ নং প্ৰশ্নৰ উত্তৰঃ খাৰঘৰীয়া ফুকন

M২.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ 50 শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ কানৰি পাইক বুলি কাক জনা গৈছিল?

প্ৰশ্ন ২ঃ খেতি উপযুক্ত মাটিৰ ভাগ তিনিটা কি কি আছিল?

প্ৰশ্ন ৩ঃ অস্ত্ৰ-শস্ত্ৰ আৰু বাৰুদৰ নিৰ্মাণৰ তদাৰক কোনে কৰিছিল?

প্ৰশ্ন ৪ঃ শদিয়া খোৱা ফুকন কোন আছিল?

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ 150–300 শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ আহোম চৰকাৰৰ স্থানীয় প্ৰশাসনৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ঃ আহোমসকলৰ ৰজহ বিভাগৰ বিষয়ে চমুকৈ আলোচনা কৰক ।

প্ৰশ্ন ৩ঃ পাইক প্ৰথাৰ ওপৰত এটি চমু টোকা লিখক ।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ 300–500 শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ আহোমৰ ৰজাহ প্ৰশাসনৰ বিষয়ে আলোচনা কৰক ।

প্ৰশ্ন ২ঃ 'আহোম প্ৰশাসন ব্যৱস্থাত ন্যায়পালিকাৰ কোনো বেলেগ বিভাগ নাছিল'।— আলোচনা কৰক ।

অধ্যায় ৩ ঃ মোৱামৰীয়া বিদ্রোহ

অধ্যায় গাঁথনি

3.1 উদ্দেশ্য
3.2 পৰিচয়
3.3 মোৱামৰীয়া বিদ্রোহৰ কাৰণ
3.4 মোৱামৰীয়া বিদ্রোহৰ প্রকৃতি
3.5 মোৱামৰীয়া বিদ্রোহৰ গুৰুত্ব
3.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
3.7 অধিক জানিবলৈ
3.8 অগ্রগতিৰ খতিয়ান
3.9 আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ঃ

- মোৱামৰীয়া বিদ্রোহৰ কাৰণ বর্ণনা কৰিব পাৰিব
- মোৱামৰীয়া বিদ্রোহৰ প্রকৃতি বর্ণনা কৰিব পাৰিব
- মোৱামৰীয়া বিদ্রোহৰ গুৰুত্ব ব্যাখ্যা কৰিব পাৰিব।

৩.২ পৰিচয়

মোৱামৰীয়া বিদ্রোহ প্রতিষ্ঠিত সামাজিক কতৃত্বৰ বিৰুদ্ধে এক গণ আন্দোলন আছিল। এই অধ্যায়ত আপুনি মোৱামৰীয়া বিদ্রোহৰ বিষয়ে বিস্তৃতভাৱে জানিব পাৰিব।

৩.৩ মোৱামৰীয়া বিদ্রোহৰ কাৰণ

মোৱামৰীয়া বিদ্রোহ, (1769–1805) 18 শতিকাত মোৱামৰীয়া, যিসকল প্রধানত মৰাণ আৰু মটক সম্প্রদায় আৰু মোৱামৰা সত্রৰ শিষ্য আছিল আৰু আহোম ৰজাৰ মাজত সংঘাত আছিল। ইয়ে আহোম ৰজা আৰু অভিজাতসকলৰ বিপৰীতে ব্যাপক জনপ্রিয় অসন্তুষ্টি সৃষ্টি কৰিছিল, য'ত আহোম ৰজাই ৰাজধানীত নিয়ন্ত্রণ হেৰুৱাইছিল। বিদ্রোহৰ বিভিন্ন কাৰণ আছিল, যিবোৰ বিস্তৃতভাৱে তলত বর্ণনা কৰা হ'ল—

- অর্থনৈতিক ভিত্তি বিদ্রোহৰ নির্ণয়কাৰী কাৰক আছিল। দমনমূলক পাইক আৰু খেল প্রথা, (আমাৰ আগৰ অধ্যায়ত ইতিমধ্যে বর্ণনা কৰা হৈছে) সামাজিক আৰু অর্থনৈতিক সামন্তবাদৰ অনগ্রসৰতাৰ সংকটে বিদ্রোহৰ পথ সাজু কৰিছিল। পাইক আৰু খেল প্রথ্যৰ অধীনত, পাইকক খেতি কৰিবলৈ এক সৰু অংশ আগবঢ়োৱা হৈছিল, এই উৎপাদনে কৃষকৰ সাধাৰণ দাবীক সম্পূর্ণ কৰিব পৰা নাছিল।
- মৰাণসকলে ভৌগলিকভাৱে অসুবিধাজনক পৰিস্থিতিৰ বাবে অকলশৰীয়া জীৱন অতিবাহিত কৰিছিল। আহোম ৰাজ্যৰ সৈতে তেওঁলোকৰ সম্পর্ক কৰ দিয়া সম্প্রদায় হিচাপে সীমাবদ্ধ আছিল। মায়ামৰা সত্র, মৰাণ জনজাতিসকলৰ পৰা বেছিভাগ শিষ্যই, ব্রাহ্মণৰ আধিপত্য থকা বৈদিক কর্ম আৰু ৰীতি-নীতিৰ শকিশালীভাৱে পৰিত্যাগ কৰিছিল। মায়ামৰা সত্র, কলা-সংহতিৰ সৈতে সম্পর্কযুক্ত, নৰ-বৈষ্ণৱ

আন্দোলনৰ মূল শিকনিৰ প্ৰতি সংস্কাৰকামী আছিল। কিন্তু আহোমৰ ধৰ্মীয় নীতিয়ে চুক্তিৰ ওপৰত ৰজা, শক্তিৰ উপাসকসকল আৰু নৰ-বৈষ্ণৱৰ ব্ৰাহ্মণ অংশৰ মাজত সহায় কৰাৰ বাবে এক অৱস্থাত উপনীত হৈছিল। ইয়ে দেখুৱায় যে আহোম ৰাজ্যৰ ধৰ্মীয় নীতি আৰু মায়ামৰা সত্ৰ ওপৰত নিৰ্ভৰশীল মূল নীতি মাজত প্ৰত্যক্ষ বিৰোধিতা আছিল। আহোম ৰাজ্যৰ ক্ৰমানুসাৰে মায়ামৰা সত্ৰ আৰু ইয়াৰ শিষ্যসকলৰ প্ৰতি এক দমনমূলক কাৰ্যৰ বিকাশ কৰিছিল। আনকি ইয়াৰ বহু নেতাক ৰাজকীয় আদেশৰ ভিত্তি ফাঁচী দিয়া হৈছিল। সেয়েহে বৰ্ধিত ৰাজকীয় দমনে মায়ামৰা সত্ৰৰ অনুগামীসকলক স্থিতিস্থাপকতাকসমৰ্থন কৰিছিল আৰু তেওঁলোকে তেওঁলোকৰ কাৰ্যবোৰ কিছু পৰিমামে আত্মগোপনকাৰী আৰু কিছুসংখ্যক লোকৰহে জ্ঞাত হৈছিল আৰু অসামৰিক বিদ্রোহৰ গাঁথনি লৈছিল।

- ৰাজনৈতিক ক্ষেত্ৰত, আহোম ৰাজতন্ত্ৰই বনুৱাৰ নাটনিৰ সন্মুখীন হৈছিল, যিটো ৰাজবংশৰ ভিত্তি আছিল। ৰাজবংশই পাইক আৰু খেল পদ্ধতিৰ পুৰণি সমস্যাৰ মীমাংসা কৰিবলৈ ব্যৰ্থ হৈছিল। দমনমূলক পদ্ধতিৰ সংস্কাৰ কৰিবলৈ চেষ্টা কৰাৰ পৰিৱৰ্তে তেওঁলোকে সন্ত্ৰাস আৰু বাধ্যবাধকতাৰ জৰিয়তে পাইক আৰু খেল পদ্ধতিক ৰাখিবলৈ চেষ্টা কৰিছিল।
- বিদ্রোহৰ তাৎক্ষণিক কাৰণ তথাপিও অন্য একহে আছিল। মায়ামৰা বৈষ্ণৱ গুৰুসকলৰ প্ৰতি ধৰ্মীয় উৎপীড়নে বিদ্রোহৰ অগনিক প্ৰজ্বোলিত কৰিছিল।

সেয়েহে বিদ্রোহৰ পটভূমি বহু পুৰণি আৰু এক ফিৰঙতি বিদ্রোহ আৰম্ভ হোৱাৰ বাবে প্ৰয়োজন হৈছিল।

৩.৪ মোৱমৰীয়া বিদ্রোহৰ প্ৰকৃতি

1769 চনৰ পৰা 1805 চনলৈ চলা দীঘলীয়া বিদ্রোহৰ তিনিটা স্পষ্ট পৰ্যায় আছিল। প্ৰত্যেকটো পৰ্যায়তে বিদ্রোহৰ প্ৰকৃতি অন্যটোতকৈ পৃথক আছিল।

প্ৰথম পৰ্যায়ত বিদ্রোহৰ প্ৰকৃতি আছিল কৃষক বিদ্রোহ। বৰ্তি থকা পদ্ধতিৰ প্ৰতি ব্যাপক অসন্তুষ্টিয়ে বিদ্রোহৰ সৃষ্টি কৰিছিল। বহু শ পাইক খেল প্ৰথাৰ পৰা পলায়ন কৰিবলৈ আৰম্ভ কৰিছিল আৰু বৈষ্ণৱ সত্ৰ আৰু মঠত আশ্ৰয় লৈছিল। যি সেই সময়ত বেংছতাৰ দৰে বিকাশ দেখিছিল। সত্ৰৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা মাটিৰ ওপৰত প্ৰয়োগ কৰা ৰাজহ আইনে এনেকুৱা ধৰণৰ আশ্ৰয় প্ৰাৰ্থীসকলক উদগ্নি দিছিল।

গদাধৰ সিংহই, 1681–95 খ্ৰীষ্টাব্দত, দীৰ্ঘদিনীয়া ৰাজনৈতিক অস্থিৰতাৰ সময়ৰ পিছত, শক্তিশালী সামন্ত বিষয়াৰ এক অংশৰ সহায়ত ৰাজ সিংহাসন অধিকাৰ কৰিছিল। আগৰ পদ্ধতিকে স্বীকাৰ কৰিবলৈ আৰম্ভ কৰিছিল। তেওঁ এক ব্যাপক ৰাজহ জৰীপ আৰু সাধাৰণ লোকপিয়ল আৰম্ভ কৰিছিল। তেওঁ সত্ৰ আৰু অগণ্য মন্দিৰৰ অধীনত পাইকৰ জৰীপ আৰম্ভ কৰিছিল আৰু 'পাইক' পদ্ধতিৰ পৰা পলায়ন কৰা লোকসকলক বিচাৰি উলিয়াবলৈ চেষ্টা কৰিছিল। তেওঁ সকলো পাইককে আনিছিল আৰু বৰ কঠোৰ ৰাজহুৱা নিৰ্মাণ আৰু ৰাস্তাৰ নিৰ্মাণ কামত তেওঁলোকক লগাইছিল। সত্ৰ আৰু গীৰ্জাৰ উচ্চ পদস্থ লোকক শাস্তি দিছিল নাইবা বিভিন্ন উপায়ে বিচাৰি উলিয়াইছিল।

মৰাণ জনজাতীয় লোকসকল, যিসকল মায়ামৰা গুৰুৰ প্ৰতি আনুগত্যপূৰ্ণ শিষ্য আছিল, যিসকলক আংশিকভাৱে ব্যাপক কৃষক সমাজৰ সৈতে এক কৰা হৈছিল, ইয়াৰে বহু অংশ জংঘলৰ বাসিন্দা আছিল। দ্বিতীয় অংশই বছৰেকীয়াভাৱে হাতীৰ কিছু সংখ্যা আৰু অৰণ্য উৎপাদন, গা-খাটি দিয়াৰ পৰিৱৰ্তে দিব লাগিছিল। গোটেই জনজাতিসকল তেওঁলোকৰ সত্ৰ আৰু গুৰুক হাৰাশাস্তি কৰাৰ দ্বাৰা বিশেষভাৱে আন্দোলনপ্ৰিয় হৈছিল। 1769 চনৰ 15 ছেপ্টেম্বৰত, ৰাধা নেওগ নামৰ এজন মৰাণ বিষয়াক অবৈধভাৱে সমালোচনা কৰা হৈছিল আৰু যেতিয়া তেওঁ হাতী দিবলৈ আহিছিল, তেওঁক সামৰিক বাহিনীৰ প্ৰধান প্ৰশাসক কৃশ্চিন্দ্ৰৰ দ্বাৰা শাস্তি দিয়া হৈছিল।

যেতিয় আঘাতপ্ৰাপ্ত বাঘা নেওগ মানুহৰ মাজলৈ উভতি আহিছিল, তেতিয়া সত্ৰ মুকলি সমৰ্থনত আনুষ্ঠানিকভাৱে বিদ্রোহ আৰম্ভ হৈছিল। বিদ্রোহকাৰী আৰু ৰাজকীয় বাহিনীৰ মাজত সামৰিক সংঘাত অতি সোনকালে আৰম্ভ হৈছিল।

ৰাজকীয় বাহিনীৰ ব্যাপক আতিসহ্যয়ো কৃষক বিদ্রোহৰ জুই নিৰ্বাপিত কৰাত ব্যৰ্থ হৈছিল। দহ বছৰৰ ভিতৰত, কৃষকসকলে, প্ৰধানতঃ মোৱামৰীয়া শিষ্যসকলে পুনৰ দল গঠন কৰিবলৈ আৰম্ভ কৰিছিল। 1780 চনত বহু সংখ্যক লোকে স্পষ্টভাৱে সংযোগবিহীন গুপুত দলবোৰ উজনি অসমৰ সকলোতে অৱস্থিতি ল'বলৈ আৰম্ভ কৰিছিল। ৰাজকীয় আতিসহ্যৰ গইনা লৈ এইবোৰ গুপুত অনুষ্ঠানে কিছুমান ধৰ্মীয় কাৰ্যৰ অজুহাতৰ অধীনত ৰাতি লগ হ'বলৈ আৰম্ভ কৰিছিল। অতি সোনকালে বিদ্রোহে এক গৃহযুদ্ধৰ ৰূপ লৈছিল।

মোৱামৰীয়া বিদ্রোহ কেতিয়াও গোষ্ঠীমূলক নাইবা শ্ৰেণীভিত্তিক বিদ্রোহ নাছিল। কিছুমান বিশেষ দল যেনে- ব্ৰাহ্মণ নাইবা আহোম দলৰ বিপক্ষেও নাছিল। যদিও বিদ্রোহ মৰাণসকলৰ দ্বাৰা আৰম্ভ কৰা হৈছিল। কিন্তু আৰম্ভণিৰ পৰা ইয়াক সকলো শ্ৰেণীৰ মানুহৰ দ্বাৰা আগবঢ়াই নিয়া হৈছিল আৰু ধৰ্মীয় পন্থা আহোম, চুতীয়া, কছাৰী, কৈবৰ্ত আৰু সকলো ধৰণৰ শোষিত শ্ৰেণীকে সামৰি লৈছিল। তেওঁলোক সকলো মোৱামৰীয়া গুৰুৰ শিষ্য আছিল। সকলো শ্ৰেণীৰ মানুহৰ অংশগ্ৰহণ আৰু বিদ্রোহৰ বাবে জীৱনে বিদ্রোহটোক এক সঁচা গণ আন্দোলনৰ চৰিত্ৰৰ ৰূপ দিছিল।

৩.৫ মোৱমৰীয়া বিদ্রোহৰ গুৰুত্ব

যদিও মোৱামৰীয়া বিদ্রোহ কম সময়ৰ বাবে বৰ্তি আছিল, কিন্তু অসমৰ ইতিহাসত বিদ্রোহৰ গুৰুত্ব দীৰ্ঘম্যাদী আছিল। সেইবোৰ তলত বৰ্ণনা কৰা হ'ল।

- মোৱামৰীয়া কৃষক বিদ্রোহে মধ্য অসমৰ নিম্ন পৰ্যায়ৰ সামন্ত ৰাষ্ট্ৰক ভাঙিছিল। বিদ্রোহৰ জৰিয়তে সঁচা অৰ্থত প্ৰতিযোগী শ্ৰেণীৰ সাধাৰণ পতন ফলৱৰ্তী কৰা নাছিল, সকলোতে দুৰ্বলতা বিৰাজমান আছিল।
- বিদ্রোহৰ পৰৱৰ্তী ৰাষ্ট্ৰত বৃটিছৰ সৈন্য বাহিনীৰ সহায়ত প্ৰতিষ্ঠা কৰা ব্যৱস্থাত যথেষ্ট পৰিৱৰ্তন আহিছিল।
- বিদ্রোহে ৰাজ্যৰ প্ৰশাসনীয় ভেটিত জোকাৰি গৈছিল। দুৰ্বল ৰাজ্যই কিছু বছৰৰ ভিতৰত সংঘটিত হোৱা মানৰ আক্ৰমণক বেছিদিনলৈ প্ৰতিহত কৰিব পৰা নাছিল আৰু ইয়াৰ পিছত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ৰাজ্য অধিকাৰ কৰিছিল। অৱশেষত ইয়ে স্বাধীনতা হেৰুৱাইছিল।

Wঅগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ মোৱামৰীয়া বিদ্রোহ কৃষকঐসামৰিক বিদ্রোহ আছিল। (শুদ্ধ উত্তৰটো লিখা)

.....

প্ৰশ্ন নং ২ ঃ মায়ামৰা সত্ৰৰ শিষ্যসকল কোনটো সম্প্ৰদায়ৰ আছিল।

.....

প্ৰশ্ন নং ৩ ঃ মায়মৰা সত্ৰ নৱ-বৈষ্ণৱৰ ..... সংহতিৰ সৈতে জড়িত। (খালী ঠাই পূৰ কৰা)

2৩.৬ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- মোৱামৰীয়া বিদ্রোহৰ পটভূমি।
- মোৱামৰীয়া বিদ্রোহৰ প্ৰকৃতি।
- অসমৰ ইতিহাসত মোৱামৰীয়া বিদ্রোহৰ গুৰুত্ব।

৩.৭ অধিক জানিবলৈ

1] ৰৰপূজাৰী, এইচ. কে. (2002) ঃ দী কমপ্রিহেনচিভ হিষ্টৰী অব্ আসাম।
2] ৰৰা ধ্রুৱজ্যোতি, (1998) ঃ মোৱামৰীয়া গণ অভ্যুত্থান (দ্বিতীয় খণ্ড) বনলতা, গুৱাহাটী।

৩.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ কৃষক।
২ নং প্রশ্নৰ উত্তৰ ঃ মৰাণ আৰু মটক।
৩ নং প্রশ্নৰ উত্তৰ ঃ কলা।

৩.৯ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (50টা শব্দৰ ভিতৰত উত্তৰ দিয়া)
প্রশ্ন ১ ঃ মোৱামৰীয়া বিদ্রোহৰ এটা অর্থনৈতিক কাৰণ লিখা।
প্রশ্ন ২ ঃ ৰাঘা নেওগ কোন আছিল?
প্রশ্ন ৩ ঃ মোৱামৰীয়া বিদ্রোহৰ এটা ধর্মীয় কাৰণ লিখা।

(খ) চমু প্রশ্ন (150টা শব্দৰ ভিতৰত উত্তৰ দিয়া)
প্রশ্ন ১ ঃ মোৱামৰীয়া বিদ্রোহৰ প্রকৃতিৰ বিষয়ে চমুকৈ লিখা।
প্রশ্ন ২ ঃ সত্র অনুষ্ঠানৰ প্রতি গদাধৰ সিংহৰ দমনমূলক নীতিৰ বিষয়ে চমুকৈ লিখা।

(গ) ৰচনাধর্মী প্রশ্ন (300–500টা শব্দৰ ভিতৰত উত্তৰ দিয়া)
প্রশ্ন ১ ঃ মোৱামৰীয়া বিদ্রোহৰ গুৰুত্ব বর্ণনা কৰা।
প্রশ্ন ২ ঃ মোৱামৰীয়া বিদ্রোহৰ কাৰণ বর্ণনা কৰা।

অধ্যায় ৪ ঃ আহোমসকলৰ পতন

অধ্যায় গাঁথনি

4.1 উদ্দেশ্য
4.2 পৰিচয়
4.3 আহোমসকলৰ পতনৰ কাৰণসমূহ
4.4 মোৱামৰীয়া বিদ্রোহ
4.5 বুৰ্কান্দেজৰ বিদ্রোহ
4.6 কেপ্তেইন ৱেলছৰ অভিযান
4.7 অভ্যন্তৰীণ বিবাদ আৰু ষড়যন্ত্র
4.8 মানৰ অসম আক্রমণ
4.9 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
4.10 অধিক জানিবলৈ
4.11 অগ্রগতিৰ খতিয়ান
4.12 আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ঃ -

- আহোম ৰাজতন্ত্র পতন হোৱাৰ বিভিন্ন কাৰণসমূহ বিশ্লেষণ কৰিব পাৰিব,
- মোৱামৰীয়া বিদ্রোহৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- বুৰ্কান্দেজৰ বিদ্রোহৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- কেপ্তইন ৱেলছৰ অভিযানৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- আভ্যন্তৰীণ বিবাদ আৰু ষড়যন্ত্রৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- মানৰ অসম আক্রমণৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৪.২ পৰিচয়

ইতিমধ্যেই আপোনালোকে আহোমসকলৰ প্রশাসনৰ সর্বাত্মক উন্নতিৰ বিষয়ে আগৰ অধ্যায়টোত জানিব পাৰিলে কিন্তু ৰুদ্র সিংহ(1696–174ৰ শ্রীঃ) ৰ শাসন কালৰ শেষৰ ফালৰ পৰা আহোমসকলৰ অবনতি ঘটিবলৈ আৰম্ভ কৰে ।প্রায þ 600 বছৰ শাসন কৰা আহোম ক্ষমতাৰ অবনতি হোৱাৰ বিভিন্ন কাৰণ দেখা যায় ।আমি এই অধ্যায়টোত আমি এই কাৰণবোৰৰ বিষয়ে আলোচনা কৰিম।

৪.৩ আহোমসকলৰ পতনৰ উপাদানসমূহ

আহোম শক্তিক পতনৰ ফালে নিয়াৰ কেইবাটাও শক্তি তথা কাৰক আছিল ।এই শক্তি আৰু কাৰকবোৰৰ বিষয়ে ভালদৰে বুজিবলৈ আমি সেইবোৰক বেলেগ বেলেগ শাখাত আলোচনা কৰিম। আহোমৰ পতনৰ মূল কাৰণসমূহ আছিল মোৱামৰীয়া বিদ্রোহ, বুৰ্কান্দেজৰ বিদ্রোহ, কেপ্তেইন ৱেলছ্ৰ অভিযান, অভ্যন্তৰীণ বিবাদ আৰু ষড়যন্ত্র তথা মানৰ অসম আক্রমণ ।

৪.৪ মোৱামৰীয়া বিদ্রোহ

ৰুদ্র সিংহৰ (1696–1714 খ্রীষ্টাব্দ)মৃত্যুৰ লগে লগে আহোম সাম্রাজ্য পতনমুখী হ'বলৈ ধৰে আৰু মোৱামৰীয়া বিদ্রোহত ইতিমধ্যে নিশকতীয়া হৈ পৰা শাসনতন্ত্রৰ ওপৰত চূড়ান্ত আঘাত হানিছিল। মোৱামৰীয়া বিদ্রোহ মাত্র এটা কাৰণৰ বাবে নহয় বৰঞ্চ অলেখ কাৰকৰ বাবে গঢ়ি উঠিছিল। আহোম শাসনৰ দুর্বলতা আছিল এইয়ে যে ই সৈন্য শক্তিৰ আধাৰত শাসন চলাইছিল। গতিকে যেতিয়ালৈকে সৈন্য শক্তিক লালন-পালন কৰি থাকিব পৰা গৈছিল তেতিয়ালৈকে ৰাজ্যৰ স্থিৰতা বর্তি আছিল। শক্তিৰ পৰিমাণ কমি যোৱাৰ লগে লগে ৰাজ্যৰ স্থিৰতা বিপদাপন্ন হৈ পৰিছিল। ফলত এই শাসনে মোৱামৰীয়াৰ দ্বাৰা সৃষ্ট প্রত্যাহ্বানৰ মুখামুখি হ'ব নোৱাৰিলে।

মোৱামৰীয়াসকল মায়ামৰা সত্রৰ শিষ্য আছিল আৰু তেওঁলোকে আহোম শাসনতন্ত্রৰ হাতত দীর্ঘদিন ধৰি শোষিত হৈ আছিল। যদিও এই আন্দোলন ধর্মীয় বিবাদৰ সূত্রে আৰম্ভ হৈছিল, তথাপিও কম সময়ৰ ভিতৰতে ই এক বৃহৎ ৰাজনৈতিক ৰূপ লৈছিল আৰু সমগ্র ব্রহ্মপুত্র উপত্যকাতে প্রভাৱ বিস্তাৰ কৰিছিল। লক্ষ্মী সিংহৰ (1769–1780 খ্রীষ্টাব্দ) ৰাজত্বৰ সময়ছোৱাত1769 চনত মায়ামৰা সত্রৰ এদল শিষ্যই আহোম ৰাজত্বৰ প্রতি পোন প্রথম বাৰৰ বাবে প্রত্যাহ্বান সৃষ্টি কৰিছিল। এই প্রত্যাহ্বান দ্রুত গতিত এলানি গৃহ যুদ্ধলৈ ৰূপান্তৰিত হৈছিল আৰু সর্বশেষত বিদেশী হস্তক্ষেপৰ বাট মোকোলাই দি এই গৃহযুদ্ধই অসমক বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ সৈতে সংলগ্ন কৰিছিল।

গদাধৰ সিংহৰ (1681–1696 খ্রীষ্টাব্দ) ৰাজত্বকালৰ সময়তে বৈষ্ণৱবাদৰ বিৰুদ্ধে বৈষম্যমূলক আচৰণ আৰম্ভ হৈছিল। গদাধৰ সিংহই বৈষ্ণৱবাদক কেৱল ৰাজ্যখনৰ বাবেই ভাবুকি বুলি গণ্য কৰাই নহয় লগতে তেওঁ ইয়াক সামৰিক আৰু অভ্যন্তৰীণ উন্নয়নৰ বাবেও এক প্রতিবন্ধক বুলি গণ্য কৰিছিল। নির্বাসনৰ সময়ছোৱাত যিবোৰ সত্রই তেওঁক আশ্রয় প্রদান কৰিছিল সেইবোৰৰ প্রতি তেওঁ এক উদাৰ নীতি লৈছিল যদিও আন বৈষ্ণৱসকলক তেওঁ উৎপীড়ন কৰিছিল। গদাধৰ সিংহই বৈষ্ণৱ সত্রবোৰৰ ক্রমবর্দ্ধমান প্রভাৱক মষিমুৰ কৰি দিব বিচাৰিছিল। জয়ধ্বজ সিংহৰ (1648–1663 খ্রীষ্টাব্দ) সময়ৰে পৰা ৰজাঘৰীয়া পৃষ্ঠপোষকতাত এই সত্রবোৰ শক্তিশালী হৈ পৰিছিল। শংকৰদেৱৰ অধীনত নৱ-বৈষ্ণৱ আন্দোলনটিয়ে এনেকুৱা উল্লেখনীয় প্রসাৰ লাভ কৰিছিল যে আহোম ৰজাবোৰে সত্রানুষ্ঠানবোৰক নির্ণয়কাৰী অনুষ্ঠান ৰূপে গ্রহণ কৰিব লগাত পৰিছিল আৰু যিহেতু ৰাজ্যৰ বহুতো আহোম নাগৰিকে সত্রবোৰৰ শিষ্য আছিল সেয়েহে ধর্মীয় নীতি সত্রবোৰৰ হিতার্থে হোৱাকৈ গঢ় দিব লগা হৈছিল।

সেই সময়ত ৰাজ্যৰ বিভিন্ন ঠাইত যেনে মায়ামৰা, আউনিআতী, দক্ষিণপাট, গড়মূৰ আদিত বহু সত্র প্রতিষ্ঠিত হৈছিল। ৰাজ পৃষ্ঠপোষকতাত এই সত্রবোৰে সোনকালে সমৃদ্ধ হৈ উঠিছিল। কিছুমান সত্রৰ আর্থিক সমৃদ্ধি ৰজাৰ বাবে চিন্তাৰ বিষয় হৈ পৰিছিল। গদাধৰ সিংহই বৈষ্ণৱ পুৰোহিতসকলক উৎপীড়ন কৰাৰ নীতি গ্রহণ কৰিলে। বহু সত্রত লুণ্ঠন চলোৱা হৈছিল আৰু সেইবোৰৰ মুৰব্বীবোৰক হত্যা কৰা হৈছিল অথবা আন ঠাইলৈ নির্বাসিত কৰা হৈছিল। ৰুদ্র সিংহই তেওঁৰ পিতৃৰ বৈষ্ণৱ সত্রবোৰৰ প্রতি থকা অসহিষ্ণু নীতি সলাই পেলালে। তেওঁ স্থানান্তৰিত হোৱা বেছিভাগ সত্রাধিকাৰকে তেওঁলোকৰ নিজ নিজ সত্রবোৰত পুনর্সংস্থাপিত কৰিলে। ৰুদ্র সিংহই শূদ্র মহন্তসকলৰ সমিচীনতাত ওলাই কৰি ব্রাহ্মণসকলক উদ্‌গনি যোগাইছিল। গড়গাওৰ চনদৰ দ্বাৰা ৰুদ্র সিংহই ব্রাহ্মণ মহন্ত আৰু শূদ্র মহন্ত এই দুই শ্রেণীৰ মাজত পার্থক্য সৃষ্টি কৰিছিল।

শিৱ সিংহৰ ৰাজত্বৰ (1714–1744 খ্রীষ্টাব্দ) সময়ছোৱাতে শাক্তবাদৰ আধিপত্য দেখা গ'ল। শিৱ সিংহৰ ৰাণী ফুলেশ্বৰী তেওঁৰ স্বামীতকৈ ব্রাহ্মণসকলৰ দ্বাৰা, বিশেষকৈ পর্বতীয়া গোঁসাইৰ দ্বাৰা বেছি প্রভাৱিত আছিল। ৰাণীয়ে শাক্ত ধর্মক ৰাজ ধর্ম কৰিব বিচাৰিছিল। ফুলেশ্বৰীয়ে বৈষ্ণৱসকলৰ বিৰুদ্ধে, বিশেষকৈ প্রভাৱশালী মায়ামৰীয়া মহন্তসকলৰ বিৰুদ্ধে এক অভিযান চলাইছিল। তেওঁ মোৱামৰীয়া আৰু আন বহুতো গোঁসাইক এটি শাক্ত মন্দিৰলৈ ধৰি আনিবলৈ নির্দেশ দিছিল য'ত পশু বলি দিয়া হৈছিল আৰু বলি দিয়া প্রাণীবোৰৰ তেজ গোঁসাইসকলৰ কপালত সানি দিয়া হৈছিল। মোৱামৰীয়াসকলে তেওঁলোকৰ ধর্মগুৰুসকলক কৰা এই অপমানত ক্ষুদ্ধ হৈ উঠিছিল আৰু তেওঁলোকে মুকলিভাৱে বিদ্রোহ আৰম্ভ কৰিছিল। শিৱ সিংহৰ ৰাণী গৰাকী আছিল বৈষ্ণৱসকলৰ প্রধান শত্রু। তেওঁৰ ৰাজত্বকালছোৱাক বৈষ্ণৱ পন্থাৰ অনুগামীসকলক কৰা নিষ্ঠুৰ দমনৰ বাবে জনা যায়।

লক্ষ্মী সিংহৰ ৰাজত্বকালত 'ৰজা-ভঙা-পতা' কৰিব পৰা বুলি জনাজাত কীর্তি চন্দ্র বৰবৰুৱাই মোৱামৰীয়াসকলক আহোম ৰজাৰ বিৰুদ্ধে অধিক শত্রুতাচৰণ কৰাত এক গুৰুত্বপূর্ণ ভূমিকা লৈছিল। মায়ামৰা মহন্তৰ বাঢ়ি অহা প্রভাৱৰ বিৰুদ্ধাচৰণ কৰিবলৈ বৰ্ব্বৰুৱাই নিজে দিহিঙীয়া সত্রৰ শিষ্য হৈছিল। তাৰ পিছত তেওঁ মোৱামৰীয়াৰ প্রতিটো কথাতে খুট ধৰা আৰম্ভ কৰিছিল। এই বিষয়টোৱে এক চূড়ান্ত পর্যায় পালে যেতিয়া মৰাণসকলৰ নেতা তথা মোৱামৰীয়াসকলৰ এজন উদ্যোগী নেতা ৰাঘ মৰাণৰ কাণ আৰু চুলি কাটি পেলোৱা হৈছিল। মোৱামৰীয়াসকলে তেওঁলোকৰ নেতাৰ প্রতি কৰা এই অপমানক কোনোপধ্যে সহ্য কৰিব নোৱাৰিলে। 1769 চনৰ অক্টোৱৰ মাহত প্রায় 7000 হাজাৰ সৈন্য গোটাই তেওঁলোকে প্রথমবাৰৰ বাবে বিদ্রোহ ঘোষণা কৰিলে। সৰু-সুৰা কেবাখনো যুদ্ধত তেওঁলোকে ৰাজকীয় বাহিনীক পৰাস্ত কৰিলে। তেওঁলোকে এজন মৰাণ মুখিয়াল ৰমাকান্তক ৰজা হিচাপে আৰু ৰাঘক বৰবৰুৱা হিচাপে ঘোষণা কৰিলে। সকলোবোৰ শীর্ষ বিষয়-বাব কেৱল মাথো মৰাণসকলে দখল কৰিলে। নতুন ৰজাই তেওঁৰ নামৰ মোহৰ থকা মুদ্রা কৰালে। কিন্তু দূর্ভাগ্যবশতঃ মণিপুৰী ৰাজকুমাৰী কুৰঙ্গনয়নী (পূর্বৰ আহোম ৰজা ৰাজেশ্বৰ সিংহ (1751–1769 খ্রীষ্টাব্দ) ৰ পত্নী) য়ে ৰচা এক অভিসন্ধিত ৰাঘ নিহত হয়। উল্লেখ্য যে এই কুৰঙ্গনয়নীক ৰাঘই আনি নিজৰ হাৰেমত ৰাখিছিল। এই ঘটনাৰ পাছত আহোম ৰাজকীয় বাহিনীয়ে 11 এপ্রিল, 1770 চনত পুনৰ ৰাজধানী দখল কৰিলে।

1780 চনত লক্ষ্মী সিংহৰ পুত্র গৌৰীনাথ সিংহই সিংহাসনত আৰোহন কৰিছিল। তেওঁ শক্তি পন্থাৰ অনুগামী আছিল আৰু মোৱামৰীয়াসকলৰ ঘোৰ শত্রু আছিল। তেওঁ মোৱামৰীয়াসকলৰ ওপৰত একেৰাহে আক্রমণ চলাইছিল আৰু তেওঁলোকৰ বহুতকে হত্যা কৰিছিল। মোৱামৰীয়াসকলৰ কিছুমানে কছাৰী, জয়ন্তীয়া আৰু আনকি ডফলা পাহাৰতো আশ্রয় লৈছিল। ইয়াৰ ফলত সমগ্র ৰাজ্য প্রায় জনশূন্য হৈ পৰিছিল। তথাপিও মোৱামৰীয়াসকলে আহোম শক্তিৰ আগত শিৰ নত কৰা নাছিল। তেওঁলোকে মাথো তেওঁলোকৰ সংগ্রাম পুনৰ আৰম্ভ কৰাৰ বাবে এক সুযোগৰ অপেক্ষাত আছিল। 1786 চনৰ আদি ভাগত মোৱামৰীয়াসকলে নতুন শক্তিৰে তেওঁলোকৰ সংগ্রাম পুনৰ আৰম্ভ কৰিলে।

সেই সময়তে পূর্ণানন্দই বুঢ়াগেহাঁইৰ পদত অধিস্থিত হৈছিল। মোৱামৰীয়াসকলক প্রতিহত কৰাতো তেওঁৰ বাবে অসম্ভৱ হৈ পৰিছিল। মোৱামৰীয়াসকলে বুঢ়াগোহাঁইৰ নেতৃত্বাধীন ৰাজ সৈন্যক চামগুৰিত পৰাস্ত কৰিলে আৰু ৰাজধানী ৰংপুৰ অভিমুখে আগবাঢ়িল। 1788 খ্রীষ্টাব্দৰ 20 জানুৱাৰী তাৰিখে মোৱামৰীয়াসকলে ৰাজধানী দখল কৰিলে আৰু মোৱামৰীয়া মহন্তৰ এগৰাকী সম্পর্কীয় ভৰত সিংহক ৰাজপাটত বহুৱালে। তেওঁৰ আধ্যাত্মিক গুৰু পিতাম্বৰ গোঁসাইক ৰজাৰ উপদেষ্টা পতা হ'ল। গড়গাওঁ আৰু চৰাইদেও চহৰ দুখন মোৱামৰীয়াসকলে জ্বলাই দিলে তথা ধ্বংস কৰিলে। ৰাজেশ্বৰ সিংহৰ পুত্র পাট কোঁৱৰক মৃত্যুদণ্ড বিহা হ'ল। এই বিদ্রোহী আন্দোলনক প্রতিৰোধ কৰিব নোৱাৰা হেতুকে বুঢ়াগোহাঁইয়ে ৰজাক বিদেশী শক্তিৰ সহায় বিচৰাৰ উপদেশ দিলে। প্রথমতে, গৌৰীনাথ সিংহই তেওঁৰ কথা মানি লোৱা নাছিল। বৰঞ্চ তাৰ সলনি তেওঁ কাছাৰ, জয়ন্তীয়া, আৰু মণিপুৰৰ ৰজাৰ সহায় বিচাৰিলে। তথাপিও তেওঁলোকে মোৱামৰীয়াসকলক দমন কৰিব নোৱাৰিলে। অৱশেষত আহোম ৰজাই *বুর্কান্দেজসকলৰ* পৰা সহায় লোৱাৰ সিদ্ধান্ত লয়।

৪.৫ বুর্কান্দেজৰ বিদ্রোহ

গৌৰীনাথ সিংহৰ হকে মেধি বৰফুকনে গোৱালপাৰাত থকা কোম্পানীৰ আবাসিক বিষয়া হাগ বেইলিক লগ ধৰি সামৰিক সহায়ৰ বাবে আবেদন জনায়। সেই অনুসাৰে বেইলিয়ে কিছু সংখ্যক বুর্কান্দেজ প্রেৰণ কৰে। কিন্তু দৰঙৰ ৰজা কৃষ্ণ নাৰায়ণে গৌৰীনাথ সিংহৰ সৈতে সু-সম্পর্ক নথকাৰ বাবে বিষয়টোৰ ক্ষেত্রত সমস্যা সৃষ্টি কৰিবলৈ প্রয়াস কৰে। ডেনিয়েল ৰাউশ্বেও (এগৰাকী বৃটিছ বণিক) 700 জন বুর্কান্দেজ পঠায়। গৌৰীনাথ সিংহই কাছাৰ, জয়ন্তীয়া আৰু মণিপুৰৰ ৰজাৰ পৰাও সহায় লয়। কিন্তু তেওঁলোকে ৰংপুৰ পুনৰ দখলত ব্যর্থ হয়। কেই মাহমানৰ পিছত খুটাৰমুৰত থকা ৰজাৰ সৈন্য চাউনীত দ্বিতীয়বাৰৰ বাবে আক্রমণ চলোৱা হয়। বৈৰাগী নামৰ এজনে সু-সংগঠিত এক বিশাল বাহিনী লৈ মোৱামৰীয়াসকলক কেইবা ঠাইতো পৰাস্ত কৰে আৰু নিজকে

ৰজা হিচাপে ঘোষণা কৰে। ৰজাই নগাঁও পৰিত্যাগ কৰে আৰু গুৱাহাটীলৈ ঘূৰি আহে য'ত তেওঁ অলেখ সমস্যাৰ সৈতে মুখামুখি হয়।

গুৱাহাটীত, জিকেৰীৰ চৌধুৰী হৰদত্ত বুজৰবৰুৱাই আহোম বিষয়াবোৰক পচন্দ কৰা নাছিল আৰু তেওঁ কামৰূপৰ পৰা আহোম শাসন ওফৰাই দিয়াৰ গোপন আঁচনি প্ৰস্তুত কৰিছিল। তেওঁ দৰঙৰ ৰজা প্ৰথম হংস নাৰায়ণ আৰু দ্বিতীয় হংস নাৰায়ণকো আহোম ৰজাৰ বিৰুদ্ধে উচটাইছিল। কিন্তু বিদ্ৰোহী মিত্ৰ শক্তি মংগলদৈত শোচনীয়ভাৱে পৰাস্ত হৈছিল। দ্বিতীয় হংস নাৰায়ণৰ পুত্ৰ দ্বিতীয় কৃষ্ণ নাৰায়ণক ৰাজ্যৰ ওপৰত থকা ন্যায্য অধিকাৰৰ পৰা বঞ্চিত কৰা হ'ল যাক লৈ পাছলৈ আহোম ৰজাৰ বাবে অতিৰিক্ত সমস্যা গঢ় লৈ উঠিছিল। তেওঁৰ ভতিজাক বিষ্ণু নাৰায়ণক দৰঙৰ ৰজা পতা হৈছিল। কৃষ্ণ নাৰায়ণে উত্তৰাধিকাৰী সূত্ৰে পোৱা আসনত তেওঁক অধিস্থিত কৰাৰ বাবে ডেনিয়েল ৰাউশ্বৰ ওচৰত সহায় বিচাৰিছিল। 1791 চনত কৃষ্ণ নাৰায়ণে কোচ বিহাৰৰ আয়ুক্ত হেনৰি ডগলাছৰ ওচৰত সামৰিক সহায়ৰ বাবে আবেদন কৰিছিল। অৱশেষত কৃষ্ণ নাৰায়ণে ৰংপুৰ আৰু কোচ বিহাৰৰ পৰা বুৰ্কান্দেজ, সন্ন্যাসী আৰু ফকিৰেৰে গঠিত ভেৰোনীয়া সৈন্য বাহিনীৰ সহায় পাবলৈ সক্ষম হৈছিল।

5 জানি থোৱা ভাল

বুৰ্কান্দেজসকল বৃটিছ ভাৰত চৰকাৰৰ কৰ্তৃত্বাধীন আছিল আৰু ই পাঞ্জাৰৰ শিখ তথা বুন্দেলখাণ্ডৰ হিন্দুস্থানীসকলৰ দ্বাৰা গঠিত আছিল। সন্ন্যাসীসকল হ'ল গেন্টুজ (হিন্দু) ৰ সকলো জাতিৰে গঠিত তীৰ্থযাত্ৰীসকলৰ এক দল যিয়ে বংগত ছানি পৰিছিল তথা লুণ্ঠন চলাইছিল। ফকীৰবোৰ আছিল মুছলমান সন্ন্যাসী।

1791 চনৰ ডিচেম্বৰ মাহত কৃষ্ণ নাৰায়ণ আৰু হৰদত্তই 3000 হাজাৰ সৈন্যৰে সৈতে দৰং আক্ৰমণ কৰিলে। বিজয় নাৰায়ণক খেদি পঠোৱা হ'ল আৰু গৌৰীনাথ সিংহৰ সৈতে আলোচনাৰ আৰম্ভ কৰা হৈছিল। বিজয়ী সেনাবাহিনীয়ে গুৱাহাটী দখল কৰিছিল আৰু বুৰ্কান্দেজসকলে তাৰ আবাসীসকলৰ ওপৰত অত্যাচাৰ চলাইছিল। দুৱৰীয়া বৰুৱা তথা আন যিসকলে বুৰ্কান্দেজৰ উৎপীড়ন সহিব লগা হৈছিল। তেওঁলোকে ৰংপুৰৰ সমাহৰ্তা লুমছ্ডেনৰ ওচৰত সহায় বিচাৰিছিল। মেধি বৰফুকনে বংগৰ চৰকাৰৰ ওচৰতো সহায় বিচাৰিছিল। সেই অনুসাৰে সমাহৰ্তাক বুৰ্কান্দেজসকলক তাৎক্ষণিকভাৱে অসম ত্যাগ কৰাৰ পৰৱানা (আদেশ) জাৰি কৰিবলৈ অনুমতি দিয়া হৈছিল। কিন্তু বুৰ্কান্দেজবোৰে সমাহৰ্তাৰ এই আদেশ অৱজ্ঞা কৰিলে। তেতিয়া ৰাউশ্বে গুৱাহাটীত গৌৰীনাথ সিংহ আৰু কৃষ্ণ নাৰায়ণৰ মাজত এক বুজাবুজি কৰি দিয়াৰ প্ৰচেষ্টা হাতত ল'লে। দুৰ্ভাগ্যবশতঃ কৃষ্ণ নাৰায়ণক বুৰ্কান্দেজসকলে এই ক্ষেত্ৰত বাধা প্ৰদান কৰিলে। সেয়েহে অসমৰ পৰা বুৰ্কান্দেজসকলক খেদি পঠাবৰ বাবে গৌৰীনাথ সিংহই বৃটিছ গৰ্ভনৰ জেনেৰেলৰ ওচৰত সামৰিক সহায় বিচাৰিছিল। কোচ বিহাৰৰ আয়ুক্ত হেনৰি ডগলাছেও বংগৰ চৰকাৰক এই অশান্তিৰ বাবে বংগৰ অসমৰ সৈতে থকা বাণিজ্যত গুৰুত্বপূৰ্ণ প্ৰভাৱ পৰিছে বুলি অৱগত কৰিছিল। লুমছ্ডে নেও গভৰ্নৰ জেনেৰেলক বুৰ্কান্দেজসকলক নিয়ন্ত্ৰণ কৰাৰ বাবে এটা বেটেলিয়ান প্ৰেৰণ কৰিবলৈ আহ্বান জনাইছিল।

Wঅগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক ঃ

প্ৰশ্ন নং ১ ঃ মোৱামৰীয়াসকল কোন আছিল ?

.....

প্ৰশ্ন নং ২ ঃ বৈষ্ণৱ সত্ৰবোৰত বৰ্ধিত প্ৰভাব মষিমুৰ কৰিবলৈ কোনে চেষ্টা চলাইছিল ?

.....

প্রশ্ন নং ৩ ঃ গোৱালপাৰাত কোম্পানীৰ আৱাসিক কোন আছিল ?

.....

প্রশ্ন নং ৪ ঃ কোচ বেহাৰৰ আয়ুক্ত কোন আছিল ?

.....

প্রশ্ন নং ৫ ঃ লুমছ্‌ডেন কোন আছিল ?

.....

৪.৬ কেপ্টেইন ৰেলছ্‌ৰ অভিযান

আহোম ৰজা গৌৰীনাথ সিংহৰ অনুৰোধ মর্মে 1792 চনৰ ছেপ্তেম্বৰ মাহত গভর্নৰ জেনেৰেল লর্ড কর্ণৱালিছে কেপ্তেইন ৰেলছক অসমলৈ প্রেৰণ কৰে। 1792 চনৰ 25 নৱেম্বৰত তেওঁ গুৱাহাটীৰ উপকণ্ঠ অঞ্চলত উপস্থিত হয়। ৰাউশ্বৰ পৰা তেওঁ আহোম ৰাজ্যৰ অভ্যন্তৰীণ পৰিস্থিতিৰ বিষয়ে জানিব পাৰে আৰু কৃষ্ণ নাৰায়ণ আৰু বুৰ্কান্দেজৰ হাতৰ পৰা গুৱাহাটী মুকলি কৰাৰ সিদ্ধান্ত লয়। এনেদৰে প্রথমবাৰৰ বাবে এক কর্তৃত্বশালী ইংৰাজৰ দলে অভিযান আৰু অনুসন্ধানৰ আধুনিক পদ্ধতি লগত লৈ আহোম ৰাজ্যত প্রৱেশ কৰিছিল আৰু ইয়াৰ জৰিয়তে শতিকাজুৰি অসমত আওহতীয়াকৈ ৰখা প্রাচীৰ ভাঙি গৈছিল।

বৃটিছ চিপাহীসকলৰ সহায়ত কেপ্তেইন ৰেলছে সফলতাৰে আহোম ৰাজ্যৰ পৰা বুৰ্কান্দেজসকলক বাহিৰ কৰি দিছিল। বুৰ্কান্দেজবোৰৰ সৰহভাগে ভূটানত আশ্রয় লৈছিল আৰু পিছত অসমৰ ভৈয়াম অঞ্চলত বিক্ষিপ্তভাৱে আক্রমণ চলাইছিল। ইয়াৰ পিছতে ৰেলছে কৃষ্ণ নাৰায়ণক পৰাভূত কৰিছিল আৰু কামৰূপ আৰু দৰঙৰ বিদ্রোহৰ অন্ত পেলাইছিল। ৰেলছে এক শান্তিপূর্ণ বুজাবুজি গঢ় দিয়াৰ চেষ্টা চলাইছিল, কিয়নো তেওঁৰ মূল উদ্দেশ্য আছিল অসমৰ সৈতে বাণিজ্যিক সম্পর্ক স্থাপন কৰা। কৃষ্ণ নাৰায়ণ আৰু গৌৰীনাথ সিংহৰ মাজত এক শান্তিপূর্ণ আৰু সৌহার্দপূর্ণ সম্পর্ক স্থাপন কৰা হৈছিল। ইয়াৰ পিছত কেপ্তেইন ৰেলছে উজনি অসমলৈ আগবাঢ়ি গৈছিল আৰু মোৱামৰীয়া বিদ্রোহীসকলক বশ কৰি গৌৰীনাথ সিংহক তেওঁৰ বৈধ কর্তৃত্বত পুনর্স্থাপন কৰিছিল। সেই সময়তে 1793 চনৰ 28 ফ্রেব্রুৱাৰীত কেপ্তেইন ৰেলছে কোম্পানী চৰকাৰৰ হৈ আহোম ৰজাৰ সৈতে এক বাণিজ্যিক চুক্তি সম্পাদন কৰিছিল। 1793 চনৰ অক্টোবৰ মাহৰ শেষৰ ফালে লর্ড কর্ণৱালিছে অৱসৰ লয় আৰু চাৰ জন শ্বোৰ নতুন গর্ভনৰ জেনেৰেল হয়। তেওঁ হস্তক্ষেপ নকৰাৰ এক নীতি অনুসৰণ কৰিছিল আৰু তাৎক্ষণিকভাৱে কেপ্তেইন ৰেলছক উভতি আহিবলৈ কৈছিল। সেয়েহে কেপ্তেইন ৰেলছে উজনি অসমত নিজৰ কার্য সমাপন কৰি অজস্র অলংকাৰ, সোণ আৰু ৰূপৰ মুদ্রা, কাপোৰ-কানি, অন্যান্য ধাতু, নাও আৰু বন্দুক সহিত তৎক্ষণাৎ বংগলৈ উভতি গৈছিল।

বৃটিছ বাহিনী উঠাই নিয়াৰ পিছত আহোম ৰাজ্যৰ বেছিভাগ ঠাইতে অশান্তি আৰম্ভ হৈছিল। উজনি অসমৰ পৰা কেপ্তেইন ৰেলছে প্রত্যাৱর্তন কৰাৰ পিছ দিনাখনে গৌৰীনাথ সিংহই পূর্ণানন্দ বুঢ়াগোঁহাইৰ সৈতে ৰংপুৰ ত্যাগ কৰি ডিচাই (যোৰহাট) লৈ যায় আৰু তেতিয়াৰ পৰা ই অসমৰ ৰাজধানী হৈ পৰে। মোৱামৰীয়াসকলে লগে লগে ৰংপুৰ পুনৰ অধিকাৰ কৰে। বুৰ্কান্দেজবোৰ দৰং আৰু কামৰূপত পুনৰ নকৈ লুণ্ঠন চলাব ধৰিলে। আনকি বৰফুকন শিৱদত্ত চেতিয়াই বুৰ্কান্দেজবোৰক সমর্থন কৰিছিল আৰু আহোম ৰজাৰ কর্তৃত্ব অস্বীকাৰ কৰিছিল। ৰাজ্যৰ উত্তৰ-পূবত খামতিসকলে স্বাধীনতা ঘোষণা কৰিছিল আৰু শদিয়াৰ চৌকাযে এক ৰাজ্যক্ষেত্র তৈয়াৰ কৰি লৈছিল। 1795 চনৰ আগষ্ট মাহত কোনো পুত্র সন্তান এৰি নোযোৱাকৈ গৌৰীনাথ সিংহৰ মৃত্যু হয়।

৪.৭ অভ্যন্তৰীণ বিবাদ আৰু ষড়যন্ত্র

আমি ইতিমধ্যে উল্লেখ কৰিছো যে বৰফুকন শিৱদত্ত চেতিয়াই বুৰ্কান্দেজসকলক সমর্থন কৰি ৰজা গৌৰীনাথ সিংহৰ কর্তৃত্বক অস্বীকাৰ কৰিছিল। এতিয়া গৌৰীনাথ সিংহৰ মৃত্যুত আহোম ৰাজ্য অভ্যন্তৰীণ বিবাদ

আৰু ষড়যন্ত্ৰৰ বাবে এক মুকলি ক্ষেত্ৰ হৈ পৰিছিল। প্ৰতিবোৰে যেতিয়াই কেন্দ্ৰীয় শাসন কৰ্তৃত্ব দুৰ্বল হৈ পৰিছিল তেতিয়া মন্ত্ৰীসকল কাৰ্যতঃ শাসক হৈ পৰিছিল। 1670 চনত চক্ৰধ্বজ সিংহৰ (1663–1670 খ্ৰীষ্টাব্দ) মৃত্যুৰ পৰা 1681 চনলৈ সাতজন ৰজাই আহোম ৰাজপাটত উঠিছিল আৰু ইয়াৰে এজনৰো স্বাভাৱিক মৃত্যু হোৱা নাছিল। এই এঘাৰ বছৰৰ সময়চোৱাত ৰজাবোৰ দুৰ্বল আছিল আৰু মন্ত্ৰীবৰ্গৰ তলতীয়া হৈ থাকিব লাগিছিল। সেয়েহে এই সময়ছোৱাকে 'মন্ত্ৰীসকলৰ অভ্যুত্থানৰ সময়' বুলি কোৱা হৈছিল। অৱশ্যে ৰাজপাটত শক্তিশালী ৰজা গৌৰীনাথ অধিষ্ঠিত হ'লে মন্ত্ৰীসকলৰ অভ্যুত্থনৰ অন্ত পৰিছিল। কিন্তু গৌৰীনাথ সিংহৰ মৃত্যুৱে আন এক মন্ত্ৰীৰ শাসন যুগৰ বাট প্ৰশস্ত কৰিছিল।

5 জানি থোৱা ভাল

মন্ত্ৰীসকলৰ অভ্যুত্থানৰ প্ৰভুত্বৰ সময়ছোৱাত (1670 – 1681 খ্ৰীঃ) অসমত শাসন চুন্যাতফা (1670 – 1672 খ্ৰীষ্টাব্দ)

চুকলামফা (1672 – 1674 খ্ৰীষ্টাব্দ)
চুহুং (1674 – 75 খ্ৰীষ্টাব্দ)
চুজিনফা (1675 – 1677 খ্ৰীষ্টাব্দ)
চুডাইফা (1677 – 1679 খ্ৰীষ্টাব্দ)
চুলিকফা (1679 – 1681 খ্ৰীষ্টাব্দ)

কমলেশ্বৰ সিংহ (1795–1810 খ্ৰীষ্টাব্দ) নাবালক আছিল সেয়েহে পূৰ্ণানন্দ বুঢ়াগোহাঁইয়ে আহোম ৰাজ্যৰ প্ৰকৃত শাসক হৈ পৰিছিল। তেওঁ ৰাজ্যখনত শান্তি-শৃংখলা পুনঃ প্ৰতিষ্ঠা কৰাৰ প্ৰয়াস কৰিছিল। তেওঁ কলিয়া ভোমোৰাক নতুন বৰফুকন হিচাপে নিযুক্তি দিলে, যিয়ে দীৰ্ঘকালীন যুদ্ধৰ অন্তত বুৰ্কান্দেজবোৰক অসমৰ পৰা বহিষ্কাৰ কৰিলে আৰু কামৰূপত শান্তি-শৃংখলা প্ৰতিষ্ঠা কৰিলে। নতুনকৈ সংগঠিত কৰা সেনা বাহিনীৰ দ্বাৰা পূৰ্ণানন্দ বুঢ়াগোহাঁইয়ে মোৱামৰীয়াসকলকো বশ কৰিবলৈ চেষ্টা কৰিলে যদিও তেওঁ ব্যৰ্থ হ'ল। সেয়েহে তেওঁ মোৱামৰীয়াবোৰৰ মাজত অতি উগ্ৰ মৰাণবোৰৰ সমৰ্থন লাভ কৰিলে যিসকলৰ সদৰ আছিল বেঙামৰা। পূৰ্ণানন্দ বুঢ়াগোহাঁইয়ে মোৱামৰীয়াসকলৰ নেতা সৰ্বানন্দ সিংহৰ লগত বেঙামৰাত এখন চুক্তি সম্পাদন কৰিলে। এই চুক্তিৰ দ্বাৰা সৰ্বানন্দ সিংহক ব্ৰহ্মপুত্ৰ আৰু বুঢ়ীদিহিং নদীৰ মাজৰ অঞ্চলত নিজাববীয়া শাসন চলাবলৈ দিয়া হ'ল। সৰ্বানন্দৰ *ৰৰসেনাপতি* উপাধিক স্বীকৃতি প্ৰদান কৰা হ'ল। ইয়াৰ বিনিময়ত সৰ্বানন্দই বছৰেকীয়া কৰ হিচাপত হাতীদাঁত, মুগা সুতা আৰু তেওঁৰ অঞ্চলত উৎপাদিত আন সামগ্ৰী আহোম শাসনতন্ত্ৰক দিবলৈ সন্মতি দিলে। এই চুক্তিৰ পিছত মোৱামৰীয়াসকলে আহোম ৰাজ্যক অসুবিধা দিয়াটো বন্ধ কৰিলে।

পূৰ্ণানন্দ বুঢ়াগোহাঁইয়ে তেওঁৰ অকপট কষ্টৰ বলত আহোম ৰাজ্যত শান্তি আৰু সমৃদ্ধি প্ৰতিষ্ঠা কৰিলে আৰু কমলেশ্বৰ সিংহৰ ৰাজত্বকাল নিৰাপদ হোৱাতো সুনিশ্চত কৰিলে। কিন্তু 1810 চনত কমলেশ্বৰ সিংহৰ মৃত্যু হ'ল। তেওঁৰ মৃত্যুত পূৰ্ণানন্দ বুঢ়াগোহাঁইয়ে মৃত ৰজাৰ ভাতৃ চন্দ্ৰকান্ত সিংহক (1810–1818 খ্ৰীষ্টাব্দ) আহোম শাসক হিচাপে মনোনীত কৰিলে। কিন্তু তেওঁৰো বয়স কম হোৱাত ক্ষমতা পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ হাতত থাকি গ'ল। পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ এনে ক্ষমতা বৃদ্ধি তেওঁৰ বিয়ৈক বদন চন্দ্ৰই পচন্দ কৰা নাছিল। তেওঁ কলিয়া ভোমোৰাৰ মৃত্যুৰ পিছত বৰফুকন হৈছিল। নতুন ৰজা চন্দ্ৰকান্ত সিংহও ক্ষমতাৰ প্ৰতি অত্যাধিক লালায়িত হোৱা হেতুকে পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ প্ৰভাৱৰ পৰা মুক্ত হ'ব বিচাৰিছিল। তেওঁৰ এগৰাকী বন্ধু সৎৰামে ৰজাক পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ কৰ্তৃত্বৰ পৰা নিস্তাৰ পাবলৈ ৰজাক প্ৰৰোচিত কৰিছিল। বুঢ়াগোহাঁইৰ হত্যা কৰাৰ বাবে সৎৰামে এক ষড়যন্ত্ৰ কৰিছিল যদিও এই ষড়যন্ত্ৰ ধৰা পৰে আৰু তেওঁক নামৰূপলৈ নিৰ্বাসন দিয়া হয়। চন্দ্ৰকান্ত সিংহইও বদন চন্দ্ৰৰ বৰফুকনক নিজৰ ফলীয়া কৰি লৈছিল আৰু বুঢ়াগোহাঁইৰ প্ৰভাৱৰ পৰা নিস্তাৰ পোৱাত সহায় কৰিবৰ বাবে বদনক বৃটিছৰ সৈতে গোপন বুজাবুজি কৰিবলৈ কৈছিলে।

কিন্তু চতুৰ পূর্ণানন্দ বুঢ়াগোহাঁইয়ে এই গোপন আঁচনিৰ খবৰ লাভ কৰিছিল আৰু বদন বৰফুকনক ধৰি আনিবলৈ সৈন্য প্ৰেৰণ কৰিছিল। বদনে বংগলৈ পলাই গৈছিল আৰু তাতে পূর্ণানন্দ বুঢ়াগোহাঁইয়ে আহোম শাসনতন্ত্ৰ দুর্বল কৰি গোটেই ৰাজ্যখন ধ্বংস কৰা বুলি অভিযোগ আনি আহোম ৰজাৰ সাহায্যার্থে সেনা বাহিনী প্ৰেৰণ কৰিবলৈ গভর্নৰ জেনেৰেলক পতিয়ন নিয়াব চাইছিল। কিন্তু বদন চন্দ্ৰ ব ৰফুকনৰ এই অনুৰোধ গভর্নৰ জেনেৰেলে প্ৰত্যাখ্যান কৰিছিল। বৃটিছে প্ৰত্যাখ্যান কৰাৰ পিছত বদনে ব্ৰহ্মদেশৰ চৰকাৰৰ কলিকতীয়া প্ৰতিনিধিজনৰ সৈতে কথা বতৰা আৰম্ভ কৰিছিল। প্ৰতিনিধি জনৰ সহায়ত বদনে আভাৰ ৰাজ সভাত উপস্থীত হৈছিল আৰু অসমত হস্তক্ষেপ কৰাৰ বাবে *মান* ৰজা বাদৰপায়াক সৈমান কৰিছিল। ইয়াৰ ফলশ্ৰুতিত অসমত মানৰ আক্ৰমণ সংঘটিত হৈছিল।

৪.৮ মানৰ অসম আক্ৰমণ

ব্ৰহ্মদেশৰ ৰজা বাদৰূপায়াই বদন চন্দ্ৰৰ অধীনত 8000 সৈন্য অসমলৈ প্ৰেৰণ কৰিছিল আৰু 1817 চনত এই সৈন্য বাহিনী নামৰূপ পাইছিল। বদন চন্দ্ৰৰ অধীনত মান সৈন্য বাহিনী অহা খবৰ পাই পূর্ণানন্দবুঢ়াগোহাঁইয়ে ইয়াক প্ৰতিহত কৰাৰ প্ৰচেষ্টা হাতত লৈছিল যদিও এই প্ৰচেষ্টাত বিফল হোৱাত তেওঁ আত্মহত্যা কৰে। তেওঁৰ পুত্ৰ ৰুচিনাথ নতুন বুঢ়াগোহাঁই হয়। মান সৈন্যই আহোম ৰাজ সৈন্যক পৰাস্ত কৰি দ্ৰুত গতিত আগুৱাই আহে আৰু 1817 চনৰ মার্চ মাহৰ মাজভাগত যোৰহাট পায়হি। ৰুচিনাথ গুৱাহাটীলৈ পলাই যায়। বদন চন্দ্ৰই চন্দ্ৰকান্ত সিংহকে ৰজাহৈ থাকিবলৈ অনুমতি দিয়ে যদিও তেওঁ কার্যত প্ৰকৃত শাসক হৈ পৰে আৰু *মন্ত্ৰী ফুকন* উপধি গ্ৰহণ কৰে। মান সৈন্যই বৃহৎ পৰিমাণৰ যুদ্ধ ক্ষতিপূৰণ লৈ ঘৰলৈ উভতি যায়।

কিন্তু মান সৈন্যই প্ৰত্যাৱর্তন কৰাৰ পিছত বদন চন্দ্ৰক হত্যা কৰা হয়। বদনৰ মৃত্যুৰ পিছত ৰুচিনাথক যোৰহাটলৈ মাতি পঠোৱা হয়। ৰুচিনাথে ৰজাৰ মতলৰক সন্দেহ কৰি কিছু সংখ্যক ভেৰোনীয়া সৈন্য লৈ যোৰহাটলৈ অগ্ৰসৰ হয়। ৰুচিনাথে পিতৃৰ মৃত্যু তথা মানৰ অসম আক্ৰমণৰ বাবে চন্দ্ৰকান্ত সিংহকে জগৰীয়া কৰিছিল। চন্দ্ৰকান্ত সিংহই ৰংপুৰলৈ পলাই যায় যদিও তেওঁক কৰায়ত্ব কৰা হয় আৰু তেওঁক যোৰহাটত কাৰাৰুদ্ধ কৰা হয়। পুৰন্দৰ সিংহ (1818–1819 খ্ৰীঃ) ক নতুন আহোম ৰজা পতা হয়। মানসকলে প্ৰত্যাৱর্তন কৰিলেও অসমৰ ওপৰত লোলুপ দৃষ্টি ৰাখিছিল। আহোম ৰাজ্যৰ ৰাজনৈতিক অস্থিৰতাৰ গইনা লৈ ব্ৰহ্মদেশৰ ৰজাই আলামিঙ্গিৰ অধীনত অসমলৈ এই বাহিনীটোক পথ-নিদের্শনা দিছিল।

এক ভয়ানক যুদ্ধত আহোম সৈন্যই মানসকলক পৰাস্ত কৰে যদিও মান সৈন্যক খেদি নপঠিয়ালে। ফলত আহোম ৰজা পুৰন্দৰ সিংহ আৰু আনকি সাধাৰণ জনতাই যুদ্ধত আহোম সৈন্য পৰাস্ত হোৱা বুলি অনুভৰ কৰিলে। ৰুচিনাথ বুঢ়াগোহাঁইৰ সৈতে পুৰন্দৰ সিংহ গুৱাহাটীলৈ পলাই যায়। মান সৈন্যই তেতিয়া যোৰহাটলৈ অগ্ৰসৰ হয় আৰু চন্দ্ৰকান্ত সিংহক মোকোলাই দি তেওঁক দ্বিতীয়বাৰৰ বাবে (1819–1821 খ্ৰীষ্টাব্দ)আহোম ৰাজপাটত পুতলা শাসক হিচাপে বহুৱাই। প্ৰকৃত শাসন ক্ষমতা মান সেনাধিনায়কৰ হাতত থাকিল আৰু তেওঁ প্ৰশাসনৰ বহুতো পৰিৱর্তন সাধিলে তথা নতুন বিষয়া নিযুক্তি দিলে। পুৰন্দৰ সিংহক আটক কৰিবৰ বাবে গুৱাহাটীলৈ সৈন্য বাহিনী প্ৰেৰণ কৰিলে আৰু তেতিয়া তেওঁ বংগলৈ পলাই গ'ল। ৰুচিনাথে গুৱাহাটী ৰক্ষা কৰিবলৈ চেষ্টা কৰিছিল যদিও বিফল হৈ বংগলৈ পলাই গ'ল। অসমত সম্পূর্ণভাৱে মানৰ কর্তৃত্ব স্থাপন কৰি অসমৰ দায়িত্ব মিংগিমাহা তিলৱাৰ হাতত অর্পণ কৰি 1819 চনৰ এপ্ৰিল মাহত আলামিঙ্গিয়ে অসম এৰে।

আলামিঙ্গিৰ প্ৰত্যাৱর্তনৰ পিছত চন্দ্ৰকান্ত সিংহই পাটলঙৰ সৈতে লগ হৈ ব্ৰহ্মদেশীয় আনুগত্য উফৰাই পেলাবলৈ পৰা সাৰিবলৈ চেষ্টা চলায়। কিন্তু মিংগিমাহা তিলৱাই পাটলঙক হত্যা কৰে আৰু চন্দ্ৰকান্ত সিংহই প্ৰাণৰ ভয়ত বংগলৈ পলাই যায়। বংগৰ পৰা তেওঁ মানসকলক খেদি পঠিয়াবলৈ চেষ্টা কৰে যদিও ব্যর্থ হয়। চন্দ্ৰকান্ত সিংহ পলাই যোৱাত যোগেশ্বৰ সিংহ (1821–1824 খ্ৰীষ্টাব্দ) ক আহোম ৰাজপাটত পুতলা ৰজা হিচাপে বহুওৱা হয়। অসমত মানৰ স্থিতি অধিক শক্তিশালী কৰিবৰ বাবে অভিজ্ঞ সেনাপতি মিংগিমাহা বাণ্ডুলাৰ অধীনত 20,000 সৈন্য অসমলৈ প্ৰেৰণ কৰা হয়। এই নতুন সৈন্যৰ আগমনত উৎসাহিত হৈ মানে বংগত

সঘনাই বলপূর্বকভাৱে প্ৰৱেশ কৰিব ধৰিলে। 1823 চনৰ নৱেম্বৰ মাহত মানে শ্বাহপুৰি দ্বীপ দখল কৰি ভূটান অভিমুখে আগবাঢ়িল আৰু ইয়ে মানে বৃটিছ সাম্ৰাজ্য আক্ৰমণ কৰিবলৈ যোৱা বুলি বৃটিছক সচকিত কৰি তুলিলে। মণিপুৰ, কাছাৰ আৰু ত্ৰিপুৰাৰ তদানীন্তন ৰাজনৈতিক পৰিস্থিতিয়েও অৱস্থা শোচনীয় কৰি তুলিছিল আৰু বৃটিছৰ হস্তক্ষেপ অপৰিহার্য হৈ পৰিছিল। সেয়েহে বৃটিছৰ মানৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে। বৃটিছে মানক পৰাজিত কৰিলে আৰু ইয়াণ্ডাবু সন্ধিৰ (24 ফ্ৰেব্ৰুৱাৰী, 1826) ৰ জৰিয়তে অসমৰ সর্বময় কর্তা হৈ পৰিল। এনেদৰে অসমত আহোম শাসনৰ আনুষ্ঠানিক পৰিসমাপ্তি ঘটিল। অৱশ্যে বৃটিছে পুৰন্দৰ সিংহক কৰতলীয়া ৰজা হিচাপে 1833 চনৰ পৰা 1838 চনলৈ এই পাচঁ বছৰ কাল উজনি অসমত শাসন চলাবলৈ অনুমতি দিছিল।

অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক ঃ

প্ৰশ্ন নং ৬ ঃ কিনাৰামক আহোম সিংহাসনত কোনে বহুৱাইছিল ?

.....

প্ৰশ্ন নং ৭ ঃ পাটলঙক কোনে হত্যা কৰিছিল ?

.....

প্ৰশ্ন নং ৮ ঃ চুকলিংফাৰ হিন্দু নাম কি আছিল ?

.....

৪.৯ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি,

- অসমত আহোম শক্তি পতন হোৱাৰ বিভিন্ন কাৰণসমূহ জানিব পাৰিলে,
- আহোমে অসমত খ্যাতিৰে সৈতে 600 বছৰ কাল ৰাজত্ব কৰিছিল।
- কিন্তু মোৱামৰীয়া বিদ্রোহ, বুৰ্কান্দেজসকলৰ বিদ্রোহ, কেপ্টেইন ৱেলছৰ অভিযান, অভ্যন্তৰীণ বিবাদ, ষড়যন্ত্র আৰু মানৰ অসম আক্ৰমণে অসমত আহোম ৰাজত্বৰ অৱসান ঘটাইছিল।
- 1826 চনত অসম বিট্রিছৰ অধিনলৈ যায় আৰু কোম্পেনীৰ শাসন বলবত হয়।

৪.১০ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থঃ

1) Barpujari, H.K (2004): *A Comprehensive History of Assam Volume-II & IV*, (edited), 2nd edition, Publication Board Assam.
2) Bora, D.(1983): *Moamariya Gana Abhyuthan*, Banlata Prakashan
3) Baruah, S.L(2012): *A Comprehensive History of Assam,* 3rd edition, Munishram Manoharlal.
4) Saikia Rajen (2000) *Social and Economic History of Assam 1853-1921*, Delhi.

K৪.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ মোৱামৰীয়াসকল মায়ামৰা সত্রৰ শিষ্য আছিল।
২ নং প্রশ্নৰ উত্তৰঃ ৰুদ্র সিংহ
৩ নং প্রশ্নৰ উত্তৰঃ হাগ বেইন
৪ নং প্রশ্নৰ উত্তৰঃ হেনৰি ডগলাচ
৫ নং প্রশ্নৰ উত্তৰঃ লুমছডেন ৰংপুৰৰ আয়ুক্ত আছিল।
৬ নং প্রশ্নৰ উত্তৰঃ পুর্ণানন্দ বুঢ়াগোঁহাই
৭ নং প্রশ্নৰ উত্তৰঃ মিঙ্গিমাহা তিলৱা
৮ নং প্রশ্নৰ উত্তৰঃ কমলেশ্বৰ সিংহ

M৪.১২ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ 50 শব্দৰ ভিতৰত লিখক)
প্রশ্ন ১ঃ কোনজন আহোম ৰজাই সত্র অনুষ্ঠানৰ প্রতি উদাৰ নীতি গ্রহন কৰিছিল ?
প্রশ্ন ২ঃ কেইপ্তন ৰেলছ গুৱাহাটীত কেতিয়া উপস্থিত হৈছিলহি ?
প্রশ্ন ৩ঃ মিংগিমাহা তিলৱা কোন আছিল ?
প্রশ্ন ৪ঃ মানসকলে চাহপুৰী বন্দৰ কেতিয়া নিজৰ দখললৈ আনিছিল ?
প্রশ্ন ৫ঃ কৃষ্ণ নাৰায়ন কোন আছিল ?

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ 150–300 শব্দৰ ভিতৰত লিখক)
প্রশ্ন ১ঃ খন্ত্রীসকলৰ অভ্যুত্থানৰ সময়ৰ ওপৰত এটি চমু টোকা লিখক।
প্রশ্ন ২ঃ বদন বৰফুকন কোন আছিল ?
প্রশ্ন ৩ঃ মোৱামৰীয়া বিদ্রোহৰ ওপৰত এটি চমু টোকা লিখক।
প্রশ্ন ৪ঃ আহোমৰ ন্যায়িক প্রশাসনৰ বিষয়ে আলোচনা কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ 300–500 শব্দৰ ভিতৰত লিখক)
প্রশ্ন ১ঃ 'মোৱামৰীয়া সকল মায়ামৰা সত্রৰ শিষ্য আছিল আৰু তেওঁলোক আহোম ৰাজতন্ত্রৰ হাতত দীর্ঘদিন ধৰি শোষিত হৈ আছিল।'- আলোচনা কৰক।
প্রশ্ন ২ঃ আহোমসকলৰ পতনৰ কাৰণবিলাক আলোচনা কৰক।

অধ্যায় ৫ ঃ বৃটিছৰ অসম অধিকাৰ

অধ্যায় গাঁথনি

5.1 উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ ইংৰাজ মান যুদ্ধ
৫.৪ ইয়াণ্ডাবু সন্ধি আৰু বৃটিছৰ অসম অধিকাৰ
৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৬ অধিক জানিবলৈ
৫.৭ অগ্রগতিৰ খতিয়ান
৫.৮ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ব্রহ্মদেশৰ অসমৰ আক্রমণৰ বিষয়ে আলোচনা কৰিব পাৰিব,
- কি পৰিস্থিতি বৃটিছে অসম আক্রমণত হস্তক্ষেপ কৰিলে তাৰ বর্ণনা দিব পাৰিব তথা এংলো বার্মিজ যুদ্ধৰ এক বিৱৰণ দাঙি ধৰিব পাৰিব,
- ইয়াণ্ডাবু সন্ধিৰ চর্তাৱলী আৰু অসমৰ ইতিহাসত এই চুক্তিৰ তাৎপর্য ব্যাখ্যা কৰিব পাৰিব।

৫.২ পৰিচয়

এই অধ্যায়টিত ব্রহ্মদেশৰ অসম আক্রমণৰ এক চমু আভাসেৰে আৰম্ভ কৰা হৈছে। যিবোৰ কাৰকে অসমত বিদেশী আক্রমণ সংঘটিত কৰিলে সেইবোৰ আমি আপোনাৰ আগত উপস্থাপন কৰিব প্রয়াস কৰিছো। বৃটিছে মানৰ বিৰুদ্ধে কৰা যুদ্ধৰ ফলত কি পৰিস্থিতিত বৃটিছ অসমত হস্তক্ষেপ কৰিলে তাৰ সবিশেষ আমি ইয়াত আলোচনা কৰিম। প্রথমে এংলো-বার্মিজ যুদ্ধৰ এক সংক্ষিপ্তত বিৱৰণতথা যুদ্ধৰ শেহত হোৱা ইয়াণ্ডাবু সন্ধিৰ চর্তাৱলীওআমি ইয়াত আলোচনা কৰিম।

৫.৩ অংলো বার্মিজ যুদ্ধ (ইংৰাজ-মান যুদ্ধ)

বৃটিছ ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে হস্তক্ষেপ কৰাৰ আগলৈ অসমখন মাজভাগৰ পৰা ৰজাসকলৰ অসমর্থ তথা বিষয়াসকলৰ মাজৰ পাৰস্পৰিক শত্রুতাৰ বাবে আহোম ৰাজতন্ত্রৰ অৱনতি ঘটিছিল। ১৮১১ খ্রীষ্টাব্দত কমলেশ্বৰ সিংহৰ মৃত্যু হোৱাৰ পিছত এই পৰিস্থিতি আৰু বেছি বেয়া হৈ পৰিল। তেওঁৰ মৃত্যুৰ পিছত পুর্ণানন্দ বুঢ়াগোহাই আৰু আন বিষয়-বৰীয়া সকলে মৃত ৰজাৰ ভাতৃ চন্দ্রকান্ত সিংহক ৰাজপাটত বহুৱাৰ সিদ্ধান্ত ল'লে। যিহেতু নতুন ৰজা চন্দ্রকান্ত সিংহ সেই সময়ত নবালক আছিল সেয়ে পূর্ণানন্দ বুঢ়াগোহাইয়ে এই পৰিস্থিতিৰ পূর্ণ সুযোগ কৰি আহোম ৰাজ্যৰ আচল ৰজা হৈ পৰিল। চন্দ্রকান্তক এগৰাকী পুতলা ৰজালৈ অৱনত কৰা হৈছিল। অৱস্যে চন্দ্রকান্তই চিৰদিনৰ বাবে পুতলা ৰজা হৈ থাকিব বিচৰা নাছিল। তেওঁ এগৰাকী শান্তিপ্রিয় শাসক আছিল যদিও ক্ষমতাৰ প্রতি লালায়িত আছিল। ৰজাই তেওঁৰ সমবয়সীয়া, ৰণাঘোঁৰাৰ প্রশিক্ষণ দিয়া তত্ত্বধায়ক জনৰ

পুছ ৰামৰ লগত মিত্রতা গঢ়ি তুলিলে আৰু তেওলোকৰ এ সম্পর্কই সেই সময়ৰ ৰাজনৈতিক পৰিস্থিতিত সুদুৰ প্রসাৰী প্রভাৱ পেলালে। ৰজাই সৎৰামক চাৰিঙীয়া ফুকন হিচাপে নিযুক্তি দিলে। ড0 এছ এল বৰুৱাৰ ভাষাত 'সৎৰাম ক্রমাগতভাৱে ৰজাৰ বন্ধু দার্শনিক আৰু ৰজাৰ লগত থকা তেওঁৰ নিকট সম্পর্কত আহোম বিষয়ববীয়া সকল ইর্ষায়িত হৈ পৰিল।প্রধান মন্ত্রী পূর্ণনন্দ বুঢ়াগোহাইয়ে এই বিষয়ত আপত্তি তুলিলে যদিও ৰজা চন্দ্রকান্তই অলপো গৰুত্ব নিদিলে। ৰজাৰ পৃষ্ঠপোষকতাত উৎসাহিত হৈ ৰদজা সৎৰাম ইমান বেছি শক্তিশালী হৈ পৰিল যে তেওঁ আনকি ৰজা হোৱাৰো সপোন দেখিব ধৰিলে। এই উদ্দেশ্য আগত ৰাখি চন্দ্রকান্তৰ গোপন অনুমোদন সাপেক্ষে সৎৰামে পূর্ণানন্দ বুঢ়াহোগাইক হত্যা কৰাৰ এক পৰিকল্পনা প্রস্তুত কৰিলে। কিন্তু তেওঁৰ এই পৰিকল্পনা ধৰা পৰিল। সৎৰামৰ বাহিৰে বাকীবোৰক ফাঁচী দিয়া হ'ল আৰু সৎৰামক নির্বাসন দিয়া হ'ল আৰু তাতে কিছুসংখ্যক নগাৰ হাতত তেওঁৰ মৃত্যু হ'ল।

সেই সময়তে কলিয়াভোমোৰা বৰফুকনৰ মৃত্যুৰ পিছত বদন চন্দ্রক গুৱাহাটীত বৰফুকন (নামনি অসমৰ দায়িত্বত থকা ৰাজ পৰিতিনিধি) হিচাপে নিযুক্তি দিয়াত অসমৰ ৰাজনৈতিক পৰিসস্থিতিয়ে এক নতুন মোৰ ল'লে। বদন চন্দ্র এৰগাকী অন্যায়ীআত্মম্ভৰী আৰু এতি নিষ্ঠুৰ ব্যক্তি আছিল। তাৰোপৰি তেওঁ পূর্ণানন্দ বুঢ়াগোহাইৰ এগৰাকী শক্তিশালী শত্রু আছিল। সেই অর্থত বদন চন্দ্রক বৰফুকন হিচাপে নিযুক্তি দিয়াতোপূর্ণানন্দৰ এক মূর্খামী আছিল। ড0 এছ এল বৰুৱাই এই ক্ষেত্রত সঠিকভাৱেই নিৰীক্ষণ কৰিছে — 'এই কার্যৰ জৰিয়তে প্রধান মন্ত্রীজনে কেৱল নিজৰে যে কবৰ খান্দিলে এনে নহয়, লগতে 'মানৰ অসম আক্রমণৰ বৃহৎ মহাপ্লাৱনো বোৱাই আনিলে।'

প্রাৰম্ভিক অৱস্থাত কিছুসময়ৰ বাবে বদন চন্দ্রই ৰাজ আনুগত্য ৰক্ষা কৰি দায়িত্ব পালন কৰিছিল। কিন্তু ই বেছিদিন নিটিকিল। অতি কম সময়ৰ ভিতৰতে তেওঁৰ শাক্তি বৈভৱৰ প্রতি থক াবাসনাপুনঃ জাগৰিত হ'ল আৰু আত্মম্ভৰীতা তেওঁৰ মাজত গা কৰি উঠিল। কামৰূপৰ জনসাধাৰণৰ ওপৰত তেওঁ সন্ত্রাস আৰু নিষ্ঠুৰ শাসন চলাইছিল। বদন চন্দ্রই এই নিষ্ঠুৰ শাসনৰ অৱসান ঘটাবৰ বাবে পূর্ণানন্দ বুঢ়াগোহাইয়ে বৰফুকনক ধৰি আনিবৰ বাবে এদল সেনা প্রেৰণ কৰিছিল। কিন্তু বদনে ইয়াৰ গোন্ধ আগতীয়াকৈ পালে আৰু বংগৰ ৰংপুৰলৈ পলাই যাব সক্ষম হ'ল।

ৰংপুৰত বদনে বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ গভর্নৰ জেনেৰেল জনক আহোম ৰজাৰ সাহাযার্থে এদল সৈন্য বাহিনী প্রেৰণ কৰিবলৈ পতিয়ন নিয়াব প্রয়াস কৰিলে। ৰজাৰ কতৃত্ব পুনঃপ্রতিষ্ঠাৰ বাবে তথা পূর্ণানন্দৰ ক্ষমতা ক'লকাতাস্থি উচ্চতম চৰকাৰে আহোম সাম্রাজ্যৰ আব্যন্তৰীণ বিষয়ত হস্তক্ষেপ কৰিবলৈ আমান্তি প্রকাশ কৰিলে। বদন চন্দ্রই তেতিয়া কলিকতাস্থিত ব্রহ্মদেশীয় চৰকাৰৰ এজেন্টজনৰ লগত এক বুজাবুজি াৰম্ভ কৰিলে আৰু আহোম সাম্রাজ্যৰ বিষয়বোৰক হস্তক্ষেপ কৰাৰ ব্রহ্মদেশক সৈমান কৰিবলৈ (ব্রহ্মদেশ বা এতিয়াৰ ম্যানমাৰ) এজেন্টৰ সহায়ত ব্রহ্মদেশ পালেগৈ।

বৃটিছে কৰাৰ বিপৰীতে বদন চন্দ্রই ব্রহ্মদেশৰ শাসন তন্ত্রৰ পৰা এক যোগাত্মক সঁহাৰি লাব কৰিলে। নিজৰ সাম্রাজ্যবাদী অভিলাশা পূৰণার্থে ব্রহ্মদেশে সমৰ অৰাজক ৰাজনৈতিক অৱস্থাৰ সুযোগ লোৱাৰ সিদ্ধান্ত ল'লে। যেতিয়া বদন চন্দ্রই পূর্ণনন্দ বুঢ়াগোহাই ৰ বিৰুদ্ধে মান ৰজা বাছায়াপাৰাৰ ৰাজ আদালতত সহায় ভিক্ষামাগিলে তেতিয়া মানসকলে তাৎক্ষণিকভাৱে বদন চন্দ্র বৰফুকনক সহায় কৰিবলৈ সন্মতি জনালে।

১৮১৭ খ্রীষ্টাব্দৰ মার্চ মাহত বদন চন্দ্র বৰফুকনৰ অধীনত ৮০০০ হাজাৰ সেনাক অসম আক্রমণ কৰিবলৈ পঠিয়াই দিয়া হ'ল। এইয়া আছিল মানৰ প্রথম অসম আক্রমণ। পাটকাই-ন'নগিয়াঙ পথেদি অসমলৈ আগবাঢ়ি আহোতে কিছুমান স্থানীয় শাসন কর্তাই যোগ দিয়াত সৈন্য শক্তি ১৬০০০ লৈ বৃদ্ধি পালে। মানে আহোম সেনাসকলক কেবাখনো যুদ্ধত পৰাস্ত কৰিলে। তথা সমগ্র প্রতিৰোধ প্রতিহত কৰি চন্দ্রকান্ত সিংহক ৰাজসিংহাসনত বহুৱাই বৃহৎ পৰিমাণৰ লুণ্ঠিত সা-সম্পদ লৈ নিজৰ দেশলৈ উভতি হ'ল।

- **মানৰ দ্বিতীয় আক্রমণ** ঃ মানসকল উভতি যোৱাৰ পিছত আহোম ৰাজতন্ত্রৰ আভ্যন্তৰীণ কন্দলে চূড়ান্ত পর্যায় পালেহি। এনে এক অৰাজক পৰিস্থিতিৰ মাজতে পূর্ণানন্দ বুঢ়াগোহাইৰ মৃত্যু হ'ল বা আন ধৰণে ক'ব গ'লে তেওঁ আত্মহত্যা কৰি বদন চন্দ্র বৰফুকনো ৰূপ সিংহ নামৰ এগৰাকী ভেৰোণীয়া সৈন্যৰ হাতত নিহতহ'ল আৰু চন্দ্রকান্তক সিংহাসনচ্যুত কৰা হ'ল। আহোম ৰাজ ৰিয়ালৰ এগৰাকী সদস্য পুৰন্দৰ

সিংহক আহোম ৰাজপাটত বহুওৱা হ'ল। যেতিয়া ব্ৰহ্মদেশৰ ৰজাই এবোৰ কথা জানবি পাৰিলে তেতিয়া তেওং চন্দ্ৰকান্ত সিংহক শাসনত পুনৰ অদিস্থিতি কৰিবলৈ আলামিনজিৰ অধীনত শক্তিশালী সৈন্য ততাতয়াকৈ প্ৰেৰণ কৰিলে। ইয়াৰ ফলত ১৯১৯ খ্ৰীষ্টাব্দত দ্বিতীয় মান আক্ৰমণৰ সময়ত সংঘটিত হ'ল। আহোম ৰজা পুৱন্দৰ সিংহই যুদ্ধৰ কাৰণে গুৱাহাটীলৈ পলাই গ'ল। মানে যোৰহাটলৈ আগবাঢ়ি গ'ল আৰু চন্দ্ৰকান্ত সিংহ যুদ্ধৰ কাৰণে মোকলাই ৰাজপাটত বহুৱালে। অসমৰ এনেদৰে নিজ কৰ্তৃত্ব প্ৰতিষ্ঠা কৰি আলামিনজিয়ে ১৮১৯ খ্ৰীষ্টাব্দৰ এপ্ৰিলত অসম এৰিলে আৰু মিংগিমহা টিলৰাক ২০০০ সেনা সহিত অসমৰ দায়িত্ব দি থৈ গ'ল।

- **মানৰ তৃতীয় আক্ৰমণ (১৮২১)** ঃ অৱশ্যে অতি কম সময়ৰ ভিতৰতে চনদ্ৰকান্ত সিংহই মানৰ প্ৰকৃত উদ্দেশ্য অনুধাৱন কৰিব আৰম্ভ কৰিলে। তেওঁ নিজৰ সুৰক্ষাক লৈ উদ্বিগ্ন হৈ পৰিল আৰু কলিকতালৈ পলাই হ'ল। মানে তেতিয়া যোগেশ্বৰ সিংহক (১৮২৩-১৮২৮) অসমৰ ৰাজপাটত বহুৱালে। এন সময়তে অসমৰ পৰা মানক বিতাৰিত কৰিবৰ বাবে চন্দ্ৰকান্ত সিংহই এক সাহসী প্ৰচেষ্টা চলালে যদিও হাদিৰা চ'কত (পৰীক্ষণ চকী) **১৮২২** খ্ৰীষ্টাব্দৰ জুন মাহত হোৱা বৃহৎ পৰাজয় মূৰ পাতি ল'ব লগা হ'ল। অসম এনেদৰে প্ৰত্যক্ষ শাসনলৈ আহিল আৰু ব্ৰহ্মদেশীয় মান সাম্ৰাজ্যৰ এখন প্ৰদেশ হিচাপে ইয়াক গণ্য কৰা হ'ল।

  আহোম ৰাজতন্ত্ৰৰ অৰাজক অৱস্থা আৰু সামৰিক দূৰ্বলতাৰ সুযোগ লৈ বদন চন্দ্ৰ বৰফুকনৰ উচতনিত মানে অসম আক্ৰমণ কৰা যেন লাগিলেও, মানৰ আক্ৰমণৰ এক গভীৰতৰ উদ্দেশ্য আছিল। তেওঁলোকৰ সাম্ৰাজ্যবাদী আঁচনি অনুসৰি পশ্চিমৰ দিশত সাম্ৰাজ্য সম্প্ৰসাৰণৰ পিছত পূৰ্বৰ পিনে সাম্ৰাজ্যৰ সম্প্ৰসাৰণ কৰিবলৈ মানে মেলিছিল।

- **বৃটিছৰ হস্তক্ষেপ আৰু প্ৰথম ইংৰাজ মান যুদ্ধ** ঃ ১৮ শতিকাৰ শেষৰ ফালে আন-আংপায়া (১৭৩৩-৬০) ৰ অধীনত এখন শক্তিশালী ৰাজ্য হিচাপে ব্ৰহ্মদেশৰ উত্থান ঘটিছিল। তেও পুত্ৰ বাডায়াপাৰাত (১৭৭২-৯২) ৰ ৰাজত্বকালত দেশখনে এক সাম্ৰাজ্যবাদী নীতি গ্ৰহণ কৰিছিল। যেতিয়া ব্ৰহ্মদেশে উজনি আৰু নামনি ব্ৰহ্মদেশ অধিকাৰ কৰিলে তথা আৰাকান বিজয় কৰিলে আৰু মনিপুৰ দখল কৰিলে তেতিয়া এই সাম্ৰাজ্যবাদী আহি' পূৰ্ণ মাত্ৰাত সাকাৰ হ'ব ধৰিলে। বংগৰ নিচিনা ধনী প্ৰদেশবোৰত নিজৰ আধিপত্য বিস্তাৰ কৰাৰ অৰ্থে মানে সঘনাই বলপূৰ্বকভাৱে বংগত প্ৰৱেশ কৰিব ধৰিলে। বৃটিছ চৰকাৰে পোনতে এই পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখিছিল যদিও মানৰ বিৰুদ্ধে কোনো ব্যৱস্থা হাতত লোৱা নাছিল। বৃটিছে পাৰস্পৰিক বুজাবুজিৰ জৰিয়তে ইয়াৰ মোকাবিলা কৰাৰ পক্ষত আছিল। কিন্তু মান এনে বুজাপৰাৰ বাবে সন্মত নাছিল। ১৯২৩ খ্ৰীষ্টাব্দৰ নবেম্বৰ মাহত চিতাগঙ সীমান্তপৰ শ্বাহিপুৰ দ্বীপটো মানে দখল কৰাত পৰিস্থিতি স্পৰ্শকাতৰ হৈ পৰিল।

উত্তৰ পূব-সীমান্তত, ১৮১৯ খ্ৰীষ্টাব্দত ৰজা গম্ভীৰ সিংহক ক্ষমতাচ্যুত কৰি মানে মণিপুৰ দখল কৰে। চিলেট সীমান্ততো বিপদৰ সংকেত বাজিছিল। মণিপুৰ ইতিমধ্যে মানৰ হাতলৈ গুচি গৈছিল আৰু মানে তেতিয়া কাছাৰ আক্ৰমণৰ ভাবুকি দিছিল আৰু বৃটিছ ভাৰতীয় প্ৰদেশ বংগৰ সীমান্তৰ একেবাৰে কাষ চাপিছিল।

সেই সময়তে ডেভিদ স্কটক ৰংপুৰ দেৱানী আয়ুক্তৰ লগতে উত্তৰ-পূব সীমান্তৰ গভৰ্নৰ জেনেৰেল এজেন্ট বা ৰাজ প্ৰতিনিধি হিচাপে নিযুক্তি দিয়া হৈছিল। ১৮২৪ খ্ৰীষ্টাব্দৰ ফ্ৰেব্ৰুৱাৰী মাহৰ আগভাগতে তেওঁ মানৰ বংগ আক্ৰমণ কৰা শংকাক উচ্চতম কৰ্তৃপক্ষক সবিশেষ ৰূপত অৱগত কৰাইছিল। তেওঁৰ মতে বংগ আক্ৰমণ কৰিবৰ বাবে মান সৈন্যই সম্ভাব্য তিনিটা পথৰ যিকোনো এটা ব্যৱহাৰ কৰিব পাৰে। স্কটৰ মতে পথকেইটা আছিল— মণিপুৰৰ পৰা টিপৰাই আৰু কাছাৰ হৈ, অসমৰ পৰা কাছাৰ আৰু জয়ন্তীয়া পাহাৰ হৈ আৰু অসমৰ পৰা ব্ৰহ্মপুত্ৰ নদীয়েদি। তেওঁ লিখিছিল যে যদিহে মানে তৃতীয় পথেদি লয় তেন্তে মানৰ যুদ্ধত নাগাবোৰ প্ৰতিহত কৰাটো বৃটিছৰ পক্ষে কঠিন হৈ পৰিব। সেয়েহে মানসকলক খেদি পঠাবৰ বাবে স্কটে অসমত বৃটিছ হস্তক্ষেপৰ তীব্ৰ পোষকতা কৰিছিল।

ডেভিদ স্কটৰ অনুমোদনৰ পিছত গভৰ্নৰ জেনেৰেল লৰ্ড আমহাৰ্ষ্ট (১৮২৩-২৮) আভা (অমৰাপুৰ)ৰ ৰজাৰ

বিৰুদ্ধে ১৮২৪ খ্ৰীষ্টাব্দৰ মাৰ্চত যুদ্ধ ঘোষণা কৰে। এনেদৰে প্ৰথম ইংৰাজ -মান যুদ্ধ আৰম্ভ হয়। অসমৰ পৰা মানক বহিস্কাৰ কৰাটোৱে এই যুদ্ধৰ অন্যতম মূল লক্ষ্য আছিল।

এতিয়া আমি প্ৰথম ইংৰাজ-মান যুদ্ধৰ যুদ্ধপৰিক্ৰমাৰ বিষয়ে চমুকৈ আলোচনা কৰিম। এই যুদ্ধখন অসম, আৰাকান আৰু ৰেংগুণ এই তিনি ঠাইত হৈছিল। অসমৰ বৃটিছ বাহিনীটো লেফটেন্ট কর্নেল জর্জ মেক মোৰেইনৰ অধীনত আছিল। ১৮২৪ খ্ৰীষ্টাব্দৰ মে মাহত তেওঁ কলেৰাত আক্ৰান্ত হৈ মৃত্যুমুকত পৰে আৰু লেফেটেনেন্ট কর্ণেল আলফ্ৰেড ৰিচার্ডছ তেওঁৰ স্থালাভিষিক্ত হয়। ডেবিদ স্কটে এই সেনাধিনায়ক সকলৰ সৈতে এক নিকট সম্পর্ক ৰক্ষা কৰিছল। আৰু বাহিৰৰ পৰা সম্ভৰত সকলো ধৰণৰ সহায় আগবঢ়াইছিল। ১৮২৪ খ্ৰীষ্টাব্দৰ মার্চ মাহৰ আগভাগত ব্ৰহ্মপুত্ৰ উপত্যকাত যুদ্ধ আৰম্ভ হৈছিল। বৃটিছ বাহিনীয়ে 13 মার্চত গোৱালপাৰা এৰিছিল আৰু 28 মার্চত গুৱাহাটী পাইছিলহি। কেপ্টেইন ষ্লেইডৰ অধীনত বৃটিছে অতি সহজতে গুৱাহাটী দখল কৰিছিল আৰু যিহেতু মানে ইতিমধ্যে ইয়াক পৰিত্যাগ কৰি গৈছিল সেয়েহে কোনোধৰণৰ হতা-হতি হোৱা নাছিল। এনেদৰে এমাহতকৈ কম সময়ৰ ভিতৰত ৰহা নগাওঁ বৃটিছৰ হাতলৈ গৈছিল। বাৰিষাৰ আগমণৰ বাবে এই বৈৰিতা প্ৰত্যাহাৰ কৰা হৈছিল যদিও নবেম্বৰ মাহত পুনৰ যুদ্ধ চলোৱা হৈছিল। মানে খুউব ক্ষীপ্ৰভাৱে উজনি অসমৰ ফালে পিছুৱাই গৈছিল আৰু ৰংপুৰৰ দুৰ্গলৈ পশ্চাদ গমন কৰিছিল। অতিৰিক্ত সৈন্যবলৰ অভাৱ, আভ্যন্তৰীণ মতানৈক্য আৰু খাদ্য যোগানৰ অভাৱ হোৱা হেতুহে মানে বৃটিছৰ মুখামুখি হ'ব পৰা নাছিল। ১৮২৫ খ্ৰীষ্টাব্দৰ মার্চ মাহত তেওঁলোকে ৰংপুৰ এৰিবলৈ বাধ্য হৈছিল। এনেদৰে ব্ৰহ্মপুত্ৰ উপত্যকা মানৰ দখলৰ পৰা মুক্ত হৈছিল। এ চি বেনার্জীৰ মতে ৰংপুৰ দখলৰ পিছত বৃটিছৰ অসম অধিকাৰ কার্যত সম্পূর্ণ হৈছিল।

আৰাকাম আৰু ৰেগুণত হোৱা যুদ্ধ কেবামাহো চলিছিল। ১৮২৬ খ্ৰীষ্টাব্দৰ জানুৱাৰীমাহৰ শেষলৈ মণিপুৰৰ পৰা মানক বহিষ্কাৰ কৰা প্ৰক্ৰিয়া সম্পূর্ণ হৈছিল। আৰাকানৰ যুদ্ধ ১৮২৫ ৰ এপ্ৰিল মাহত শেষ হৈছিল। এ চি বেনার্জীৰ মতে ব্ৰহ্মদেশৰ বিৰুদ্ধে হোৱ যুদ্ধৰ মংগলময় আৰম্ভণ ঘটিছিল ১৮২৪ খ্ৰীষ্টাব্দৰ মে মাহত ৰেংগুণ দখল তথা ১৮২৫ খ্ৰীষ্টাব্দৰ এপ্ৰিলত মিনঙ্গিমহা বাণ্ডুলাৰ মৃত্যুৰ জৰিয়তে ১৮২৬ খ্ৰীষ্টাব্দৰ ফ্ৰেব্ৰুৱাৰী মাহত জেনেৰেল চাৰ আর্চিবল্ড কেম্পবেলৰ নেতৃত্বাধীন বৃটিছ বাহিনীয়ে যেতিয়া আভাৰ পৰা চাৰিদিনৰ যত্ৰাৰ দূৰত্বত অৱস্থিতি ইয়াণ্ডাবু নামৰ গাওঁ খনত উপনীত হৈছিল তেতিয়া এই যুদ্ধৰ সমাপ্তি ঘটিছিল। মান সৈন্যই কোনো ধৰণৰ প্ৰতিৰোধ দিব পৰাঅৱস্থাত নাছিল আৰু সেয়েহে শান্তিৰ প্ৰস্তাৱআগবঢ়ালে। এনেদৰে ১৮২৬ খ্ৰীষ্টাব্দৰ ২৪ ফ্ৰেব্ৰুৱাৰীত আভাৰ ব্ৰহ্মদেশীয় চৰকাৰ আৰু বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ মাজত ইয়াণ্ডাবু সন্ধি স্বাক্ষৰিত হ'ল আৰু প্ৰথম ইংৰাজ-মান যুদ্ধৰ অৱসান ঘটিল।

Wঅগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ তলৰ প্ৰশ্ন সমূহৰ উত্তৰ লিখক ঃ

ক) কোন চনত কমলেশ্বৰ সিংহৰ মৃত্যু হয়?

.....

খ) পূৰ্ণানন্দই বদন চন্দ্ৰক কি পদবীত নিযুক্তি দিছিল?

.....

গ) বদন চন্দ বৰফুকনক কোনে হত্যা কৰিছিল?

.....

ঘ) কাৰ অধীনত বৃটিছে অতি সহজে গুৱাহাটী দখল কৰিছিল?

.....

প্ৰশ্ন নং ২ ঃ মানে ৰাজপাটত বহুৱা আহোম ৰজাসকলৰ নাম কি আছিল?

.....

প্ৰশ্ন নং ৩ ঃ প্ৰথম ইংৰাজ-মান যুদ্ধৰ সময়ত ভাৰতৰ গভৰ্নৰ জেনেৰেল কোন আছিল?

.....

প্ৰশ্ন নং ৪ ঃ মিনঙ্গিমহা বাণ্ডুলাৰ কেতিয়া মৃত্যু হৈছিল?

.....

প্ৰশ্ন নং ৫ ঃ ইয়াণ্ডাবু সন্ধি কেতিয়া স্বাক্ষৰিত হৈছিল?

.....

৫.৪ ইয়াণ্ডাবু সন্ধি আৰু বৃটিছৰ অসম অধিকাৰ

আমি এতিয়ালৈকে মানৰ অসম আক্ৰমণৰ প্ৰেক্ষাপট আৰু কি পৰিস্থিতিত বৃটিছৰ হস্তক্ষেপ হ'ল সেই সম্পৰ্কে আলোচনা কৰিলো। অৱশ্য ইংৰাজ-মান বৈৰিতা আৰু অসমত বৃটিছ হস্তক্ষেপ এই দুয়োটা ক্ষেত্ৰতে দুয়োটা দলৰ অভিপ্ৰায় আছিল সাম্ৰজ্যবাদী আৰু ঔপনিবেশিক অভিলাষাপূৰ্ণ। সেয়েহে মানৰ অসম আক্ৰমণৰ পিছত বৃটিছে মানৰ বিৰুদ্ধে যুদ্ধ আৰম্ভ কৰিছিল। (প্ৰথম মান যুদ্ধ ১৮২৪-২৬) প্ৰথমতে মানৰ হাতৰ পৰা নামনি মোকোলোৱা হৈছিল আৰু তাৰ পিছত বৃটিছে উজনি অসমত মানক পৰাজিত কৰিছিল আৰু এই ঘটনাই ইয়াণ্ডাবু সন্ধিৰ পিনে দুয়োটা পক্ষক আগুৱাই নিছিল।

১৮২৬ খ্ৰীষ্টাব্দৰ ২৪ ফ্ৰেব্ৰুৱাৰীত মান আৰু বৃটিছৰ মাজত ইয়াণ্ডাবু সন্ধি স্বাক্ষৰিত হৈছিল। অসমৰ ইতিহাসত এই সন্ধিক এক গুৰুত্বপূৰ্ণ ঘটনা বুলি চিহ্নিত কৰা হৈছে। এই চুক্তিয়ে অসমত ৬০০ বছৰীয়া আহোম শাসনৰ অৱসান ঘটাইছিল আৰু এই চুক্তিক অমসৰ বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন আৰম্ভ কৰাৰ সূচক বুলি গণ্য কৰা হয়। ইয়াণ্ডাবু সন্ধিৰ ২ নং অনুচ্ছেদ অনুযায়ী ব্ৰহ্মদেশৰ ৰজাই অসম ৰাজক্ষে তথা ইয়াৰ প্ৰভাৱশালী সকলো ৰাজ্য, কাছাৰ আৰু জয়ন্তীয়াৰ নিচিনা ক্ষুদ্ৰ প্ৰতিবাদী ৰাজ্যৰ ওপৰত ভৱিষ্যতলৈ হস্তক্ষেপ কৰাৰ পৰাবিৰত থাকিব বুলি কথা দিছিল। মণিপুৰৰ ক্ষেত্ৰত এই চৰ্ত বান্ধি দিয়া হৈছিল যে যদিহে গম্ভীৰ সেঙে দেশলৈ উ ভতি আহিব বিচাৰে তেন্তে আভাৰ ৰজাই তেওংক ৰজা স্বীকৃতি দিব লাগিব।

প্ৰথম ইংৰাজ-মান যুদ্ধৰ পৰিণতি অসমৰ ইতিহাসত এক নিৰ্ণায়ক ঘটনা বুলি প্ৰমাণিত হৈছিল। কে এন দত্তৰ মতে সাধাৰণতে যিসকল শাসকক মানে ক্ষমতাচ্যুত কৰিছিল সেইসকলক অধিকাৰ সিদ্ধভাৱে সিংহাসনত লগে লগে বহুৱাব লাগিছিল, কিন্তু আহোম শাসন তন্ত্ৰত অনিবাৰ্য পৰিণতি হিচাপে আভ্যন্তৰীণ কন্দল পুনৰ লাগিছিল আৰু ইয়ে মানৰ আগমণৰ আগতে হোৱাতকৈও অধিক বেছি ৰূপত অসমীয়া মানুহ আৰু তেওঁলোকৰ শাসকসকলৰ ভিত্তিত নিশকতীয়া কৰি পেলাইছিল। ইয়াৰ ফলত অসম দেশৰ ভূমি বৈৰী বিজেতাসকলৰ আগত উন্মুক্ত হৈ পৰিছিল। যুদ্ধৰ সময়ছোৱাত মাটি অধিগ্ৰহণ কৰা বৃটিছে অসমৰ ৰজা-মহাৰজা আৰু বিষয়-বৰীয়াসকলৰ মত্যনৈক্যৰ তথা সাধাৰণ মানুহৰ বিভ্ৰান্তিৰ সুবিধা লৈছিল আৰু মানৰ পৰা বিজয় সূত্ৰে (অসমীয়াৰ পৰা নহয়) পোৱা বুলি অসমৰ মাটি অধিকাৰ কৰিছিল। উল্লেখ্য যে তেওঁলোকৰ এই কাৰ্য যুদ্ধৰ আৰম্ভণিতে দিয়া প্ৰতিশ্ৰুতিৰ বিৰুদ্ধে গৈছিল য'ত তেওঁলোকে যুদ্ধ শেষ হোৱাৰ পিচত পুৰণি স্থানীয় শাসক শাসন তন্ত্ৰক পুনৰ প্ৰতিষ্ঠা কৰিব বুলি কথা দিছিল।

এই খিনিতে উল্লেখ কৰোতে ভাল যে যুদ্ধৰ আৰম্ভণিতে বৃটিছে ঘোষণা কৰিছিল যে 'তেওঁলোকে বিজয়ৰ বাসনাত এইখন দেশলৈ অহা নাই।" তেওঁলোকে প্ৰতিশ্ৰুতি দিছিল যে বৃটিছে "অসমীয়াৰ আশা-আকাঙ্খাৰ অনুকূলে আৰু সকলো শ্ৰেণীৰ লোকৰ সুখ-সমৃদ্ধি বঢ়াব পৰা" এখন চৰকাৰ পুনঃপ্ৰতিষ্ঠা কৰিব। কিন্তু অসমৰ ক্ষেত্ৰত বৃটিছে নিজ সাম্ৰাজ্যবাদী মনোভাৱ নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে আৰু অসম খন নিগাজিকৈ অধিকাৰ কৰি লোৱাৰ বাবে সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিলে। এনেদৰে ইয়াণ্ডাবু সন্ধিৰ কিছুদিনৰ ভিতৰতে অসম বৃটিছৰ অধীনলৈ গ'ল।

২ ৫.৫ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়নৰ কৰি আপুনি —

- কেনে পৰিস্থিতিত মানে অসম আক্রমণ কৰিছিল আৰু তাৰ পৰিণতিত অসমত বৃটিছ হস্তক্ষেপ কিদৰে হৈছিল তাৰ বিষয়ে জানিব পাৰিলে।
- লগতে প্রথম মান ইংৰাজ যুদ্ধ আৰু ইয়াৰ ফলাফলো জানিব পাৰিলে।

৫.৬ অধিক জানিবলৈ

ইংৰাজী গ্রন্থঃ

1) Barpujari, H.K (1999): *Political History of Assam, Volume-I*, (edited), 2nd edition, Publication Board Assam.
2) Barpujari, H.K (2004): *A Comprehensive History of Assam Volume-II & IV*, (edited), 2nd edition, Publication Board Assam.
3) Bora, D.(1983): *Moamariya Gana Abhyuthan*, Banlata.
4) Baruah, S.L(2012): *A Comprehensive History of Assam,* 3rd edition, Munishram Manoharlal.
5) Saikia Rajen (2000) *Social and Economic History of Assam 1853-1921*, Delhi.

K ৫.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ক) ১৮১১, খ) সৎৰাম, গ) বৰফুকন ঘ) ৰূপ সিং ঙ) শ্বাহিপুৰি চ) স্লেইড
২ নং প্রশ্নৰ উত্তৰ ঃ চন্দ্র সিং আৰু যোগেশ্বৰ সিং
৩ নং প্রশ্নৰ উত্তৰ ঃ আর্মহার্ষ্ট
৪ নং প্রশ্নৰ উত্তৰ ঃ ১৮২৫ খ্রীষ্টাব্দৰ এপ্রিল
৫ নং প্রশ্নৰ উত্তৰ ঃ ১৮২৬।

M ৫.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ 50 শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ ইয়ান্দাবু সন্ধিয়ে কোনখন ইংগ-মান যুদ্ধৰ সমাপ্তি ঘটায় ?
প্রশ্ন ২ঃ কোনখন সন্ধিৰ দ্বাৰা অসম পোনপটীয়া ভাৱে বৃটিছৰ অধীনলৈ যায় ?
প্রশ্ন ৩ঃ বদন বৰফুকন কোন আছিল?

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ 150 শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ চমু টোকা লিখক ঃ
(ক) চন্দ্রকান্ত সিংহ (খ) পূর্ণানন্দ বুঢ়াগোঁহাই।

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ 300–500 শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ ইংগ-মান যুদ্ধসমূহৰ বিষয়ে আলোচনা কৰক ।

প্রশ্ন ২ঃ ইয়ান্দাবু সন্ধিৰ বিষয়ে এটি চমু টোকা লিখক আৰু এই সন্ধিৰ জৰিয়তে বৃটিছে কেনেদৰে অসম দখন কৰিলে এই বিষয়ে চমুকৈ লিখক ।

অধ্যায় ৬ ঃ উপনিবেশিক সীমান্ত নীতি

অধ্যায় গাঁথনি

6.1 উদ্দেশ্য
6.2 পৰিচয়
6.3 উপনিবেশিক সীমান্ত নীতি
6.4 গাৰো পাহাৰৰ প্ৰতি সীমান্ত নীতি
6.5 লুচাই পাহাৰৰ প্ৰতি সীমান্ত নীতি
6.6 নগা পাহাৰৰ প্ৰতি সীমান্ত নীতি
6.7 সুদূৰৰ আভ্যন্তৰীণ পৰিসীমাৰ জনজাতিসকলৰ লগত সম্পৰ্ক
6.8 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
6.9 অধিক জানিবলৈ
6.10 অগ্ৰগতিৰ খতিয়ান
6.11 আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- উপনিবেশিক সীমান্ত নীতিৰ বিষয়ে জানিব পাৰিব
- গাৰো, লুচাই আৰু নগা পাহাৰৰ প্ৰতি বৃটিছৰ সীমান্ত নীতিৰ বৰ্ণনা কৰিব
- সুদূৰৰ আভ্যন্তৰীণ পৰিসীমাৰ জনজাতিসকলৰ লগত সম্পৰ্কৰ আলোচনা কৰিব।

৬.২ পৰিচয়

বৃটিছৰ দ্বাৰা অসমত ৰাজনৈতিক মীমাংসা ইয়াণ্ডাবু সন্ধিৰ (1826) জৰিয়তে আৰম্ভ কৰা হৈছিল। 1928 চনত বৃটিছে নামনি অসম অধিগ্ৰহণ কৰিছিল আৰু সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকা বশ কৰিবলৈ ব্যৱস্থা লৈছিল। ঊনবিংশ শতিকাৰ শেষৰ ফালে বৃটিছে এক অঞ্চলত প্ৰবেশ কৰিছিল। যি দেশৰ বাকী অঞ্চলৰ পৰা ব্যৱহাৰিকভাৱে দূৰৱৰ্তী আছিল আৰু তেওঁলোকে লুচাই পাহাৰ, নগা পাহাৰ, গাৰো পাহাৰ আৰু সন্মিহিত ঠাইবোৰ নিজৰ অধীনলৈ আনিছিল।

৬.৩ উপনিবেশিক সীমান্ত নীতি

অসমৰ অধিগ্ৰহণে বৃটিছক উত্তৰ-পূব ভাৰতত বসবাস কৰা বিভিন্ন জনজাতিসকলৰ লগত সংস্পৰ্শলৈ আনিছিল। 19 শতিকাৰ ইংগ-জনজাতি সম্পৰ্ক বহু ধাৰাৰ জৰিয়তে আহিছিল। আৰম্ভণিতে বৃটিছ ভাৰতৰ উত্তৰ-পূব সীমান্তত বসবাস কৰা জনজাতিসকলৰ লগত সম্পৰ্কত আহিবলৈ অনিচ্ছুক নাছিল আৰু সীমাত শান্তি আৰু সাৰ্বভৌমত্ব বৰ্তাই ৰখা বাবে যিমান পৰিমাণৰ নিয়ন্ত্ৰণ প্ৰয়োজন, তাক প্ৰয়োগ কৰিবলৈ পচন্দ কৰিছিল। জনজাতি লোকসকল সদায় তেওঁলোকৰ বহু পুৰণি ৰীতি আৰু পৰম্পৰা লৈ স্বাধীন হৈছিল। তেওঁলোকে জাতি সম্বন্ধীয়, ৰাজনৈতিক আৰু অৰ্থনৈতিক জীৱন নিৰ্ধাৰণ কৰিছিল আৰু তেওঁলোকে কোনো হস্তক্ষেপ লৈ বিৰূপ আছিল।

সেইবাবে বৃটিছ নীতি বহল অর্থত এক অহস্তক্ষেপ আছিল। সি যি নহওঁক তেওঁলোকে ব্যৱসায়ক উদগনি দিছিল যেতিয়ালৈকে জনজাতিসকল শান্তিপূর্ণ হৈ আছিল। বৃটিছ সীমান্তৰ ক্রমাগত সম্প্রসাৰণে অপৰিবর্তিত জনজাতিসকলৰ লগত ওচৰ চপাই আনিছিল। বিভিন্ন কাৰণৰ বাবে তেওঁলোকৰ আগৰ নীতিৰ বিপৰীতমুখী কৰাৰ প্রয়োজন হৈ পৰিছিল আৰু এক সক্রিয় হস্তক্ষেপ নীতি অনুসৰণ কৰিছিল। দীঘলীয়া সময়ৰ অহস্তক্ষেপ নীতিৰ পৰোক্ষ নিয়ন্ত্রণ ক্রমশ পৰিত্যাগ কৰি আৰু পৰিণতিত শতিকাৰ শেষত প্রত্যক্ষ নিয়ন্ত্রণলৈ পৰিৱর্তি হৈছিল।

পাহাৰীয়া অঞ্চলত চাহ ৰোপণৰ সম্প্রসাৰণ বৃটিছৰ আচাৰণৰ পৰিৱর্তনৰ এক গুৰুত্বপূর্ণ কাৰক আছিল। আৰম্ভণিতে চৰকাৰে পাহাৰত অভিযানৰ সমস্যাৰ বোধগম্য কৰিছিল। তাৰোপৰি জনজাতিলোকৰ তীব্র যোদ্ধা হিচাপে জনা গৈছিল। তদুপৰি চৰকাৰে অনুভৱ কৰিছিল যে পাহাৰীয়া অঞ্চলৰ নগৰ পৰিমাণৰ অর্থনৈতিক সম্ভাৱনা আছে আৰু এই অঞ্চলত যিকোনো ধৰণৰ অর্থ প্রয়োগ ফলাফলহীন হ'ব। সেয়ে ঊনবিংশ শতিকাৰ ষষ্ঠ দশকলৈ বৃটিছৰ নীতি এনে ধৰণৰ বিবেচনাৰ দ্বাৰা প্রভাৱান্বিত হৈছিল। ভাইচৰত যেনে ডেলহাউচিৰ দ্বাৰা অনুসৰণ কৰা সামূহিক সম্প্রসাৰণবাদী নীতিয়ে এই ক্ষেত্রত সাক্ষ্য দিয়ে।

বৃটিছ সীমান্তৰ সম্প্রসাৰণৰ ফলস্বৰূপে জনজাতি লোকসকলৰ দ্বাৰা চাহ বাগিচাত সঘটনাই লুটপাতৰ আক্রমণ চলিছিল। 1860 আৰু 1870 পৰা অসমত ৰোপণৰ প্রক্রিয়া বহু শক্তিশালী হৈ পৰিছিল। বহু ক্ষেত্রত এনেধৰণৰ হেঁচাৰ বাবে চৰকাৰে ভাৰত উত্তৰ-পূব সীমান্তৰ পাহাৰৰ জনজাতিসকলৰ প্রতি এক সীমান্ত নীতি অনুসৰণ কৰিবলৈ সিদ্ধান্ত কৰিছিল।

৬.৪ গাৰো পাহাৰৰ প্রতি সীমান্ত নীতি

গাৰোসকলে পাহাৰৰ অভ্যন্তৰত বসবাস কৰিছিল। গৰো জনজাতিসকলৰ বহু ফৈদ পূব বংগ আৰু খার্চী পাহাৰৰ মাজৰ সমভূমিত বসবাস কৰিছিল। এই অঞ্চলত কৰিয়াবাৰি, কালোমালোপূনা, হাবৰাঘাট, মেচপাৰা চেৰপূৰ-চুচউ আৰু বিজনী খাত আছিল। চৌধুৰী আৰু ৰাজা, খ্যাত-পামৰ জমিদাৰ, গাৰোসকলৰপৰা ৰাজহ সংগ্রহ কৰা আৰু সেই অঞ্চলত আইন-কানুন নিয়ন্ত্রণ কৰাৰ বাবে দায়ী আছিল। কিন্তু এই জমিদাৰসকলে গাৰোসকলৰ ওপৰত বেচি গুৰুত্ব দিয়া নাছিল আৰু তেওঁলোকে নিয়মিতভাৱে সমভূমিত আক্রমণ চলাইছিল। তেনে সময়তে এক পাহাৰত কপাহ এক গুৰুত্বপূর্ণ ব্যৱসায়িক সামগ্রী হৈ পৰে, যিয়ে জমিদাৰসকলৰ তেওঁলোকৰ অঞ্চলত একাধিপত্য প্রতিষ্ঠা কৰিবলৈ বাধ্য কৰাইছিল। পৰৱর্তী চেষ্টাবোৰ এই অনুযায়ী কৰা হৈছিল আৰু পাহাৰীয়াসকলেও সমভূমি অঞ্চলত প্রত্যাক্রমণ কৰিবলৈ আৰম্ভ কৰিছিল। ইয়ে সীমান্ত অঞ্চলত বেমেজালিৰ সৃষ্টি কৰিছিল। কোম্পানীয়ে গাৰো পাহাৰৰ ওপৰত প্রত্যক্ষ নিয়মৰ প্রয়োগ কৰিবলৈ বিচাৰিছিল।

1816 চনত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে, ৰংপুৰ জিলাৰ অংশ হিচাপে গাৰো পাহাৰৰ প্রশাসনীয় দায়িত্ব গ্রহণ কৰে। গাৰোসকলক তিনিটা ভাগত ভাগ কৰিছিল— জমিদাৰী গাৰো (যিসকলে পূবৰ জমিদাৰৰ সম্পত্তিৰ ভিতৰত বসবাস কৰিছিল), কৰতলীয়া গাৰোসকল (যিসকলে চৰকাৰৰ বছৰেকীয়া কৰৰ কর্তৃত্ব স্বীকাৰ কৰিছিল) আৰু স্বাধীন গাৰোসকল।

বংগ আইন এই অঞ্চলত কার্যকৰীকৰণ কৰা হৈছিল। কিন্তু ডেভিদ স্কটে অনুভৱ কৰিছিল যে ই এই অঞ্চলৰ বাবে অপ্রয়োজনীয়। স্কটে গোৱালপাৰা, ধুবুৰী আৰু কৰিয়াৰ সামৰি এক অসামৰিক আয়ুক্ত সৃষ্টি কৰাৰ বাবে অনুমোদন জনাইছিল। এই ধাৰণা জমিদাৰসকলৰ মধ্যস্থতা নকৰাকৈ সকলো গাৰোক বৃটিছৰ প্রত্যক্ষ নিয়ন্ত্রণৰ অধীনলৈ অনাৰ বাবে আছিল। স্কটৰ প্রস্তাৱৰ লগতে বংগ আইনক 1822 চনৰ দশম আইনৰ দ্বাৰা পুনৰ প্রতিস্থাপিত কৰা হৈছিল। কিন্তু উত্তৰ-পূব সীমান্ত গর্ভণৰ জেনেৰেলৰ প্রতিনিধি হিচাপে নিযুক্তিৰ লগতে আক্রমণৰ আৰম্ভণি আৰু গাৰো সমস্যাৰ হৈছিল।

বৃটিছৰ অসম অধিগ্রহণৰ পিছত পুনৰ আক্রমণৰ লুটপাত আৰম্ভ হৈছিল। যদিও বৃটিছে দমনমূলক ব্যৱস্থা লৈছিল, কিন্তু সচাৰচৰ এই নীতি আপোচমূলক আছিল। কিন্তু পুনৰ আক্রমণ আৰু হত্যা গাৰো পাহাৰত আৰম্ভ হৈছিল। ইয়াৰ কাৰণে লর্ড ডেলহাউচিয়ে গভর্ণৰ জেনেৰেলে গাৰো পাহাৰত এক শক্তিশালী পদক্ষেপৰ কথা

অনুভৱ কৰিছিল আৰু গাৰোসকলক দমন কৰাৰ বাবে অভিযান তাৎক্ষণিক অভিযান প্ৰেৰণ কৰাৰ বাবে অনুমোদন জনাইছিল। ক্ৰমানুসাৰে এক অভিযান পূৰণ কৰা হৈছিল। কিন্তু ই সফল হোৱা নাছিল। ইয়াৰ বাবে গাৰো আৰু বৃটিছৰ মাজত সম্পৰ্ক বেমাৰ বা অধিক বেয়ালৈ পৰিৱৰ্তিত হৈছিল। আগৰ নীতিক লিয়াই, ডেলহাউচিয়ে অৰ্থনৈতিক অৱৰোধ কৰাৰ বাবে সিদ্ধান্ত লৈছিল। গাৰোসকলক পাহাৰতে সীমাবদ্ধ কৰাৰ বাবে, বজাৰবোৰ বন্ধ কৰা হৈছিল। কিন্তু এই কাৰ্যৰে সফল হৈ পৰিছিল। জেনকিন্স আৰু মফট মিলচেৰো পাহাৰত সামৰিক অধিগ্ৰহণ কৰাৰ বাবে অনুমোদন হৈছিল। একে সময়তে আক্ৰমণ চলি আছিল।

1861 হেনৰি হপকিনচনে, জেনকিন্সৰ পিছত অসমৰ গভৰ্নৰ জেনেৰেলৰ প্ৰতিনিধি আৰু কমিচনাৰ হৈ আহিছিল। তেওঁ পাহাৰীয়া জনজাতিসকলৰ প্ৰতি এক বিস্তৃত নীতি পোষকতা কৰিছিল। তেওঁ এজন বিশেষ বিষয়া যুক্তি কৰাৰ বাবে দিয়া আগৰ পৰামৰ্শকে দোহাৰিছিল। ৰাস্তা নিৰ্মাণৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিছিল। কিন্তু ভাৰতৰ চেক্ৰেটাৰীয়ে বাণিজ্যৰ বৃদ্ধিৰ বাবে অনুমোদন জনাইছিল আৰু পৰামৰ্শ দিছিল যে গাৰোসকলক অধিক কপাহ উৎপাদন বৃদ্ধি কৰিবলৈ, সকলো ধৰণৰ সাহায্যৰ সম্প্ৰসাৰণৰ জৰিয়তে ৰোপন কৰিবলৈ মনোবল দিছিল। হপকিনচনে এই নতুন নীতিৰ প্ৰয়োগৰ বাবে চেষ্টা কৰিছিল।

1865 চনত বি ডব্লিউ ডি মৰ্টন, ডেপুটি কমিচনাৰ, গোৱালপাৰা, গাৰো পাহাৰত এক নীতি সংগঠনৰ বাবে প্ৰস্তাৱ কৰিছিল। যাৰ জৰিয়তে ৰাজহ সংগ্ৰহৰ বাবে লচকাৰক দায়িত্ব দিয়া হৈছিল আৰু ইয়াৰ বাবে এই ঠাইত আইন-কানুনৰ নিয়ন্ত্ৰণ কৰিব। চৰকাৰে বন্দোবস্ত কৰিছিল আৰু লচকাৰসকলক জমিদাৰ হিচাপে পুনৰ গঠন কৰিবলৈ আৰু আইন-কানুন নিয়ন্ত্ৰণ কৰাৰ বাবে প্ৰয়োজনীয় অসামৰিক আৰু সামৰিক ক্ষমতাৰে শক্তিশালী কৰিবলৈ মৰ্টনক নিৰ্দেশ দিছিল। ক্ৰমানুসাৰে ডব্লিউ জে উইলিয়ামচনক সহকাৰী আয়ুক্ত, গোৱালপাৰা নিৰ্ধাৰিত দৰমহাৰ ভিত্তিত 34জন মুখিয়ালক জমিদাৰ হিচাপে নিযুক্তি দিছিল।

এই মীমাংসাই গাৰো পাহাৰৰ উত্তৰ অংশত কাম কৰিছিল কিন্তু একে সময়তে দক্ষিণ অংশৰ সমস্যা আৰম্ভ হৈছিল। এই সমস্যা মীমাংসা কৰিবলৈ, 1866 চনৰ জুলাই মাহত গাৰো পাহাৰক পৃথক প্ৰশাসনীক গোট বনোৱা হৈছিল আৰু 1869 চনত উইলিয়ামচনক সহকাৰী আয়ুক্ত হিচাপে লৈ সম্পূৰ্ণ জিলা কৰা হৈছিল। কিন্তু তাত যথেষ্ট শত্ৰুতাপূৰ্ণ কাৰ্য চলি আছিল আৰু সেইবাবে 1874 চনত গাৰো পাহাৰক দমন কৰা হৈছিল আৰু অসমৰ প্ৰধান আয়ুক্ত অধীনলৈ অনা হৈছিল।

৬.৫ লুচাই পাহাৰৰ প্ৰতি সীমান্ত নীতি

লুচাইসকলে কাচাৰৰে সংযুক্ত পাহাৰীয়া অঞ্চলত বসবাস কৰিছিল। লুচাইসকলৰ দ্বাৰা বসবাস কৰা পাহাৰীয়া অঞ্চলত অৰ্থনৈতিক সম্পদ সীমিত আছিল আৰু সম্পদৰ নিয়ন্ত্ৰণৰ সংঘাতে গোষ্ঠীকেন্দ্ৰিক সংঘৰ্ষৰ বাৰে বাৰে সৃষ্টি কৰে। লুচাই সকলেও বাৰে বাৰে সম্পত্তিৰ বাবে সমভূমিত থকা ওচৰৰ বৃটিছ অঞ্চলত আক্ৰমণ কৰিছিল। 1840 চনৰ আৰম্ভণিত সেয়া সিঁচৰিত হৈ আছিল। বংগৰ চৰকাৰে লুচাই অঞ্চললৈ নিষ্ঠুৰ অভিযান প্ৰেৰণ কৰিবলৈ সিদ্ধান্ত লৈছিল 1850 চনৰ জানুৱাৰী মাহত কেপ্টেইন হিষ্টাৰক চিলেট লঘু পদাতিক বাহিনীৰ সৈতে প্ৰেৰণ কৰা হৈছিল।

1850 ৰ ডিচেম্বৰত বহু লুচাই মুখিয়ালৰ প্ৰতিনিধি তেওঁলোকৰ শত্ৰুৰ বিৰুদ্ধে বৃটিছৰ সহায়ৰ বাবে, বস্তু সহ শিলচৰত উপস্থিত হৈছিল। বৃটিছে বন্ধুত্বক গ্ৰহণ কৰিছিল, কিন্তু গোষ্ঠীগত সংঘৰ্ষত জড়িত হ'বলৈ অস্বীকাৰ কৰিছিল। 1862 চনত লুচাইৰ এক দলে হঠাৎ কচাৰী গাঁৱত প্ৰবেশ কৰি তেওঁলোকক লুটপাত কৰিছিল, বহু বাসিন্দাক হত্যা কৰিছিল আৰু বহুতকে বন্দী কৰি লৈ গৈছিল। বৃটিছে এক বাৰ্ষিক পাৰিতোষিকৰ জৰিয়তে শান্তি ৰক্ষাৰ বাবে চুকপিলাল, এক প্ৰধান লুচাই নেতাক প্ৰভাৱিত কৰিবলৈ চেষ্টা কৰিছিল। 1864 চনত কেপ্টেইন ষ্টীয়াৰ্টে চুকপিলালৰ লগত এক চুক্তিপত্ৰত স্বাক্ষৰ কৰিছিল। চুকপিলালে এই চুক্তিপত্ৰ অগ্ৰাহ্য কৰিছিল। সীমান্তত বেছি সমস্যা হৈছিল।

অৱস্থা ইমান আশংকাপূৰ্ণ হৈছিল যে চৰকাৰে 1869 চনত লুচাই পাহাৰলৈ অন্য এক অভিযান প্ৰেৰণ

কৰিবলৈ বাধ্য হৈছিল যদিও আৰম্ভণিতে সফল হয়। কিন্তু বেয়া বতৰৰ বাবে বাহিনী উঠাই লৈছিল। চৰকাৰে সেই ঠাইৰ লগত মীমাংসা কৰিবলৈ এজন বিশেষ বিষয়াক নিযুক্তি দিছিল। তেওঁ চুকপিলাল সহিতে বহু মুখিয়ালক চুক্তিৰ ভিতৰুৱা কৰিছিল। 1881 চনত চুকপিলালৰ মৃত্যু হৈছিল আৰু গোষ্ঠীগত সংখ্যা পুনৰ সূচনা হৈছিল।

1890 চনত প্ৰধান মুখিয়ালসকলৰ আত্মসমৰ্পনৰ পিছতেই অভিযানৰ সমাপ্তি হৈছিল। উত্তৰ লুচাই পাহাৰক এজন বৃটিছ ৰাজনৈতিক বিষয়াৰ অধীনষ্ঠ কৰা হৈছিল। 1891 চনত দক্ষিণ লুচাই পাহাৰ আৰু চিতাগং পাহাৰীয়া অঞ্চলক সামৰি এখন পৃথক জিলা গঠন কৰা হৈছিল। জিলাৰ মুখ্য কার্যালয় চি এছ মোৰেৰ অধীক্ষকৰ অধীনত লুংলেহত আছিল। 1898 চনত চিন, লুচাই পাহাৰ, যিটো আগতে এতিয়ালৈকে কিছু অংশ অসমৰ দ্বাৰা আৰু কিছু বংগৰ দ্বাৰা শাসন কৰা হৈছিল, উপৰোক্ত অঞ্চলৰ লগত একত্রিত কৰা হৈছিল।

৬.৬ নগা পাহাৰৰ প্ৰতি সীমান্ত নীতি

বৃটিছৰ সীমান্তৰ উজনি অসমলৈ সম্প্রসাৰণে নগাসকলৰ লগত প্রত্যক্ষ সংস্পৰ্শলৈ আনিছিল, যিয়ে শিৱসাগৰৰ লগত সংযুক্ত পাহাৰৰ সৈতে সংযুক্ত। নগাসকলক বহু ফৈদত বিভক্ত আছিল। যেনে— অংগামী, চেমা আৰু লোথা, প্রত্যেকটো এজন মুখিয়ালৰ অধীন। নগাসকলেও সমভূমিৰ গাঁত নিষ্ঠুৰ আক্রমণ কৰিছিল। সেইবাবে সীমান্ত অস্থিৰতাৰ ৰাজ্য হৈ আছিল।

আৰম্ভণিতে বৃটিছৰ নীতি নগাসকলৰ প্রতি অহস্তক্ষেপ আছিল। বৃটিছে সিদ্ধান্ত লৈছিল যে তেওঁলোকৰ লগত মোকাবিলা কৰিবলৈ ভাল পন্থা হৈছে মুখিয়াললিাকৰ লগত ব্যক্তিগত সংযোগ স্থাপন কৰা আৰু ওচৰৰ বৃটিছ অঞ্চলক আক্রমণৰ পৰা বিৰত ৰাখিবলৈ, আপোচ নীতিৰ জৰিয়তে নগাসকলক তেওঁলোকৰ তলতীয়া কৰিবলৈ চেষ্টা কৰিছিল। 1851 চনত চৰকাৰে তলৰ নীতিৰ স্থাপন কৰিছিল, যিটো নগাসকলৰ ক্ষেত্রত অনুসৰণ কৰা হৈছিল।

সীমান্তত নগাসকলক সীমাবদ্ধ কৰি ৰাখিবলৈ, সুৰক্ষা দিবলৈ উপযুক্ত হ'লে অর্থাৎ যেতিয়ালৈকে তেওঁলোকক শান্তিপূর্ণ হৈ থাকিব, তেওঁলোকক ব্যৱসায়ৰ বাবে উদগনি দিব আৰু বিৰক্তিক সকলো যোগাযোগ দূৰ কৰিব। চৰকাৰক অহস্তক্ষেপ নীতি দূৰ কৰিবলৈ বাধ্য কৰিছিল। পৰিস্থিতিৰ ব্যাখা কৰি হেনৰি হপকিনচন, 1861 চনত হেনকিন্সৰ উত্তৰাধিকাৰী হয়।

হপকিনচনে গুৰুত্ব সহকাৰে বিবেচনা কৰিছিল যে চৰকাৰৰ কোনো বিকল্প নাই বিশেষভাৱে অঞ্চল অধিগ্রহণ কৰা নাইবা অকলে তেওঁলোকক এৰি দিয়া। ইয়াকে বিবেচনা কৰি তেওঁ বিশ্বাস কৰিছিল যে চৰকাৰে এক স্পষ্ট নীতি নোলোৱা পর্যন্ত, সীমান্তৰ সুৰক্ষাৰ বাবে কার্য প্রস্তুত কৰিবলৈ অসম্ভৱ। 1873 চনত আভ্যন্তৰীণ সীমা আইন বলবৎ কৰা হৈছিল, যি সীমাৰ সীপাৰে য'ত জনজাতিসকলে নিজৰ কাম কৰিবলৈ পাৰিছিল। বৃটিছ প্রশাসনীয় ঠাই আৰু জনজাতিসকলৰ মাজত সীমা নির্ধাৰণ কৰিছিল। বৃটিছৰ সুৰক্ষা সেই নগা গাঁওবোৰলৈ সম্প্রসাৰিত হৈছিল, যিয়ে সেই কৰ দিছিল। 1878 চনত, 17খন নগা গাঁও বৃটিছ সুৰক্ষাৰ অধীনলৈ আহিছিল। কিছুমান শক্তিশালী গাঁৱে হেঁচা প্রয়োগৰ পিছতো মূৰ দোৱাবলৈ অগ্রাহ্য কৰিছিল আৰু তেওঁলোকৰ স্বাধীনতা বর্তাই ৰাখিছিল।

চি. এইচ. ডমণ্টে 1878 চনত নগা পাহাৰ ৰাজনৈতিক বিষয়া হিচাপে দায়িত্ব লৈছিল। মুখ্য কার্যালয় চুমাগুটিঙৰ পৰা কহিমাৰ মাজলৈ স্থানান্তৰিত কৰিছিল। তেওঁ সকলো গাঁৱৰ পৰা লগতে স্বাধীন সকলৰ পৰাও খাজনা দাবী কৰিছিল। তেওঁৰ এই নীতিয়ে ব্যাপক অসন্তুষ্টিৰ সৃষ্টি কৰিছিল। 1879 চন অক্টোবৰ মাহত ডমণ্ট আৰু তেওঁৰ দলক লুনুমাত হত্যা কৰা হৈছিল, য'ত তেওঁ এক বিবাদৰ অনুসৰণ কৰিবলৈ গৈছিল। ৰাজনৈতিক বিষয়াজনৰ হত্যাই সকলো নগাক একলগ হোৱাত উৎসাহিত কৰিছিল আৰু তাৰে 6000জন কহিমা অধিগ্রহণ কৰে।

চৰকাৰৰ বাবে নিজৰ স্থান পুনৰোদ্ধাৰ কৰাতো জৰুৰী হৈ পৰিছিল। চৰকাৰে ব্রিগেদিয়াৰ জেনেৰেল নেচন ওনানক নগাসকলক আত্মসমর্পন কৰিবলৈ বাধ্য কৰাৰ বাবে অভিযান প্রেৰণ কৰিছিল। 1880 চনৰ মার্চ

মাহত বহু শত্রুতাপূর্ণ গাঁৱক ভূলুণ্ঠিত কৰিবলৈ বাধ্য কৰিছিল, বেছিভাগকেই আত্মসমর্পন কৰিবলৈ বাধ্য কৰিছিল। বৃটিছে তেওঁলোকৰ প্রভাৱ সীমামূৰীয়া কহিমা,ওখা, যোনোমা আৰু গোলাঘাটত পুনৰ স্থাপন কৰিছিল। কিন্তু নির্ধাৰিত গাঁওবোৰ নিয়ন্ত্রণৰ সীপাৰে আছিল আৰু ঠাইবোৰত আক্রমণ চলি আছিল। 1881 চনত ৰাজনৈতিক বিষয়াসকলৰ পদবী সহকাৰী আয়ুক্তলৈ পৰিৱর্তিত কৰা হৈছিল। চাহ উদ্যোগৰ প্রয়োজনীয়তা আৰু নগা পাহাৰত থকা কয়লা আৰু অন্যান্য সম্পদৰ শোষণৰ বাবে ক্রমানুসাৰে জিলাৰ প্রশাসনীয় সীমা বৃদ্ধি কৰে। কুৰি শতিকাৰ আৰম্ভণিৰ পৰা নগা পাহাৰৰ প্রধান অংশ বৃটিছৰ প্রশাসনীয় নিয়ন্ত্রণৰ অধীনলৈ আহিছিল।

বৃটিছে নগাৰ প্রশাসনত কোনো গুৰুত্বপূর্ণ পৰিৱর্তনৰ সূচনা কৰা নাছিল। তেওঁলোকে ৰাজনৈতিকভাৱে ইয়াক স্বীকাৰ কৰিছিল আৰু অর্থনৈতিকভাৱে এই পর্যায়ৰ প্রশাসনত প্রত্যক্ষভাৱে মোকাবিলা কৰিবলৈ উপযোগী নাছিল।

৬.৭ সুদূৰৰ আভ্যন্তৰীণ পৰিসীমাৰ জনজাতিসকলৰ লগত সম্পর্ক

আৰম্ভণিতে বৃটিছৰ সুদূৰৰ আভ্যন্তৰীণ পৰিসীমাৰ জনজাতিসকলৰ লগত সম্পর্ক, ঠাইখিনিৰ গুৰুত্বপূর্ণ অৱস্থিতিৰ দ্বাৰা উদগনি যোগোৱা হৈছিল। এই পাহাৰবোৰে ব্যৱসায়িকভাৱে গুৰুত্বপূর্ণ যেনে- চীনৰ সৈতে সংযোগ স্থাপন কৰাৰ বাবে পথ হিচাপে আকর্ষণ কৰিছিল আৰু বার্মাৰ পৰা অবৈধ প্রৱেশ আৰু সাম্রাজ্যবাদী সম্প্রসাৰণক লক্ষ্য ৰাখিবলৈ উপলব্ধি কৰিব।

বিভিন্ন বৃটিছ বিষয়া যেনে- কেপ্টেইন, জি টি বেফিল্ড, এচ অ হানৰে আৰু লেফটেনেণ্ট বার্লটনৰ দ্বাৰা জৰীপ উদঘাটন আৰু মানচিত্র অংকন কৰিছিল। এইবোৰ বৃতান্তই তথ্য প্রতিষ্ঠা কৰিছিল যে তাত কিছুমান সীমান্তত জনজাতি আছিল, যিসকলে চীন আৰু বার্মাৰ লগত অসমৰ মধ্যস্থতাকাৰী তথ্যৰ প্রতিষ্ঠা কৰিছিল যে কিছুমান সীমামূৰীয়া জনজাতিয়ে চীন আৰু বার্মাৰ লগত অসমৰ মধ্যস্থতাকাৰী হিচাপে কাম কৰিছিল।

যেতিয়া ব্যৱসায় ব্যাপকভাৱে বৃদ্ধি হৈছিল, তেতিয়া বৃটিছ নিষ্ঠুৰ আক্রমণৰ পৰা সমভূমিক সুৰক্ষা দিবলৈ ব্যৱস্থা লৈছিল। চৰকাৰে জনজাতিসকলৰ আক্রমণৰ পৰা সামগ্রিক সুৰক্ষা দিবলৈ চকী স্থাপন কৰিবলৈ আৰম্ভ কৰিছিল। 1873 চনত বৃটিছে আভ্যন্তৰীণ সীমা আইন অনুসৰণ দিছিল, যিয়ে নামনিৰ লোকসকলক জনজাতিসকলক পাহাৰলৈ যোৱাৰ প্রৱেশত বাধা দিছিল আৰু পাহাৰ আৰু সমভূমিৰ মাজৰ সম্পর্কক নিয়ন্ত্রণ কৰিছিল।

বৃটিছে দূৰণিৰ সীমান্তৰ জনজাতিসকলৰ লগত বাণিজ্যিক সম্পর্ক বর্তাই চলিছিল। বিভিন্ন সামগ্রী জনজাতিসকলৰ দ্বাৰা সমভূমিৰ বজাৰ যেনে ওদালগুৰি, দৈমাৰা, ঘাগ্রাপাৰা আদিলৈ আনিছিল আৰু লগত বিভিন্ন সামগ্রী লৈ গৈছিল। সমভূমিৰ পৰা আমদানিকৃত সামগ্রীৰ ভিতৰত প্রধানতঃ কপাহ জাতীয় সামগ্রী (ইউৰোপীয়) কপাহ, তামোল-পান, লো, খনিৰ তেল ইত্যাদি। পাহাৰ পৰা ৰপ্তানী কৰা সামগ্রীৰ ভিতৰত ঘোঁৰা, গৰু, ছাগলী, গাধ ইত্যাদি।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ গাৰোসকলে ক'ত বসবাস কৰিছিল?

.....

প্রশ্ন নং ২ ঃ গাৰোসকলৰ পৰা কৰ সংগ্রহ কৰাৰ বাবে দায়ী এখন পামৰ নাম লিখা।

.....

প্রশ্ন নং ৩ ঃ কোন চনত গাৰো পাহাৰক সম্পূর্ণ ৰাজ্যৰ মর্যাদা দিয়া হৈছিল?

.....

প্রশ্ন নং ৪ ঃ কোন চনত গাৰোক অসমৰ প্ৰধান আয়ুক্তৰ অধীন কৰা হৈছিল?

.....

প্রশ্ন নং ৫ ঃ কোন চনত দক্ষিণ লুচাই পাহাৰ আৰু চিতাগং অঞ্চলক পৃথক জিলা কৰা হৈছিল?

.....

প্রশ্ন নং ৬ ঃ কোন চনত নগা পাহাৰক বৃটিছ প্ৰশাসনীক নিয়ন্ত্ৰণৰ অন্তৰ্ভুক্ত কৰা হৈছিল?

.....

২ ৬.৮ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো —

- ঊনবিংশ শতিকাত বৃটিছে অহস্তক্ষেপ নীতিৰ পৰিৱৰ্তন কৰিছিল আৰু হস্তক্ষেপ নীতিৰ অনুসৰণ কৰিছিল।
- গাৰো পাহাৰৰ ক্ষেত্ৰত, বৃটিছে ক্ৰমানুসাৰে প্ৰৱেশ কৰিছিল আৰু তেওঁলোকক বশ কৰিছিল। 1874 চনত মুখ্য আয়ুক্তৰ অধীনলৈ অনা হৈছিল।
- লুচাইসকলৰ দ্বাৰা বাৰে বাৰে আক্ৰমণৰ বাবে, বৃটিছে লুচাই পাহাৰলৈ অভিযান প্ৰেৰণ কৰিছিল আৰু 1890 চনত অধিগ্ৰহণ সম্পূৰ্ণ হৈছিল।
- নগা পাহাৰত বৃটিছে বহু বিষয়াক নিযুক্তি দিছিল আৰু নগাক নিয়ন্ত্ৰণ কৰাৰ বাবে অভিযান প্ৰেৰণ কৰিছিল।
- কুৰি শতিকাৰ আৰম্ভণিত নগা পাহাৰৰ অধিকাংশ অঞ্চল বৃটিছ নিয়ন্ত্ৰণৰ অধীনলৈ আহিছিল।

৬.৯ অধিক জানিবলৈ

1] Barpujari, H.K: *Assam in the Days of Company*

2] Barpujari, H.K (edited): *Political History of Assam, Volume-I*

3] Barpujari, H.K (edited): *A Comprehensive History of Assam Volume-II & IV*

4] Baruah, S.L: *A Comprehensive History of Assam*

5] Dutt, K.N: *Landmarks in the Freedom Struggle in Assam*

K ৬.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ গাৰোসকলে পূৰ্ব বংগ আৰু খাচী পাহাৰৰ মাজৰ সমভূমি অঞ্চলত বসবাস কৰিছিল?

২ নং প্রশ্নৰ উত্তৰ ঃ কৰিয়াবাৰী।

৩ নং প্রশ্নৰ উত্তৰ ঃ 1869 চনত।

৪ নং প্রশ্নৰ উত্তৰ ঃ 1874 চনত।

৫ নং প্রশ্নৰ উত্তৰ ঃ 1891 চনত।

৬ নং প্রশ্নৰ উত্তৰ ঃ কুৰি শতিকা।

M৬.১১ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ 50 শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ কোন ঠাইত লুচাইসকলে বসবাস কৰিছিল?

প্ৰশ্ন ২ ঃ এজন লুচাই নেতাৰ নাম লিখা?

প্ৰশ্ন ৩ ঃ চি এইচ, ডমণ্ট কোন আছিল?

(খ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ 300–500 শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ গাৰো পাহাৰলৈ বৃটিছৰ সীমান্ত নীতি আলোচনা কৰা।

প্ৰশ্ন ২ ঃ লুচাই পাহাৰলৈ বৃটিছৰ সীমান্ত নীতি বৰ্ণনা কৰা।

প্ৰশ্ন ৩ ঃ নগা পাহাৰলৈ বৃটিছৰ সীমান্ত নীতি আলোচনা কৰা।

অধ্যায় ৭ ঃ উপনিৱেশিক অসমৰ প্ৰাকৃতিক সম্পদ

অধ্যায় গাঁথনি

7.1 উদ্দেশ্য
7.2 পৰিচয়
7.3 অৰণ্য
7.4 চাহ
7.5 খনিজ উদ্যোগ
  7.5.1 কমলা
  7.5.2 তেল
7.6 আফিং
7.7 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
7.8 অধিক জানিবলৈ
7.9 অগ্ৰগতিৰ খতিয়ান
7.10 আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- উপনিৱেশিক অসমৰ অৰণ্যৰ অৱস্থাৰ বিষয়ে জানিব পাৰিব
- উপনিৱেশিক অসমৰ চাহ উদ্যোগৰ বিকাশৰ ব্যাখ্যা কৰিব
- উপনিৱেশিক অসমৰ খনিজ উদ্যোগৰ বিকাশৰ বৰ্ণনা কৰিব
- অসমত উপনিৱেশিক চৰকাৰৰ আফিঙৰ প্ৰতি নীতি পৰীক্ষা কৰিব।

৭.২ পৰিচয়

অসম প্ৰাকৃতিক প্ৰাচুৰ্যতাৰ দ্বাৰা পবিত্ৰ ভূমি। এই অঞ্চলৰ প্ৰাকৃতিক সম্পদে বৃটিছৰ বাবে আহিবলৈ এক আকাংক্ষিত অঞ্চল হিচাপে বনাইছিল। ভাৰতক তেওঁলোকৰ উপনিৱেশিক সাম্ৰাজ্যৰ এক গুৰুত্বপূৰ্ণ অংশ হিচাপে অধীগ্ৰহণ কৰে। বৃটিছৰ আগমন সম্পৰ্কে আৰু ক্ৰমানুসাৰে ইয়াৰ ঠাইৰ অধিগ্ৰহণ আদিৰ বিষয়ে আপুনি আগৰ অধ্যায় দুটাত (অধ্যায় 5 আৰু 6] অধ্যয়ন কৰিছে।

এই অধ্যায়ত আমি, উপনিৱেশিক চৰকাৰে কেনেকৈ অসমৰ ওপৰত ৰাজনৈতিক অধিকাৰ প্ৰতিষ্ঠা কৰাৰ পিছত প্ৰাকৃতিক সম্পদবোৰ শোষণ কৰিছিল আৰু তেওঁলোকৰ নিজৰ লাভৰ বাবে ব্যৱহাৰ কৰিছিল। ইয়ে স্থানীয় বাসিন্দাসকলক চহকী সম্পদৰ প্ৰতি সজাগ কৰিছিল যে প্ৰকৃতি আৰু অৰ্থনৈতিক সম্ভাৱনীয়তা তেওঁলোকক প্ৰদান কৰিছে।

৭.৩ অৰণ্য

বৃটিছ শাসনৰ আৰম্ভণিত অসমৰ বহু অঞ্চল অৰণ্যই আগুৰি আছিল। ইয়াৰ কাৰণ আছিল 1769 চনৰ পৰা প্ৰদেশত হোৱা আভ্যন্তৰীণ অসন্তুষ্টি আৰু পৰৱৰ্তী মানৰ আক্ৰমণ। এনেবোৰ ৰাজনৈতিক ঘটনাৱলীয়ে

অসমৰ জনসংখ্যা যথেষ্ট হ্ৰাস কৰিছিল আৰু উৎপাদনৰ বহু অঞ্চল জংঘললৈ পৰ্যবসিত হৈছিল।

5 জানি থোৱা ভাল

উপনিৱেশিক কালৰ আগৰ সময়ছোৱাত অসমত অৰণ্যৰ বাণিজ্যিকীকৰণ নাছিল। সাধাৰণ মানুহে যি বিচাৰিছিল, তেওঁলোকে অৰণ্যৰপৰা সংগ্ৰহ কৰিব পাৰিছিল। আহোম প্ৰশাসন ব্যৱস্থাত অৰণ্যৰ কেনো ধৰণৰ স্পষ্ট আইন নাছিল। তাত কিছুমান বিষয়া যেনে - কাঠকটীয়া বৰুৱা আৰু হাবিয়ল বৰুৱা, যিসকল অৰণ্যৰ গছ গছনি আৰু অৰণ্য উৎপাদনৰ দায়িত্বত ক্ৰমানুসাৰে আছিল। আহোম ৰজাই কিছু সামগ্ৰী যেনে— হাতীৰ দাঁত, অগৰ কাঠ ইত্যাদি।

অসমৰ অৰণ্য উদ্ভিদ আৰু প্ৰাণীৰ চহকী আছিল। ইয়াত বহু মূল্যবান গছ যেনে— শাল, অগৰু, শিমলু, চেগুন, চন্দন, চিজ, খুইৰ, গমাৰি ইত্যাদিৰ প্ৰাচুৰ্য্যতাৰ লগতে বাঁহ-বেত আৰু বনৌষধি আছিল। ইয়াত উভয় প্ৰাণীৰ এৰি পলু - ঘৰচীয়া (এৰি, মুগা, পাট আৰু টচৰ) আৰু বনৰীয়াৰ বিভিন্নতা আছিল। গড় আৰু হাতীৰ লগতে অৰণ্যত অন্যান্য জন্তু যেনে বিভিন্ন প্ৰকাৰৰ বান্দৰ, হৰিণা, পহু, বাঘ, চৰাই ইত্যাদি আছিল। বিভিন্ন নদী, হ্ৰদ ইত্যাদিক লৈ গঠিত জল ভাণ্ডাৰত বিভিন্ন প্ৰকাৰৰ মাছ আৰু অন্যান্য জলচৰ প্ৰাণী আছিল।

ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে তেওঁলোকৰ শাসনৰ আৰম্ভণিৰ পৰা বাণিজ্যিক প্ৰতিষ্ঠান হিচাপে অসমৰ সম্পদশালী অৰণ্যৰ পৰা ব্যৱসায়িক লাভালাভ আহৰণৰ প্ৰতি দৃষ্টি ৰাখিছিল। বৃটিছৰ অৰণ্য নীতি ৰাজহ সৰ্বাধিকীকৰণ আৰু অৰণ্য সম্পদৰ বাণিজ্যিকীকৰণৰ দ্বাৰা চিহ্নিত কৰা হৈছিল। তেওঁলোকে আহোম যুগৰ স্থানীয় বাসিন্দা আৰু অৰণ্যৰ মাজত থকা সংগতিপূৰ্ণ সম্পৰ্কক ধ্বংস কৰিছিল।

উপনিৱেশিক আইনে অৰণ্যক খাজনাৰ ক্ষেত্ৰলৈ আনিছিল। উপনিৱেশিক চৰকাৰক প্ৰথম গছেই আকৰ্ষণ কৰিছিল আৰু 1850 চনত কাঠৰ ওপৰত কৰ আৰোপ কৰিছিল। বংগৰ পৰা অহা খৰিকটীয়াসকলৰ দ্বাৰা কোনো বাধা নোহোৱাকৈ কাঠৰ ব্যৱসায় যথেষ্ট পৰিমাণৰ কৰা হৈছিল। আনকি কুঠাৰৰ ওপৰতো কৰ আৰোপ কৰা হৈছিল আৰু কুঠাৰৰ বাবে খৰিকটীয়াসকলৰ দ্বাৰা বছৰি 4.4 টকা দিব লগা হৈছিল। কাঠৰ ওপৰত গৰমাটি হিচাপে কৰ আৰোপ কৰা হৈছিল।

পিছলৈ কিছুমান ঠাইত পাঁচ বছৰৰ বাবে অৰণ্যৰ ভূ-খণ্ড শ্ৰেষ্ঠ নিলামকাৰীলৈ নিলাম কৰা হৈছিল। যি সময়ত নিলামকাৰীক তেওঁলোকৰ ইচ্ছা অনুযায়ী অৰণ্য সম্পদ ব্যৱহাৰ কৰিবলৈ অনুজ্ঞাপত্ৰ দিয়া হৈছিল। নিলামকাৰীক যিকোনো ধৰণৰ গছ কটাৰ বাবে মুক্ত আছিল। ইয়াৰ ফলত অৰণ্যৰ বহু সম্পদৰ বৃহৎ ক্ষতি হৈছিল।

ভাৰতৰ 1864 চনত ৰাজকীয় অৰণ্য বিভাগ স্থাপন কৰা হৈছিল। চাৰি বছৰ পিছত 1868 চনত সহকাৰী সংৰক্ষকক অসমৰ অৰণ্যৰ ওপৰত অনুসন্ধান কৰিবলৈ আৰু বিৱৰণ দিবলৈ প্ৰেৰণ কৰিছিল।

চাহ উৎপাদনৰ আৰম্ভণিৰ লগে লগে ব্যৱহাৰ অনুপযোগী ভূমিবোৰ লাভজনকলৈ পৰিবৰ্তিত হৈছিল। ব্যৱহাৰ অনুপযোগী বহু অঞ্চল নগন্য খৰছত চাহ বাগিচাৰ মালিকক চুক্তিত দিয়া হৈছিল। অৰণ্য ভূমিকো সামৰি লৈছিল। অৰণ্যভূমি এইকাৰণেই যোগান ধৰা হৈছিল, যাতে চাহ বাগিচাৰ মালিকসকলে গছ কাটিব পাৰে আৰু চাহ-কমলা প্ৰস্তুত কৰিব পাৰে, যিয়ে আৰম্ভণিতে চাহ কাৰখানাবোৰত চাহ জ্বলোৱা আৰু ওলোৱাৰ বাবে ইন্ধনৰ সমল হিচাপে কাম কৰিছিল। চাহ উদ্যোগৰ বাবে যথেষ্ট পৰিমাণৰ নিৰ্বননীকৰণ হৈছিল।

বনজ বিভাগ নিজেই কাঠৰ ব্যৱসায়ৰ লগত জড়িত আছিল। ক্ৰমানুসাৰে ৰাঠৰ চাহিদা চাহৰ বাকচ, ৰে'লৰ সংখ্যা, দলং ইত্যাদি সাজিবলৈ বৃদ্ধি পাইছিল। গছবোৰ কুন্দাত বিভক্ত কৰাৰ বাবে কাঠৰ মিল স্থাপন কৰা হৈছিল। 1901 চনত অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাত 14টা মিল আছিল। পিছলৈ অসমত কাঠফলা উদ্যোগবো বিকাশ হৈছিল। বেত অসমৰ পৰা ৰপ্তানি কৰা হৈছিল। অগৰ কাঠৰ ব্যৱসায়বো বৃদ্ধি হৈছিল। যিহেতু সুগন্ধি প্ৰস্তুতৰ বাবে ই আৱশ্যক।

উপনিৱেশ চৰকাৰে কিছু গছ ৰোপন কৰিবলৈ চেষ্টা কৰিছিল। য়াৰ ব্যৱসায়িক গুৰুত্ব আছে। ৰবৰৰ খেতি তেজপুৰৰ ওচৰৰ চৰদুৱাৰ আৰু কামৰূপৰ কুলচীত স্থাপন কৰা হৈছিল। চেগুন গছৰ ৰোপণ মাকুম, জয়পুৰ আৰু কুলচীত আৰম্ভ কৰা হৈছিল। আনকি বিভিন্ন ধৰণৰ বিদেশী গছপুলি ৰোপণৰ বাবে বহু চেষ্টা কৰা হৈছিল। কিন্তু সফল হ'ব পৰা নাছিল আৰু ইয়াৰ পিছত কেৱল মাত্ৰ স্থানীয় বিভিন্নতাহে ৰোপণ কৰা হৈছিল।

উপনিৱেশ সময়ত, কিছুমান অৰণ্যক, জন্তুসকলৰ আশ্ৰয়ৰ বাবে অভয়াৰণ্য হিচাপে ঘোষণা কৰা হৈছিল। মানুহৰ দ্বাৰা প্ৰচণ্ড আক্ৰমণত জীৱিত জন্তুবোৰক সহায় কৰিবলৈ সৃষ্টি কৰিছিল। অৱশ্যে পুৰস্কাৰো সেইসকলক দিয়া হৈছিল, যিসকলে নিষ্ঠুৰ বন্য জন্তুক হত্যা কৰিব পাৰে। হাতী দাঁতক বাদ দি, অসমৰ জন্তু সম্পদৰ ওপৰত কোনো ধৰণৰ ব্যৱসায় কৰা হোৱা নাছিল।

অসমত আহোম যুগত কোনো অৰণ্য নীতি নাছিল। উপনিৱেশিক চৰকাৰে তেওঁলোকৰ শাসনৰ সময়ত এনেধৰণৰ এক নীতি গঠন কৰিবলৈ চেষ্টা কৰিছিল। তথাপিও আমি পাওঁ যে অসমৰ সকলোতে এক ধৰণৰ অৰণ্য নীতি অনুসৰণ কৰা হোৱা নাছিল।

৭.৪ চাহ

অসম চাহ বনৰীয়াভাৱে বিকশিত আছিল আৰু ইয়াৰ ঔষধি গুণৰবাবে স্থানীয় মানুহৰ দ্বাৰা পনীয় হিচাপে পান কৰা হৈছিল। 1815 চনত কলোচনক চলটাৰে অসমৰ জনজাতীসকলৰ মাজত চাহ খোৱাৰ অভ্যাস লক্ষ্য কৰিছিল। কিছু বছৰ পিছত 1823 চনত মেজৰ ৰবার্ট ব্ৰুচে বর্তমান শিৱসাগৰ জিলাৰ ৰংপুৰৰ ওচৰৰ পাহাৰীয়া ঠাইত চাহ বনৰীয়াভাৱে বিকশিত হোৱাৰ কথা আৱিস্কাৰ কৰিছিল। কোম্পানীৰ বাবে এই আৱিস্কাৰ অতি কম সময়তে অর্থনৈতিক আশীর্বাদ হৈ পৰিছিল। আৰম্ভণিতে চাহৰ মানদণ্ড কৃষিৰ উৎপাদনৰ বাবে নিম্নমানৰ হিচাপে বিবেচনা কৰা হৈছিল। কিন্তু সঠিক অনুসন্ধান কৰাৰ পিছত ইয়াকেই স্বীকৃতি দিয়া হৈছিল যে অসমত আৱিস্কৃত চাহ চীনৰ বিভিন্নতাৰ লগত হুবহু একে আৰু স্থানীয় পৰিস্থিতিৰ অধীনত কৃষিৰ উৎপাদনৰ বাবে অধিক উপযুক্ত।

5 জানি থোৱা ভাল

মেজৰ ৰবার্ট ব্ৰুচে 1823 চনত চাহ আৱিস্কাৰ কৰাৰ পিছত চিংফো জনজাতিসকলৰ মুখীয়াল, বিচাগামৰ পৰা চাহপাতৰ নমুনা সংগ্ৰহ কৰিবলৈ সিদ্ধান্ত কৰিছিল। কিন্তু 1824 চনত ৰবার্ট ব্ৰুচ সেয়া কৰাৰ আগতে মৃত্যু হৈছিল। সি যি নহওক, তেওঁ চাহ সম্পর্কে তথ্য, তেওঁৰ ভায়েক চি এ ব্ৰুচলৈ যোগান ধৰিছিল। যিজনে ভায়েকৰ দ্বাৰা অসম্পূর্ণকৈ এৰি যোৱা কাম সম্পূর্ণ কৰিছিল। সেইবাবে চি এ ব্ৰুচক অসমত চাহ উদ্যোগৰ অগ্রদূত বুলি বিবেচনা কৰা হৈছিল আৰু অসম কোম্পানীৰ অধীক্ষক পর্যায়লৈ পদোন্নতি কৰা হৈছিল। পিছলৈ চি এ ব্ৰুচক অসমত চাহ আৱিস্কাৰৰ ভূমিকাৰ বাবে ইংলিছ চছাইটি অব আর্টৰ দ্বাৰা পদকৰে সন্মানিত কৰা হৈছিল।

অসমৰ চাহৰ ব্যৱসায়িক সম্ভাবনীয়তাৰ চিনাক্তকৰণে কোম্পানীৰ বাবে সকাহ দিছিল যিহেতু ই 1833 চনৰ চার্টাৰ আইনৰ পুনৰ সংশোধনে চাহ বাণিজ্যৰ একাধিপত্য হেৰুৱাইছিল।

তেওঁলোকে উপনিশেৰ অধীনত চাহ উৎপাদনৰ বিকল্প ঠাই বিচাৰি আছিল আৰু অসম এনেধৰণৰ অঞ্চল আছিল। লর্ড উইলিয়াম বেটিংকে, তেতিয়াৰ ভাৰতৰ গভর্ণৰ জেনেৰেল, 1834 চনৰ আৰম্ভণিত ভাৰতত চাহৰ ব্যৱসায়িক সম্ভাবনীয়তাৰ ওপৰত পৰামর্শ দিয়াৰ বাবে এখন 'চাহ কমিটি' নিয়োগ কৰা হৈছিল। কমিটিয়ে চৰকাৰক ব্যৱসায়িক ভিত্তিত চাহ উৎপাদন কৰাৰ বাবে ব্যক্তিগত ব্যৱসায়িক প্রতিষ্ঠানক উদগনি দিবলৈ পৰামর্শ দিছিল।

অসমত মনোবলৰ কাম হিচাপে চৰকাৰে 1837 চনত, জয়পুৰত চাহ উৎপাদন আৰম্ভ কৰিছিল। ইউৰোপীয় মূলধনৰ বিনিয়োগ কৰাৰ বাবে আকর্ষণ কৰিবলৈ ব্যৱহাৰ অনুপযোগী মঞ্জুৰি আইন গঠন কৰা হৈছিল। সেইবোৰ

আইন বলবৎ কৰা হৈছিল আৰু বাহিৰৰ বিনিয়োগকাৰীসকলক সহায় কৰাৰ বাবে সময়ে সময়ে সালসলনি কৰা হৈছিল আৰু একে সময়তে স্থানীয় মানুহসকলক প্ৰতিযোগিতা কৰিবলৈ বাধ্য দিছিল। ইতিমধ্যে আগৰ অংশত উল্লেখ কৰা মতে, অসমত চাহ খেতি আৰম্ভ কৰিবলৈ কম খৰচত চাহ বাগিচাৰ মালিকসকলক চুক্তিত অব্যৱহৃত ভূমি যোগান ধৰিছিল। চাহ উৎপাদনৰ সম্পূৰ্ণ ঠাই 1841 চনত 2,311 একৰৰ পৰা 1859 চনত 8,500 একৰলৈ আৰু 1871 চনত 31,000 একৰলৈ বৃদ্ধি পাইছিল।

1839 চনত অসমত প্ৰথম ব্যক্তিগত চাহ কোম্পানী- 'অসম কোম্পানী' গঠন কৰা হৈছিল, যিয়ে 1840 চনত জয়পুৰত চৰকাৰী চাহ উৎপাদন কৰিছিল। 1859 চনত 'যোৰহাট চাহ কোম্পানী' গঠন কৰা হৈছিল। 'অসম কোম্পানী'ক অনুসৰণ কৰি 'যোৰহাট চাহ কোম্পানী'ৰ সফলতাই চাহ উৎপাদনৰ ব্যাপকভাৱে বৃদ্ধি কৰিছিল। অসমত চাহ উৎপাদনৰ বাবে বহু নতুন কোম্পানী গঠন কৰা হৈছিল। 1859 চনত 51খন চাহ বাগিচা ব্যক্তিগত ব্যক্তি বা কোম্পানীৰ দ্বাৰা নিজাববীয়া কৰা হৈছিল— 10খন লক্ষীমপুৰত, 15খন শিৱসাগৰত, 3খন দৰঙত আৰু 23খন কামৰূপ আৰু নগাঁৰত।

মণিৰাম দত্ত বৰুৱা, অসম কোম্পানীৰ এজন দেৱানে, 1845 চনত তেওঁৰ চাকৰিৰ পৰা অব্যাহতি লোৱাৰ পিছত ইউৰোপীয় চাহ বাগিচাৰ মালিকসকলৰ সৈতে দৌৰত অংশগ্ৰহণ কৰিছিল। তেওঁ দুখন চাহ বাগিচা নিজাকৈ স্থাপন কৰা হৈছিল আৰু যাৰ বাবে তেওঁ প্ৰথম অসমীয়া চাহ বাগিচাৰ মালিক হৈ পৰে। যোৰহাটৰ ওচৰত, চিনামাৰাত এখন চাহ বাহিচা আৰু অন্যখন সোনাৰীৰ ওচৰৰ চেংলুঙত আছিল। কিন্তু উপনিবেশিক চৰকাৰে তেওঁৰ বাবে যথেষ্ট বাধাৰ সৃষ্টি কৰিছিল, তেওঁলোক অসন্তুষ্ট হৈ পৰিছিল। এইকাৰণেই যে এজন অসমীয়াই একে সময়তে 'বগা'ৰ লগত প্ৰতিযোগিতা কৰি আছে। মনিৰামে সকলো প্ৰতিকূল সম্ভাৱনাক সফলতাৰে মুখামুখি হৈ চাহৰ উৎপাদন চলাই গৈছিল। সম্ভৱতঃ তেঁৱেই অসমৰ প্ৰথম ব্যক্তিগত চাহ বাগিচাৰ মালিক আছিল। তেঁৱেই ব্যক্তি আছিল, যিজনে অসমত বন্য চাহৰ বিকাশক বৃটিছৰ লক্ষ্যলৈ আনিছিল আৰু সেইবাবেই চাহৰ এজন আবিস্কাৰক আছিল, যিজন স্বীকাৰবিহীন হৈ আছে।

5 জানি থোৱা ভাল

মনিৰাম দত্ত বৰুৱাক ভালকৈ মনিৰাম দেৱান হিচাপে জনা গৈছিল। তেওঁক বৃটিছে 1857 চনৰ বিদ্রোহত অংশগ্ৰহণ কৰাৰ জৰিয়তে তেওঁলোকৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰাৰ বাবে ফাঁচি দিছিল। ফাঁচি দিয়াৰ পিছত তেওঁৰ চাহ বাগিচাবোৰ বৃটিছৰ দ্বাৰা জব্দ কৰা হৈছিল আৰু নিলামত বিক্ৰী কৰা হৈছিল। এই ঘটনাই অসমীয়া মানুহৰ বাবে আঘাত হিচাপে পৰিগণিত হৈছিল। কিন্তু 19 শতিকাৰ শেষত আৰু কুৰি শতিকাৰ আৰম্ভণিত, বহু অসমীয়া মানুহে চাহ খেতি কৰিবলৈ আৰম্ভ কৰিছিল। তেনে অসমীয়া চাহ বাগিচাৰ মালিকসকল আছিল ৰহেশ্বৰ বৰুৱা, হেমধৰ বৰুৱা, ৰাই বাহাদুৰ, জগন্নাথ বৰুৱা আৰু কৰ্ণেল শিৱৰাম বৰুৱা।

1870 চনত চাহ অসমৰ আটাইতকৈ গুৰুত্বপূৰ্ণ নগৰ্দী শস্য হৈ পৰে। 1880ৰ পৰা অসমত যোগাগোগৰ মাধ্যমবোৰ বিকশিত হৈছিল লগতে দৈনিক ভাপ জাহাজো 1883 চনৰ পৰা চলিছিল আৰু 1885 চনৰ ৰে'লপথো চলিছিল, যিয়ে চাহ উৎপাদনক যথেষ্ট উদগনি দিছিল। চাহপাতৰ যাতায়ত অতি সহজ হৈ পৰে, 1890 ত চাহ উৎপাদনবোৰ যথেষ্ট সম্প্ৰসাৰণ হৈছিল, যাৰ ফলত চাহৰ উৎপাদন আৰু পৰৱৰ্তী সময়ত ৰপ্তানি যথেষ্ট বৃদ্ধি হৈছিল। মন্ত্রই ক্রমানুসাৰে উৎপাদনৰ হস্তনিৰ্মিত পদ্ধতিক পুনৰোস্থাপিত কৰিবলৈ আৰম্ভ কৰিছিল।

কিন্তু চাহ বাগিচাৰ দ্বাৰা সন্মুখীন হোৱা ডাঙৰ সমস্যা আছিল বনুৱাৰ বিষয়। স্থানীয় মানুহবোৰে চাহ বাগিচাত কাম কৰিবলৈ অনিচ্ছুক আছিল। অসমীয়া পুৰুষসকলে চাহ ৰোপনত বেছি গুৰুত্ব দিয়া নাছিল, যিহেতু তেওঁলোক সকলো কৃষক আছিল। সেইহেতুকে তেওঁলোকৰ নিজা খেতি আছিল। আনকি তেওঁলোকে ঘৈনীয়েক আৰু শিশুসকলক তাত কাম কৰিবলৈ দিয়া নাছিল। স্থানীয় লোকসকল, যিসকলে চাহ বাগিচাত কাম কৰিবলৈ বিচাৰিছিল, তেওঁলোক আছিল বড়ো-কছাৰী আৰু নগাসকলে। সেইবাবে চাহ বাগিচাত কাম কৰিবলৈ বহিৰাগত বনুৱাৰ প্ৰভাব পৰিছিল, যিয়ে প্ৰদেশৰ জনসংখ্যা গাঁঠনিত পৰিৱৰ্তন আনিছিল।

চাহ ৰোপনৰ প্ৰক্ৰিয়া ব্যাপকভাৱে বৃদ্ধি পোৱাৰ লগে লগে বনুৱাৰ প্ৰয়োজনো সাংঘাতিক হৈছিল। সামান্য খৰছত বনুৱা কেৰল বিহাৰ, উৰিষ্যা, চোটানাগপুৰ, ঢাকা আৰু চিটাগঙৰ পৰাই নহয়, দূৰণিৰ ঠাই যেনে মাদ্ৰাজ আৰু কেন্দ্ৰীয় প্ৰদেশৰ পৰা আমদানি কৰা হৈছিল। তাত কিছুমান প্ৰতিনিধিৰ শ্ৰেণী আছিল, যিসকলে টকাৰ পৰিৱৰ্তে চাহ বাগিচালৈ বনুৱাক প্ৰেৰণ কৰিছিল। চাহ বাগিচাৰ মালিকসকলে বনুৱা অন্তৰ্ভুক্তিকৰণ প্ৰক্ৰিয়াত সংযোগ ৰখাতকৈ প্ৰতিনিধিসকলক ধনৰ যোগান ধৰিছিল। সেইবাবে অমানৱীয় অৱস্থাত এইবোৰ বনুৱাক তেওঁলোকৰ নিজৰ ঠাইৰ পৰা কঢ়িয়াই অনা হৈছিল আৰু বাগিচাত কাম কৰিবলৈ বাধ্য কৰা হৈছিল। সেইবোৰ বনুৱাক তেওঁলোকৰ উপনিৱেশিক শাসকৰ দ্বাৰা 'কুলি' বুলি কোৱা হৈছিল।

1881 চনত চাহ উদ্যোগৰ বিকাশৰ বাবে কাম কৰিবলৈ কলিকতাক প্ৰধান কাৰ্যালয় হিচাপে লৈ ভাৰতীয় চাহ সংস্থা গঠন কৰা হৈছিল। 1900 চনত সংস্থাই চাহ উদ্যোগৰ বিজ্ঞানসন্মত গৱেষণা কৰাৰ বাবে বৈজ্ঞানিক বিভাগ স্থাপন কৰিছিল আৰু ড0 এইচ এইচ মনে এজন বৈজ্ঞানিক বিষয়া হিচাপে কলিকতাৰ সংগ্ৰহালয়ৰ গৱেষণাগাৰৰ পৰা কাৰ্য কৰিবলৈ আৰম্ভ কৰিছিল। ড0 মনৰ ভাল কামৰ বাবে এই আৰম্ভণি ফলদায়ক হিচাপে পৰিগণিত হৈছিল, 1904 চনত যোৰহাটৰ ওচৰৰ হিলিকা চাহ বাগানত এক মুকলি আস্থান স্থাপন কৰা হৈছিল আৰু 1906 চনত কাচাৰৰ কেনিকুৰিত অন্য এক পত্যংগ গৱেষণাগাৰ স্থাপন কৰিছিল। পিছত 1911 চনত দুয়োটা গৱেষণাগাৰ বন্ধ কৰা হৈছিল আৰু যোৰহাট নগৰৰ দক্ষিণৰ টোকলাইত এক পৰীক্ষামূলক আস্থান স্থাপন কৰা হৈছিল। যিটো পিছলৈ 'টোকলাই পৰীক্ষাগাৰ আস্থান' হিচাপে বিখ্যাত হৈ পৰে।

কুৰি শতিকাই চাহক জনপ্ৰিয়কৰাৰ বাবে দেশৰ ভিতৰতে পনীয় হিচাপে জনপ্ৰিয় কৰাৰ বাবে এক আন্দোলন দেখিছিল। উপনিৱেশিক চৰকাৰে চাহৰ প্ৰচাৰৰ বাবে ধন ধাৰ্য কৰিবলৈ 1903 চনত ভাৰতীয় চাহপাত আইনত অনুমোদন জনাইছিল। অসমৰ গ্ৰামাঞ্চলত চাহৰ পনীয়ক জনপ্ৰিয় কৰাৰ বাবে, চাহ কোম্পানীবোৰে তেওঁলোকৰ কৰ্মীসকলক গাঁৱৰ বজাৰ, উৎসৱ, বজাৰ ইত্যাদিত সাজু কৰিবলৈ আৰু চাহ পী খাবলৈ প্ৰদৰ্শন কৰাৰ বাবে প্ৰেৰণ কৰিছিল। সকলোকে মুকলিভাৱে চাহপাত প্ৰদান কৰা হৈছিল। যিসকলে চাহপাতৰ প্ৰস্তুত গৃহলৈ গৈছিল। গাঁৱত চাহৰ প্ৰজাতি আৰু তেওঁলোকৰ কোম্পানীৰ বিষয়ে, ঢোল বজাই আৰু শ্লোগান আওৰাই জাকজমকতাপূৰ্ণ সমদল উলিওৱা হৈছিল। চাহপাত কোম্পানীবোৰৰ প্ৰচাৰ পত্ৰিকা খুচুৰা দোকান, বাছ আস্থান, ৰে'লৰ আস্থান ইত্যাদিত আৰি দিয়া হৈছিল। কিছুমান কোম্পানীয়ে আনকি 'অসমৰ চাহপাত'ক উদগনি দিবলৈ পুস্তিকা, প্ৰচাৰ পত্ৰিকা আৰু হস্ত তালিকা বিলাইছিল।

চাহ অসমৰ বাহিৰত আৰু ভিতৰত এক গুৰুত্বপূৰ্ণ পনীয় সামগ্ৰী হৈ পৰে। কিন্তু চাহ উদ্যোগ সম্পূৰ্ণভাৱে বৈদেশিক মূলধনৰ প্ৰয়োগ আৰু বাহিৰৰ বনুৱাৰ আগ্ৰাসন, লগতে সকলো উপনিৱেশৰ লগত সম্পৰ্কিত। কৃষিৰ বহু অঞ্চল আৰু অন্য ভূমিও চাহ উৎপাদনৰ আগ্ৰাসনৰ ভিতৰুৱা হৈছিল। চাহ উদ্যোগৰ সম্পূৰ্ণ লাভ অসমৰ পৰা সংগ্ৰহ কৰা হৈছিল আৰু স্থানীয় অৰ্থনীতিৰ লগত ইয়াৰ সাধাৰণ সংযোগ আছিল। চাহ উদ্যোগে অসমত কিছুমান সহকাৰী উদ্যোগ যেনে- 1918 চনৰ কাঠ ফলা উদ্যোগ আদিৰ গঠন কৰিছিল। কয়লা আৰু তেল ইত্যাদি খননত বল দিয়াত, সহায় কৰিছিল। ইয়াৰ উপৰিও চাহ উদ্যোগ 'অসম চাহে' অসমৰ নামত বিশ্ববিখ্যাত কৰিছিল।

Wঅগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অসমৰ অৰণ্যত হোৱা কেইজোপামান মূল্যবান গছৰ নাম লিখা।

.....

.....

প্ৰশ্ন নং ২ ঃ উপনিৱেশিক চৰকাৰৰ দ্বাৰা আৰম্ভ কৰা শাল গছ ৰোপণৰ ঠাইৰ নাম লিখা।

.....

.....

প্ৰশ্ন নং ৩ ঃ কোনে অসমত চাহ বনত বিকশিত হোৱাৰ কথা আৱিস্কাৰ কৰিছিল?

.....

.....

প্ৰশ্ন নং ৪ ঃ মণিৰাম দেৱানৰ দুখন চাহ বাগিচাৰ নাম লিখা।

.....

.....

প্ৰশ্ন নং ৫ ঃ ভাৰতীয় চাহ সংস্থা কোন চনত গঠন কৰা হৈছিল?

.....

.....

৭.৪ খনিজ উদ্যোগ

খনিজক পৃথিৱীৰ পৰ বহু মূল্যবান খনিজ সম্পদ আহৰণ কৰাৰ প্ৰক্ৰিয়া হিচাপে ক'ব পাৰি। অসমত কয়লা আৰু তেলৰ খনন উপনিৱেশিক শাসনৰ অধীনত আৰম্ভ হৈছিল আৰু আজিলৈকে চলি আছে। আৰম্ভণিতে প্ৰক্ৰিয়া হাতেৰে কৰা হৈছিল কিন্তু ক্ৰমানুসাৰে ই যান্ত্ৰিকতৰ হৈ পৰে আৰু খনিজ এক উদ্যোগ হৈ পৰে। এই অংশত উপনিৱেশিক অসমৰ কয়লা আৰু তেলৰ খননৰ বিষয়ে দুটা পৃথক অংশৰ তলত অধ্যয়ন কৰা হৈছে।

৭.৫.১ কয়লা

কয়লাৰ আৱিস্কাৰ আৰু খনন হৈছে এক উপনিৱেশিক বিকাশ। অসমত কয়লা খননৰ আৰম্ভণি প্ৰদেশৰ অৰ্থনৈতিক প্ৰেক্ষাপটত গুৰুত্বপূৰ্ণ বিন্দু আছিল। ই 1825 চন আছিল যে লেফটেনেণ্ট উইলকস্ক, শদিয়াত নিযুক্তিপ্ৰাপ্ত এজন ৰাজহ জৰীপ কৰোতা, যেতিয়া দিচাং আৰু বুঢ়ীদিহিং নদীৰে গৈ আছিল। তেতিয়া বৰাহাট, চুপকুং আৰু অন্যান্য ওচৰৰ অঞ্চলত কয়লাখনি দেখিছিল। এয়াই অসমত (উজনি অসমত) কয়লা থকাৰ প্ৰথম চৰকাৰী তথ্য আছিল।

ডেভিড স্কটে উজনি অসমত কয়লাৰ খনি থকাৰ কথা শুনি আনন্দিত হৈছিল, যিহেতু জাহাজৰ বাবে ইন্ধন কম খৰছত স্থানীয়ভাৱে উপলব্ধ কয়লাৰে যোগান ধৰাৰ জৰিয়তে ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত বাণিজ্যিক জাহাজ চলাচলত সহায় কৰিব। তেতিয়াৰ পৰা ব্ৰহ্মপুত্ৰত চৰকাৰী জাহাজ চলাচল কৰাৰ বাবে কলিকতাৰ পৰা কয়লা আহৰণ কৰা হৈছিল। কিন্তু কলিকতাৰ চৰকাৰে অসমত কয়লাৰ সম্পদৰ শোষণ কৰাৰ বাবে তাৎক্ষণিক কাৰ্য কৰিবলৈ ইচ্ছা কৰা নাছিল।

আচলতে কয়লাৰ শোষণৰ বাবে প্ৰদেশৰ অৱস্থা উপযুক্ত নাছিল। তাত বনুৱাৰ সমস্যা আছিল কঠিন ক্ষেত্ৰপথৰ লগতে জলবায়ু ভাল নাছিল। যাতায়তৰ সমস্যা আৰু অসুৰক্ষিত ৰাজনৈতিক অৱস্থাও তাতেই আছিল। আনকি ব্যক্তিগত উদ্যোগবোৰে কয়লা উদঘাটন কৰাৰ বাবে যাবলৈ অগ্ৰাহ্য কৰিছিল। কিন্তু উপনিৱেশিক কৰ্তৃত্বৰ কাৰ্যৰ এক পৰিৱৰ্তন আনিছিল, যেতিয়া চাহ উৎপাদন ব্যৱসায়িক ভিত্তিত আৰম্ভ হৈছিল। যিয়ে চাহ উদ্যোগৰৰ বাবে ইন্ধন হিচাপে কম খৰছৰ কয়লাৰ পৰ্যাপ্তক প্ৰয়োজনীয় কৰিছিল।

অসমত উপনিৱেশিক চৰকাৰ দ্বাৰা সাম্ভাব্য কয়লা ক্ষেত্ৰবোৰত বিচৰাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। 1828 চনত ডেভিদ স্কটে, চি এ ব্ৰুছক, দিছাং নদীৰ ওচৰৰ, চফৰাইৰ পৰা কয়লা শোষণ কৰিবলৈ আদেশ দিছিল আৰু ব্ৰুচে অত্যাধিক সমস্যাৰে এইটো কৰিছিল। 5000 মোন কয়লা সংগ্ৰহ কৰা হৈছিল। কিন্তু ইয়াৰ বেছিকিনিয়েই পানীত পৰিছিল যেতিয়া তললৈ নাৱেৰে কঢ়িয়াই অনা হৈছিল যিহেতু এই ভ্ৰমণ বিপদসংকুল আছিল। অৱশিষ্ট কয়লাৰ এক অংশ ইয়াৰ বৈশিষ্ট্য নিৰ্দ্ধপণ কৰিবলৈ কলিকতাক প্ৰেৰম কৰা হৈছিল।

এই পৰীক্ষাৰ ফলাফল সম্পূৰ্ণভাৱেই উদগনিমূলক আছিল আৰু বহু কয়লা ক্ষেত্ৰ লেফটেনেণ্ট বিগে আৰু কেপ্টেইন হানেৰ দ্বাৰা উজনি অসমৰ বৰহাটৰ ওচৰৰ আৰু জয়পুৰত আৱিস্কাৰ কৰা হৈছিল। একে সময়তে 1838 চনত অসমত কয়লা সংৰক্ষিত অঞ্চলৰ অৱস্থানৰ বিষয়ে অনুসন্ধান কৰিবলৈ এখন কয়লা কমিটী নিযুক্তি দিয়া হৈছিল আৰু ইয়াৰ ওপৰত এক প্ৰতিবেনদ দাখিল কৰিছিল। কয়লা কমিটীয়ে কৈছিল যে উজনি অসম আৰু ভাৰতৰ অন্যান্য প্ৰান্তৰ মাজত যোগাযোগ ব্যৱস্থাৰ উন্নতি নোহোৱাৰ বাবে অসমে কম দামত বংগৰ পৰিৱৰ্তে কলিকতালৈ প্ৰেৰণ কৰিবলৈ পৰা নাছিল।

কিন্তু বৰহাট আৰু জয়পুৰৰ কয়লা ক্ষেত্ৰৰ কাৰণে অনুকূল মত দিছিল। যিহেতু এইবোৰৰ সজে জলপথেৰে সংযোজিত সুবিধাজনক স্থানত অৱস্থান কৰিছিল। কমিটীয়ে আনকি সকৰাত্মক যুক্তি দিছিল যে অসমৰ পৰা কয়লা গংগা নদীৰ ওপৰত ইঞ্জিনচালিত জাহাজ চলাচল কৰাৰ বাবে প্ৰেৰণ কৰিব পাৰি। 1847 চনত ব্ৰহ্মপুত্ৰত অসমত কয়লাৰ চাহিদা বৃদ্ধি কৰিবলৈ ইঞ্জিন চালিত জাহাজৰ সূচনা কৰা হৈছিল।

ইতিমধ্যে চাহ উদ্যোগ তাত আছিল আৰু তাৰ পিছত ইঞ্জিনচালিত জাহাজৰ আৰম্ভণিয়ে কয়লাৰ বাবে যথেষ্ট দাবীৰ সৃষ্টি কৰিছিল। এই স্থানীয় দাবী অসমৰ কয়লা খনিৰ পৰা পাব পাৰি। তথাপিও চৰকাৰে কয়লাখনিৰ বাবে কোনো আঁচনি চলোৱাৰ আগ্ৰহী হোৱাৰ পৰিৱৰ্তে ব্যক্তিগত কোম্পানী আৰু ব্যক্তিলৈ চুক্তিত দিছিল। যিসকলে গুৱাহাটী নাইবা দিখৌমুখলৈ কয়লা প্ৰেৰণ কৰিবলৈ সন্মত হৈছিল। সেয়েহে ব্যক্তি আৰু ব্যক্তিগত কোম্পানী স্থানীয় ব্যৱহাৰৰ বাবে কয়লা প্ৰেৰণৰ দ্বাৰা ভাল লাভৰ আশাৰে চুক্তি কয়লাখনি ল'বলৈ আগবাঢ়ি আহিছিল।

সেয়েহে 1865 চনত এইচ বি মেডিলকট, উপ চুপাৰি পৰিটেনডেণ্ট ভাৰতৰ ভূতাত্বিক জৰীপ বিভাগ, ডিব্ৰুগড়লৈ আহিছিল আৰু উজনি অসমৰ কয়লা ক্ষেত্ৰত জৰীপ কৰিছিল। মেডিলকট অসমৰ কয়লা সম্পদৰ প্ৰতি আকৰ্ষিত হৈছিল। কিন্তু তেওঁ বিবুদ্ধিত পৰিছিল যিহেতু চৰকাৰে উদ্যোগ হিচাপে কয়লাখনি প্ৰতিষ্ঠাৰ বাবে কোনো স্পষ্ট প্ৰতিষ্ঠাৰ বাবে কাৰ্য কৰাৰ পৰিৱৰ্তে ডিব্ৰুড়লৈ ভাপ ইঞ্জিনৰ সম্প্ৰসাৰণ আৰু চাহ উদ্যোগৰ বৃদ্ধি কৰা দাবীক গুৰুত্ব দিছিল। মেডিলকটে জানি আচৰিত হৈছিল যে চাহ বাগিচাৰ মালিকসকলে তেতিয়া পৰ্যন্ত ইন্ধন হিচাপে কাঠৰ ব্যৱহাৰ কৰি আছিল। 1876 চনৰ মাজত। অন্য এজন ভূতত্ববিদ অসমৰ কয়লা ক্ষেত্ৰৰ ওপৰত জৰীপ কৰিছিল আৰু মেডিলকটৰ নিচিনা একে আকৰ্ষণ দেখুৱাইছিল।

উজনি অসমৰ উপৰিও, কয়লা অসমৰ অন্য ঠাইত পোৱা গৈছিল, 1889–90ত খাছী আৰু জয়ন্তীয়া পাহাৰত আৰু জয়ন্তীয়া পাহাৰত আৰু 1898 চনত মিকিৰ পাহাৰত। কিন্তু উভয় সমভূমি আৰু পাহাৰত অৱস্থিত কয়লা খনিবোৰ কষ্টকৰ ঠাইত আছিল আৰু কয়লাৰ শোষণ কঠিন কাম আছিল আৰু এই ক্ষেত্ৰত ব্যক্তিৰ কাৰিকৰী জ্ঞানৰ প্ৰয়োজন হৈছিল। চৰকাৰে আৰম্ভণিতে ইচ্ছাকৃত ব্যক্তিক উদাৰ চৰ্তৰ ওপৰত চুক্তি কৰিছিল। কিন্তু তেতিয়াও কিছু বিশেষ চৰ্ত আৰু অৱস্থাৰ চুক্তিৰ ওপৰত সীমাবদ্ধতা আৰোপ কৰিছিল।

আৰম্ভণিতে কয়লা ক্ষেত্ৰৰ বৃহৎ অঞ্চল দীঘলীয়া সময়ৰ বাবে চুক্তিত দিয়া হৈছিল। 1875 চনত আৰু এইচ কিটিংগে, অসমৰ চীফ কমিচনাৰে তিনি বছৰৰ সময়ৰ বাবে 50 একৰলৈ মঞ্জুৰি সীমাবদ্ধ কৰা হৈছিল আৰু আনকি এক স্থলীৰ অধিকাৰ প্ৰদান কৰিছিল। তথাপিও ব্যক্তি আৰু ব্যক্তিগত কোম্পানীবোৰে যোগাযোগ আৰু বনুৱাৰ সমস্যাৰ বাবে বিশেষভাৱে অনান্য সমস্যাৰ লগতে পাৰদৰ্শিতাপূৰ্ণ বনুৱাৰ সমস্যাৰ বাবে নিৰ্ধাৰিত লক্ষ্যত উপনীত হোৱাত ব্যৰ্থ হৈছিল। ইয়াৰ উপৰিও কিটিউগেৰ উত্তৰাধিকাৰী, ইলিয়টে, চুক্তিৰ বৰ্তি থকা মানে, ধন বিনিয়োগকাৰীক ভালদৰে আকৰ্ষণ কৰিব পৰা নাছিল বুলি পাইছিল।

ইলিয়টে আকৌ এবাৰ চুক্তিৰ বাবে চৰ্তৰ উদাৰ কৰিছিল। মেচৰ্চ ক্ষিনালচন আৰু কোম্পানীক, 1881 চনত 20 বছৰৰ বাবে মাকুম আৰু জয়পুৰৰ কয়লা ক্ষেত্ৰবোৰ চুক্তিত দিয়া হৈছিল। লিডু কয়লা ক্ষেত্ৰ 1881 চনত গঠন কৰা আছাম বেইলৰে আৰু ট্ৰেডিং কোম্পানীৰ দ্বাৰা অধিকাৰ কৰা হৈছিল। এক

বছৰ পিছত 1882 চনত অসমৰ লিডুত প্ৰথম কয়লা খনি মুকলি কৰা হৈছিল। পৰৱৰ্তী সময়ত কয়লাখনি কিছুমান ঠাই যেনে- 1884 চনত টিকক, 1896 চনত নামদাং, 1909 চনত ৰগোলাই ইত্যাদি মুকলি কৰা হৈছিল। ৰে'লৰ শাৰী কয়লা ক্ষেত্ক সংযোগ কৰিবলৈ নিৰ্মাণ কৰা হৈছিল, যথেষ্ট উৎপাদন তাতে হৈছিল।

কুৰি শতিকাৰ আৰম্ভণিৰ পৰা, অসম কয়লাৰ বাবে স্বাৱলম্বী হৈছিল। অসম- বংগ ৰে'ল সেৱা সম্পূৰ্ণ হোৱা পৰ্যন্ত লৈ, কয়লা চাহ বাগিচা বিলাকৰ দ্বাৰা স্থানীয়ভাৱে আৰু ব্ৰহ্মপুত্ৰত জাহাজ চলিবৰ বাবে ব্যৱহাৰ কৰা হৈছিল। কিন্তু এই ৰে'ল সেৱা সমাপ্ত হোৱাৰ পিছত, অসমৰ পৰা কয়লা স্থানীয়ভাৱে ব্যৱহাৰ কৰাৰ লগতে কলিকতালৈ প্ৰেৰণ কৰা হৈছিল, য'ৰ পৰা ইয়াক বিশ্বৰ বিভিন্ন প্ৰান্তলৈ প্ৰেৰণ কৰা হৈছিল। অসমৰ কয়লা চাহৰ নিচিনাকৈ আন্তঃৰাষ্ট্ৰীয় বাণিজ্যৰ এক গুৰুত্বপূৰ্ণ বস্তু হৈ পৰে।

তথাপিও কয়লা উদ্যোগ বাহিৰৰ বনুৱাৰ দ্বাৰা অন্তৰ্ভুক্তিকৰণ কৰা হৈছিল আৰু তাত বাহিৰৰ পৰা সকলো বিনিয়োগ কৰা হৈছিল। সেইবাবে উপনিৱেশিক গাঁঠনিৰ অধীনত কয়লা খনন উদ্যোগৰ বিকাশৰ দ্বাৰা অসমৰ স্থানীয় অৰ্থনীতিৰ কেতিয়াও ত্বৰান্বিত হোৱা নাছিল।

৭.৫.২ তেল

অসমত তেলৰ আৱিস্কাৰ এক আকস্মিক বিকশ আছিল, যিয়ে উপনিৱেশিক অৰ্থনীতিক বিশেষভাৱে ত্বৰান্বিত কৰিছিল। কয়লাৰ বাবে অনুসন্ধান কৰাৰ সময়ত, ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিষয়াই উজনি অসমত তেলৰ খনি পাইছিল। আকৌ লেফটেনেণ্ট উইলককে পাইছিল। যিজনে প্ৰথম 1825 চনত অসমৰ চুপকঙৰ বুঢ়ীদিহিং নদীৰ তলিত পাইছিল। তেওঁৰ পিছত অন্য বহু বৃটিছ বিষয়া যেনে— চি এ ব্ৰুছ, মেজৰ হোৱাইট লেফটেনেণ্ট বিগে, ড0 গ্ৰীফট, কেপ্টেইন হানে আৰু জেনকিন্সে উজনি অসমৰ বহ কয়লাখনিৰ ওচৰত তেলৰ খনি বৰ্তি থকাৰ কথা লিপিবদ্ধ কৰিছিল।

5 জানি থোৱা ভাল

চি এ ব্ৰুছে 1828 চনত চফৰাইত তেলৰ খনি থকাৰ তথ্য দিছিল আৰু মাকুমত বিৰিঙি ওলোৱা তেল পাইছিল। 1837 চনত মেজৰ হোৱাইটে নামৰূপ নদীৰ ওচৰৰ নামপুঙত বহু তেল খনি পাইছিল। লেফটেনেণ্ট বিগে আৰু ড0 গ্ৰিফ্ট কেপ্টেইনে 1838 চনত যেতিয়া কয়লাৰ বাবে নামৰূপ নদীৰ উদঘাটন কৰিছিল, তেতিয়া তেলখনিৰ কাষেৰেই গৈছিল। জেনকিন্সেও 1838 চনত বৰহাটৰ ওচৰত বহু তেলৰ খনি লক্ষ্য কৰিছিল। কেপ্টেইন হানৰে 1845 চনত নামচিক নদীৰ নাহৰপুঙৰ ওচৰত তেল পোৱাৰ তথ্য দিছিল।

ইয়াৰ উপৰিও উপনিৱেশিক বিষয়া, ভাৰতৰ ভূতাত্ত্বিক জৰীপ বিভাগৰ ভূতত্ত্ববিদ যেনে— মেডলিকট আৰু মেলেটে, 1860 চনত উজনি অসমৰ বহু ঠাইত তেলৰ খনি পাইছিল। মেডলিকটে মাকুমৰ ওচৰত বহু অনুকূল লক্ষণেৰে তেলৰ খনি দেখিছিল আৰু সেইবাবে আৱিস্কৃত তেলৰ মান পৰীক্ষা কৰিবলৈ পৰীক্ষামূলকভাৱে তেল উলিয়াবলৈ পৰামৰ্শ দিছিল। পৰৱৰ্তী সময়ৰ জৰীপত মেলেটে জয়পুৰৰ ওচৰৰ হোকানজুৰি, দিখৌ নদীৰ ওচৰৰ টেলপুঙত আৰু টিপাম পাহাৰৰ উত্তৰ অংশৰ বাবু বৰপুঙত তেলৰ আতিগুৰি বিচাৰি পাইছিল।

ইতিমধ্যে 1854 চনৰ আৰম্ভণিত, ৰাগেনট্ৰাইবেৰ অষ্ট্ৰেলিয়াৰ এজন বিনিয়োগকাৰীয়ে, তেলৰ বাণিজ্যিক মূল্য আৰু মান নিৰ্ণয় কৰিবলৈ লক্ষীমপুৰ জিলাৰ তেল খনিবোৰ চুক্তিত দিবলৈ বংগৰ চৰকাৰলৈ আবেদন কৰিছিল। তেতিয়া মাকুম, বাপু আৰু নামচিকক তিনিখন তেলৰ খনি আছিল। কিন্তু ৰবাৰ্ট জেনকিন্সে তেতিয়াৰ অসমৰ কমিচনাৰে অনুমোদনৰ ভিত্তিত ৰাজহ বোৰ্ডে ৰাগেনট্ৰাইবাৰক তিনি বছৰৰ বাবে কেৱল মাকুম তেল ক্ষেত্ৰ দিছিল। অনাকাংক্ষিতভাৱে এই পৰীক্ষা ব্যৰ্থ হৈছিল আৰু ইয়াৰ কোনো তথ্য নাই।

যদিও ৰাগেনট্ৰাইবাৰ ব্যৰ্থ হৈছিল, শুভএনকে 1854 চনত মিকলপ ষ্টীৰাৰ্ট আৰু কোম্পানীৰ 20 বছৰৰ বাবে মাকুমৰ চাৰিওফালে থকা তৈলক্ষেত্ৰক চুক্তিত দিবলৈ আবেদন কৰিছিল আৰু তেতিয়াৰ বংগৰ গৰ্ভনৰ, চেচিল বিতনৰ আদেশৰ ভিত্তিত সফলতাৰে এক ৰাজহ বিহীন চুক্তি লাভ কৰিছিল। গুড য়েনাক্ষে 1866 চনৰ নৱেম্বৰত নাহৰপুঙত তেল খননৰ বাবে প্ৰথম প্ৰণালীবদ্ধভাৱে প্ৰচেষ্টা চলাইছিল। যিটো সফল হোৱা নাছিল। কিন্তু তেওঁৰ দ্বিতীয় প্ৰচেষ্টাত 118 ফিট গভীৰতাত মাকুমত তেল পাইছিল। ইয়ে এচিয়াত প্ৰথম সফলভাৱে যান্ত্ৰিকতাৰে খনন কৰা এক তেলৰ কুৱা হৈ পৰিছিল।

তথাপিও গুডমেনক্ষে অসমত তেল উদ্যোগ প্ৰতিষ্ঠা কৰাত ব্যৰ্থ হৈছিল। কাৰণ যাতায়াতৰ সমস্যা, যিয়ে কলিকতাত অসমৰ তেলৰ দামৰ বৃদ্ধি কৰে আৰু ই আমেৰিকা বা ৰংগুনৰ তেলৰ লগত মোকাবিলা কৰাত ব্যৰ্থ হয়। সেয়েহে গুডমেনাক্ষে, তেওঁৰ চুক্তিৰ অধিকাৰ ব্যক্তিগত কোম্পানী, আছাম যি নাৰেল অইল কোম্পানীক বিক্ৰী কৰে। কিন্তু কোম্পানীয়ে তেল উদ্যোগ প্ৰতিষ্ঠা কৰাত ব্যৰ্থ হয়। কাৰণ হ'ল যাতায়তৰ সমস্যা। ইয়াৰ পিছত 1878 চনত মেচাৰ্চ বালমাৰ লউৰী এণ্ড কোম্পানীয়ে পঞ্চাশ বছৰৰ বাবে নাহৰপুং আৰু মাকুম তৈলক্ষেত্ৰ কাম কৰিবলৈ ভাড়াত চুক্তি কৰিছিল। এইটো কোম্পানীয়েও কম সফলতা পাইছিল।

ইতিমধ্যে আগৰ উপ অংশত উল্লেক কৰা হৈছে যে দি আছাম ৰেইলৰেছ এণ্ড ট্ৰেডিং কোম্পানী 1881 চনত প্ৰতিষ্ঠা কৰা হৈছিল। কোম্পানীয়ে 1882 চনত মাকুম তৈল ক্ষেত্ৰত 25 বছৰৰ বাবে ৰাজ সাহায্যৰ বিপৰীতে চুক্তিৰ নিশ্চিত কৰে আৰু লগতে পৰৱৰ্তী 25 বছৰৰ বাবে নবীকৰণ কৰাৰ অধিকাৰ লাভ কৰে। কিন্তু কোম্পানীয়ে সফলতা পাহৰি গৈছিল, যেতিয়ালৈকে তেওঁলোকৰ অভিযন্তাসকলে ডিব্ৰুগড়-মাৰ্ঘেৰিটা ৰে'ল লাইন নিৰ্মাণ কৰিবলৈ জড়িত হৈছিল, বৰ্তমানৰ ডিগবৈৰ ওচৰত তেলৰ খনি দেখিছিল। এই ঠাইত খান্দিবলৈ প্ৰয়োজনীয় অনুমতি লাভ কৰাৰ পিছত, 1889 চনৰ অক্টোবৰ মাহত 178 ফিট গভীৰতাত তেল খান্দিছিল।

তেতিয়া 1892 চনত অন্য এক গাত খন্দা হৈছিল আৰু তাৰ পিছত 1894 চনত 11টা তেল গাত খন্দা হৈছিল। মাৰ্ঘেৰিটাত এখন সৰু শোধনাগাৰ নিৰ্মাণ কৰা হৈছিল, য'ত ডিগবৈৰ পৰা তেল ৰে'লৰ দ্বাৰা ছয় বছৰৰ বাবে প্ৰেৰণ কৰা হৈছিল। একে সময়তে অন্য এক কোম্পানী আছাম অইল চিণ্ডিকেট তেলখননৰ বাবে আগবাঢ়ি আহিছিল আৰু আছাম ৰে'লৰেজ এণ্ড ট্ৰেডিং কোম্পানীক প্ৰদান কৰা সংলগ্ন অঞ্চলৰ দৰে একে চুক্তিত দিয়া হৈছিল। চিণ্ডিকেটে অপৰিশোধিত তেল যথেষ্ট পৰিমাণৰ সংগ্ৰহ কৰাত সফল হৈছিল আৰু ইয়ে নিজৰ শোধনাগাৰ আৰম্ভ কৰিবলৈ সিদ্ধান্ত কৰিছিল। মেচাৰ্চ বলমাৰ লউৰি এণ্ড কোম্পানীয়ে আনকি নিজৰ প্ৰকল্প পৰিত্যাগ কৰিছিল আৰু আছাম অইল চিণ্ডিকেটৰ লগত সংযুক্ত হৈছিল।

একে সময়তে 1899 চনত আছাম বেইলৰেছ এণ্ড ট্ৰেডি কোম্পানীয়ে তৈল ক্ষেত্ৰৰ বাবে আছাম অইল কোম্পানী নামেৰে এক নতুন কোম্পানী আৰম্ভ কৰিছিল আৰু ইয়াৰ অধিকাৰ আৰু বিশেষ অধিকাৰ মাকুম আৰু ডিগবৈ তৈলক্ষেত্ৰলৈ পৰিৱৰ্তিত কৰিছিল। 1901 চনত, কোম্পানীয়ে 500 বেৰেল নাইবা 20,000 গেলনৰ ক্ষমতাসম্পন্ন ডিগবৈ শোধনাগাৰ আৰম্ভ কৰিছিল।

এক বছৰ পিছত ডিগবৈ শোধনাগাৰত প্ৰস্তুত কৰা কেৰোচিন গৈ বজাৰ পাইছিল। ক্ৰমানুসাৰে পেট্ৰল, ডিজেল, মৌ-কম, স্নেহ জাতীয় দ্ৰব্য ইত্যাদিও শোধানাগাৰত প্ৰস্তুত কৰা হৈছিল। দি, আছাম ৰে'লৰেজ এণ্ড ট্ৰেডিং কোম্পানীয়ে তৈলক্ষেত্ৰত ইয়াৰ অংশীদাৰিত্ব আৰম্ভ কৰিছিল আৰু আছাম অইল কোম্পানীৰ নিয়ন্ত্ৰণত জড়িত হৈ পৰিছিল। কিন্তু 1921 চনত, দি আছাম ৰেইলৰেজ এণ্ড ট্ৰেডিং কোম্পানীয়ে ইয়াৰ অংশীদাৰিত্ব বুৰমাহ অইল কোম্পানীলৈ বিক্ৰী কৰিছিল আৰু এই কোম্পানীয়ে ইয়াৰ দ্বাৰা আছাম অইল কোম্পানীৰ ব্যৱসায়িক আৰু কাৰিকৰী পৰিচালক হৈ পৰে।

চাহ আৰু কয়লাৰ নিচিনাকৈ, তেল উদ্যোগৰ বিকাশে অসমৰ স্থানীয় অৰ্থনীতিত মনোবল দিব পৰা নাছিল। তেল উদ্যোগ প্ৰধানতঃ মূলধনকেন্দ্ৰিক আছিল আৰু সম্পূৰ্ণ বিনিয়োগ কৰা মূলধন ইউৰোপৰ

পৰা আহিছিল। গতিকে লাভৰ অধিকাংশ বাহিৰলৈ গৈছিল। মন্ত্ৰ চলাবলৈ কাৰিকৰীভাৱে দক্ষ বনুৱাৰ আৱশ্যক হৈছিল আৰু বনুৱা বাহিৰৰ পৰা অনা হৈছিল। তেলৰ উৎপাদনৰ লগত জড়িত সকলো যন্ত্ৰ ইউৰোপৰ পৰা অনা হৈছিল। কেৰোচিনত বাহিৰে অন্য তৈল উৎপাদনৰ মূল্য নাছিল। গতিকে সকলো প্ৰদেশৰ বাহিৰলৈ পঠোৱা হৈছিল আৰু আনকি বিদেশী দেশবোৰলৈ ৰপ্তানি কৰা হৈছিল।

৭.৬ আফিং বা কানি

আফিং বা কানি, আফিং গছৰ গুটিৰ পৰা তৈয়াৰ কৰা হয়। ইয়াক অসমীয়া মানুহৰ দ্বাৰা ঔষধ আৰু ৰাগীয়াল মাদক দ্ৰব্য হিচাপে ব্যৱহাৰ কৰা হৈছিল। আফিঙক স্থানীয়ভাৱে কানি হিচাপে জনা যায়। অসমীয়া মানুহে নিজৰ ভোগৰ বাবে নিজৰ ঘৰৰ বস্তিত খেতি কৰিছিল। এইটো বিশ্বাস কৰা হৈছিল যে 17 শতিকাত মোগলৰ আক্ৰমণৰ সময়ত, স্থানীয় মানুহে আফিং গছৰ ৰোপন আৰু ইয়াৰ ব্যৱহাৰ কৰিছিল।

মণিৰাম দেৱানে কৈছিল যে এইটো ৰাজপুত বৰকাগুজসকল আছিল, যিসকলে আহোম ৰজা লক্ষী সিংহৰ দিনত বৰ্তমান গুৱাহাটী নগৰৰ বেলতোলাত আফিঙৰ খেতি কৰিবলৈ আৰম্ভ কৰিছিল। আৰম্ভণিতে ৰাজকীয় পৰিয়ালৰ সদস্য আৰু উচ্চবংশীয় লোকসকলে, ভোগ-বিলাসৰ সামগ্ৰী হিচাপে আফিং খাইছিল। কিন্তু ক্ৰমানুসাৰে আফিং সাধাৰণ মানুহৰ মাদক দ্ৰব্য হৈ পৰিছিল। যিহেতু আফিঙৰ খেতৰি ওপৰত কোনো কৰ আৰোপ কৰা হোৱা নাছিল আৰু মাদক দ্ৰব্য হিচাপে ইয়াৰ ব্যৱহাৰৰ ওপৰত আহোম চৰকাৰৰ দ্বাৰা কোনো সীমাবদ্ধতা আৰোপ কৰা হোৱা নাছিল।

5 জানি থোৱা ভাল

আফিং নাইবা কানিৰ প্ৰতি আসক্তি অসমীয়া সমাজৰ বাবে এক ডাঙৰ অভিশাপ আছিল। অসমীয়া মানুহ, উচ্চ নাইবা নিম্ন, ধনী নাইবা দুখীয়া আৰু ডেকা নাইবা বুঢ়া, সকলোৱে কানি সেৱন কৰিছিল। ইয়ে কষ্ট সহিষ্ণু, উদ্যোগী অসমীয়া মানুহক দুৰ্বল, এলেহুৱা আৰু অধঃপতিত জাতিলৈ পৰিৱৰ্তিত কৰিছিল। আফিঙৰ প্ৰতি আসক্তিয়ে মানুহক ইমান আশাশূন্য কৰি তুলিছিল যে তেওঁলোকে জীৱনৰ বাবে প্ৰয়োজনীয় মূলখিনিৰ বাবেও কাম কৰাৰ পৰা বিৰত আছিল। অসমীয়া মানুহৰ এনেধৰণৰ এলেহুৱা প্ৰকৃতিৰ বাবে, তেওঁলোকক ‘কনিয়া’ বুলি কোৱা হৈছিল। আনকি আজিও অসমীয়া ভাষাত এই ‘কনিয়া’ শব্দটো এলেহুৱা আৰু নিষ্কৰ্মা লোকক সূচাবলৈ ব্যৱহাৰ কৰে। কানি শব্দৰ পৰাই ‘কনিয়া’ শব্দ লাভ কৰা হৈছিল।

যদিও অসমীয়া মানুহে আহোমৰ সময়ত আফিঙৰ ব্যৱহাৰ কৰিছিল, কিন্তু ইয়াক উপনিৱেশিক চৰকাৰে ব্যৱসায়িক সামগ্ৰী বনাইছিল। স্থানীয় লোকৰ আফিঙৰ প্ৰতি আসক্তি জানিব পাৰি, উপনিবেশিক চৰকাৰে ক্ৰমানুসাৰে আফিঙৰ ব্যক্তিগত উৎপাদন বন্ধ কৰিবলৈ আৰম্ভ কৰিছিল আৰু আফিঙৰ ওপৰত তেওঁলোকৰ একাধিপত্যৰ ব্যৱসায় বিকশিত কৰিছিল। 1844–45 চনত কৰ আৰোপিত আফিঙৰ বিক্ৰী উপনিৱেশিক চৰকাৰৰ দ্বাৰা আৰম্ভ হৈছিল আৰু 1850–51 চনত সকলো প্ৰদেশতে ই বিয়পি পৰিছিল। সি আফিঙৰ খেতি নকৰা লোক সহিতে সকলোৱে বাবে সহজলভ্য হৈছিল।

1853 চনত এ জে মফট মিলছ অসমলৈ আহিছিল আৰু অসমীয়া বৌদ্ধিক প্ৰতিনিধি যেনে— আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা আৰু হৰিবিলাস আগৰৱালা আদিয়ে অসমীয়া মানুহক আফিঙৰ উৎপাদনৰ অভিশাপ আৰু আফিঙৰ আসক্তিৰ পৰা ৰক্ষা কৰিবলৈ তেওঁৰ ওচৰত প্ৰতিবেদন দিছিল। কিন্তু মিলচে আফিং খোৱাতোক সমৰ্থন কৰিছিল, কিন্তু আফিঙৰ উৎপাদন আৰু স্থানীয়ভাৱে আফিঙৰ প্ৰস্তুতকৰণ উঠাই দিবৰ বাবে যুক্তি দিছিল।

একে সময়তে 1857 চনত চাহ বাগিচাৰ মালিকসকলে ভাৰতৰ উপনিবেশিক চৰকাৰক আফিঙৰ উৎপাদন আৰু আসক্তিৰ ওপৰত সীমাবদ্ধতা আৰোপ কৰিবলৈ জোৰ দিছিল, যিহেতু ইয়ে স্থানীয় মানুহক চাহ বাগিচাত কাম কৰাৰ বাবে এলেহুৱা কৰিছিল। তেতিয়াৰ চীফ কমিচনাৰ, জেনকিন্সে এই দাবীৰ প্ৰতি সমৰ্থন দিছিল আৰু তেওঁৰ অনুসহিত উপনিৱেশিক চৰকাৰে 1860 চনৰ এপ্ৰিল মাহত, অসমৰ সকলোতে আফিঙৰ খেতিৰ বন্ধ কৰিছিল। কিন্তু চৰকাৰক বা কৰ আৰোপিত আফিঙৰ বিক্ৰী চলি আছিল।

প্ৰধানতঃ আফিঙৰ খেতিৰ বন্ধৰ দ্বাৰা ভাৰতৰ উপনিৱেশিক চৰকাৰে, তেওঁলোকৰ প্ৰাদেশিক চৰকাৰক, প্ৰদেশৰ আফিঙৰ ওপৰত একচেতীয়া নিয়ন্ত্ৰণ আৰোপ কৰিবলৈ পৰোক্ষভাৱে ঘোষণা কৰিছিল। আফিঙৰ দাম ক্ৰমানুসাৰে বৃদ্ধি হ'বলৈ আৰম্ভ কৰিছিল। 1860 চনত প্ৰত্যেক 500 গ্ৰামত 14 টকাৰ পৰা 1867 চনত 20 টকালৈ, 1873 চনত 23 টকালৈ, 1918–19 চনত 50 টকালৈ বৃদ্ধি হৈছিল। 1873–74 চনত প্ৰদেশত এই মাদক দ্ৰব্য বিক্ৰী কৰিবলৈ অনুজ্ঞাপত্ৰ থকা 5137খন দোকান আছিল। স্থানীয় মানুহৰ মাজত আফিঙৰ আসক্তি অলপ কমিছিল, কিন্তু চাহ বাগিচাৰ বনুৱা সম্প্ৰদায়ৰ মাজত ইয়াত আসক্তি বাঢ়িছিল।

অসমৰ নেতৃত্ব বহনকাৰী পণ্ডিত যেনে সত্যনাথ বৰা, ত্ৰিনয়ন বৰকাকতি, গুণাভিৰাম বৰুৱা আৰু ৰাধানাথ চাংকাকতিয়ে 1893 চনত আফিঙৰ ওপৰত ৰাজকীয় আয়োগত, মাদক দ্ৰব্য বন্ধ কৰাৰ বাবে প্ৰতিনিধিত্ব আগবঢ়াইছিল। কিন্তু এই সকলোবোৰ নিৰৰ্থক হৈছিল। আফিঙৰ এই ভাবুকি সম্পূৰ্ণৰূপে আতৰ কৰাৰ বাবে চৰকাৰে প্ৰচেষ্টা নকৰাৰ বিপৰীতে, আফিঙৰ আসক্তিৰ বেয়া প্ৰভাৱৰ পৰা সাধাৰণ মানুহক সচেতন কৰিবলৈ কিছুমান মুহূৰ্তত ৰাজহুৱা মিটিং পতা হৈছিল। বিভিন্ন জিলাত কানি নিবাৰণী সভা স্থাপন কৰা হৈছিল। আনকি প্ৰাদেশিক বিধায়িনী আয়োগত, আফিঙৰ বিষয়, অসমীয়া বিধায়ক যেনে পদ্মনাথ গোহাঞি বৰুৱা আৰু ফনিধৰ চলিহাৰ দ্বাৰা উত্থাপন কৰা হৈছিল।

আফিঙৰ ভাবুকি তেতিয়ালৈ চলি থাকিল, যেতিয়ালৈ মহাত্মা গান্ধীৰ অভিভাৱকত্বত অসমত প্ৰদেশ কংগ্ৰেছে আফিঙৰ বন্ধ কৰাক অসহযোগ আন্দোলনৰ প্ৰধান বিষয় কৰা হোৱা নাছিল। আন্দোলনৰ সময়ছোৱাত আফিং বিৰোধী যিকোনো শীৰ্ষবিন্দু পাইছিল আৰু ক্ৰমানুসাৰে ইয়াৰ আসক্তি প্ৰদেশৰ পৰা লোপ পাইছিল।

Wঅগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ প্ৰথমতে অসমৰ ক'ত কয়লা পোৱা গৈছিল?

.....

.....

প্ৰশ্ন নং ৭ ঃ কিমান চনত কয়লা কমিটী নিযুক্তি দিয়া হৈছিল?

.....

.....

প্ৰশ্ন নং ৮ ঃ অষ্ট্ৰেলিয়াৰ বিনিয়োগকাৰীজনৰ নাম লিখা, যিজনে অসমৰ কয়লা খনিৰ চুক্তিৰ বাবে আৱেদন কৰিছিল?

.....

.....

প্ৰশ্ন নং ৯ ঃ কিমান চনত অসম চাহ কোম্পানী আৰম্ভ হৈছিল?

.....

.....

প্ৰশ্ন নং ১০ ঃ অসমীয়া ভাষাত আফিঙক জনা যায় ..... হিচাপে।

২ ৭.৭ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- উপনিৱেশিক চৰকাৰৰ দ্বাৰা গ্ৰহণ কৰা নীতিৰ আধাৰত উপনিৱেশিক অসমৰ অৰণ্যৰ অৱস্থা।
- কেনেকৈ অসমত চাহ আবিস্কাৰ হৈছিল, ব্যৱসায়িক ভিত্তিত ইয়াৰ ৰোপন আৰম্ভ হৈছিল আৰু ই এক উদ্যোগলৈ বিকশিত হৈছিল।
- অসমত কয়লা আৰু তেল সম্পদো আছিল আৰু উপনিৱেশিক চৰকাৰে ইয়াৰ আৱিস্কাৰ কৰিছিল। এইবোৰ সম্পদৰ খনন আৰম্ভ হৈছিল আৰু এক উদ্যোগৰ আকৃতি লৈছিল।
- অসমত আফিঙৰ আহোম যুগৰ পৰাই খেতি কৰা হৈছিল। কিন্তু উপনিৱেশিক চৰকাৰে ইয়াক ব্যৱসায়িক সামগ্ৰীলৈ পৰিৱৰ্তিত কৰিছিল আৰু ইয়াৰ দ্বাৰা আসক্তি বাঢ়িছিল আৰু প্ৰদেশত বিক্ৰী বাঢ়িছিল।

৭.৮ অধিক জানিবলৈ

1] বৰপূজাৰী, এইচ কে (2004), দ্য কম্প্ৰিহেনচিপ হিষ্টৰী অৱ আছাম, অধ্যায়-5, পাব্লিকেছন বোৰ্ড অৱ অসম, গুৱাহাটী।

2] গোস্বামী, প্ৰিয়ম (2012)ঃ দ্য হিষ্টৰী অৱ আছাম, ফ্ৰম ইয়াণ্ডাবু টু পার্টিচন, 18-26-1947, অৱিয়েণ্ট ব্লেকচয়ান, কলিকতা।

3] গোস্বামী প্ৰিয়ম (1999) ঃ আছাম, ইন দ্য নাইনটিনথ্ চেঞ্চৰী, ইণ্ডাষ্ট্ৰিলাইজেচন্ এণ্ড কলোনিয়েল পেনিট্ৰেচন ঃ স্পেকট্ৰাম পাব্লিকেচন্, গুৱাহাটী।

4] সন্দিকৈ ৰাবীব (2004) ঃ বৃটিছ ফৰেষ্ট পলিচি ইন আছাম, কনচেপ্ত পাব্লিচিং, নতুন দিল্লী।

5] বৰুৱা প্ৰদীপ (2008) ঃ দ্য টী-ইণ্ডাষ্ট্ৰী অৱ আছাম, অৱজিন্ এণ্ড ডেভেলপমেণ্ট, ই বি এইচ পাব্লিচার্চ, গুৱাহাটী।

৭.৯ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ শাল, অগৰু, শিমলু, চেগুন, চগুন।

২ নং প্ৰশ্নৰ উত্তৰ ঃ মাকুম।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ মেজৰ ৰবার্ট ব্ৰুচ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ চিনামাৰা আৰু চেঙলুঙ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ 1881 চনত।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ বৰহাট আৰু চুপকুং।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ 1838 চনত।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাগেনট্ৰাইবেৰ।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ 1899 চনত।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ কানি।

৭.১০ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ 50 শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ভাৰতত ৰাজকীয় অৰণ্য বিভাগ কেতিয়া স্থাপন কৰা হৈছিল?

প্ৰশ্ন ২ ঃ অসমৰ প্ৰথমে চাহ কোম্পানীৰ নাম লিখা।

প্ৰশ্ন ৩ ঃ অসমৰ প্ৰথম ক'ত কয়লাখনি স্থাপন কৰা হৈছিল?

প্ৰশ্ন ৪ ঃ মেডলিকট আৰু মেলেট কোন আছিল?

প্ৰশ্ন ৫ ঃ কোনে চনত আফিঙৰ ওপৰত ৰাজকীয় আয়োগ অসমলৈ আহিছিল?

(খ) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ 150 শব্দৰ ভিতৰত লিখক)

(ক) সংৰক্ষিত বনাঞ্চল

(খ) মণিৰাম দেৱান

(গ) অসমত কয়লা উদঘাটন

(ঘ) অসমৰ তেল কোম্পানী

(ঙ) আবকাৰী আফিং

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ 300–500 শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ উপনিৱেশিক অসমৰ অৰণ্যৰ বৰ্ণনা দিয়া।

প্ৰশ্ন ২ ঃ অসমত চাহ উদ্যোগৰ প্ৰতিষ্ঠাৰ বৰ্ণনা কৰা।

প্ৰশ্ন ৩ ঃ অসম কয়লা খননৰ বিকাশৰ পৰীক্ষা কৰা।

প্ৰশ্ন ৪ ঃ কেনেকৈ উপনিৱেশিক অৰ্থনীতি তেল আৱিস্কাৰে তৰান্বিত কৰিছিল।

প্ৰশ্ন ৫ ঃ অসমত উপনিৱেশিক চৰকাৰৰ আফিং নীতি বৰ্ণনা কৰা।

অধ্যায় ৮ ঃ বৃটিছ শাসন সুদৃঢ়কৰণ

অধ্যায় গাঁথনি

8.1 উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ বৃটিছৰ প্রশাসনিক গাঁথনি
৮.৩.১ ডেভিদ স্কট
৮.৩.২ টি চি ৰৰ্বাটছন
৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৫ অধিক জানিবলৈ
৮.৬ অগ্রগতিৰ খতিয়ান
৮.৭ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বৃটিছৰ অসম বিজয়ৰ বিষয়ে বর্ণনা কৰিব পাৰিব,
- অসম অধিকাৰ কৰাৰ পিছত বৃটিছে আৰম্ভ কৰা প্রশাসনিক পৰিৱর্তন আৰু সংস্কাৰ সম্পর্কে আলোচনা কৰিব পাৰব।

৮.২ পৰিচয়

আমি অধ্যায় 5 ইতিমধ্যে ইয়াণ্ডাবু সন্ধিৰ বিষয়ে অধ্যয়ন কৰিলো। ইয়াণ্ডাবু সন্ধিৰ পৰিণতি ৰূপে অসমৰ ৰাজনৈতিক ইতিহাসত সংঘটিত পৰিৱর্তন ৰাজি আৰু সন্ধিৰ তাৎপর্যৰ বিষয়ে বিস্তৃতভাৱে এই অধ্যায়ত দাঙি ধৰা হ'ব। এই সন্দর্ভত বৃটিছে অসম অধিকাৰ কৰাৰ পিছত তেওঁলোকে সাধন কৰা প্রশাসনিক পৰিৱর্তনৰ বিষয়েও আমি আলোচনা কৰিম। শেষত অসমত প্রথৱস্থাত হোৱা বৃটিছ বিৰোধী অব্যুত্থানৰ বিষয়ে আলোচনা কৰিম।

৮.৩ বৃটিছ প্রশাসনিক গাঁথনি

ইয়াণ্ডাবু সন্ধিৰ পিছত বৃটিছে কেনেদৰে অসম খন দখল কৰিলে তাক আমি দেখিলো। ইয়াৰ পিচত এই অঞ্চলটোৰ প্রশাসন চলাবলৈ যথাযথ ব্যৱস্থা লোৱাটো শীর্ষতম কর্তৃত্বই প্রয়োজনীয় বুলি বিবেচনা কৰিলে। ইয়াণ্ডাবু সন্ধিৰ আগতেও বৃটিছে নামনি আৰু উজনি এই ক্ষেত্রীয় গোট দুটিৰ প্রশাসন চলাবলৈ সুকীয়া নীতি গ্রহণ কৰিছিল। ইয়াণ্ডাবু সন্ধিৰ পিছত উত্তৰ পাৰৰ বিশ্বনাথক সীমা হিচাপে লৈ পশ্চিম বা নামনি আৰু পূব বা উজনি অসম নামৰ দুটা সমমণ্ডলৰ অসমখন বিভক্ত হৈছিল।

গুৱাহাটীক সদৰ হিচাপে লৈ নামনি অসম কামৰূপ, নগাওঁ আৰু দৰঙৰ কিছু অংশৰে গঠিত হৈছিল। দৰঙৰ অৱশিষ্ট অংশক লৈ আৰু মটক ৰাজ্যখন বাদি দি উজনি অসম বিশ্বনাথৰ পৰা বুঢ়ীদিহিং নদীলৈ ব্যাপ্ত আছিল আৰু ইয়াৰ সদৰ আছিল ৰংপুৰ। প্রতিটো সংমণ্ডল এগৰাকী আয়ুক্তৰ অধীনত আছিল। ডেভিদ স্কট নামনি

অসমৰ আয়ুক্ত আছিল আৰু তেওঁ তেওঁক প্ৰবীণ আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছিল আৰু ঘোষণা কৰা হৈছিল। পূব অসমত সামৰিক দায়িত্ব পালন কৰাৰ লগতে তেওঁ দেৱানী কামকাজো কৰিব লাগিছিল।

দুগৰাকী আয়ুক্ত থকাস্বত্বেও প্ৰশাসনিক ব্যৱস্থাটো একমাত্ৰ বিশিষ্ট কৰি ৰাখিবলৈ ডেভিদ স্কটৰ ওপৰত প্ৰশাসনৰ সামগ্ৰিক ভাৰ অৰ্পন কৰা হৈছিল। ৰাজ্যবোৰৰ লগত তথা সমগ্ৰ অঞ্চলটোৰ জনজাতি সকলৰ লগত ৰাজনৈতিক সম্পৰ্ক ধৰি ৰখাৰ সম্পূৰ্ণ দায়িত্ব পৰিছিল স্কটৰ ওপৰত। গতিকে দেখা যায় যে ডেভিদ স্কট আছিল সেই সময়ৰ আটাইতকৈ ক্ষমতাশালী বিষয়া। যদিও প্ৰতিগৰাকী আয়ুক্তই তেওঁলোকৰ দেৱানী কাম-কাজবোৰ নিজাববীয়াকৈ চলাব লাগিছিল তথাপি তেওঁলোকেৰ পৰস্পৰে পৰস্পৰৰ সৈতে আনকি নিজস্ব সংমণ্ডলৰ বিষয়া ক্ষেত্ৰটো নিয়মিত যোগাযোগ ৰাখিব লাগিছিল। তেওঁলোক দেৱানী বিবাদ নিস্পত্তি ফৌজদাৰী বিচাৰ চলোৱ, পুলিচ ব্যৱস্থাটো সংগঠিত কৰা আৰু কাৰাগাৰ নিৰ্মাণ কৰিবলৈ ক্ষমতা শালী আছিল। ডিচেম্বৰ মাহত ঠাইত স্থালীভিষিক্ত হয় লেফটেনেন্ট কৰ্ণেল কুপাৰ। একে সময়তে আদাম হুৱাইটক স্কটৰ সহকাৰী হিচাপে গুৱাহাটীত আৰু কেপ্টেইন ডেভিদজনক গোৱালপাৰাত সহকাৰী হিচাপে নিযুক্তি দিয়া হয়।

এই খিনিতে উল্লেখ কৰাটো উচিত যে সামৰিক দখলৰ প্ৰাৰম্ভিক অৱস্থাটো উল্লিখিত ক্ষেত্ৰীয় গোট দুটিৰ (নামনি অসম আৰু উজনি অসম) প্ৰশাসন চলাবলৈ বৃটিছে দুই ধৰণৰ নীতি গ্ৰহণ কৰাটো উচিত বুলি বিবেচনা কৰিছিল। নামনি অসমখন বৃটিছৰ প্ৰত্যক্ষ শাসনত ৰখাৰ সম্ভাৱনা আছিল আৰু ১৮২৮ খ্ৰীষ্টাব্দত বৃটিছে স্থায়ীভাৱে নামনি অসম বৃটিছ সাম্ৰাজ্যৰ লগত সাঙুৰি ল'লে। অৱশ্যে উজনি অসমৰ ক্ষেত্ৰত বিষয়টো এনে নাছিল। উজনি অসমৰ ভৱিষ্যত তেতিয়াও অমীমাংসিত হৈ আছিল। মানৰ শাসনৰ সময়ছোৱাত উজনি অসমে মানৰ নিষ্ঠুৰতা ভোগ কৰিব লগা হৈছিল আৰু তাত এক অৰাজক অৱস্থা বিৰাজ কৰিছিল। আহোম সম্ভ্ৰান্ত শ্ৰেণীটো তেতিয়াও উজনি অসমৰ শক্তিশালী হৈয়ে আছিল। সেয়েহে ডেভিদ স্কটে উজনিত পু�ৰণি প্ৰশাসনিক ব্যৱস্থাটো চলাই নিয়াত পোষকতা কৰিছিল। তেওঁলোকে উজনি অসমত আহোম ৰাজতন্ত্ৰ পুনৰ প্ৰতিষ্ঠা কৰাৰ কথাটোও বিবেচনা কৰি আছিল।

৮.৩.১ ডেভিদ স্কট

কোম্পানীৰ সৈন্যবাহিনীয়ে মানসকলক খেদি পঠোৱাৰ পিচত অসমখনৰ প্ৰশাসনিক ভিত্তি প্ৰতিষ্ঠা কৰিছিল. গৰ্ভনৰ জেনেৰেলৰ এজেন্ট তথা অসমৰ আয়ুক্ত ডেভিদ স্কটে ব্ৰহ্মপুত্ৰ উপত্যকাৰ ৰাজহ, ন্যায়িক আৰু পুলিচ প্ৰসাসনৰ প্ৰতি তেওঁৰ দৃষ্টি নিক্ষেপ কৰিছিল। উজনি অসমত নতুন প্ৰশাসনিক ব্যৱস্থা কৰাৰ ক্ষেত্ৰত স্কটে পার্যমানে পুৰণি ব্যৱস্থাটো বৰ্তাই ৰাখিব বিচাৰিছিল। এ চি বেনাৰ্জীৰ ভাষ্যমতে 'উজনি অসমত পুৰণি ব্যৱস্থাটোৰ সৈতে সামঞ্জস্য ৰক্ষা কৰাটোৱে মূল কথা আছিল।' অৱশ্যে নামনি অসমত প্ৰশাসনৰ সকলো স্তৰতে দ্ৰুত পৰিৱৰ্তনৰ সূচনা কৰা হৈছিল।

স্কটে ঔপনিবেশিক স্বাৰ্থৰ সৈতে সংগতি ৰাখি উজনি অসমৰ প্ৰশাসনিক গাঁথনিত মাথো প্ৰয়োজনীয় সাল-সলনি ঘটাইছিল। পুৰণি অভিজাত তন্ত্ৰৰ প্ৰতিনিধিসকলৰ অন্তৰ জয় কৰাৰ উদ্দেশ্যে তেওঁ এই প্ৰতিনিধিসকলক বৃটিছ বিষয়াৰ তত্বৱধানত বিভিন্ন সেৱাত নিয়োগ কৰিছিল। এনেদৰে উজনি অসমত ৰাজহ ব্যৱস্থাটো সামান্য পৰিৱৰ্তন সাধি তেওঁ পাইক আৰু খেল প্ৰথাটো ধৰি ৰাখিছিল। আগতে নগদ ৰাজহ দিয়াৰ ব্যৱস্থা আৰু ব্যক্তিগত সেৱাৰ দ্বাৰা ৰাজহ প্ৰদান কৰা হৈছিল। স্কটে এই ব্যৱস্থাটোৰ বিলুপ্তি ঘটালে আৰু নগদ ৰাজহ দিয়াটো বাধ্যতামূলক কৰিলে। আহোম ৰজাই সূচনা কৰা বৰবৰুৱা পদবীটো বাহাল ৰখা হ'ল। বৰবৰুৱাক এগৰাকী হাজৰিকা, এগৰাকী বৰুৱা আৰু এগৰাকী বৰুৱাই সহযোগ কৰিছিল। জনার্দন বৰুৱা নামৰ এগৰাকী প্ৰভাৱশালী আৰু শীৰ্ষ বিষয়াক ৰাজহ বি ভাগৰ দায়িত্ব দিয়া হ'ল। যদিও কোনো অতিৰিক্ত কৰা আৰোপ কৰা নহ'ল তথাপিও প্ৰতিজন পাইকৰ বাবে তিনি টকাকৈ প্ৰাপ্তবয়স্কৰ কৰ আৰম্ভ কৰা হ'ল।

নামনি অসমত পৰগণা ব্যৱস্থাৰ ভিত্তিত ৰাজহ দিয়াটো ঠিক কৰা হৈছিল। নামনি অসমখনক

26 খন পৰগণাত বিভক্ত কৰা হৈছিল আৰু চৌধুৰী সকলে এই ৰাজহবোৰ আদায় কৰিছিল। ইয়াৰ বিনিময়ত কার্যকালৰ সময়ছোৱাত চৌধুৰীসকলক কিছুসংখ্যক পাইকৰ সেৱাৰ লগতে ভাড়াবিহীন ভূমি আবন্টন দিয়া হৈছিল। চৰকাৰে ইচ্ছা কৰিলে তেওঁলোকক পদবীৰ পৰা আতৰাব লাগিছিল। অৱশ্যে এনেদৰে আতৰালেও একেটা পৰিয়ালৰ সদস্যকে সচৰাচৰ পদবীবোৰত মকৰল কৰা হৈছিল। ৰাজহ সংগ্রহৰ ক্ষেত্রত চৌধুৰীক পাটোৱাৰী (গাণনিক), ঠাকুৰীয়া (সহকাৰী সংগ্রাহক) আদিয়ে সহায় কৰিছিল। নামনি অসমৰ ৰাজহ বিভাগটো চিৰস্তদাৰৰ অধীনত আছিল। নগাওঁ আৰু ৰহাৰে গঠিত সুকীয়া ৰাজস্ববিষয়ক গোটটি গুৱাহাটীত থকা সমাহর্তাৰ (collectorate) কার্যালয়ৰ অধীনত আছিল আৰু আৰাধন ৰয় আৰু লতাবায়নী ফুকন নামৰ দুজন খেতিয়কক ইয়াৰ দায়িত্বভাৰ দিয়া হৈছিল। স্কটে দৰহৰ ৰজা বিজয়নাৰায়ণৰ সৈতে বছৰেকত ৪২,০০০ টকাকৈ দিয়াৰ এখন চুক্তি কৰিছিল। তেওঁ লগতে ১৫০০ পাইকৰ সেৱা আগবঢ়াবলৈও সন্মতি প্রকাশ কৰিছিল। বেলতলা, ৰাণী, ডিমৰীয়া আৰু ন-দুৱৰাৰ মুখিয়াল সকলৰ পৰা স্বইচ্ছাই দিয়া ৰৰঙণি গ্রহণ কৰিবলৈও স্কটে সন্মতি দিছিল। নামনি প্রতিজন পাইকৰ ওপৰত ‘গাধন’ নামৰ দুটকাৰ কৰ আৰোপ কৰা হৈছিল আৰু ইয়াৰ বিনিময়ত প্রতিজন পাইকে তিনি পুৰাকৈ মাটি পাইছিল। ইয়াৰ লগতে তেওঁলোকৰ ওপৰত বেলেগ বেলেগ নিৰিখত আৰু পূর্বৰ শাসকসকলে লোৱাৰ লেখিয়াকৈ পিতলৰ কাৰিগৰ, সোণৰ পক্ষালক, মাছুৰে আদিৰ ওপৰত বৃত্তিগত কৰ আৰু হাট (বজাৰ) ঘাট (নদীৰ পাৰ), পুখুৰী আদিৰ ওপৰত লগোৱা শুল্ক কৰ অব্যাহত ৰখা হৈছিল। মাটিৰ জৰীপ কৰাৰ ব্যৱস্থাও গঢ়ি তোলা হৈছিল।

দেৱানী মোকর্দমাৰ বাবে উজনি অসমত বৰফুকনৰ পদবীটো বাহাল ৰখা হৈছিল। উজনি অসমত দেৱানী মোকর্দমাবোৰ চলাবৰ বাবে স্কটে পূর্বৰ ৰজা চন্দ্রকান্ত সিংহৰ খুলশালী লম্বোদৰ বৰফুকনক জনার্দন বৰবৰুৱাৰ সৈতে ন্যায় নির্ণায়ক হিচাপে নিযুক্তি দিছিল। পূর্বতে কনিষ্ঠ আয়ুক্তই ফৌজদাৰী গোচৰবোৰ চলাইছিল। যেতিয়া ১৮২৮ খ্রীষ্টাব্দত এই পদবীটো বিলুপ্তকৰা হ’ল তেতিয়া এগৰাকী ৰাজনৈতিক এজেন্ট বা অভিবার্তাই এইবোৰৰ বিচাৰ চলালে। গুৰু শাস্তিৰ (capitalisim punishment) বা দীর্ঘদিনীয়া কাৰাবাসৰ কঠিন বিচাৰবোৰ বৰফুকনৰ পৌৰাহিত্যত বহা বিচাৰকমণ্ডলীয়ে নির্ধাৰণ কৰিছিল। অৱশ্যে এনে বিচাৰৰ ৰায়বোৰত আয়ুক্তৰ পুনৰীক্ষণৰ ব্যৱস্থা আছিল।

নামনি অসমত প্রবীণ আয়ুক্তজনে দেৱানী আৰু ফৌজদাৰী এই দুয়োবিধ মোকর্দমাৰ বিচাৰ কৰিছিল যদিও তেওঁ মৃতুদণ্ড বিহিব পৰা নাছিল। মোকদর্মাৰ সংখ্যা বৃদ্ধিৰ লগে লগে তিনিখন স্থানীয় পর্যায়ত অধীনস্থখনে সৰু-সুৰা বিচাৰবোৰ, বৰফুকনৰ অধীনস্থ দ্বিতীখন নিম্ন আদালতৰ ৰায়বোৰৰ আপীল কৰাৰ ব্যৱস্থা আছিল। আন এজন বৰফুকনৰ অধীনত থকা তৃতীয়খন আদালতে ফৌজদাৰী মোকর্দমাবোৰৰ বিচাৰ কৰিছিল। নিজৰ নিজৰ ক্ষেত্রবিহাৰবোৰৰ ভিতৰত ন্যায়িক ক্ষমতা পোৱা চৌধুৰী আৰু ৰাজহ বিষয়াবোৰৰ মোকর্দমাবোৰৰ ৰায়ৰ আপীল এইখন আদালতত কৰিব পৰা গৈছিল। এইবোৰৰ বাদেও জনবহুল এলেকাবোৰ নির্বাচিত সদস্যৰে গঠিত মকৰল পঞ্চায়তবোৰ স্থাপন কৰা হৈছিল য’ত সুৰু-সুৰা দেৱানী গোচৰবোৰ বিহাৰৰ বাবে প্রেৰণ কৰা হৈছিল আৰু এইবোৰৰ আপীল গুৱাহাটীস্থ আদালতত শুনা গৈছিল।

দেশৰ শান্তি-শৃংখলা অটুট ৰখাৰ বাবে ডেভিদ স্কটে বৃটিছ আৰক্ষী ব্যৱস্থাৰ আর্হিত আৰক্ষী বাহিনীটো গঠন কৰিছিল। এই আৰক্ষী ব্যৱস্থাপনাটো এগৰাকী দাৰোগা, এগৰাকী জামাদাৰ আৰু কিছু সংখ্যক কনিষ্ঠবলৰ দ্বাৰা গঠিত হৈছিল। বৃটিছ বিষয়াৰ তত্ত্বাৱধানত এওঁলোকক সদৰত ৰখা হৈছিল। অৱশ্যে আৰক্ষীসকলৰ নিজ নিজ এলেকাত শান্তি-শৃংখলা ৰক্ষাৰ অটুট ৰাখিব পৰা নাছিল তেতিয়াহে সেই এলেকাত আৰক্ষী মোতায়ন কৰ হৈছিল। ইয়াৰ বাবে উক্ত এলেকাৰ লোকে খৰছ বহন কৰিব লাগিছিল। কেতিয়াবা খৰছ পাতি মিতাবৰ বাবে সামূহিকভাৱে জৰিমান সংগ্রহ কৰা হৈছিল।

এনেদৰে ডেভিদ স্কটে অসমত বৃটিছ প্রশাসনৰ সূচনা কিৰবলৈ প্রযত্ন কৰিছিল। এনে এক যতন প্রশাসনিক ব্যৱস্থা অসমত আৰম্ভ কৰাৰ ক্ষেত্রত প্রশাসনিক ব্যৱস্থা গঢ়াৰ বাবে তেওঁ এই এই অসুবিধাবোৰ

অতিক্রম তৰিবলৈ সর্বোচ্চ চেষ্টা চলাইছিল। ইমানখিনি কৰা স্বত্বেও কিছুমান ক্ষেত্রত তেওঁ বহু পৰিমাণে বিফল হৈছিল। কিন্তু এগৰাকী প্রশাসক হিচাপে নিপুণতা বা যোগ্যতাৰ অভাৱত যে তেওঁ বিফল হৈছিল এনে নহয়। প্রকৃতপক্ষে বাস্তৱ কথাবোৰ অনুধাৱন কৰিব নোৱাৰাৰ বাবেহে তেওঁ বিফল হৈছিল। আহোম আৰু বৃটিছ প্রশাসনিক ব্যৱস্থাৰ মূল পার্থক্যবোৰ তেওঁ বুজিব পৰা নাছিল। পুৰণি আৰু নতুন ব্যৱস্থাক এই ঐক্যবদ্ধ কৰাৰ তেওঁৰ খৰখেদীয়া প্রচেষ্টা বিফল হৈছিল। এনে কৰিবলৈ গৈ তেওঁ আহোম বিষয়বৰীয়া বা সম্ভ্রান্ত শ্রেণীটোকো সন্তুষ্ট কৰিব পৰা নাছিল আৰু একেদৰে সাধাৰণ মানুহৰো সুখ আনিব পৰা নাছিল। তেওঁৰ এই ত্রুটিবোৰৰ পিছতো ডেভিদ স্কটেই আছিল ভাৱতৰ উত্তৰ-পূর্বঞ্চলৰ প্রথম গৰাকী বৃটিছ প্রশাসক যিয়ে নেকি জনগণৰ সন্মান আৰু শ্রদ্ধা লাভ কৰিছিল। 1831 খ্রীষ্টাব্দৰ আগষ্ট মাহত চেৰাপুঞ্জিত মাত্র ৪৫ বছৰ বয়স হৃদৰোগত আক্রান্ত হৈ তেওঁৰ মৃত্যু হয়। চেৰাপুঞ্জিত থকা স্কটৰ সমাধিশিলাত এনেদেৰে লিখা আছিল — 'স্থানীয় জনসাধাৰণে তেওঁৰ নাম শ্রদ্ধাৰে তথা কৃতজ্ঞতাৰে সোঁৱৰণ কৰিব। নিৰপেক্ষ ন্যায় প্রশাসন, দয়ালু আৰু আপোচকামী ব্যৱহাৰ আৰু অঞ্চলটোৰ মানুহৰ সুখ-সমৃদ্ধিৰ বাবে কৰা নিৰবচ্ছিন্ন আৰু কলাবিহীন প্রচেষ্টাৰ বাবে তেওঁ ইয়াৰ মানুহৰ স্নেহভাজন হৈ থাকিব।'

গতিকে আমি ক'ব পাৰো যে ডেভিদ স্কটে অসমত বৃটিছ প্রশাসনিক গাঁথনিটোৰ ভেটি প্রতিষ্ঠা কৰিছিল আৰু তেওঁৰ মৃত্যুৱে অসমত বৃটিছ প্রশাসনৰ প্রথম পর্বটোৰ পৰিসমাপ্তি সূচাইছিল।

৮.৩.২ টি চি ৰবার্টছন

১৮৩১ খ্রীষ্টাব্দত ডেভিদ স্কটৰ মৃত্যু হোৱাত তেওঁৰ ঠাইত ডব্লিউ ক্রেকৰ'ষ্টে দায়িত্ব গ্রহণ কৰে আৰু ১৮৩২ খ্রীষ্টাব্দলৈ তেওঁ এই দায়িত্বত থাকে। ১৮৩২ খ্রীষ্টাব্দৰ এপ্রিল মাহত ক্রেকৰ'ষ্টৰ ঠাইত টি চি ৰবার্টছনে গর্ভনৰ জেনেৰেল এজেন্ট তথা অসমৰ আয়ুক্ত হিচাপে স্থালাভিষিক্ত হয়। ৰবার্টছন এগৰাকী সুদক্ষ অসামৰিক বিষয়া আছিল আৰু ১৮০৬ খ্রীষ্টাব্দত বংগত তেওঁ তেওঁৰ কর্মজীৱনৰ পাতনি মেলিছিল। মানৰ সৈতে হোৱা যুদ্ধৰ সময়ত আৰাকানত তেওঁ প্রশাসনিক আৰু ৰাজনৈতিক সেৱা আগবঢ়াইছিল। ১৮৩৪ খ্রীষ্টাব্দলৈ তেওঁ অসমৰ দায়িত্বত আছিল আৰু তাৰ পিছত কলিকতাৰ সদৰ আদালতত ক্ষন্তেককালৰ বাবে ন্যায়াধীশ হিচাপে কার্যনির্বাহ কৰি গর্ভনৰ জেনেৰেলৰ কার্যবাহী পৰিষদৰ এগৰাকী সদস্য হৈছিলগৈ।

টি চি ৰবার্টছনে প্রশাসনিক ক্ষেত্রখনত এলানি সংস্কাৰ সাধন কৰিছিল যিবোৰে অসমৰ বৃটিছ প্রশাসনত সুদুৰ প্রসাৰী পৰিৱর্তন আনিছিল। ৰর্বাটছন এগৰাকী সুক্ষ্ম ঔচিত্যবোধসম্পন্ন, পৰিনামদর্শী আৰু সুস্থ বিচাৰ-ক্ষমতা সম্পন্ন ব্যক্তি আছিল। অতি সোনকালে তেওঁ অসমৰ বৃটিছ প্রশাসনৰ তদানীন্তন পৰিস্থিতি বুজিব পাৰিছিল। গর্ভনৰ জেনেৰেলৰ সীমাপবর্তী প্রদেশখনৰ গভীৰ আন্যায় কৰা হৈছে বুলি তেওঁ অনুভৱ কৰিছিল। এক প্রকাণ্ড বা বিশাল দায়িত্বভাৰৰ বাবে এই জনা বিষয়াৰ ওপৰত কামৰ সহিব নোৱাৰা ভাৰ পৰে আৰু সেয়েহে তেওঁ তেওঁৰ দায়িত্ববোৰ নিয়াৰিকৈ পালন কৰিব নোৱাৰে বুলি তেওঁ অনুভৱ কৰিছিল। তেওঁ লগতে ব্যক্তিগতভাৱে বিশ্বাস কৰিছিল যে ইউৰোপীয় বিষয়াৰ তত্ত্বধান অবিহনে অসমত কোনো প্রাপ্তিৰ বাবে তেওঁ প্রশাসনৰ সকলো বিভাগতে পুনঃ সংগঠিত কৰাটো প্রয়োজনীয় বুলি বিবেচনা কৰিছিল।

এনে এক মানসিককতাৰে ৰবার্টছনে পোনতে প্রাদেশিক প্রশাসনৰ পুনঃসংগঠিত কৰা পদক্ষেপ হাতত লৈছিল। তেওঁৰ অনুমোদনৰ ওপৰত ভিত্তিত শীর্ষতম কর্তৃপক্ষই প্রদেশখন পাঁচখন জিলাত ভাগ কৰাত মঞ্জুৰি জানাইছিল। এনেদৰে অসমত জিলা প্রশাসনৰ ভেটি প্রতিষ্ঠা হৈছিল। উচ্চতম চৰকাৰৰ আদেশমর্মে ধনশিৰি নদীৰ পশ্চিম ভাগৰ ভূ-ভাগক পাচঁখন জিলাত ভাগ কৰা হৈছিল — ১) উত্তৰ-পূব ৰংপুৰ গোৱালপাৰা; ২) কামৰূপৰ ছয়খন পৰগণা, বর্তমানৰ বৰপেটা জিলাক নগৰবেৰা সহিত

মোটামুটিভাৱে ইয়াৰ লগত ৰিজাব পাৰি ৩) বিশ খন পৰগণাৰে সৈতে নামনি অসম, প্ৰধানতঃ ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ লগতে নখন দুৱাৰ (প্ৰবেশপথ)Ê, 4) ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰে ভৰলী নদীৰ পৰা বিশ্বনাথলৈ বিশ্বনাথ। ইয়াৰ লগতে কলিয়াৰৰৰ পৰা ধনশিৰি নদীলৈ মৰাঙ নামে জনাজাত ভূ-ভাগো সামৰি লোৱা হৈছিল। প্ৰতিখন জিলাতে আয়ুক্তৰ মুখ্য সহায়ক মানৰ এক বিষয়া আছিল আৰু এওঁলোকক এহেজাৰ টকাকৈ পৰিতোষিক দিয়া হৈছিল। এই জনক কনিষ্ঠ সহকাৰী নামৰ আন এগৰাকী বিষয়াই সহায় কৰিছিল আৰু এই বিষয়াজনে মাথো ৫০০ টকা দৰমহা পাইছিল। অৱশ্যে অৰ্হতাসম্পন্ন বিষয়াৰ অবাৰত এই ব্যৱস্থাটোত কিছু অদল-বদল কৰিব লগা হৈছিল। ছয় নং পৰগণা খন এগৰাকী কনিষ্ঠ সহায়কাৰীৰ অধীনত আছিল। জিলাবিষয়াবোৰক সৈন্যবাহিনীৰ পৰা মকৰল কৰা হৈছিল। কেপ্তেইন হুৱাইটক সকলো অসামৰিক দায়িত্বৰ পৰা সকাহ দিয়া হৈছিল। অৱশ্যে উজনি অসমত তেওঁ এজন ৰাজনৈতিক এজেন্ট হিচাপে কাম কৰি যাব লগা হৈছিল আৰু বিশ্বনাথত থকা 'আসাম' লাইট নিফেন্ট্রিৰ অধিনায়কত্ব কৰিব লাগিছিল।

ন্যায়িক বিষয়াবোৰৰ ক্ষেত্ৰতো ৰবার্টছনে কিছুমান সংস্কাৰ সাধন কৰিছিল। মুখ্য সহকাৰী জনক পাচশ টকাৰ পৰা এহেজাৰ টকাৰ ভিতৰৰ দেৱানী মূল গোচৰবোৰ চলোৱাৰ ক্ষমতা প্ৰদান কৰা হৈছিল। তেওঁ নিম্ন আদালতৰ গোচৰৰ আপীলবোৰো ল'ব পাৰিছিল। এহেজাৰ টকাতকৈ অধিক মূল্যৰ গোচৰ আৰু বিশেষ আপীলবোৰ আয়ুক্তলৈ প্ৰেৰণ কৰা হৈছিল। ফৌজদাৰী গোচৰ বোৰৰ ক্ষেত্ৰত মুখ্য সহকাৰীজনে বংগৰ এগৰাকী দণ্ডাধীশৰ নিচিনাকৈ একে ক্ষমতা পাইছিল। ফৌজদাৰী মোকদৰ্মাবোৰ এগৰাকী জুৰি বা বিচাৰকৰ সহায়ত অনুসন্ধান কৰাৰ অতিৰিক্ত কৰ্তৃত্বও প্ৰদান কৰিছিল।

প্ৰতিখন জিলাতে দেৱানী মোকদৰ্মাবোৰৰ বাবে মুনছিফ্ আদালতত এশৰ পৰা পাঁচশটকা মূল্যৰ মূল গোচৰবোৰৰ বিচাৰ চলোৱাহৈছিল তথা পঞ্চায়তৰ ৰায়বোৰৰ আপীল এইখন আদালতে শুনিব পাৰিছিল। পঞ্চায়তে এশ টকাপৰ্যন্ত মূল্যৰ সুৰু-সুৰা বিবাদবোৰৰ অনুসন্ধান কৰিছিল। মফচল পঞ্চায়তবোৰৰ বিলুপ্তি ঘটোৱা হৈছিল। এই আদালতখন নোহোৱা কৰাৰ পিছৰে পৰা মফচল আদালতে ইমনদিনে বিচাৰ কৰি থকা মোকৰ্দমাবোৰ তথা ৰাজহ বিষয়াবোৰে পৰিচালনা কৰি অহা বিচাৰবোৰ গুৱাহাটীস্থ দেৱানী পঞ্চায়তৰ দ্বাৰা অনুসন্ধান কৰা হৈছিল আৰু এই উদ্দেশ্যে বিশ্বনাথ, চাৰিদুৱাৰ, নদুৱাৰ আৰু নগাঁওত মনচিফ আদালত স্থাপন কৰা হৈছিল। কিন্তু বিচাৰৰ এনে অনুসন্ধানসমূহ ইউৰোপীয় বিষয়াবোৰৰ তত্ত্বাবধান আৰু নিয়ন্ত্ৰণত কৰিব লাগিছিল। এ চি বেনাজীয়ে এই ক্ষেত্ৰত সাঠিকভাৱে কৈছে যে এই নতুন ব্যৱস্থাটোৰ অন্তর্নিহিত উদ্দেশ্য আছিল স্থানীয় প্ৰশাসনত ইউৰোপীয় তত্ত্বধান আৰু নিয়ন্ত্ৰণ আৰোপ কৰা।

ৰাজহ বিষয়াবোৰত ৰবার্টছনে অনা ক্ষিপ্ৰ পৰিৱর্তনবোৰে সুদুৰ প্ৰসাৰী প্ৰভাৱ পেলাইছিল। ১৮৩২ খ্ৰীষ্টাব্দত ৰবার্টছনে দৰং, নগাঁও আৰু কামৰূপৰ কিছু অঞ্চলৰ পৰা 'বৰঙনি' কে ধৰি অতিৰিক্তভাৱে আৰোপ কৰা কৰ বোৰ উঠাই দিছিল। খেতিয়কসকলৰ নিষ্ঠুৰ শোষণৰ পৰা সকাহ দিবলৈহে যে এই প্ৰদক্ষেপ লোৱা হৈছিল এনে নহয়। নিয়মিতভাৱে ৰাজহ সংগ্ৰহৰ নিশ্চয়তা প্ৰাপ্তিৰ বাবেও এনে কৰা হৈছিল। ভূমি কৰৰ উপৰিও কামৰূপ, দৰং আৰু নগাঁওত খেতিয়কসকলে এক টকাৰ পৰা তিনি টকালৈ ঘৰে প্ৰতি জনমুৰি কৰ (capitation tax) দিব লাগিছিল।

শোষণৰ পৰা খেতিয়কসকলক সুৰক্ষা দিবলৈ ৰবার্টছনে কঠোৰ প্ৰশাসনিক ব্যৱস্থা হাতত লৈছিল। প্ৰতিগৰাকী ৰাজহ বিষয়াই খেতিয়কৰ নামসহ, মাটিৰ পৰিমাণ আৰু গুণাগুণ তথা তাত থকা ঘৰ আৰু চৌকাৰ (আখল) প্ৰবিৱৰন (returns) দাখিল কৰিব লাগিছিল।

এই নথিবোৰ পৰীক্ষা কৰাৰ পাছত ৰায়তসকলৰ সৈতে প্ৰত্যক্ষভাৱে ভূমি বন্দৰস্তু কৰা হৈছিল। ইয়াৰ পিছতে সমাহর্তাৰ স্বাক্ষৰ আৰু মোহৰ পৰা স্বত্ব (Title), দালিল (deed) আৰু পটাবোৰ ৰায়তসকলক প্ৰদান কৰা হৈছিল য'ত তেওঁলোকে দিব লগা ৰাজহ নির্দ্ধাৰণ কৰি দিয়া হৈছিল। সকলোবোৰ তথ্যৰে প্ৰতিলিপি সমাহর্তাৰ কার্যালয়ত ৰখা হৈছিল। এনেদৰে ভূমি বন্দৰস্তুবোৰ ৰায়তসকলৰ লগত প্ৰত্যক্ষ ভাৱে কৰা হৈছিল আৰু ৰাজহ বিষয়া চৌধুৰীবোৰ মাথো খাজানা সংগ্ৰহকাৰীলৈ পৰিণত হৈছিল। কমিছনৰ

হিচাপত তেওঁলোকে মাননি পাইছিল আৰু এনে কমিছন সংগৃহিত মুঠ খাজানাৰ সাতৰ পৰা পোন্ধৰ শতাংশৰ ভিতৰত আছিল। চৌধুৰীসকলক পুলিচী ক্ষমতাৰ পৰা বঞ্চিত কৰা হৈছিল আৰু তাৰ ঠাইত বেতনভোগী বিষয়া নিয়োগ কৰা হৈছিল। চৌধুৰীসকলক অৱশ্যে সৰু-সুৰা ভূমি গোচৰবোৰ নিস্পত্তি কৰাৰ ক্ষমতা দিয়া হৈছিল। তেওঁলোকৰ পদবীটো এতিয়াৱে পৰা তহচিলদাৰৰ লেখিয়া হৈ পৰিছিল। গোচৰবোৰ নিস্পত্তি কৰাৰ ক্ষেত্রতো কালেক্টৰ বা সমাহর্তাৰ নির্দেশ অবিহনে তেওঁলোকে কোনো জৰিমনা বা আন শাস্তি বিহিব পৰা নাছিল। দায়িত্ব নির্বাহৰ ক্ষেত্রত তহছিলদাৰ সকলক পাটোৱাৰী, ঠাকুৰীয়া আৰু গাওঁ কাকতিয়ে সহায় কৰিছিল।

এনেদৰে ১৮৩৩ খ্রীষ্টাব্দৰ ভিতৰত উজনি আৰু নামনি অসমত বৃটিছ প্রশাসনৰ ভেটি নিকপকপীয়া হৈছিল। ১৮৩৩ খ্রীষ্টাব্দৰ ২৪ এপ্রিলত পুৰন্দৰ সিংহৰ অধীনত আহোম ৰাজতন্ত্রৰ পুনঃ প্রতিষ্ঠা কৰাত উজনি অসমৰ পৰিস্থিতিও সলনি হৈছিল। কোম্পানীক বছৰেকত ৫০,০০০ টকা কৰ প্রদান কৰা চর্তত পুৰন্দৰ সিংহই আহোম ৰাজতন্ত্রৰ ৰাজপাটত বহিছিল। এনেদৰে উজনি অসমত পুৰন্দৰ সিংহ আহোম বৃটিছৰ কর্তৃত্বাধীন শাসকলৈ পৰিণত হৈছিল। অৱশ্যে পুৰন্দৰ সিংহ সৰহদিন ৰজা হৈ নাথাকিল। ১৮৩৮ খ্রীষ্টাব্দত উজনি অসমখন আনুষ্ঠানিকভাৱে বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ লগত সংযুক্ত হ'ল। আৰু ইয়ে অসমত বৃটিছৰ সংযোজন প্রক্রিয়া সম্পূর্ণ কৰিলে।

Wঅগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্ন সমূহৰ উত্তৰ লিখক ঃ

প্রশ্ন নং ১ ঃ কোনখন চুক্তিয়ে অসমত 600 বছৰীয়া আহোম শাসনৰ অন্ত পেলায় ?

.....

প্রশ্ন নং ২ ঃ নামনি অসমৰ মুখ্য কার্য্যালয় ক'ত আছিল ?

.....

প্রশ্ন নং ৩ ঃ নামনি অসমৰ ৰাজহ ব্যৱস্থাটোৰ নাম উল্লেখ কৰক ।

.....

প্রশ্ন নং ৪ ঃ কাক গুৱাহাটী স্কটৰ সহকাৰী হিচাপে নিযুক্তি কৰা হৈছিল ?

.....

প্রশ্ন নং ৫ ঃ নামনি অসমক কেইটা পৰগনাত ভাগ কৰা হৈছিল ?

.....

প্রশ্ন নং ৬ ঃ ক্রেকৰ'ফটক গভর্নৰ জেনেৰেলৰ এজেণ্ট হিচাপে কোনে স্থালাভিষিক্ত কৰিছিল ?

.....

2৮.৪ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়নৰ কৰি আপুনি —

- বৃটিছে অসমত সূচনা কৰা প্রশাসনিক গাঁথনি তথা এই বিষয়ত ডেভিদ স্কট আৰু ৰবার্টছনে অনা প্রশাসনিক সংস্কাৰৰ বিষয়ে জানিব পাৰিলে।
- বৃটিছ প্রশাসনিক ব্যৱস্থা আৰম্ভ হোৱাৰ ফলত হোৱা অসমৰ অর্থনৈতিক পৰিৱর্তনৰ বিষয়ে জানিব পাৰিলে।

৮.৫ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থঃ

1) Barpujari, H.K (1999): *Political History of Assam, Volume-I*, (edited), 2nd edition, Publication Board Assam.
2) Barpujari, H.K (2004): *A Comprehensive History of Assam Volume-II & IV*, (edited), 2nd edition, Publication Board Assam.
3) Bora, D.(1983): *Moamariya Gana Abhyuthan*, Banlata.
4) Baruah, S.L(2012): *A Comprehensive History of Assam,* 3rd edition, Munishram Manoharlal.
5) Saikia Rajen (2000) *Social and Economic History of Assam 1853-1921*, Delhi.

৮.৬ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ইয়ান্দাবু
২ নং প্ৰশ্নৰ উত্তৰ ঃ গুৱাহাটী
৩ নং প্ৰশ্নৰ উত্তৰ ঃ পৰগনা ব্যৱস্থা
৪ নং প্ৰশ্নৰ উত্তৰ ঃ বদন চন্দ্ৰ বৰফুকন
৫ নং প্ৰশ্নৰ উত্তৰ ঃ ২৬
৬ নং প্ৰশ্নৰ উত্তৰ ঃ টি. চি. ৰৰ্বাটচন।

৮.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ 50 শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ ডেভিড স্কট কোন আছিল?
প্ৰশ্ন ২ঃ ৰৰ্বাটচন কোন আছিল?
প্ৰশ্ন ৩ঃ চৌধুৰী পদবীটোৰ সংজ্ঞা দিয়ক?

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ 150 শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ পৰগনা ব্যৱস্থাৰ ওপৰত চমুটোকা লিখক।
প্ৰশ্ন ২ঃ ৰৰ্বাটচনৰ প্ৰশাসনিক সংস্কাৰ বিষয়ে চমুকৈ আলোচনা কৰক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ 300–500 শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ ডেভিদ স্কট আৰু টি. চি. ৰৰ্বাটচনে আৰম্ভণি কৰা বৃটিছ প্ৰশাসন ব্যৱস্থাৰ বিষয়ে আলোচনা কৰক ।

অধ্যায় ৯ ঃ বৃটিছ শাসনৰ প্ৰতি প্ৰতিক্ৰিয়া

অধ্যায় গাঁথনি

9.1 উদ্দেশ্য
9.2 পৰিচয়
9.3 বৃটিছ বিৰোধী অভ্যুত্থান
9.4 অসমত কৃষক বিদ্রোহ
  9.4.1 ফুলগুৰিৰ বিদ্রোহ, 1861
  9.4.2 জয়ন্তীয়াসকলৰ বিদ্রোহ, 1860–1863
  9.4.3 অসম বিদ্রোহ, 1894
9.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
9.6 অধিক জানিবলৈ
9.7 অগ্রগতিৰ খতিয়ান
9.8 আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমত প্ৰাৰম্ভিক অৱস্থাত হোৱা বৃটিছ বিৰোধী অভ্যুত্থানৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব
- অসমত সংঘটিত বিভিন্ন কৃষক বিদ্রোহৰ বিষয়ে বিশ্লেষণ কৰিব পাৰিব।

৯.২ পৰিচয়

আগৰ অধ্যায়টিত আমি বৃটিছসকল অসমলৈ অহাৰ বিষয়ে আলোচনা কৰিলো। এতিয়া এই অধ্যায়টোত বৃটিছ শাসনৰ প্ৰতি প্ৰতিক্ৰিয়া কেনে আছিল সেই বিষয়ে আলোচনা কৰিম। বৃটিছ শাসনৰ প্ৰতি প্ৰথম প্ৰতিক্ৰিয়া সম্ভ্ৰান্ত শ্ৰেণীটোৱে আৰম্ভ কৰিছিল।

এই অধ্যায়টোত আমি সম্ভ্ৰান্ত শ্ৰেণীটোৱে কেনেদৰে বৃটিছ শাসনৰ প্ৰতিক্ৰিয়া কৰিছিল আৰু লগতে অসমত সংঘটিত হোৱা কৃষক বিদ্রোহসমূহৰ বিষয়েও আলোচনা কৰিম।

৯.৩ বৃটিছ বিৰোধী অভ্যুত্থান

ইয়াৰ আগৰ শাখাত মান- ইংৰাজ যুদ্ধৰ পিছত বৃটিছে ধীৰে ধীৰে কেনেদৰে অসমত নিজৰ শাসন প্ৰতিষ্ঠা কৰিলে সেই বিষয়ে আলোচনা কৰিলো। যদিও বৃটিছে অসমত ত্ৰাণকৰ্তা ৰূপত ভুমুকি মাৰিছিল তথাপি তেওঁলোকৰ সাম্ৰাজ্যবাদী অভিলাষ অতি সোনকালে প্ৰকট হৈছিল। সেয়েহে কম সময়ৰ ভিতৰতে বৃটিছ শাসন বিৰুদ্ধ অসন্তুষ্টিয়ে চূড়ান্ত সীমা পাইছিলহি। অসমৰ জনসাধাৰণে প্ৰথমৰে পৰা বৃটিছৰ প্ৰতি বিৰূপ মনোভাৱ লৈছিল। বিশেষকৈ উচ্চ শ্ৰেণীটোৱে বৃটিছৰ উদ্দেশ্য সম্পৰ্কে সন্দিহান আছিল আৰু তেওঁলোকৰ নীতি তথা কাম-কাজত অসন্তুষ্ট আছিল। সম্ভ্ৰান্ত শ্ৰেণীটোৱে সামান্য পৰিমাণৰ পেঞ্চন আৰু নিম্নবৰ্গৰ পদবীৰ বিনিময়ত তেওঁলোকৰ ভূ-সম্পত্তি আৰু পাইকবোৰ বৃটিছে কাঢ়ি লোৱা বুলি অনুভৱ কৰিছিল। বৃটিছ শাসনে প্ৰকৃতপক্ষে পুৰণি শাসন প্ৰণালীটো ভাঙি

পেলাইছিল। শাসক শ্ৰেণীৰ এক সদস্য ৰূপে ভোগ কৰি অহা ক্ষমতা আৰু বিশেষাধিকাৰ হেৰুৱাব লগা হোৱা কাৰ্যই তেওঁলোকক বৃটিছৰ উদ্দেশ্য সম্পৰ্কে নকৈ চিন্তা কৰিবলৈ শিকাইছিল। তেওঁলোকে বৃটিছৰ অধীনত তেনেই নিষ্প্ৰাণ ভৱিষ্যৎ দেখা পাইছিল। সেয়েহে দেশৰ পৰা বৃটিছক বহিস্কাৰ তথা পুৱণি শাসনতন্ত্ৰৰ প্ৰতিষ্ঠা কৰিবলৈ তেওঁলোক সন্মিলিত হৈছিল। তেওঁলোকৰ এই সিদ্ধান্তও ফলশ্ৰুতি হিচাপে কম দিনৰ ভিতৰত বিদেশী শাসন ওফৰোৱাৰ এলানি অসফল প্ৰচেষ্টা চলিছিল।

- **গোমধৰ কোঁৰৰৰ বিদ্ৰোহ** ঃ আহোম ৰাজতন্ত্ৰৰ লগত তেজৰ সম্পৰ্ক থকা ফেনা কোঁৰৰৰ পুত্ৰ গোমধৰ কোঁৰৰ আৰু ধনঞ্জয় পিয়লি বৰগোঁহাইৰ নেতৃত্বত 1828 চনত বৃটিছৰ বিৰুদ্ধে প্ৰথম বিদ্ৰোহৰ প্ৰচেষ্টা চলোৱা হৈছিল। আহোম ৰাজসভাৰ কিছুমান প্ৰাক্তন বিষয়ববীয়াইও তেওঁলোকৰ সৈতে হাত মিলাইছিল। তেওঁলোকে গোমধৰ কোঁৰৰক দেশখনৰ ৰজা বুলি ঘোষণা কৰিছিল। তেওঁলোকে মানুহ-দুনুহ আৰু অস্ত্ৰ-শস্ত্ৰ গোটাই যোৰহাটৰ দক্ষিণ-পূব প্ৰান্তত অৱস্থিত বাছাত গোমধৰ কোঁৰৰক ৰাজপাটত অধিষ্ঠিত কৰাইছিল। তেওঁলোকে মানুহৰ পৰা কৰ সংগ্ৰহ কৰিছিল আৰু বৃটিছ প্ৰশাসনৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ তেওঁলোকক উচতনি দিছিল। ৰাজ অভিষেক পতাৰ বিদ্ৰোহীসকলে সশস্ত্ৰ বাহিনীৰ সৈতে মৰিয়ণীলৈ আগবাঢ়িছিল। যোৰহাটৰ পৰা12 মাইল দূৰত অৱস্থিত মৰিয়ণীত লেফটেনেণ্ট ৰাডাৰফ'ৰ্ডৰ অধীনত এটি সেনাদলে আগছি ধৰিলে। ৰাজনৈতিক প্ৰতিনিধি কেপ্টেইন নিউ ভিলৰ ৰংপুৰত পদাৰ্পণ আৰু তেওঁৰ ক্ষিপ্ৰ কাৰ্যব্যৱস্থাই গোমধৰৰ অনুগামীসকলক দোমোজাত পেলাইছিল। এক দুৰ্বল প্ৰতিৰোধ প্ৰদৰ্শন কৰি গোমধৰ নগা পাহাৰলৈ পলাই গৈছিল আৰু তেওঁৰ বেছিভাগ সহযোগীক গ্ৰেপ্তাৰ কৰা হৈছিল। পাছলৈ গোমধৰ কোঁৱৰে আত্মসমৰ্পন কৰিছিল আৰু তেওঁক সাত বছৰৰ বাবে কাৰাবাস বিহি ৰংগৰ ৰংপুৰ জেললৈ প্ৰেৰণ কৰা হৈছিল তেওঁৰ সহযোগী ধনঞ্জয়ক ফাঁচী বিহা হৈছিল। কিন্তু তেওঁ কিবাকৈ পলাই গৈ নগাপাহাৰ পায়গৈ।
- **দ্বিতীয় বিদ্ৰোহ ঃ** 1829 চনত ধনঞ্জয় আৰু তেওঁৰ পুত্ৰ হৰনাথে দ্বিতীয় বিদ্ৰোহ সূচনা কৰে। ধনঞ্জয় আৰু গোমধৰৰ কিছুমান অনুগামীয়ে মটক ৰাজ্যলৈ পলাবলৈ সক্ষম হৈছিল আৰু তেওঁলোকে এক বৃহৎ পৰিমাণৰ বিৰোধী অভুত্থানৰ বিস্তৃত আৰ্হি যুগুত কৰিছিল। ধনঞ্জয়ক তেওঁৰ দুই পুত্ৰ হৰকান্ত আৰু হৰনাথ আৰু জোঁৱায়েক জিউৰাম দিহিঙিয়া বৰুৱাই সহায় কৰিছিল। অতি কম দিনৰ ভিতৰত গুৱাহাটীস্থ পূৰ্বৰ ৰাজ প্ৰতিনিধি বদন চন্দ্ৰ বৰফুকনৰ পুত্ৰ পিয়লি বৰফুকন, ৰূপচান্দ কোঁৱৰ আৰু বোম চিংফো তেওঁলোকৰ লগ লাগিল। মোৱামৰিয়া, খামটি, চিংফো, খাচি, গাৰো আৰু নাগাৰ মুখিয়ালসকলৰ পৰাও সহায় বিচৰা হৈছিল। তেওঁলোকলৈ গোপন পত্ৰ প্ৰেৰণ কৰা হৈছিল আৰু বৃটিছ খেদাৰ বাবে তেওঁলোকক সৈন্য বাহিনী পঠাবলৈ অনুৰোধ জনোৱা হৈছিল। ৰূপচান্দ কোঁৰৰক ৰাজসিংহাসনৰ প্ৰাৰ্থী হিচাপে ঠিক কৰা হৈছিল। দেও পূজা পতাৰ পিছত বিদ্ৰোহীসকলে ৰংপুৰলৈ আগবাঢ়িছিল আৰু তাত থকা বৃটিছ অস্ত্ৰাগাৰটো জ্বলাই দিব বিচাৰিছিল। কিন্তু তেওঁলোকৰ এই আক্ৰমণ প্ৰতিহত কৰা হৈছিল। তাতে থকা বৃটিছ সেনাবাহিনীয়ে বিদ্ৰোহীসকলক খেদী পঠিয়াইছিল। দধনঞ্জয় (তেওঁ নিজ পুত্ৰ হৰকান্তৰ সৈতে পাহাৰলৈ পলাই গৈছিল) বাবে বেছিভাগ নেতাক আতক কৰা হৈছিল। পিয়লি, জিউৰাম, হৰনাথ, ৰূপচান্দ আৰু বোম চিংফোৰ বিচাৰ যোৰহাটৰ পঞ্চায়তত চলিছিল। তেওঁলোক আটাইকেইজনকে দেশদ্ৰোহ আৰু বিদ্ৰোহৰ অপৰাধী বুলি ঘোষণা কৰা হৈছিল আৰু মৃত্যুদণ্ড বিহা হৈছিল। সৰ্বশেষ সিদ্ধান্ত গ্ৰহণ কৰিছিল স্কটে। পিয়লি আৰু জিউৰামক ফাঁচী বিহা হৈছিল। আন বিদ্ৰোহীবোৰক 14 বছৰৰ বাবে কাৰাবাস দিয়া হৈছিল। তেওঁলোকক বংগলৈ নিৰ্বাসিত কৰা হৈছিল তথা তেওঁলোকৰ সম্পত্তি বাজেয়াপ্ত কৰা হৈছিল।
- **তৃতীয় বিদ্ৰোহ** ঃ 1830 চনত গদাধৰ সিংহৰ নেতৃত্বত বৃটিছৰ বিৰুদ্ধে তৃতীয় বিদ্ৰোহৰ প্ৰচেষ্টা চলোৱা হৈছিল। গদাধৰ সিংহক ইয়াং গোমেনদেউ বুলিও জনা গৈছিল। তেওঁক পূৰ্বৰ ৰজা যোগেশ্বৰ সিংহৰ এগৰাকী সম্পৰ্কীয় বুলি জনা হৈছিল। শদিয়াত বাহৰ পাতি থকা চিপাহীসকলৰ পৰা কূটনৈতিকভাৱে তেওঁ সমৰ্থন আদায় কৰিব বিচাৰিছিল, যদিও চিপাহীবোৰে তেওঁক কৰায়ত্ব কৰি গুৱাহাটীলৈ পঠাই

দিলে। বৃটিছৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ তেওঁ ব্ৰহ্মদেশৰ ৰজাৰ সমৰ্থন পাইছিল বুলি সন্দেহ কৰা হৈছিল। বৃটিছ চৰকাৰে সচেষ্ট হৈ তেওঁক গ্ৰেপ্তাৰ কৰিছিল। এনেদৰে দুখজনকভাৱে তেওঁৰ প্ৰচেষ্টা বিফল হৈছিল। গ্ৰেপ্তাৰৰ পিছত তেওঁৰ কি হৈছিল সেই বিষয়ে একো জনা নাযায়।

- **খাচিসকলৰ বিদ্ৰোহ** (1829) ঃ বৃটিছৰ বিৰুদ্ধে হোৱা অসন্তোষ কেৱল উজনি অসমতে সীমাবদ্ধ হৈ থকা নাছিল। অসমৰ পাহাৰবোৰতো জনগণে বৃটিছ হস্তক্ষেপক প্ৰতিৰোধ কৰিছিল। ড^{0} এছ. এল. বৰুৱাই লিখিছে যে খাছিসকলে বৃটিছৰ বিৰুদ্ধে দৃঢ়মনা আৰু সংগঠিত প্ৰতিৰোধ গঢ়ি তুলিছিল (1828–30)। মান যুদ্ধত জড়িত থকাৰ অপৰাধত কেবা গৰাকী খাছি মুখিয়ালে দুৱাৰ (গিৰিপথ) অঞ্চলৰ দখল হেৰুৱাইছিল। এই দখলবোৰ তেওঁলোকে আহোম শাসনযন্ত্ৰৰ অধীনত পাইছিল। ইয়ে তেওঁলোকৰ মাজত এক আৰ্থিক সংকটৰ সৃষ্টি কৰিছিল আৰু ইয়াৰ বিৰুদ্ধে তেওঁলোকে প্ৰতিবাদ গঢ়ি সংকল্প লৈছিল। খৈৰামৰ শাসক ৰবমাণিকে এই ক্ষেত্ৰত আগভাগ লৈছিল। 1828 চনৰ আগষ্ট মাহত তেওঁ গুৱাহাটীৰ নিকটবৰ্তী ডিমৰীয়ালৈ নামি আহে আৰু ৰাজহ বিষয়াবোৰে সংগ্ৰহ কৰা ৰাজহ জব্দ কৰে। তেওঁ লগতে অতি কম দিনৰ ভিতৰত দুৱাৰবোৰ পুনঃ দখল কৰাৰ মুকলি ঘোষণা কৰে।

কিন্তু বিদ্ৰোহৰ প্ৰকৃত যুজঁ এগৰাকী সাহসী খাছি মুখিয়াল তথা ছিয়েম বা নংখালোৰ ৰজা ইউ তিৰুত সিঙে আৰম্ভ কৰে। 1826 চনত ডেভিদ স্কটে এক সন্ধি যোগে তেওঁক বৃটিছৰ অধীনত আনিবলৈ সক্ষম হৈছিল। খাছি পাহাৰৰ মাজেৰে অসম আৰু ছিলেটক সংলগ্ন কৰিব খোজা এক নিৰ্মাণতো তে ওঁ সম্মতি প্ৰদান কৰিছিল। পথটি মুকলি কৰাৰ পাছত যেতিয়া নংখালোত এটি বাংলা আৰু আৰক্ষী চকী গঢ়ি উঠিল তেতিয়া ৰাজ্যখন বৃটিছে দখল কৰিবলৈ কৰা অভিসন্ধিটোৰ ই এক প্ৰাথমিক প্ৰয়াস হ'ব পাৰে বুলি তেওঁলোকে ভাবিলে। 1829 চনৰ 4 এপ্ৰিলত 500 জনীয়া এটি খাছি বাহিনীয়ে আকস্মিকভাৱে আক্ৰমণ চলাই নংখালোত দুগৰাকী বৃটিছ বিষয়া ক্ৰমে লেফটেনেন্ট বাৰ্লটন আৰু বেডিংছ্ ফিল্ড সহ 60 জনে ভাৰতীয় চিপাহীক হত্যা কৰে। তেওঁলোকে বাংলাটো জ্বালাই দিয়ে আৰু নিৰ্মাণত জড়িত কয়দীসকলক মোকোলাই দিয়ে। তিৰুত সিঙে বৃটিছৰ তেওঁৰ ৰাজ্যত প্ৰবেশ কৰাৰ অনুমতি দি যে এটা ভুল কৰিছে তাক অনুধাৱন কৰি নিজে এই আক্ৰমণৰ নেতৃত্ব দিছিল। আন ছিয়েমসকলে তিৰুত সিঙৰ লগত ঐক্যবদ্ধ হৈছিল আৰু এই বিদ্ৰোহত আন বহুতো পাহাৰীয়া মানুহে যোগ দিছিল। এই বিদ্ৰোহ দমন কৰিবৰ বাবে বৃটিছে সকলো ফালৰ পৰা সৈন্য বাহিনী প্ৰেৰণ কৰিছিল। 1830 চনৰ শেষলৈ বহুতো খাছি মুখিয়ালে আত্মসমৰ্পণ কৰিছিল যদিও তিৰুত সিঙে 1832 চনৰ জুন মাহলৈ যুদ্ধ চলাই গৈছিল। খাছি বীৰ তিৰুত সিঙে অৱশেষত 1833 চনৰ 13 জানুৱাৰীত আত্মসমৰ্পণ কৰে আৰু ঢাকাত থকা বৃটিছ কাৰাগাৰৰ এগৰাকী কয়দী হয়গৈ। কাৰাগাৰত তেওঁৰ বাবে এটি সুকীয়া গৃহ মঞ্জুৰ কৰা হৈছিল তথা মাহেকত 63 টকাকৈ তেওঁক পেঞ্চন প্ৰদান কৰা হৈছিল। পৰিপূৰক সন্ধিৰ অধীনত ছিয়েমসকলক আনি লৈ বৃটিছ খাছিসকলক শান্ত কৰাইছিল।

5 জানি থোৱা ভাল

পৰিপূৰক সন্ধি ঃ পৰিপূৰক সন্ধিৰ নীতি লৰ্ড ৰিছার্ড ৱেলেছলিয়ে প্ৰৱৰ্তন কৰিছিল। তেওঁ 1798 ৰ পৰা 1805 চনলৈ ভাৰতৰ বৃটিছ গৱৰ্নৰ জেনেৰেল আছিল। এই নীতিৰ অধীনত ভাৰতীয় শাসকসকল বৃটিছৰ সুৰক্ষাধীন হৈছিল। তেওঁলোকে ঘৰুৱা সৈন্যক অব্যাহতি দি নিজৰ শাসিত অঞ্চলত বৃটিছ সেনাক ৰক্ষণাবেক্ষণ দিছিল। তেওঁলোকে নিজৰ বৈদেশিক নীতিৰ নিয়ন্ত্ৰণ বৃটিছৰ ওচৰত সমৰ্পণ কৰিছিল। ইয়াৰ বাবত বৃটিছে তেওঁলোকক শত্ৰুৰ আক্ৰমণৰ পৰা সুৰক্ষা প্ৰদান কৰিছিল।

আদিভাগতে হোৱা বৃটিছ বিৰোধী অভ্যুত্থানৰ ফলাফল আৰু তাৎপৰ্য

ওপৰত উল্লিখিত অভ্যুত্থানবোৰে ইয়াৰ তাৎক্ষণিক উদ্দেশ্য সিদ্ধিত বিফল হৈছিল। তেওঁলোকৰ বিদ্ৰোহবোৰৰ প্ৰতি গণ সমৰ্থন নথকা হেতুকে বিদ্ৰোহীসকল বিফল হৈছিল। অসমৰ পূৰ্বৰ শাসন তন্ত্ৰৰ

বিষয়ববীয়াসকলৰ হাতত ভোগা অত্যাচাৰ আৰু অন্যায়ৰ তিক্ততাপূৰ্ণ স্মৃতি সাধাৰণ মানুহে পাহৰিব পৰা নাছিল। তেওঁলোকে লগতে ইয়াক পাহৰি যোৱা নাছিল যে মানৰ আক্ৰমণৰ সময়ত এই বিষয়ববীয়া সম্ভ্ৰান্ত শ্ৰেণীটোৱে সাধাৰণ মানুহখিনিক সহায় কৰিবলৈ অলপো আগবাঢ়ি অহা নাছিল। সেয়েহে তেওঁলোকে স্থানীয় মুখিয়াল আৰু সম্ভ্ৰান্তসকলৰ স্বৈৰচাৰী শাসনতকৈ বিদেশী শাসনকে বেছিকৈ পছন্দ কৰিছিল।

দ্বিতীয়তে বিদ্ৰোহবোৰ যথাযতভাৱে সংগঠিত কৰা হোৱা নাছিল। সংগঠিত আৰু উচ্চ মানৰ বৃটিছ বাহিনীৰ বিৰুদ্ধে যুঁজ দিবলৈ তেওঁ লোকৰ পৰ্যাপ্ত সামৰিক শক্তি নাছিল।

তৃতীয়তে বেছিভাগ বিদ্ৰোহেই হুৱমুৰকৈ গঢ়ি তোলা হৈছিল আৰু বিদ্ৰোহৰ নেতৃবৃন্দৰ ৰাজনৈতিক বিচাৰ-বুদ্ধি আৰু দূৰদৃষ্টিৰ অভাৱ আছিল। জনসাধাৰণে যে পুনৰ আগৰ অৰাজক শাসন ঘূৰি অহাটো কামনা নকৰে তাক নেতাসকলে অনুভৱ কৰিব পৰা নাছিল। এই সকলোবোৰ কাৰণৰ ফলত আদিভাগতে অসমত হোৱা বৃটিছ বিৰোধী অভ্যুত্থান সফল হ'ব পৰা নাছিল। অৱশ্যে কে. এন. দত্তই সঠিকভাৱে উল্লেখ কৰিছে যে যদিও এই বিদ্ৰোহীসকল পৰাজিত আৰু ধ্বংস হৈছিল তথাপি বিদেশী শাসনৰ বিৰুদ্ধে অসমভাৱে যুদ্ধ কৰা বিদ্ৰোহী নেতাসকলে দেশপ্ৰেম আৰু ত্যাগৰ এক জলন্ত উদাহৰণ দি থৈ গ'ল যিয়ে বিদেশী শাসনৰ বিৰুদ্ধে স্বাধীনতা যুঁজ কৰাৰ বাবে পাছৰ প্ৰজন্মক উৎসাহিত কৰিছিল।

তাৰোপৰি, যদিও বৃটিছ বিৰোধী অভ্যুত্থানে ইয়াৰ তাৎক্ষণিক উদ্দেশ্য লাভত বিফল হৈছিল, তথাপিও উজনি অসমৰ শাসন প্ৰণালীত ই এক গুৰুত্বপূৰ্ণ পৰিৱৰ্তন সাধন কৰিছিল। এই বিদ্ৰোহে সীমাবদ্ধ ক্ষেত্ৰাধিকাৰৰ ভিতৰত উজনি অসমৰ শাসনতন্ত্ৰত আহোম ৰাজতন্ত্ৰ পুনঃ প্ৰতিষ্ঠা কৰিছিল। উজনি অসমৰ জনসাধাৰণৰ ভাবাবেগক সান্ত্বনা প্ৰদান কৰিবলৈ আহোম ৰাজ পৰিয়ালৰ এগৰাকী সদস্য পুৰন্দৰ সিংহক ৰাজসিংহাসনত বহুওৱা হৈছিল। 1833 চনৰ মাৰ্চত হোৱা এক চুক্তিমৰ্মে পুৰন্দৰ সিংহই বৃটিছক 50,000 টকা কৰ হিচাপে দিবলৈ মান্তি হৈছিল। তেওঁ বৃটিছ ৰাজনৈতিক প্ৰতিনিধিৰ আদেশ মানি চলিবলৈ সন্মতি প্ৰদান কৰিছিল।

Wঅগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক—

ক) কাৰ নেতৃত্বত 1828 চনত প্ৰথম বৃটিছ বিৰোধী অভ্যুত্থানত সংঘটিত হৈছিল?

.....

খ) পিয়লি বৰফুকনৰ পিতৃ কোন আছিল?

.....

গ) ইয়াং গোমেনদেউ বুলি কাক জনা গৈছিল?

.....

ঘ) কোনে 1832 চনৰ জুন মাহলৈ বৃটিছৰ বিৰুদ্ধে যুদ্ধ চলাই গৈছিল?

.....

ঙ) আহোম ৰাজতন্ত্ৰ পুনঃ প্ৰতিষ্ঠা ক'ত হৈছিল?

.....

৯.৪ অসমত কৃষক বিদ্ৰোহ

1857 চনৰ বিদ্ৰোহৰ অন্তত বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসনৰ অৱসান ঘটিল আৰু ভাৰতবৰ্ষক বৃটিছ ৰজাৰ প্ৰত্যক্ষ শাসনলৈ অনা হ'ল। কিন্তু অভ্যন্তৰীণ প্ৰশাসনত তেনেই সামান্য পৰিৱৰ্তন ঘটিল আৰু বৃটিছ শাসকসকলে জনসাধাৰণক দৰিদ্ৰ কৰি দেশখনৰ সম্পদ লুণ্ঠন কৰাৰ আঁচনি অব্যাহত ৰাখিলে। বৰ্দ্ধিত মূল্যত ভূমি ৰাজহ নিৰ্দ্ধাৰণৰ প্ৰতিটো নতুন নিৰিখ তথা আয়কৰ, মুদ্ৰাংক শুল্ক বা টিকট শুল্ক, অনুজ্ঞাপত্ৰ শুল্ক আদি নতুন

ধৰণৰ কৰ আৰোপে জনসাধাৰণৰ অসন্তোষ বৃদ্ধি কৰিছিল। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসমত কানিৰ ব্যৱসায় কৰাৰ বিৰুদ্ধে মণিৰাম দেৱানে প্ৰতিবাদ কৰিছিল। কিন্তু তেওঁৰ এই প্ৰতিবাদক কাণসাৰ কৰা হোৱা নাছিল আৰু কানি আৰু নিমখৰ ব্যৱসায়ৰ দ্বাৰা চৰকাৰৰ বাবে বৃহৎ পৰিমাণৰ ৰাজহ সংগ্ৰহ কৰি থকা হৈছিল। 1837 চনত অসমৰ স্কুল-কাছাৰীৰ পৰা অসমীয়াক অপসাৰণ কৰি বাংলা ভাষা আৰম্ভ কৰাক লৈ সূত্ৰপাত ঘটা ভাষা বিবাদে 1860 ৰ দশকত গভীৰ ৰূপ ধাৰণ কৰিছিল আৰু সাধাৰণ মন আন্দোলিত কৰি তুলিছিল।

৯.৪.১ ফুলগুৰিৰ বিদ্রোহ, ১৮৬১

নগাওঁ জিলাৰ ফুলগুৰি অঞ্চলৰ খেতিয়কসকলৰ বেছিভাগেই জনজাতীয় (তিৰা আৰু কছাৰী) লোক আছিল। 1861 চনত এই সকল লোকে আফিং খেতি নিষিদ্ধ কৰাৰ বিৰুদ্ধে ৰাইজ মেল পাতি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছিল। সেই বছৰটিতে তামোল আৰু পানৰ ওপৰত কৰ আৰোপ কৰিব বুলি ওলোৱা গুজবে তেওঁলোকক ক্ষোভিত কৰি তুলিছিল। কিন্তু বৃটিছ কতৃপক্ষই তেওঁলোকৰ এই ভাবাবেগক সামান্যতমো গুৰুত্ব নিদিলে আৰু 1861 চনত খেতিয়কসকলে কৰা বিৰূধাচৰণক তীব্ৰভাৱে দমন কৰাৰ পন্থা হাতত ল'লে।

লেফটেনেন্ট ছিংগাৰ নামৰ কনিষ্ঠ সহকাৰী আয়ুক্ত এগৰাকীয়ে প্ৰাণ হেৰুৱালে আৰু এই বৃটিছ বিষয়াজনৰ মৃতদেহটো কলং নদীত পেলাই দিয়া হ'ল। তেওঁৰ লগত অহা পুলিচ বাহিনীটোৱে আতংকত পেলাই গৈছিল। নগাওঁ জিলাৰ বিষয়া লেফটেনেন্ট স্কঞ্জও এই ক্ষেত্ৰত বিশেষভাৱে সতৰ্ক হৈ উঠিল আৰু ঘটনা সংঘটিত স্থানলৈ সৈন্য বাহিনী প্ৰেৰণ কৰিছিল। যেতিয়া জনতাৰ ওপৰত গুলীবৰ্ষণ কৰা হ'ল তেতিয়া কেবাজনো লোকে প্ৰাণ হেৰুৱালে আৰু বহু কেইজন ঘূণীয়া হ'ল। হত্যাৰ গোচৰটিত লিপ্ত থকাৰ অভিযোগত একচল্লিশ জন লোকক গ্ৰেপ্তাৰ কৰা হ'ল আৰু ইয়াৰে আঠ কিম্বা নজন নেতাক, যিসকলৰ বেছিভাগ জনজাতীয় লোক আছিল, মৃত্যু অথবা দেশান্তৰকৰণৰ শাস্তি বিহা হ'ল। এই ঘটনাটিক অসমৰ জনসাধাৰণে 'ফুলগুৰিৰ ধেৰা' বা ফুলগুৰিৰ যুদ্ধ বুলি এতিয়াও মনত ৰাখি আহিছে। ঔপনিবেশিক শোষণ নীতিৰ বিৰুদ্ধে অসমত সংঘটিত ই আছিল প্ৰথম স্বতঃস্ফুৰ্ত গণ-আন্দোলন।

৯.৪.২ জয়ন্তীয়াসকলৰ বিদ্রোহ, ১৮৬০-১৮৬৩

বৃটিছ চৰকাৰৰ দ্বাৰা আৰোপ কৰা গৃহ শুল্ক, মুদ্রাংক শুল্ক আদিৰ নিচিনা নতুন শুল্কৰ বাবে জয়ন্তীয়া পাহাৰৰ লোকসকল ভীষণ অসন্তুষ্ট হৈছিল। তেওঁলোকে ইয়াৰ বিৰুদ্ধে মুকলিভাৱে বিদ্রোহ কৰিছিল। বৃটিছে এই বিদ্রোহ কঠোৰ হাতেৰে দমন কৰিছিল যদিও, কিন্তু সমস্যাৰ ইয়াতে অন্ত পৰা নাছিল। ইয়াৰ কিছুদিনৰ পিছতে জনজাতীয় ৰীতি-নীতিৰ ওপৰত হস্তক্ষেপ কৰা অনুজ্ঞাপত্ৰ এক শুল্কই খাছী লোকসকলক জাগ্ৰত কৰিছিল। অৱশেষত 1863 চনত এক সুদীৰ্ঘকালীন আৰু কঠোৰ অভিযানৰ দ্বাৰা তেওঁলোকক দমন কৰা হৈছিল।

5 জানি থোৱা ভাল

অনুজ্ঞাপত্ৰ শুল্ক আছিল জনসাধাৰণে অস্ত্ৰ শস্ত্ৰ হাতত ৰক্ষাৰ বাবে বৃটিছ চৰকাৰে নিৰ্দ্ধাৰণ কৰা শুল্ক।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ বৃটিছ চৰকাৰে আৰোপ কৰা নতুন কৰবোৰৰ নাম লিখক।

.....

প্ৰশ্ন নং ৩ ঃ কলং নদীত কোনজন বৃটিছ বিষয়াৰ মৃতদেহ পেলাই দিয়া হৈছিল ?

.....

প্ৰশ্ন নং ৪ ঃ কোন বৰ্ষত বৃটিছ চৰকাৰে জয়ন্তীয়া বিদ্ৰোহ দমন কৰিছিল ?

.....

৯.৪.৩ অসম বিদ্ৰোহ, ১৮৯৪

অসমত সংঘটিত কৃষক আন্দোলনবোৰৰ ভিতৰত 1893–94 চনৰ ভিতৰত সংঘটিত অসম বিদ্ৰোহ আছিল আটাইতকৈ গুৰুত্বপূৰ্ণ। 1893 চনত অসমৰ মুখ্য আয়ুক্ত ছাৰ উইলিয়াম ৰার্ডে সামৰ্থ অনুযায়ী মাটিৰ খাজানা বৃদ্ধি কৰাৰ সিদ্ধান্ত ল'লে। এই নতুন নিৰিখ অনুযায়ী খাজানা 70 ৰ পৰা 80 শতাংশলৈ বৃদ্ধি কৰা হ'ল আৰু ইয়ে খেতিয়কসকলক ক্ৰোধান্বিত কৰি তুলিছিল। জনসাধাৰণৰ এই অসন্তোষ ব্যক্ত কৰিবৰ বাবে কামৰূপ আৰু দৰঙত এলানি ৰাইজ মেল অনুষ্ঠিত হৈছিল। কেৱল মাথো মাটি আৰু খেতিৰ ওপৰত নিৰ্ভৰশীল খেতিয়কসকলৰ আৰ্থিক সুস্থিৰতা প্ৰভাৰ পেলোৱা এই অন্যায়মূলক নিৰ্দেশটো বাতিল কৰিবলৈ তেওঁলোকে দাবী তুলিছিল। কামৰূপৰ ৰঙিয়া আৰু লচিমা, তথা দৰঙৰ পথৰুঘাটৰ জনসাধাৰণে 'কৰ নিদিয়া অভিযান' কৰিছিল আৰু যিয়ে ৰাইজৰ নিৰ্দেশ অমান্য কৰিব তেওঁকো সমাজচ্যুত কৰা হ'ব বুলি ঘোষণা কৰা হৈছিল। ইয়ে কৰ্তৃপক্ষক সচকিত কৰি তুলিছিল আৰু এই গণ অভ্যুত্থানক দমন কৰিবৰ বাবে, - যাক তেওঁলোকে বিদ্ৰোহ আখ্যা দিছিল, সৈন্য বাহিনী ব্যৱহাৰ কৰিছিল।

- **ৰঙিয়া**

  1893 চনৰ ডিচেম্বৰ আৰু 1894 চনৰ জানুৱাৰী মাহত ৰঙিয়াৰ পৰিস্থিতি বৰ উত্তেজনাময় হৈছিল। ৰঙিয়া বজাৰত কৰা লুটপাতেৰে ৰঙিয়াৰ আন্দোলন আৰম্ভ হৈছিল। কামৰূপ জিলা উপায়ুক্ত মেককেৰো ঘটনাস্থলীত উপস্থিত হৈছিল আৰু কেবাজনো নেতাক গ্ৰেপ্তাৰ কৰিছিল। 10 জানুৱাৰীত ৰঙিয়া আৰক্ষী থানাৰ সমীপবৰ্তী এখন পথাৰত কেবাহাজাৰ লোকৰ সমাগম ঘটিছিল। যেতিয়া মেককেৰে তেওঁলোকক ছত্ৰভংগ দিয়াৰ নিৰ্দেশ দিলে তেতিয়া তেওলোকে 'আমি বৰ্দ্ধিত খাজানা আদায় নিদিও' বুলি চিঞৰি উঠিল। সেই দিনাখনে সন্ধিয়া গ্ৰেপ্তাৰ বৰণ কৰা নেতাসকলক মোকলাবৰ বাবে তেওঁলোকে আৰক্ষী থানাৰ পিছে অগ্ৰসৰ হ'ল আৰু তেতিয়া আৰক্ষীয়ে তেওঁলোকৰ ওপৰত গুলীবৰ্ষণ কৰিছিল। পৰিস্থিতিৰ জটিল ৰূপ দেখি মেক কেৰে অতিৰিক্ত বাহিনী মাতি পঠালে। উপস্থিত ৰাইজৰ কেবাজনো লোকে প্ৰাণ হেৰুৱালে আৰু বহু কেইজনক গ্ৰেপ্তাৰ কৰা হ'ল। এই বিদ্ৰোহক কঠোৰ হাতেৰে দমন কৰা হৈছিল। তৎস্বত্বেও নলবাৰী, বৰমা, বজালী আৰু আন আন ঠাইবোৰত আগৰ লেখিয়া তৎপৰতাৰে ৰাইজ মেলবোৰ অনুষ্ঠিত হৈ থাকিল।

- **লচিমা**

  1894 চনৰ জানুৱাৰী মাহত কামৰূপ জিলাৰ সৰুক্ষেত্ৰী মৌজাৰ লাচিমাৰ নিকতৱৰ্তী এখন গাৱত (কল্প) এগৰাকী মৌজাদাৰ আৰু এজন মমডলক বেয়া ধৰণে প্ৰহাৰ কৰা হৈছিল। তেওঁলোকে তাতখাজানা সংগ্ৰহ কৰিবলৈ গৈছিল। এই সন্দৰ্ভত পয়সত্তৰজন লোকক গ্ৰেপ্তাৰ কৰা হৈছিল। ৰায়তসকলৰ এই ভাবুকিয়ে মেককেবেক লচিমাত উপস্থিত হ'বলৈ বাধ্য কৰিছিল আৰু এই বিদ্ৰোহ দমন কৰিবৰ বাবে তেওঁ শক্তিশালী পন্থা হাতত লৈছিল। জনসাধাৰণক বশ নিয়াবৰ বাবে কতৃপক্ষই লোৱা পাশবিকতাক আজিও ইয়াৰ স্থানীয় জনসাধাৰণে মনত ৰাখিছে।

- **পথৰুঘাট**

  1894 চনৰ জানুৱাৰী মাহত দৰং জিলাৰ পথৰুঘাটত একে ধৰণৰ এক বিদ্ৰোহ সংঘটিত হৈছিল। ৰায়তসকলে খাজানা দিবলৈ যে অসমত হৈছিল এয়ে নহয় যিসকলে চৰকাৰক খাজানা দিব বিচাৰিছিল তেওঁলোককো বাধা প্ৰদান কৰিছিল। এই পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ দৰং

জিলাৰ উপায়ুক্ত জে. ডি. এণ্ডাৰছনে লেফটেনেন্ট বেৰিংটনৰ অধীনত এক আৰক্ষী সেনা বাহিনী লৈ পথৰুঘাটত উপস্থিত হৈছিল। দ্বিতীয় দিনাখন ৰাতিপুৱা এণ্ডাৰছন থকা জিৰণি ঘৰটোৰ সন্মুখৰ ধাননি পথাৰত এক বিশাল জনতা সমবেত হৈছিলহি। এণ্ডাৰছনে তেওঁলোকক আতৰি যাবলৈ কৈছিল যদিও জনগণে তেওঁৰ এই আদেশ কৰ্ণপাত নকৰি তেওঁলৈ লাঠি আৰু মাটিৰ চপৰা (দলি) নিক্ষেপ কৰিলে। আদেশ দিয়াত বেৰিংটনে তেতিয়া গুলিৰ নিৰ্দেশ দিলে আৰু ইয়াৰ ফলত পোন্ধৰজন লোকৰ মৃত্যু ঘটিল আৰু বহু ৰায়ত আঘাতপ্ৰাপ্ত হ'ল। পথৰুঘাটৰ এই ঘটনাক এতিয়াও 'দলি ৰণ' বুলি স্মৰণ কৰা যায় কিয়নো এই যুদ্ধত জনসাধাৰণে বৃটিছক মাটিৰ চপৰাৰে আক্ৰমণ কৰিছিল।

অসমৰ বিভিন্ন ঠাইত এনে ধৰণৰ বিদ্ৰোহ সংঘটিত হৈছিল। এই বিদ্ৰোহবোৰ দমন কৰিবলৈ চৰকাৰে কঠোৰ পন্থা হাতত লৈছিল। বৃটিছ ৰাজত্বৰ অধীনত জনগণে যি এক দুদৰ্শাৰ জীৱন কটাইছিল সেই বিষয়ে সচেতন কৰি তোলাৰ ক্ষেত্ৰত ৰাইজ মেলবোৰে এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। এই বিদ্ৰোহবোৰ দেখি বৃটিছে অনুধাৱন কৰিছিল যে ৰাইজ মেলক নিৰ্মূল নকৰিলে অসমত বৃটিছৰ সাৰ্বভৌম ক্ষমতা বৰ্তাই ৰখাটো অসম্ভৱ হৈ পৰিব।

অসমৰ 1893–94 চনত সংঘটিত কৃষক বিদ্ৰোহে বৃটিছ ৰাজৰ বিৰুদ্ধে ভৱিষ্যতে কৰা সংগ্ৰামৰ ইতিহাসত এক সুদুৰ প্ৰসাৰী প্ৰভাৱ পেলাইছিল। বিদেশী শাসকৰ অধীনত জনগণে যি এক দুৰ্দশাৰ জীৱন কটাইছিল তাৰ বিষয়ে ৰাইজক সজাগ কৰি তোলাত ৰাইজ মেলসমূহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। 1893–94 চনৰ অভ্যুত্থানে সমগ্ৰ প্ৰদেশখন আলোড়িত কৰি তুলিছিল আৰু ৰাজকীয় বিধান পৰিষদতো সেয়া প্ৰতিধ্বনিত হৈছিল।

অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক ঃ

প্ৰশ্ন নং ৫ ঃ অসম বিদ্ৰোহৰ সময়ত দৰং জিলাৰ উপায়ুক্ত কোন আছিল ?

.....

প্ৰশ্ন নং ৬ ঃ পথৰুঘাটৰ বিদ্ৰোহক কিয় দলি ৰণ বুলি জনা যায় ?

.....

চিন্তা চৰ্চা কৰক ৯.২

- অসমৰ কৃষক বিদ্ৰোহবোৰৰ নেতাসকলৰ এখন তালিকা প্ৰস্তুত কৰক

.....

.....

৯.৫ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- 1857 চনৰ বিদ্ৰোহ আৰু অসমত পৰা ইয়াৰ প্ৰভাৱৰ বিষয়ে জানিব পাৰিলে। তদুপৰি অসমৰ বিভিন্ন প্ৰান্তত হোৱা কৃষক বিদ্ৰোহ সম্পৰ্কেও আপুনি জানিব পৰিলে।
- অসমৰ খেতিয়কসকল বৃটিছ শাসনত বৰ বেছি অতীষ্ঠ হৈ পৰিছিল আৰু তেওঁলোকে এই শাসনৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল।

- তেওঁলোকৰ অসন্তুষ্টিয়ে ফুলগুৰিৰ বিদ্ৰোহ (1861), জয়ন্তীয়াসকলৰ বিদ্ৰোহ (1860–1863) আৰু অসম বিদ্ৰোহ (1894) ৰ ৰূপত বহিঃ প্ৰকাশ পালে।

৯.৬ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থঃ

1) Barpujari, H.K (2004): *The Comprehensive History of Assam*, Volume-IV, 2nd edition, Publication Board Assam
2) Baruah, S.L (2012): *A Comprehensive History of Assam*, 3rd edition, Munishram Manoharlal
3) Dutt, K.N (1993): *Landmarks in the Freedom Struggle in Assam*, Lawyers' Book Stall

৯.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ ক) গোমধৰ কোঁৱৰ, খ) বদন চন্দ্ৰ বৰফুকন, গ) গদাধৰ সিংহ, ঘ) তিৰুত সিংঙ ঙ) উজনি অসম

২ নং প্ৰশ্নৰ উত্তৰঃ আয়কৰ শুল্ক, মুদ্ৰাংক শুল্ক, অনুজ্ঞাপত্ৰ শুল্ক, আদি।

৩ নং প্ৰশ্নৰ উত্তৰঃ লেফটেনেণ্ট ছিংগাৰ, এগৰাকী কনিষ্ঠ সহকাৰী আয়ুক্ত।

৪ নং প্ৰশ্নৰ উত্তৰঃ 1863 চনত।

৫ নং প্ৰশ্নৰ উত্তৰঃ জে. ডি. এণ্ডাৰছন

৬ নং প্ৰশ্নৰ উত্তৰঃ পথৰুঘাটৰ বিদ্ৰোহক দলি ৰণ বুলি জনা যায়, কিয়নো ইয়াৰ জনসাধাৰণে বৃটিছৰ বিৰুদ্ধে নিজৰ ক্ষোভ দৰঙৰ উপায়ুক্ত জে. ডি. এণ্ডাৰছনৰ ওপৰত মাটিৰ চপৰা নিক্ষেপ কৰি প্ৰকাশ কৰিছিল।

৯.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ 50 শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ গদাধৰ সিংহৰ আনটো নাম কি?

প্ৰশ্ন ২ঃ বৃটিছ-বিৰোধী বিদ্ৰোহসমূহ বিফল হোৱাৰ দুটা কাৰণ দৰ্শাৰক।

প্ৰশ্ন ৩ঃ লেফটেনেণ্ট চিংগাৰ কোন আছিল?

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ 150–300 শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ চমুটোকা লিখক

1) ফুলগুৰিৰ বিদ্ৰোহ, 1861 2) পথৰুঘাটৰ ৰণ 3) ইউ তিৰুৎ সি

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ 300–500 শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ অসমত 1857 চনৰ বিদ্ৰোহ সংঘটিত কৰা পৰিস্থিতিৰ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ঃ অসমত কৃষক বিদ্ৰোহৰ বিষয়ে বৰ্ণনা কৰক।

প্ৰশ্ন ৩ঃ অসম বিদ্ৰোহৰ বিষয়ে আলোচনা কৰক।

অধ্যায় ১০ ঃ ১৮৫৭ চনৰ বিদ্রোহ আৰু অসম

অধ্যায় গাঁথনি

10.1 উদ্দেশ্য
10.2 পৰিচয়
10.3 1857 চনৰ বিদ্রোহ
  10.3.1 অসমত 1857 চনৰ বিদ্রোহ গঢ়ি উঠাৰ পৰিস্থিতি
  10.3.2 মণিৰাম দেৱানৰ ভূমিকা
  10.3.3 বিদ্রোহীসকলৰ বিচাৰ
  10.3.4 বিদ্রোহৰ বিফলতা
10.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
10.5 অধিক জানিবলৈ
10.6 অগ্রগতিৰ খতিয়ান
10.7 আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনিÐ

- ১৮৫৭ চনৰ বিদ্রোহত মণিৰাম দেৱানৰ ভূমিকাৰ বিষয়ে বিশ্লেষণ কৰিব পাৰিব
- অসমত 1857 খ্রীষ্টাব্দৰ বিদ্রোহৰ প্রভাৱৰ বিষয়ে আলোচনা কৰিব পাৰিব
- 1857 চনৰ বিদ্রোহৰ ফলাফলসমূহ আলোচনা কৰিব পাৰিব।

১০.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আমি অসমলৈ বৃটিছ আগমণৰ বিষয়ে অসমীয়া জনসাধাৰণে, বিশেষকৈ আহোমৰ সম্ভ্রান্ত শ্রেণীটোৱে অসমত বৃটিছ শাসকসকলৰ কেনেদৰে বিৰুদ্ধাচৰণ কৰিছিল তাৰ বিষয়ে আলোচনা কৰিলো। মানসকলক পৰাজিত কৰি বৃটিছসকল অসমৰ অধিকর্তা হৈ পৰিছিল আৰু অসমীয়া মানুহৰ অভিলাসক উপেক্ষা কৰি তেওঁলোকৰ নিজা প্রশাসনিক ব্যৱস্থা গঢ়ি তুলিছিল।

এতিয়া আমি এই অধ্যায়ত অসমত 1857 চনৰ বিদ্রোহৰ পেলোৱা প্রভাৱৰ বিষয়ে আলোচনা কৰিম, যি বিদ্রোহে ভাৰতবর্ষত বৃটিছ শাসনৰ ভেটি কঁপাই তুলিছিল।

১০.৩ ১৮৫৭ চনৰ বিদ্রোহ

1857 চনৰ পৰৱর্তী সময়ছোৱাত বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ সম্প্রসাৰণবাদী আঁচনিবোৰে ভাৰতীয় মানুহৰ মাজত অসন্তোষৰ সৃষ্টি কৰিছিল। বিজয়ৰ নীতি, আর্থিক শোষণ আৰু প্রশাসনিক পৰিবর্তনৰাজিয়ে সকলো শ্রেণীৰ লোকক বেয়াকৈ ক্ষতিগ্রস্ত কৰিছিল। এই সকলোবোৰ আঁচনিয়ে ভাৰতবর্ষৰ বিভিন্ন প্রান্তত বৃটিছৰ বিৰুদ্ধে ভাৰতীয়সকলক বিদ্রোহ কৰিবলৈ বাধ্য কৰাইছিল। অৱশেষত 1857 চনৰ বিদ্রোহত জনসাধাৰণৰ অসন্তুষ্টিৰ

বহিঃপ্রকাশ ঘটিল। ভাৰতবর্ষৰ আন প্রান্তৰ লেখিয়াকৈ অসমৰ জনসাধাৰণেও এই বিদ্রোহত যোগদান কৰিছিল। দুর্ভাগ্যবশতঃ এই বিদ্রোহে সফলতা লাভ কৰিব নোৱাৰিলে যদিও স্বাধীনতা সংগ্রামৰ বীজ ৰোপণ কৰি থৈ গ'ল। সেইবাবে এই বিদ্রোহক ভাৰতৰ স্বাধীনতাৰ প্রথম যুদ্ধ বুলি অভিহিত কৰা হয়।

১০.৩.১ অসমত ১৮৫৭ চনৰ বিদ্রোহ গঢ়ি উঠাৰ পৰিস্থিতি

এই বিদ্রোহ আকস্মিকভাৱে অথবা কিছুমান নির্দিষ্ট অঞ্চলতহে সীমাবদ্ধ হৈ থকাৰ নিচিনা বিদ্রোহ নাছিল। বৃটিছ ৰেজিমেন্টৰ চিপাহীসকলে এই বিদ্রোহ আৰম্ভ কৰিছিল যদিও কৃষক, শ্রমিক, কাৰিকৰ, জনজাতীয় লোক, সম্ভ্রান্ত শ্রেণী আৰু সৈন্যসকল সহিত সমাজৰ সকলো শ্রেণীৰ লোকে এই বিদ্রোহত অংশ লৈছিল। বহুতো ভাৰতীয় ৰাজ্যই এই বিদ্রোহত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছিল। ভাৰতবর্ষৰ আন প্রান্তৰ লেখিয়াকৈ অসমৰ জনসাধাৰণৰো বৃটিছৰ বিৰুদ্ধে ওজৰ আপত্তি আছিল। প্রাৰম্ভিক অৱস্থাত বৃটিছসকলক অসমৰ জনগণে ৰক্ষাকর্তা বুলি গণ্য কৰিছিল যদিও পিছলৈ তেওঁলোকৰ বৃটিছৰ প্রতি দৃষ্টিভংগীৰ পৰিৱর্তন ঘটিছিল আৰু তাৰে পৰিণতিত এই অঞ্চলটিত বিদ্রোহৰ সূত্রপাত হৈছিল। অসমত বৃটিছ শাসন সম্পর্কে তলত আলোচনা কৰা হৈছে।

ইয়াণ্ডাবু সন্ধিৰ পিচত পূর্বৰ ক্ষমতা হেৰুওৱা অসমৰ সম্ভ্রান্ত বা অভিজাত শ্রেণীটোৱে বিদেশী শাসনৰ প্রতি তীব্রভাৱে অসন্তুষ্ট হৈ পৰিছিল। তেওঁলোকে ধনঞ্জয় পিয়লি ফুকন, গোমধৰ কোঁৱৰ আদিৰ নেতৃত্বত বিদ্রোহ আৰম্ভ কৰিছিল। ই আছিল অসমীয়াৰ স্বাধীনতা লাভৰ প্রতি থকা হাবিয়াসৰ এক প্রতীক।

যিহেতু উজনি অসমৰ সংগ্রহিত ৰাজহ বৃটিছ প্রশাসন চলাবৰ বাবে পর্যাপ্ত নাছিল, সেয়েহে তেতিয়াৰ বৃটিছ আয়ুক্ত ডেভিদ স্কটে উজনি অসমত আহোম ৰাজতন্ত্র পুনৰ প্রতিষ্ঠিত হোৱোটো বিচাৰিছিল। দ্বিতীয়তে এই পুনৰ প্রতিষ্ঠতাই আহোমসকলক বিশেষকৈ সম্ভ্রান্ত আহোমসকলক সন্তুষ্ট কৰিব।

কেন্দ্রৰ চৰকাৰখনে ডেভিদ স্কটৰ এই যুক্তিত প্রত্যয় যোৱা নাছিল আৰু সেইবাবে এই সম্পর্কীয় শেষ মীমাংসাটো পিছুৱাই দিয়া হৈছিল। 1828 চনত গভর্নৰ জেনে�ৰেল হিচাপে লর্ড আমহার্ষ্টৰ ঠাইত স্থলাভিষিক্ত হোৱা লর্ড উইলিয়াম বেন্টিকে এই সমগ্র পৰিস্থিতিটোৰ ক্ষেত্রত এক বাস্তৱসম্মত দৃষ্টিভংগী গ্রহণ কৰিছিল। প্রশাসনিক আহুকাল আৰু আহোম সম্ভ্রান্ত শ্রেণীৰ বৈৰিতাই উজনি অসমৰ বিষয়টোৰ ক্ষেত্রত আৰু অধিক বিলম্ব নকৰি এক সর্বশেষ সিদ্ধান্ত ল'বলৈ বেন্টিংকক তৎপৰ কৰি তুলিছিল। 1833 চনৰ24 এপ্রিলত পুৱন্দৰ সিংহক আনুষ্ঠানিকভাৱে উজনি অসমৰ শাসকৰ পদত অধিস্থিত কৰা হ'ল। কিন্তু 1838 চনত অপশাসনৰ গইনা লৈ উজনি অসমক কোম্পানীৰ প্রত্যক্ষ শাসনৰ অধীনলৈ অনা হ'ল। 1826 চনৰ চুক্তি অনুযায়ী বৃটিছে মটকৰ মৰাণসকলৰ মুখিয়াল বৰ সেনাপতিক কৰৰ সলনি 300 জন পাইক যোগান দিবলৈ নিযুক্তি দিছিল। বৰ সেনাপতি উত্তৰাধিকাৰী মাজু গোঁহাইক বছৰেকত 10,000 টকাকৈ বৃটিছক দিবলৈ এখন নতুন চুক্তি তেওঁৰ ওপৰত আৰোপ কৰা হৈছিল। ধর্মীয় কাৰণত এই চুক্তিখনক মৰাণসকলে পছন্দ কৰা নাছিল। 1839 চনৰ নৱেম্বৰ মাহত বৃটিছ চৰকাৰে মটক ৰাজ্য অধিকাৰ কৰিছিল। বৃটিছে এক সম্প্রসাৰণবাদী নীতি অনুসৰণ কৰিছিল আৰু অসমৰ জনগণৰ ভাবাবেগক গুৰুত্ব নিদি উত্তৰ পূর্বাঞ্চলৰ বিভিন্ন ৰাজ্যবোৰ এখনৰ পিছত এখনকৈ অধিকাৰ কৰি গৈছিল। ইয়ে অসমৰ জনসাধাৰণৰ মনত বৃটিছ বিৰোধী ক্ষোভ তীব্রভাবে বৃদ্ধি কৰিছিল।

নতুন চৰকাৰখনে কেৱল মাথো ৰাজহ সংগ্রহৰ বিষয়টোতহে গুৰুত্ব দিছিল; ৰায়তসকলৰ আর্থিক দুর্দশাৰ পিনে চৰকাৰখনে সামান্যও কানসাৰ দিয়া নাছিল। চৰকাৰৰ লুণ্ঠন যিমানে বাঢ়িছিল সিমানেই তেওঁলোকৰ অৱস্থা শোচনীয় হৈ পৰিছিল। প্রথম ইংৰাজ-ধর্মীয় যুদ্ধৰ আগতে বৃটিছে অসমৰ জনসাধাৰণৰ আগত যিবোৰ প্রতিশ্রুতি দিছিল সেইবোৰ পালন কৰাৰ ক্ষেত্রত বৃটিছ ব্যর্থ হৈছিল। অভিজাত শ্রেণীটোৱে এই নতুন পৰিস্থিতিটোৰ প্রতি প্রতিক্রিয়া প্রদর্শন কৰি তাৰ বিৰুদ্ধে নিষ্ফল বিদ্রোহ কৰিছিল। বৃটিছে

প্ৰৱৰ্তন কৰা প্ৰত্যেকটো নতুন প্ৰশাসনীয় ব্যৱস্থাই পুৰণি অভিজাত শ্ৰেণীটোৰ প্ৰতি এক প্ৰচণ্ড আঘাত আছিল। 1843 চনত বৃটিছ চৰকাৰে দাস ব্যৱস্থা বিলুপ্ত কৰাক লৈ তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছিল কিয়নো ইয়ে অসমৰ পুৰণি অভিজাততন্ত্ৰৰ শক্তি আৰু বিশেষাধিকাৰবোৰত খহনীয়া সৃষ্টি কৰিছিল। শাসক শ্ৰেণীৰ সদস্যসকলে সকলো ঠাইত বৃটিছৰ সিদ্ধান্তবিলাকৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছিল। স্থানীয় সম্ভ্ৰান্ত শ্ৰেণীৰ ঠাইত বংগৰ পৰা মানুহ আনি নিয়োগ কৰিব খোজা কেপ্তেইন নিউফভিলৰ নীতিটোৱে পৰিস্থিতি আৰু অধিক বেয়া কৰি তুলিছিল।

তদুপৰি বৃটিছৰ আৰ্থিক নীতিয়ে অসমৰ জনগণক তীব্ৰভাৱে ক্ষোভিত কৰি তুলিছিল। বৃটিছে অসমত চাহ খেতি আৰম্ভ কৰিছিল। 'পতিত মাটি নিয়ামক আইন' ৰ আঁচনিখন জাপি দি বৃটিছে স্থানীয় লোকক চাহ খেতিৰ সুফলৰ পৰা বঞ্চিত কৰাৰ কৌশল গ্ৰহণ কৰিছিল। কৌশলী নিয়ামকৰ জৰিয়তে সমগ্ৰ চাহ উদ্যোগটো বৃটিছ চাহ খেতিয়কৰ হাতত তুলি দি বৃটিছ চৰকাৰে সাম্ৰাজ্যবাদী পুঁজি গঠন কৰা প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰাত সফল হৈছিল। তেওঁলোকে বিহাৰ বংগ, উৰিষ্যা আৰু তেলেঙ্গানাৰ পৰা সস্তীয়া শ্ৰমিক লৈ আনিছিল। এই সস্তীয়া শ্ৰমিকসকলক কুলি বুলি জনা গৈছিল। এইসকলক অসমৰ স্থানীয় লোকে সন্দেহৰ দৃষ্টিৰে চাইছিল। তাৰোপৰি বৃটিছৰ কানি খেতিৰ নীতিক লৈ অসমীয়া সমাজখনৰ অভিজাত শ্ৰেণীটোৱে তীব্ৰভাৱে অসন্তুষ্ট হৈছিল। জনগণক কানি যোগান নিদিবৰ বাবে তথা এই অভ্যাস নিৰ্মূল কৰাৰ বাবে তেওঁলোকে চৰকাৰৰ ওচৰত আবেদন কৰিছিল।

বৃটিছৰ সামাজিক আৰু ধৰ্মীয় সংস্কাৰ সাধনবোৰে অসমৰ ৰক্ষণশীল লোকসকলৰ মনত সন্দেহৰ ভাৱ জগাই তুলিছিল। চৰকাৰী বিষয়া আৰু খ্ৰীষ্টিয়ান মিছনেৰীসকলৰ কাম-কাজবোৰে হিন্দু আৰু মুছলমানসকলৰ মনত তেওঁলোকৰ নিজ ধৰ্ম বিপদগ্ৰস্ত হ'ব বুলি এক শংকাৰ সৃষ্টি কৰিছিল। বৃটিছৰ জাতিগত বৈষম্যৰ আচৰণেও অসমীয়া মানুহৰ মনত বিৰূপ ভাৱৰ সৃষ্টি কৰিছিল।

সেইবাবে পুৰণি অভিজাতবৰ্গ আৰু আঢ্যৱন্তসকলে নব্য বৃটিছ শাসনৰ সমূলি গ্ৰহণ কৰিব পৰা নাছিল। তেওঁলোকৰ কিছুমানে আশাহীন হৈ পৰিছিল আৰু একমাত্ৰ পুৰণি শাসন পদ্ধতি পুনৰ্প্ৰতিষ্ঠাৰ দ্বাৰাহে তেওঁলোকৰ মুক্তি সম্ভৱ বুলি অনুভৱ কৰিছিল। প্ৰাক্তন স্বৰ্গদেও চন্দ্ৰকান্ত সিংহই নিজস্ব অধিকাৰ ঘূৰাই পাবৰ বাবে কেবাবাৰো প্ৰচেষ্টা চলাই দুখ মনেৰে 1838 চনৰ আগভাগত মাথো 43 Âবছৰ বয়সত মৃত্যুমুখত পৰে। নিজ আসনৰ পৰা স্থানচ্যুত হোৱা পুৰন্দৰেও 1846 চনৰ অক্টোবৰ মাহলৈ, তেওঁৰ মৃত্যু নোহোৱা পৰ্যন্ত তেওঁৰ পুনৰ্প্ৰতিষ্ঠাৰ বাবে কেবাবাৰো চেষ্টা চলাইছিল। তেওঁৰ একমাত্ৰ পুত্ৰ আৰু উত্তৰাধিকাৰী কামেশ্বৰেও ইয়াৰ কিছু বছৰ পিছত মৃত্যুবৰণ কৰিছিল আৰু সেই সময়ত তেওঁৰ পুত্ৰ কন্দৰ্পেশ্বৰৰ বয়স আছিল মাথো এঘাৰ বছৰ। এনে এক পৰ্যায়ত তেতিয়ালৈকে কোম্পানীৰ এগৰাকী অতি বিশ্বস্ত আৰু অনুগত বিষয়া হিচাপে কৰ্মৰত মণিৰাম দত্ত বৰভাণ্ডাৰ বৰুৱাই, যাক মণিৰাম দেৱান বুলি জনা গৈছিল, মুক্তি আন্দোলনৰ এগৰাকী নেতাৰূপে এক নতুন ভূমিকা গ্ৰহণ কৰিছিল।

Wঅগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ইয়াণ্ডাবু সন্ধি কেতিয়া স্বাক্ষৰিত হৈছিল?

.....

প্ৰশ্ন নং ২ ঃ আহোমৰ শেষ শাসকজন কোন আছিল?

.....

প্ৰশ্ন নং ৩ ঃ কাক মণিৰাম দেৱান বুলি জনা যায়?

.....

১০.৩.২ মণিৰাম দেৱানৰ ভূমিকা

1857 চনৰ বিদ্রোহে অসম স্পর্শ নকৰালৈ থকা নাছিল। অসমৰ উদিত মধ্যবিত্ত শ্রেণীটোৰ এগৰাকী সঁচা প্রতিনিধি আছিল মণিৰাম। মণিৰামে পোনতে উজনি অসমৰ টহছিলদাৰ ৰূপে বৃটিছৰ অধীনত চাকৰি কৰিছিল। উজনি অসমত পু�ৰন্দৰ সিংহৰ আমোলৰ সময়ত মণিৰামে ৰাজহ বিভাগৰ চিৰস্তাদাৰ ৰূপে কাম কৰিছিল। যেতিয়া 1838 চনত পুৰন্দৰ সিংহক ক্ষমতাচ্যুত কৰা হৈছিল তথা উজনি অসমক বৃটিছ শাসনৰ অধীনত অনা হৈছিল তেতিয়া ইয়াকে লৈ মাণিৰাম অসন্তুষ্ট হৈ পৰিছিল।

পুৰন্দৰ সিংহক ক্ষমতাচ্যুত কৰাৰ পিছত মণিৰামে নাজিৰাস্থিত আসাম টী কোম্পানী ত দেৱান হিচাপে দিছিল।। অৱশ্যে চাহ বাগিচাৰ মালিকসকলৰ তেওঁ অসন্তুষ্ট হৈছিল। তেওঁ যোৰহাটত নিজাববীয়াকৈ দুখন বাগিচা আৰম্ভ কৰে। কিন্তু ইউৰোপীয় চাহ খেতিয়কসকলে লাভ কৰা পতিত মাটিৰ ৰেহাই মূল্যৰ পৰা তেওঁ বঞ্চিত হৈছিল।

- ***ৰাইজ মেল ঃ*** সাধাৰণ মানুহৰ এক সভা।

5 জানি থোৱা ভাল

আসাম টী কোম্পানীত দেৱানৰূপে কাম কৰাৰ বাবে মণিৰাম দত্ত বৰভাণ্ডাৰ বৰুৱাক মণিৰাম দেৱান বুলি জনা গৈছিল।

লাহে লাহে মণিৰামে উপলব্ধ কৰিছিল যে বৃটিছ শাসনৰ অধীনত তেওঁৰ আৰু দেশৰ মানুহখিনিৰ কোনো ভৱিষ্যৎ নাই। ইয়াৰ পিছতে তেওঁ চাৰিং ৰজা কন্দর্পেশ্বৰ সিংহৰ সৈতে জড়িত হৈ পৰে। মণিৰাম কন্দর্পেশ্বৰ সিংহৰ বন্ধু, দার্শনিক আৰু পথ প্রদর্শক হৈ পৰিছিল। মণিৰামে কন্দর্পেশ্বৰ সিংহক তেওঁৰ ৰাজ্য ঘূৰাই পোৱাৰ প্রচেষ্টাত প্রেৰণা যোগাইছিল। সেই সময়তে 1853 চনত এ. জে. মফট্ মিলে অসম ভ্রমণ কৰে। মণিৰাম দেৱানৰ পৃষ্ঠপোষকতাত উজনি অসমখন কৰতলীয়া হিচাপে কোম্পানী চৰকাৰৰ অধীনত শাসন কৰিবৰ বাবে কন্দর্পেশ্বৰ সিংহই মিলৰ হাতত আনুষ্ঠানিক আৱেদন প্রদান কৰিছিল।

উজনি অসমৰ বিপন্নপ্রায় সম্ভ্রান্ত শ্রেণীৰ পৰাও মিলে কেবাখনো অৱেদন পাইছিল। মণিৰামে নিজেও দুখন স্মাৰক পত্র প্রদান কৰিছিল। ইয়াৰে এখন আহোম ৰাজতন্ত্র পুনর্প্রতিষ্ঠাক লৈ আৰু আনখন প্রশাসনিক সংস্কাৰক লৈ আছিল। কিন্তু মিলে অতি সহজতে এই আবেদনবোৰ প্রত্যাখ্যান কৰিছিল। মণিৰাম দেৱানৰ অসমৰ স্থানীয় কর্তৃপক্ষবোৰৰ ওপৰত বিশ্বাস হেৰুৱাইছিল আৰু সেইবাবে বংগৰ লেফটেন্ট গভর্নৰ ছাৰ জন কেম্পবেলক প্রত্যক্ষভাৱে এই বিষয়টিত অৱগত কৰাব বুলি সিদ্ধান্তও লৈছিল। এই উদ্দেশ্য লৈ 1856 চনৰ এপ্রিল মাহত তেওঁ কলিকতা (বর্তমানৰ কলকতা) ত উপস্থিত হৈছিল।

কলিকতাত মণিৰামে দুগৰাকী বিখ্যাত বঙালী ব্যৱসায়ী (আশুতোশ দেৱ আৰু প্রমোথ নাথ দেৱ) ৰ ঘৰত আছিল। তাতে বংগৰ বহু আগশাৰীৰ বুদ্ধিজীৱীৰ সৈতে তেওঁৰ সান্নিধ্য ঘটে। ৰজা গুৰু দাস, নীলমণি মিত্র, কুঞ্জ বিহাৰী মল্লিক আৰু ৰাজেন্দ্র দত্তৰ সৈতে তেওঁ মিলিত হয়। এনেদৰে কলিকতাত থাকোতে মণিৰামে এক নতুন কার্যপন্থা হাতত লোৱাৰ আগতে প্রয়োজন হোৱা বৌদ্ধিক অনুপ্রেৰণা লাভ কৰিবলৈ সক্ষম হৈছিল।

এই সময়ছোৱাৰ ভিতৰতে মিৰাট, দিল্লী লক্ষ্ণৌ আৰু কানপুৰত 1857 চনৰ বিদ্রোহ আৰম্ভ হয়। বিদ্রোহীসকলে দিল্লীত মোগল শাসক দ্বিতীয় বাহাদুৰ শ্বাহক হিন্দুস্থানৰ সম্রাট হিচাপে ঘোষণা কৰিছিল। বৃটিছ ৰাজ গুচাবৰ বাবে মণিৰামেও অসমত এনে এক বিদ্রোহ সংগঠিত কৰাৰ সম্ভাৱনাক গমিপিতি চাইছিল। মণিৰামেও এই পৰিস্থিতিৰ পূর্ণ সুযোগ ল'ব বিচাৰিছিল আৰু বৃটিছৰ বিৰুদ্ধে অস্ত্র ল'বৰ বাবে যুৱৰাজ কন্দর্পেশ্বৰ সিংহ, পূর্বৰ সম্ভ্রান্ত আৰু আঢ্যৱন্ত লোক সহিত কিছু সংখ্যক সত্রাধিকাৰকো প্রৰোচিত কৰিছিল।

সেইসময়ত অসমত সেনাৰ দুটা ৰেজিমেন্ট আছিল। ফার্ষ্ট আসাম লাইট ইনফেন্ট্রি মেজৰ হেনয়ৰ অধীনত ডিব্রুগড়ত অৱস্থিত আছিল আৰু মেজৰ ৰিচার্ডচনৰ অধীনত গুৱাহাটীত ছেকেণ্ড লাইট ইনফেন্ট্রিৰ বাহৰ আছিল। ডিব্রুগড়স্থিত ফার্ষ্ট আসাম লাইট ইনফেন্ট্রিৰ বেছি ভাগ চিপাহীয়েই পশ্চিম বিহাৰৰ আছিল। বিদেশীবোৰক বহিষ্কাৰ কৰিবলৈ এই চিপাহীসকল আগবাঢ়ি অহাটো নিশ্চিত আছিল। এক বিদ্রোহৰ পটভূমি গঢ়াৰ বাবে মণিৰামে মধু মল্লিক (এগৰাকী বঙালী মুক্তিয়াৰ) ৰ পৰা তথা আন আন যেনে উৰবিধৰ বৰুৱা, মায়াৰাম বৰবৰা, চিত্রসেন বৰবৰা, কমলা চাৰিীয়া বৰুৱা, মহিধৰ শর্মা মুক্তিয়াৰ, লুকি সেনছোৱা বৰুৱা, উগ্রসেন মৰঙি খোৱা গোঁহাই, দেওৰাম দিহিঙিয়া বৰুৱা, ধূতিৰাম বৰুৱা, পিয়লি বৰুৱা, বাহাদুৰ গাওবুঢ়া, শেইখ ফৰমুদ আলি, মধুৰাম কোচ আদিৰ যথেষ্টখিনি সহায় লাভ কৰিছিল।

অৱশ্যে 1857 চনৰ আগষ্ট মাহলৈ অসমৰ চিপাহীসকল নিষ্ক্রিয় হৈ ৰ'ল যদিও তেওঁলোক ভিতৰি ভিতৰি অশান্ত হৈ থাকিল। ইয়াৰ কাৰণ হ'ল মণিৰামৰ অসমত থকা সহযোগীসকলে বিদেশীসকলৰ বিৰুদ্ধে নামি পৰিবলৈ তেওঁৰ পৰা এক সংকেত পাবলৈ অপেক্ষা কৰি আছিল। কিন্তু অসমলৈ আহি বিদ্রোহৰ নেতৃত্ব লোৱাৰ আগতেই শিৱসাগৰৰ পুলিচ দাৰোগা (পৰিদর্শক) তথা অসমত ইউৰোপীয়সকলৰ এগৰাকী অতি বিশ্বস্ত ব্যক্তি হৰনাথ পর্বতীয়া বৰুৱাৰ সহায়ত শিৱসাগৰৰ মুখ্য সহকাৰী কেপ্টইন চার্লছ হলৰয়দে মণিৰামৰ কেইখনমান গোপনীয় চিঠি জব্দ কৰিছিল। হলৰয়দৰ তৎপৰতাত কেপ্টেইন লোথাৰে এদল সৈন্য বাহিনীসহ যোৰহাটলৈ আহে আৰু 1857 চনৰ 7 ছেপ্তেম্বৰত চাৰিং ৰজা কন্দর্পেশ্বৰ সিংহক গ্রেপ্তাৰ কৰি আলিপুৰ জেললৈ পঠিয়াই দিয়ে। কলিকতাত মণিৰামক গ্রেপ্তাৰ কৰা হয় আৰু কেই সপ্তাহমান আলিপুৰ জেলত কাৰাৰুদ্ধ কৰি ৰখাৰ পাছত বিচাৰৰ বাবে তেওঁক অসমলৈ অনা হয়। মণিৰামৰ লগতে তেওঁৰ কেবাজনো সহযোগীকো গ্রেপ্তাৰ কৰা হৈছিল।

Wঅগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ কোনটো বছৰত মণিৰামে মিলৰ হাতত আৱেদন দিছিল?

.....

প্রশ্ন নং ৫ ঃ মণিৰাম দেৰানে কিহৰ বাবে কলিকতালৈ গৈছিল?

.....

প্রশ্ন নং ৬ ঃ মণিৰামে কলিকতাত ক'ত থাকিছিল?

.....

প্রশ্ন নং ৭ ঃ অসমৰ ৰেজিমেন্ট দুটিৰ নাম লিখক।

.....

প্রশ্ন নং ৮ ঃ মণিৰামক ক'ত গ্রেপ্তাৰ কৰা হৈছিল?

.....

• *মুক্তিয়াৰ ঃ* এগৰাকী প্রতিনিধি।

১০.৩.৩ বিদ্রোহীসকলৰ বিচাৰ

ষড়যন্ত্রৰ এই গোচৰবোৰ বিচাৰ কৰিবৰ বাবে কেপ্টেইন হলৰয়দক বিশেষ আয়ুক্ত হিচাপে নিযুক্তি দিয়া হৈছিল। মণিৰাম দেৱান আৰু পিয়লি বৰুৱাক ৰাষ্ট্রদ্রোহৰ অপৰাধত দোষী বুলি মৃত্যুদণ্ড বিহা হ'ল। 1858 চনৰ 26 ফ্রেব্রুৱাৰীত যোৰহাটত দুয়োজনকে ৰাজহুৱাভাৱে ফাঁচী কাঠত ওলোমোৱা হ'ল। মধু মল্লিক, ত্রিণয়ন, কমলা বৰুৱা, ধূতিৰাম বৰুৱা, মৰঙিখোৱা গোঁহাই, মায়াৰাম নাজিৰ — এই সকলোকে অপৰাধ সংঘটন কৰাত সহযোগিতা কৰাৰ অভিযোগেৰে দোষী বুলি ঘোষণা কৰা হ'ল আৰু আজীৱন দেশান্তৰিত কৰা হ'ল। বাহাদুৰ গাঁওবুঢ়া আৰু শ্বেখ ফৰমুছ আলিকো যোৰহাটত মুছলমানসকলক ষড়যন্ত্রত

লিপ্ত কৰাত প্ৰৰোচিত কৰাৰ বাবে আন্দামনলৈ প্ৰেৰণ কৰা হৈছিল। তেওঁলোকৰ সম্পত্তি বোৰো বাজেয়াপ্ত কৰা হৈছিল। এই ষড়যন্ত্ৰত লিপ্ত থকাৰ বাবে বহু চিপাহীকো শাস্তি বিহা হৈছিল।

ডিব্ৰুগড় ৰেজিমেন্টৰ কিছুমান চিপাহীক আজীৱন দেশান্তৰিত কৰা হৈছিল। কিছুমানক সুদীৰ্ঘ কালৰ বাবে কাৰাদণ্ড বিহাৰ বিপৰীতে গোলাঘাটৰ চিপাহীকে ধৰি আন বহুতকে চাকৰিৰ পৰা আব্যাহতি দিয়া হৈছিল। দুগৰাকী অসমীয়া মহিলা ৰূপহী আইদেউ আৰু লোমবৈ আইদেউয়ে ষড়যন্ত্ৰত লিপ্ত থকা অভিযোগত তেওঁলোকৰ সম্পত্তি আৰু মৌজা হেৰুৱাব লগা হৈছিল। কম বয়সীয়া হোৱা হেতুকে কন্দৰ্পেশ্বৰ সিংহৰ ওপৰত বিচাৰ নচলিল। 1860 চনলৈ তেওঁক বৰ্ধমানত কাৰাৰুদ্ধ কৰি ৰখা হ'ল। তাৰ পিছত এগৰাকী পেঞ্চনাৰ হিচাপে তেওঁ গুৱাহাটীত সংস্থাপিত হ'বলৈ অনুমতি দিয়া হ'ল — য'ত 1860 চনত তেওঁৰ মৃত্যু ঘটিল।

১০.৩.৪ বিদ্রোহৰ বিফলতা

1857 চনৰ বিদ্রোহ আছিল কিছুসংখ্যক ভাৰতীয় দেশপ্ৰেমিকৰ দ্বাৰা বিদেশী শাসন উৎখাত কৰাৰ বাবে এক মহান আৰু সাহসী পদক্ষেপ। কিন্তু অৱশেষত বৃটিছে এই বিদ্রোহ দমন কৰাত সফল হৈছিল। বিদ্রোহ বিফল হৈছিল আৰু এই বিফলতাৰ কাৰণসমূহ হৈছে —

- মণিৰাম তথা তেওঁৰ সহযোগীসকলৰ ৰাজনৈতিক আৰু সাংগঠনিক দক্ষতা থকা স্বত্বেও বিদ্রোহীৰ সংখ্যা কম হোৱা বাবে আৰু ভাৰতৰ বাকী প্ৰান্তৰ সৈতে বিচ্ছিন্ন হৈ থকাৰ বাবে তেওঁলোকে লক্ষ্যত উপনিত হোৱাত বিফল হৈছিল।
- ভাৰতবৰ্ষৰ আন প্ৰান্তৰ বিপৰীতে অসমৰ অভিজাত মহলে বিদ্রোহীসকলক সহযোগ কৰা নাছিল। মাথো কিছু সংখ্যকেহে মণিৰাম দেৱানৰ এই প্ৰচেষ্টাৰ প্ৰতি সমৰ্থন জনাইছিল।
- সমাজৰ সকলো শ্ৰেণীয়ে এই বিদ্রোহক সমৰ্থন কৰা নাছিল। অসমত সংঘটিত ঘটনাৱলীয়ে মুৰব্বী শ্ৰেণী আৰু আঢ্যৱন্তসকলৰ মনত কোনো আশাৰ সঞ্চাৰ কৰা নাছিল।
- সন্দেহ নাই যে মণিৰাম দেৱানে এই বিদ্রোহৰ নেতৃত্ব লৈছিল, কিন্তু তেওঁৰ এই নেতৃত্ব ঝাঞ্চিৰ ৰাণী লক্ষ্মীবাই, নানা চাহেব আদিৰ সৈতে তুলনীয় নাছিল। তদুপৰি বৃটিছ নেতৃবৃন্দ ভাৰতীয় নেতাসকলতকৈ বহু বেছি উৎকৃষ্ট আছিল।
- তেওঁলোকৰ বিফলতাৰ মূল কাৰণ আছিল মধ্য ভাৰতৰ বিদ্রোহীসকলৰ সৈতে সম্পৰ্ক স্থাপন কৰাৰ ক্ষেত্ৰত অসফলতা তথা পুৰন্দৰ সিংহৰ ছেদেলি ভেদেলি হৈ পৰা সৈন্যসকল সহিত সশস্ত্ৰ বাহিনীত সংগঠিত কৰাত ব্যৰ্থ হোৱা।
- বিদ্রোহীসকলৰ এটা শ্ৰেণী চৰকাৰী চাকৰিয়াল আছিল আৰু তেওঁলোকৰ নিজা স্থিতি ৰক্ষা কৰাক লৈ সতৰ্ক আছিল আৰু আনহাতে বাকীসকলৰ বেছিভাগ আছিল উদাসীন। বৃটিছ চৰকাৰৰ অধীনত দাৰোগা হিচাপে সেৱা আগবঢ়োৱা হৰনাথ পৰ্বতীয়া বৰুৱা নেতাসকলক গ্ৰেপ্তাৰ কৰাৰ মূল জগৰীয়া আছিল।
- অসমত ভাল বাট পথ তথা যোগাযোগ আৰু পৰিবহনৰ আন একো মাধ্যম নাছিল। বিদ্রোহীসকলে সহজতে এই অঞ্চলৰ জনসাধাৰণৰ সৈতে যোগাযোগ ৰক্ষা কৰিব পৰা নাছিল।

চিন্তা চৰ্চা কৰক ৫.১

- 1857 চনৰ বিদ্রোহৰ অসমৰ নেতাসকলৰ লগতে সৰ্বভাৰতীয় নেতাসকলৰ এখন তালিকা প্ৰস্তুত কৰক

.....

.....

যদিও সৰ্বসাধাৰণ লোকে এই বিদ্রোহত অংশ গ্রহণ কৰা নাছিল তথাপিও বৃটিছৰ প্রতি তেওঁলোকৰ অসন্তোষ আন বিদ্রোহ আৰু শ্রমিক হৰতালত প্রতিফলিত হৈছিল। বৃটিছ শাসনৰ কদাচাৰৰ বিৰুদ্ধে অনুষ্ঠিত হোৱা *ৰাইজ মেল* বোৰত ক্রমবৰ্দ্ধমান অংশ গ্রহণেৰেও সাধাৰণ মানুহে তেওঁলোকৰ ক্ষোভ প্রতিপন্ন কৰিছিল।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯ ঃ কোনে মণিৰাম দেৱানৰ বিচাৰ কৰিছিল?

.....

প্রশ্ন নং ১০ ঃ ক'ত আৰু কেতিয়া মণিৰাম দেৱানক ফাঁচী দিয়া হৈছিল?

.....

প্রশ্ন নং ১১ ঃ বিভিন্ন দণ্ডৰে দণ্ডিত মণিৰাম দেৱানৰ সহযোগীসকলৰ নাম উল্লেখ কৰক।

.....

প্রশ্ন নং ১২ ঃ অসমত সংঘটিত 1857 চনৰ বিদ্রোহৰ বিফলতাৰ দুটা কাৰণ উল্লেখ কৰক।

.....

2 ১০.৪ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- 1857 চনৰ বিদ্রোহত মণিৰাম দেৱানৰ ভূমিকাৰ বিষয়ে জ্ঞান হ'ল।
- 1857 চনৰ বিদ্রোহৰ বিফলতাৰ বিষয়ে জানিব পাৰিলে।
- তেওঁলোকৰ অসন্তুষ্টিয়ে ফুলগুৰিৰ বিদ্রোহ(1861), জয়ন্তীয়াসকলৰ বিদ্রোহ(1860–1863) আৰু অসম বিদ্রোহ(1894)ৰ ৰূপত বহিঃ প্রকাশ পালে।

O ১০.৫ অধিক জানিবলৈ

ইংৰাজী গ্রন্থঃ

1) Barpujari, H.K (2004): *The Comprehensive History of Assam*, Volume-IV, 2nd edition, Publication Board Assam.
2) Baruah, S.L (2012): *A Comprehensive History of Assam*, 3rd edition, Munishram Manoharlal.
3) Dutt, K.N (1993): *Landmarks in the Freedom Struggle in Assam*, Lawyers' Book Stall.

K ১০.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ 24 ফেব্রুৱাৰী,1826,

২ নং প্রশ্নৰ উত্তৰঃ কন্দর্পেশ্বৰ সিংহ,

৩ নং প্রশ্নৰ উত্তৰঃ মণিৰাম দত্ত বৰভাণ্ডাৰ বৰুৱা

৪ নং প্রশ্নৰ উত্তৰঃ 1853-4

৫ নং প্রশ্নৰ উত্তৰঃ বংগৰ লেফটেন্টে গর্ভণৰ ছাৰ জন কেম্পবেলক প্রত্যক্ষ ভাৱে বিষয়টি অৱগত কৰাবলৈ।

৬ নং প্রশ্নৰ উত্তৰঃ দুগৰাকী বিখ্যাত বঙালী ব্যৱসায়ী আশুতোশ দেৱ আৰু প্রমোথ নাথ দেৱৰ ঘৰত।

৭ নং প্রশ্নৰ উত্তৰঃ ফার্ষ্ট আসাম লাইট ইনফেন্ট্রি আৰু ছেকেণ্ড লাইট ইনফেন্ট্রি।

৮ নং প্রশ্নৰ উত্তৰঃ মণিৰামক কলিকতাত গ্রেপ্তাৰ কৰা হৈছিল।

৯ নং প্রশ্নৰ উত্তৰঃ কেপ্টেইন হলৰয়দ।

১০ নং প্রশ্নৰ উত্তৰঃ যোৰহাটত 1858 চনৰ 26 ফ্রেব্রুৱাৰীত।

১১ নং প্রশ্নৰ উত্তৰঃ মধু মল্লিক, ত্রিনয়ন, কমলা বৰুৱা, ধূতিৰাম বৰুৱা আৰু আন আন লোক।

১২ নং প্রশ্নৰ উত্তৰঃ ক) মণিৰাম তথা তেওঁ ৰ সহযোগীসকলৰ ৰাজনৈতিক আৰু সাংগঠনিক দক্ষতা থকা স্বত্বেও বিদ্রোহীৰ সংখ্যা কম হোৱা বাবে আৰু ভাৰতৰ বাকী প্রান্তৰ সৈতে বিচিন্ন হৈ থকা বাবে তেওঁ লোকে লক্ষ্যত উপনীত হোৱাত বিফল হৈছিল।

খ) ভাৰতবর্ষৰ আন প্রান্তৰ হোৱাৰ বিপৰীতে অসমৰ সম্ভ্রান্ত মহলৰ অৱস্থা ইমান শোচনীয় আছিল যে তেওঁলোকে বিদ্রোহীসকলক সহযোগ কৰা নাছিল। তেনেই কম সংখ্যাকেহে মণিৰামৰ এই বিদ্রোহক সমর্থন কৰিছিল।

১৪ নং প্রশ্নৰ উত্তৰঃ আয়কৰ শুল্ক, মুদ্রাংক শুল্ক, অনুজ্ঞাপত্র শুল্ক, আদি।

১৫ নং প্রশ্নৰ উত্তৰঃ লেফটেনেন্ট ছিংগাৰ, এগৰাকী কনিষ্ঠ সহকাৰী আয়ুক্ত।

১৬ নং প্রশ্নৰ উত্তৰঃ 1863 চনত।

১৭ নং প্রশ্নৰ উত্তৰঃ জে. ডি. এণ্ডাৰছন

১৮ নং প্রশ্নৰ উত্তৰঃ পথৰুঘাটৰ বিদ্রোহক দলি ৰণ বুলি জনা যায়, কিয়নো ইয়াৰ জনসাধাৰণে বৃটিছৰ বিৰুদ্ধে নিজৰ ক্ষোভ দৰঙৰ উপায়ুক্ত জে. ডি. এণ্ডাৰছনৰ ওপৰত মাটিৰ চপৰা নিক্ষেপ কৰি প্রকাশ কৰিছিল।

M১০.৭ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ 50 শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ মণিৰাম দেৱানৰ প্রকৃত নাম কি?

প্রশ্ন ২ঃ মণিৰাম দেৱানৰ কলিকতালৈ কিয় গৈছিল?

প্রশ্ন ৩ঃ 1857 চনৰ বিদ্রোহ অসমত বিফল হোৱাৰ দুটা কাৰণ দর্শাৱক।

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ 150-300 শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ অসমত সংঘটিত 1857 চনৰ বিদ্রোহৰ কাৰণসমূহ উল্লেখ কৰক।

প্রশ্ন ২ঃ পিয়লি বৰুৱাৰ ওপৰত এটি চমুটোকা লিখক।

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ 300-500 শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ অসমত 1857 চনৰ বিদ্রোহৰ প্রভাৱৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ঃ অসমত 1857 চনৰ বিদ্রোহ সংঘটিত কৰা পৰিস্থিতিৰ ব্যাখ্যা কৰক।

অধ্যায় ১১ ঃ আধুনিকতাৰ দিশে

অধ্যায় গাঁথনি

1.1 উদ্দেশ্য
11.2 পৰিচয়
11.3 আধুনিক শিক্ষা
11.4 মুদ্রণ সংস্কৃতি
11.5 অসমীয়া মধ্যবিত্ত শ্রেণীৰ ভূমিকা
11.6 ভাষা বিতর্ক
11.7 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
11.8 অধিক জানিবলৈ
11.9 অগ্রগতিৰ খতিয়ান
11.10 আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- উপনিৱেশ অসমত আধুনিক শিক্ষাৰ আৰম্ভণিৰ বিষয়ে বর্ণনা কৰিব
- উপনিৱেশ অসমৰ মুদ্রণ সংস্কৃতিৰ বিকাশৰ বর্ণনা কৰিব
- উপনিৱেশিক অসমত অসমীয়া মধ্যবিত্ত শ্রেণীৰ দ্বাৰা পালন কৰা ভূমিকাৰ নির্ণয় কৰিব
- উপনিৱেশিক অসমত ভাষা বিষয়ত যি বিতর্কই কেন্দ্রবিন্দু হৈছিল তাৰ ব্যাখ্যা কৰিব।

১১.২ পৰিচয়

আগৰ অধ্যায়ত, আপুনি জানিব পাৰিছে কেনেকৈ বৃটিছে অসমত প্রৱেশ কৰিছিল, ক্রমানুসাৰে নিজৰ নিয়ন্ত্রণ বৃদ্ধি কৰিছিল আৰু প্রশাসনীয় পুনঃগঠনৰ লগতে নিজৰ স্থান সম্প্রসাৰণ কৰিছিল। যিয়ে আনকি আভ্যন্তৰীণ বিশৃংখলতা আৰু বাহ্যিক আগ্রাসনৰ কিছু সময়ৰ পিছত প্রদেশত স্থিৰতা আনিছিল। কিন্তু তেওঁলোকৰ শাসনৰ সময়ছোৱাত, বৃটিছে প্রাকৃতিক সম্পদক শোষণ কৰিছিল। বাহিৰৰ মূলধন আৰু বনুৱাৰ লগত আধুনিক উদ্যোগ স্থাপন কৰিছিল, যথেষ্ট কৰ আৰোপ কৰিছিল ইত্যাদি। উপনিৱেশ শাসনৰ প্রতি স্থানীয় মানুহৰ মাজত ক্রমশ অসন্তুষ্টি বৃদ্ধি হৈছিল। যিয়ে বৃটিছৰ বিৰুদ্ধে ক্রমানুসাৰে বিদ্রোহ, বিপ্লৱ আৰু বিস্ফোৰণৰ সৃষ্টি কৰিছিল।

তথাপিও বৃটিছে নিজৰ স্বার্থজনিত লক্ষ্যৰ বাবে প্রদেশক আধুনিক কৰিবলৈ চেষ্টা কৰিছিল। আধুনিক শিক্ষা আৰু চপা যন্ত্রৰ সূচনা কৰা হৈছিল। যিয়ে নতুন ধাৰণা কঢ়িয়াই আনি মধ্যবিত্ত শ্রণীৰ উমানত সহায় কৰিছিল। এই অসমীয়া মধ্যবিত্ত শ্রেণীটোৱে অসমীয়া সমাজৰ পুনৰ গঠনত গুৰুত্বপূর্ণ ভূমিকা লৈছিল। প্রশাসনীয় ব্যৱস্থা চলিবলৈ আৰু আধুনিক শিক্ষাৰ আৰম্ভণিৰ বাবে অসমীয়া স্থানীয় ভাষাৰ পৰিৱর্তে উপনিৱেশ চৰকাৰে বেংগলীৰ ব্যৱহাৰ কৰিছিল। অসমীয়া ভাষাৰ প্রতি উপনিৱেশিক বৈষম্যমূলক কার্যই প্রদেশৰ আঁসোৱাহৰ সৃষ্টি কৰিছিল, যাক ভাষা বিতর্ক হিচাপে ক'ব পাৰি। এই অধ্যায়ত আপুনি উপনিৱেশ শাসনৰ এই সকলোবোৰ দিশৰ বিষয়ে অধ্যয়ন কৰিব পাৰিব।

১১.৩ আধুনিক শিক্ষা

উপনিৱেশ শাসনৰ আৰম্ভণিত, অসমৰ শিক্ষা ব্যৱস্থা টোল, পাঠশালা, মাদ্ৰাছ সত্ৰক সামৰি পৰম্পৰাগত গাঁথনি আছিল, য'ত প্ৰধানত ধৰ্মীয় শিক্ষা দিয়া হৈছিল। সেইবোৰত দিয়া শিক্ষাই মানুহৰ মানসিক আগ্ৰহ বৃদ্ধি কৰাৰ পৰিৱৰ্তে বেছি অযুক্তিকৰ আৰু ভগৱানৰ প্ৰতি ভমৰ সৃষ্টি কৰিছিল। অসমীয়া মানুহ সেইবাবে সচেতন আৰু স্পষ্টবাদী নাছিল।

ইয়াৰ উপৰিও আহোম যুগৰ সময়ছোৱাত শিক্ষা প্ৰধানত পুৰোহিত শ্ৰেণী, অভিজাত অংশ আৰু বৃত্তিধাৰী বিষয়াৰ মাজত সীমাবদ্ধ আছিল। আহোম চৰকাৰৰ অধীনত চাকৰিত সোমাবলৈ শিক্ষিত হোৱাৰ প্ৰয়োজন নাছিল। যিহেতু প্ৰশাসনত বেছি নথিপত্ৰত কামৰ জৰিত নাছিল। বহু আহোম বিষয়াই আনকি উচ্চতম পদবীত থকা সকলোৰো আনুষ্ঠানিক শিক্ষা নাছিল।

কিন্তু উপনিৱেশিক শাসনৰ সময়ত, অৱস্থাৰ পৰিৱৰ্তন হৈছিল যিহেতু উপনিৱেশিক চৰকাৰৰ তলত চাকৰিত প্ৰৱেশৰ বাবে শিকাই মূল অৰ্হতা আছিল। প্ৰাক্তন আহোম বিষয়াসকলে নতুন প্ৰশাসনীয় গাঁথনিত সম্পূৰ্ণ অসমৰ্থ হৈছিল। তেওঁলোকে কেৱল মাত্ৰ আগৰ ক্ষমতা আৰু বিশেষ অধিকাৰ হেৰুওৱাই নহয়, লগতে মৌজাদাৰ, চৌধুৰী ইত্যাদি সৰু পদবী অধিকাৰ কৰিয়েই সন্তুষ্ট আছিল। কাৰ্যালয়ৰ বিশ্বাস আৰু দায়িত্ব ওচৰ চুবুৰীয়া জিলা বেংগলৰ পৰা অহা মানুহৰ দ্বাৰা সম্পূৰ্ণ কৰা হৈছিল। যিহেতু তেওঁলোক শিক্ষিত আছিল আৰু উপনিৱেশিক প্ৰসাসনীয় গাঁথনিৰ লগত অভ্যস্ত আছিল। সেইবোৰ বিষয়াক আমোলা নামেৰে জনা গৈছিল। যিসকলে লগে লগে অসমৰ প্ৰশাসনৰ অধীনত স্থাপন কৰিছিল। আগৰ 'পদবীৰ মানুহৰ' ঠাই বাহিৰৰ পৰা অহা সকলৰ আৰু ব্যৱসায়ৰ মানুহৰ দ্বাৰা সম্পূৰ্ণ কৰা হৈছিল।

ইয়াৰ উপৰিও আধুনিক শিক্ষাৰ আৰম্ভণিতে কৰা উপনিৱেশিক চৰকাৰৰ বাবে প্ৰধান গুৰুত্বপূৰ্ণ বিষয় হৈ পৰে। যাতে তেওঁলোকে অসমত শিক্ষিত মানুহৰ এক শ্ৰেণী সৃষ্টি কৰিব পাৰে। যিসকলে চৰকাৰৰ স্থান সম্পূৰ্ণ কৰিব পাৰে। শিক্ষিত অসমীয়া শ্ৰেণীটোক পশ্চিমীয়া আদৰ্শ আৰু অনুষ্ঠানৰ প্ৰতি আকৰ্ষিত কৰিব পৰা যাব আৰু যাৰ জৰিয়তে সম্ভৱত উপনিৱেশিক শাসনৰ স্পষ্ট প্ৰবক্তা হৈ পৰিব। ইতিমধ্যে 1813 চনত চাটাৰ আইনে ভাৰতৰ অধীকৃত অঞ্চলৰ বাসিন্দাসকলৰ মাজত শিক্ষা যোগান ধৰিবলৈ ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানীৰ বাবে বাধ্যতামূলক কৰিছিল আৰু ইয়াৰ বাবে বছৰি 1 লাখ টকাৰ হিচাপত মজুৰি দিছিল।

ডেভিদ স্কটে আৰম্ভণিতে পৰম্পৰাগত শৈক্ষিক অনুষ্ঠানবোৰ বৰ্তাই ৰখাৰ চিন্তা কৰিছিল। কিন্তু কিছু বছৰৰ বাবে পৰম্পৰাগত শৈক্ষিক পদ্ধতি বৰ্তাই ৰখাৰ পিছত, উপনিৱেশিক ৰে'লৰে অসমত আধুনিক শিক্ষাৰ সূচনাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। এইজন কমিচনাৰ জেনকিন্স আছিল, যিজনে অনুভৱ কৰিছিল যে অসমীয়া মানুহক প্ৰশাসনীয় গাঁথনিৰ অংশীদাৰ কৰাতো উচিত আছিল। চৰকাৰে শিক্ষিত কৰা উচিত আৰু চৰকাৰী পদবীৰ বাবে যোগ্যতাসম্পন্ন হ'বলৈ তেওঁলোকক প্ৰশিক্ষিত কৰা। কিন্তু আধুনিক শিক্ষাৰ যোগান ধৰিবলৈ নতুনকৈ প্ৰতিষ্ঠিত বিদ্যালয়বোৰত ইংৰাজী আৰু চৰকাৰী ভাষাই মাধ্যম হিচাপে নিৰ্দেশ দিয়া হৈছিল। অসমীয়া ভাষা এইদৰে অসমান কৰা হৈছিল যিয়ে অসন্তুষ্টিৰ সৃষ্টি কৰিছিল। অসন্তুষ্টিৰ বিষয়ে আমি 11.6 অংশত অধ্যয়ন কৰিম।

5 জানি থোৱা ভাল

ডেভিদ স্কটে অসমত বৰ্তি ঠকা পৰম্পৰাগত শৈক্ষিক পদ্ধতিৰ সম্প্ৰসাৰণ আৰু বিকাশৰ দ্বাৰা পূৰ্বদেশীয় শিক্ষাক উদগনি দিছিল। তেওঁ ভাৰতৰ উপনিৱেশিক চৰকাৰক অসমীয়া মানুহৰ শৈক্ষিক প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ অসমত পাঠশালা স্থাপনৰ বাবে অনুমতি বিচাৰিছিল। 1826 চনৰ অক্টোবৰ মাহত, স্কটৰ দ্বাৰা ৰাজকীয় বাহিনীৰ অনুমতিক 'গুৰুকুল' পদ্ধতিত বিভিন্ন ঠাইত যেনে গুৱাহাটী, নিলাচল, নদুৱাৰ, পাটি দৰং, হাজো, বজালী, চিলা, বিশ্বনাথ লগতে মঙলদৈত বিদ্যালয় স্থাপন কৰিছিল। এইবোৰ বিদ্যালয়ত শিকাৰ

মাধ্যম আছিল সংস্কৃত। শৈক্ষিকপঞ্জী উপখ্যানমূলক গ্ৰন্থ যেনে ৰামায়ণ, ভাগৱত আছিল লগতে অংক, চিকিৎসা আৰু জ্যোতিমৰ অধ্যায়নো সামৰি লৈছিল।

উপনিৱেশিক চৰকাৰে অসমৰ সদৰ আস্থানত (জিলা মুখ্যালয়) ইংৰাজী মাধ্যমৰ বিদ্যালয় স্থাপন কৰিছিল। এনেধৰণৰ প্ৰথম বিদ্যালয় আছিল গুৱাহাটী বিদ্যালয় মিষ্টাৰ চিংগাৰক প্ৰধান শিক্ষক হিচাপে লৈ 1835 চনত স্থাপন কৰা হৈছিল। আৰম্ভণিতে বিদ্যালয়ৰ তালিকা 58জন ছাত্ৰ-ছাত্ৰী আছিল। যিটো 1838 চনত 150লৈ বৃদ্ধি হৈছিল আৰু 1840 চনৰ শেষলৈ 340টা হৈছিল। একেধৰণৰ বিদ্যালয় নগাঁও, গোৱালপাৰা, বিশ্বনাথ আৰু দৰঙত স্থাপন কৰা হৈছিল। পিছলৈ সেইবোৰ বিদ্যালয় ইংগ-স্থানীয় কৰা হৈছিল, যিহেতু প্ৰাথমিকৰ পৰা ইংৰাজীক উভয় বিষয় আৰু শিক্ষাৰ মাধ্যম হিচাপে যথেষ্ট কঠিন হৈছিল। তদুপৰি জিলাৰ বিদ্যালয়বোৰত দুটা স্বাধীন বিভাগ ইংৰাজী আৰু বেংগলী আছিল।

গাঁৱত বিদ্যালয় স্থাপনৰ বাবে দাবী উঠিছিল। এই দাবী শীৰ্ষবিন্দু পাইছিল যেতিয়া উপনিবেশিক চৰকাৰৰ দ্বাৰা লিখিত ভূমি চৰ্ত পট্টা যোগান ধৰা হৈছিল, যিয়ে সাধাৰণ মানুহক পঢ়া আৰু লিখাৰ বাবে আগ্ৰহী কৰিছিল। যিহেতু তেওঁলোকক নিশ্চিতভাৱে প্ৰবঞ্চনা কৰা হৈছিল। গাঁৱৰ বিদ্যালয়বোৰ প্ৰধানত স্থানীয় (বেংগলী) মাধ্যম আছিল, যাৰ বাবে শিক্ষক বেংগলৰ পৰা অনা হৈছিল। এইবোৰ বিদ্যালয়ত শৈক্ষিক পঞ্জীয়ে প্ৰাথমিক পঢ়া, লিখা আৰু অংকক সামৰি লৈছিল।

বিদ্যালয়বোৰে কেৱল মাত্ৰ উপনিবেশিক চৰকাৰৰ প্ৰচেষ্টাৰ বাবে স্থাপন কৰা হোৱা নাছিল, লগতে খ্ৰীষ্টিয়ান মিছনাৰীসকলৰ দ্বাৰাও ভূমিকা পালন কৰা হৈছিল আৰু মূলধন প্ৰধানত স্থানীয় মানুহৰ দ্বাৰা যোগান ধৰা হৈছিল। আমেৰিকাৰ ব্যাপ্তিষ্ট মিছনাৰীসকল ব্ৰহ্মপুত্ৰ উপত্যকাত যথেষ্ট সক্ৰিয় আছিল। তেওঁলোকে বিভিন্ন ঠাইত বিদ্যালয় স্থাপন কৰিছিল আৰু অসমীয়া ভাষাক সঠিক স্থানত পুনৰ স্থাপন কৰিবলৈ অগ্ৰগামী ভূমিকা পালন কৰিছিল। ৱেলছ কেলভিনিষ্টিক মিছনে খাচী-জয়ন্তীয়া পাহাৰত শিক্ষাৰ প্ৰসাৰৰ বাবে কাম কৰিছিল আৰু পিছলৈ অসমৰ অন্যান্য পাহাৰীয়া ঠাইলৈ তেওঁলোকৰ কামবোৰৰ সম্প্ৰসাৰণ কৰিছিল। স্থানীয় মানুহে বিদ্যালয় স্থাপনৰ প্ৰতি আগ্ৰহ দেখুৱাইছিল যিহেতু চৰকাৰী চাকৰি গাঁৱৰ বাবে শিক্ষা প্ৰয়োজনীয় অৰ্হতা আছিল।

1873 চনত জৰ্জ কেম্পৱেলে বংগৰ লেফটেনেণ্ট গৰ্ভণৰে অসমৰ বিদ্যালয় আৰু আদালতবোৰত অসমীয়া ভাষাৰ সূচনা কৰিছিল। আৰম্ভণিতে ইয়াক প্ৰাথমিক বিদ্যালয়বোৰত সূচনা কৰা হৈছিল। 1880 চন পৰ্যন্ত অসমীয়া কিতাপ পৰ্যাপ্ত নাছিল, মধ্য আৰু উচ্চ বিদ্যালয়ত শিক্ষা বেংগলী ভাষাত দিয়া হৈছিল। ইয়াক পুনৰ আগলৈ বলবৎ কৰা হৈছিল যে য'ত অসমীয়া কিতাপ পৰ্যাপ্ত নাছিল, বিদ্যালয়ৰ সকলো পৰ্যায়তে শিক্ষা বেংগলী নাইবা ইংৰাজীত দিয়া হৈছিল। ইয়াৰ উপৰিও কৌশলগত চৰ্ত আদি সঠিক অসমীয়া শব্দ পৰ্যাপ্ত নহয়, তেতিয়া বেংগলী শব্দৰ ব্যৱহাৰ কৰা উচিত।

অসমীয়া ভাষাৰ আৰম্ভণিয়ে অসমত প্ৰাথমিক বিদ্যালয়ৰ বিকাশত যথে,ট উদগনি দিছিল। 1871-72 অসমত 204খন প্ৰাথমিক বিদ্যালয় আছিল আৰু 1882-83 চনত এই সংখ্যা 1,351 খনলৈ বৃদ্ধি হৈছিল। 1898ৰ পৰা 2002 চনৰ ভিতৰত প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা 2800ৰ পৰা 3534 লৈ বৃদ্ধি হোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা 83,000ৰ পৰা 153,541 লৈ বৃদ্ধি হৈছিল। তলৰ স্থানীয় বিদ্যালয়ৰ সংখ্যা প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়ৰ মাজত মধ্যস্থতাকাৰী হিচাপে গঠিত হৈছিল।

ঊনবিংশ শতিকাৰ শেষত অসমত সাহায্যপ্ৰাপ্ত ইংৰাজী বিদ্যালয়ৰ সংখ্যা আছিল 56 আৰু সাহায্যহীন আছিল 23। উভয় উপত্যকাত চৰকাৰী উচ্চ বিদ্যালয়ৰ সংখ্যা 10খনলৈ বৃদ্ধি হৈছিল। এই বিদ্যালয়বোৰৰ ভিতৰত সাহায্যপ্ৰাপ্ত 5জনত 935জন ছাত্ৰ-ছাত্ৰী আছিল আৰু অৱশিষ্ট সাহায্যহীন 5খনত সংখ্যাৰ শক্তি 937জন ছাত্ৰ-ছাত্ৰী আছিল। সেই পৰ্যন্ত উচ্চ শিক্ষাৰ শৈক্ষিক অনুষ্ঠান প্ৰদেশত নাছিল।

উচ্চ শিক্ষাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলে কলিকতালৈ যাবলৈ আৰম্ভ কৰিছিল। ইয়াৰ প্ৰয়োজনীয়তা পূৰাবলৈ 1865 চনত গুৱাহাটী বিদ্যালয়ক 12,000 টকাৰ বছৰেকীয়া মঞ্জুৰীয়ে মহাবিদ্যালয়ৰ এক লাখ সংযুক্তকৰণৰ দ্বাৰা এখন মহাবিদ্যালয়কেন্দ্ৰিক বিদ্যালয়লৈ উন্নীত কৰা হৈছিল। কিন্তু এই প্ৰয়োগ ব্যৰ্থ হৈছিল। কাৰণ নগন্যসংখ্যক

ছাত্ৰ-ছাত্ৰীহে প্ৰৱেশ পৰীক্ষা সম্পূৰ্ণ কৰিবলৈ সক্ষম হৈছিল। সেইবাবে মহাবিদ্যালয়ৰ অংশ নিয়ন্ত্ৰণ কৰাৰ বাবে অৰ্থনৈতিকভাৱে স্বচ্ছল নাছিল আৰু কিছু বছৰ পিছত ইয়াক উঠাই দিয়া হৈছিল।

অৱশেষত 1901 চনত গুৱাহাটীত কটন মহাবিদ্যালয় স্থাপন কৰা হৈছিল, যাক কলিকতা বিশ্ববিদ্যালয়ৰ স্বীকৃতিভুক্ত কৰা হৈছিল। মহাবিদ্যালয়ৰ কাম চীফ কমিচনাৰ হেনৰি কটনৰ নামানুসাৰে হৈছিল। যিজনে উচ্চ শিক্ষাৰ অনুষ্ঠান স্থাপনৰ বাবে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। আৰম্ভণিতে মহাবিদ্যালয়ত 39জন ছাত্ৰ আছিল আৰু অধ্যক্ষ সমন্বিতে 5জন অধ্যাপক আছিল। 1929–30 চনৰ শৈক্ষিক কাৰ্যসূচীত কটন মহাবিদ্যালয়ত ছোৱালীকত অন্তৰ্ভুক্ত কৰা হৈছিল। সেই সময়ৰ শৈক্ষিক সূচীত মাত্ৰ এজনী ছোৱালী আছিল, যিটো 1940–41 লৈ 75 জনলৈ বৃদ্ধি হৈছিল।

কুৰি শতিকাৰ আৰম্ভণিত অসমত বৃত্তিমুখী আৰু কাৰিকৰী শিক্ষাৰ অনুষ্ঠান স্থাপন কৰা হৈছিল। 1900 চনত ডিব্ৰুগড়ক সম্পূৰ্ণ ব্যক্তিগত প্ৰচেষ্টাত জন বেৰি হোৱাইট মেডিকেল বিদ্যালয় স্থাপন কৰা হৈছিল। 1914 চনত গুৱাহাটীত প্ৰথম এই আইন মহাবিদ্যালয় স্থাপন কৰা হৈছিল। 1927 চনত যোৰহাটত প্ৰিন্স অৱ ৱেলছ কাৰ্যকৰী বিদ্যালয় স্থাপন কৰা হৈছিল। যাৰ বাবে জগন্নাথ বৰুৱাৰ পৰিয়ালে 1 লাখ টকাৰ দান দিছিল। 1917 চনৰ পৰা ক্ৰমানুসাৰে প্ৰতিনিধি জৰিয়তে আৰু আবেদনৰ জৰিয়তে অসমত পৃথক বিশ্ববিদ্যালয় স্থাপনৰ বাবে দাবী উঠিছিল। অৱশেষত উপনিৱেশিক চৰকাৰে 1947 চনৰ আইনৰ জৰিয়তে গুৱাহাটীত বিশ্ববিদ্যালয় স্থাপনৰ বাবে সিদ্ধান্ত লৈছিল। অৱশ্যে স্বাধীনতাৰ পিছত 1948 চনত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কিমান চনত গুৱাহাটী বিদ্যালয়ক কলেজিয়েট বিদ্যালয়লৈ উন্নীত কৰা হৈছিল?

.....

প্ৰশ্ন নং ২ ঃ কটন মহাবিদ্যালয়ৰ প্ৰথম অধ্যক্ষৰ নাম লিখা।

.....

প্ৰশ্ন নং ৩ ঃ কিমান চনত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল?

.....

১১.৪ মুদ্ৰণ সংস্কৃতি

অসম মুদ্ৰণ সংস্কৃতিৰ উত্থান অন্য এক উপনিৱেশিক বিকাশ হৈছিল। যাৰ বাবে আমেৰিকাৰ ব্যাপ্তিষ্ট মিছনাৰীসকলৰ ওপৰত যথেষ্ট ঋণী। মিছনাৰীসকলে অসমত প্ৰথম ছপা যন্ত্ৰ স্থাপন কৰিছিল। শদিয়াৰ ব্যাপ্তিষ্ট মিছন প্ৰেছ, যিটো শিৱসাগৰলৈ পৰিৱৰ্তন কৰা হৈছিল। তাৰ পৰা তেওঁলোকে নাথান ব্ৰাউনৰ সম্পাদনাৰ অধীনত 1846 চনৰ জানুৱাৰী মাহত প্ৰথম অসমীয়া মাহিলী সংবাদ পত্ৰিকা অৰুণোদয় (ডন অব দ্য ডে) প্ৰকাশন কৰিছিল। 1880 চন পৰ্যন্ত ব্ৰাউন, ডনফোৰ্ট, হুইটিং, ৱ্ৰনছন, মিচেচ, ৱার্ড, ক্লার্ক আৰু গার্ণেৰ সফল সম্পাদনাত এই মাহেকীয়া আলোচনীখন ইয়াৰ প্ৰকাশন বৰ্তাই ৰাখিছিল।

তথাপিও অৰুণোদয় যুগৰ আগৰ সময়ছোৱাত বংগৰ ছপা মাধ্যমে শিক্ষিত অসমীয়া মানুহৰ ওপৰত প্ৰবাৱ পেলাইছিল। অসমত সাংবাদিকতাৰ অনুপস্থিতিক তাৰ পৰা প্ৰকাশন হোৱা বেংগলী আৰু ইংৰাজী বাতৰি কাকত আৰু পত্ৰিকাৰ দ্বাৰা সম্পূৰ্ণ কৰা হৈছিল। সেইবোৰ বাতৰি কাকত আৰু পত্ৰিকা যেনে সমাচাৰ দৰ্পন, দী ফ্ৰেইণ্ড অৱ ইণ্ডিয়া, সোম প্ৰকাশ ইত্যাদিয়ে জনসাধাৰণৰ মাজত সচেতনতা বৃদ্ধিৰ বাবে অসমৰ বিভিন্ন বিষয়ৰ ওপৰত বাতৰি প্ৰকাশন কৰিছিল। এইবোৰ বাতৰি কাকত আৰু পত্ৰিকাৰ প্ৰদেশত যথেষ্ট জনপ্ৰিয়তাৰ ফলত সংস্কৰণ বৃদ্ধি হৈছিল।

কিন্তু অৰুণোদয়ৰ প্ৰকাশনৰ পিছত, বহু বাতৰি কাকত আৰু আলোচনা অসমত ইংৰাজী আৰু অসমীয়া

উভয়তে প্ৰকাশ কৰিবলৈ আৰম্ভ কৰিছিল। কিন্তু সেইবোৰ আলোচনী আৰু বাতৰি কাকত মাহেকীয়া ভিত্তিক প্ৰকাশন কৰা হৈছিল আৰু কম সময়ৰ বাবে বৰ্তি আছিল। ঊনবিংশ শতিকাৰ শেষ ভাগত আসাম বিলাসিনী, অসম দিপিকা, গোৱালপাৰা হিতসাধিনী, অসম দৰ্পন মৌ, অসম তাৰা আৰু চন্দ্ৰোদয়া আদি কিছুমান বৰ্তি থকা আৰু লুপ্ত হোৱা দেখা গৈছিল।

গুৱাহাটীৰ পৰা প্ৰকাশিত অসম মিহিৰ অসমৰ প্ৰথম সাপ্তাহিক বাতৰি কাকত আছিল। যি কেৱল মাত্ৰ 1872-73 চনলৈ বৰ্তি আছিল। হেমচন্দ্ৰ বৰুৱাৰ সম্পাদনাৰ অধীনত 1882 চনত গুৱাহাটীৰ পৰা প্ৰকাশন কৰা দী আছাম নিউজ নামেৰে প্ৰথম এংলো অসমীয়া সাপ্তাহিক বাতৰি কাকত আছিল। যিয়ে দৰকাৰী জ্ঞান আৰু তথ্যৰ বিষয়বোৰ লগতে সাধাৰণ মানুহৰ সমস্যাৰ ওপৰত ৰাজহুৱা মতে বৃদ্ধি কৰিছিল। সাপ্তাহিক যেনে দী আছাম, দী এডভেকেট অৰ আছাম আৰু অসম বিলাসিনীত জাতীয়তাবাদৰ সুৰ আছিল। তথাপিও সাপ্তাহিক যেনে অসম বন্তি আৰু দী টাইমচ অৰ আসাম প্ৰকৃতিত নৰমপন্থী আছিল। গুণাভিৰাম বৰুৱাৰ দ্বাৰা সম্পাদনা কৰা আৰু 1885 চনত নগাঁৱৰ পৰা প্ৰকাশ কৰা অসম বন্ধুৰে, সাধাৰণ গুৰুত্বপূৰ্ণ বিষয় আৰুকলা, বিজ্ঞাপনৰ ওফৰত লিখনি প্ৰকাশনৰ দ্বাৰা অসমীয়া মানুহৰ মানসিক উৎকৰ্ষ বৃদ্ধি কৰিবলৈ চেষ্টা কৰিছিল। হৰনাৰায়ণ বৰাৰ দ্বাৰা সম্পাদনা কৰা মাহেকীয়া আলোচনী মৌৰ দ্বাৰা সেই সময়ৰ জ্বলন্ত সমস্যাৰ ওফৰত অগ্ৰগামী আৰু গঠনমূলক অভিমত বৃদ্ধি কৰা হৈছিল। তাত চৰকাৰক সমৰ্থনকাৰী বাতৰি কাকত যেনে ইংলিছ মেন ও আছিল।

1883 চনত অসমৰ পৰা প্ৰকাশন কৰা পৰিদৰ্শক নামৰ বেংগলী কাকত আছিল তাৰ পিছত সাপ্তাহিক বাতৰি কাকত যেনে শিলচৰ, শ্ৰীহট্, মিহিৰ, শ্ৰীহট্ট দৰ্পন ইত্যাদি। প্ৰদেশত প্ৰকাশন কৰা হৈছিল। বিধু ভূষণ সেনৰ সম্পাদনাৰ অধীনত শিলচৰে সেই সময়ৰ সকলো গুৰুত্বপূৰ্ণ সামাজিক আৰু ৰাজনৈতিক ঘটনাৰ সামৰি লৈ জন অভিমত সৃষ্টিত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। পিচলৈ পৰিদৰ্শক আৰু শ্ৰীহট্ট মিহিৰক নতুন নাম পৰিদৰ্শক ও শ্ৰীহট্টবাসীৰ অধীনত এক কৰা হৈছিল।

1889 চনত চন্দ্ৰ কুমাৰ আগৰৱালাৰসম্পাদনাৰ অধীনত 'জোনাকী' নামেৰে এখন মাহেকীয়া আলোচনী প্ৰকাশ কৰা হৈছিল আৰু হেমচন্দ্ৰ গোস্বামী লক্ষ্মীনাথ বেজবৰুৱা, কনকলাল বৰুৱা আৰু ৰত্নকান্ত বৰকাকতিৰ দ্বাৰা ইয়াক অনুসৰণ কৰা হৈছিল। এই আলোচনীখন অৰাজনৈতিক আছিল আৰু অসমত সাহিত্যিক জাগৰণ আনিছিল। 1893 চনত কলিকতাৰ পৰা ইয়াৰ প্ৰকাশন সমাপ্ত কৰা হৈছিল। কিন্তু সত্যনাথ বৰাৰ সম্পাদনাত গুৱাহাটীৰ পৰা ইয়াক পুনৰ প্ৰকাশন কৰা হৈছিল।

কুৰি শতিকাৰ সময়ত, তিনিখন মাহেকীয়া আলোচনী উষা, বণ্টি আৰু আলোচনী কিছু বছৰৰ বাবে বৰ্তি আছিল। কিন্তু মিছনাৰী মুখপাত্ৰ দিপ্তী আৰু সাপ্তাহিক ইংৰাজী যেনে- দী ইমেচটার্ণ হেৰাল্ড দী চিটিমেন, দী আচামীচ, ক্ৰনিচকাশ আৰু দী আচাম হেৰাল্ড, ধনৰ অভাৱ, চপাৰ সমস্যা আৰু জন সমৰ্থনৰ সমস্যাৰ বাবে কিছু সময়ৰ পিছত হিচাপৰপৰা নোহোৱা হৈ গৈছিল।

1911 চনত চন্দ্ৰোদয় বিদ্যাবিনোদ আৰু পিছলৈ ভূবন মোহন বিদ্যানাৰ্ভৰ সম্পাদনাত বংগ সাপ্তাহিত দী সুৰমাৰ প্ৰকাশন কৰা হৈছিল, যিয়ে সুৰমা উপত্যকাৰ মানুহৰ মাজতজন সচেতনতা বৃদ্ধি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। 1919 চনত অম্বিকা ৰায় চৌধুৰীকে তেওঁৰ গুৱাহাটীত থকা 'অৰুণা' ছপাশালৰ পৰা জাতীয় চন্দ থকা আলোচনী 'চেতনা' প্ৰকাশন কৰিছিল। যিয়ে অসমৰ প্ৰতিভাশালী তৰুণ লিখক যেনে— ৰঘুনাথ চৌধাৰী, সূৰ্য কুমাৰ ভূঞা, জ্ঞাননাথ বৰা ইত্যাদিয়ে তেওঁলোকৰ জাতীয়তাবাদী দৃষ্টিভংগীৰে লিখা লিখনি প্ৰকাশন কৰাৰ বাবে এক মঞ্চ পাইছিল।

অসমত মুদ্ৰন সংস্কৃতিৰ বিকাশৰ ফলত বাতৰি কাকত, আলোচনী ইত্যাদিৰ প্ৰকাশন হৈছিল, যিয়ে গুৰুত্বপূৰ্ণ বিষয়বোৰত গুৰুত্ব দিয়াৰদ্বাৰা অসমৰ মানুহৰ মাজত সচেতনতা বৃদ্ধিত প্ৰধান ভূমিকা পালন কৰিছিল। ইয়ে অসমৰ বিষয়ৰ ওফৰত নেতৃত্ব বহনকাৰী জাতীয় বাতৰি কাকত যেনে— হিন্দু পেট্ৰিয়ট, আনন্দ বাজাৰ পত্ৰিকা আৰু বেংগলী আদিত বাতৰি প্ৰকাশনত সহায় কৰিছিল।

Wঅগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ প্রথম অসমীয়া মাহেকীয়া বাতৰি আলোচনীখনৰ নাম লিখা।

.....

প্রশ্ন নং ৫ ঃ অসমৰ প্রথম সাপ্তাহিক বাতৰি কাকতখনৰ নাম লিখা।

.....

১১.৫ অসমৰ মধ্যবিত্ত শ্রেমীৰ ভূমিকা

মধ্যবিত্ত শ্রেণীৰ ধাৰণা নগৰীয় আছিল আৰু ইউৰোপত ইয়াৰ গুৰি আছিল। সামন্তবাদৰ পতনৰ পিছত ইয়াৰ সৃষ্টি হৈছিল আৰু নতুনকৈ বিকশিত নগৰ আৰু মহানগৰত ব্যৱসায়ীক আৰু উদ্যোগিক ধনীক শ্রেণীৰ উত্থান হৈছিল। অর্থনৈতিক আৰু কাৰিকৰী পৰিৱর্তনৰ ফলস্বৰূপে পশ্চিমত ইয়াৰ উত্থান হৈছিল আৰু এই শ্রেণীৰ মানুহ ব্যৱসায় আৰু উদ্যোগত জড়িত হৈছিল।

তথাপিও ভাৰতত, মধ্যবিত্ত শ্রেণীৰ উত্থান প্রশাসনীয় গাঁথনি আৰু ন্যায়িক অনুষ্ঠানৰ পৰিৱর্তনৰ কাৰণৰ বাবে হৈছিল। বৃটিছে নিজৰ শাসনক সম্প্রসাৰণ কৰাৰ বাবে প্রশাসনীয় আৰু বৃত্তিমুখী স্থানীয় মানুহৰ প্রয়োজন হৈছিল। সেইবাবে তেওঁলোকে আধুনিক শ্রেণীৰ আৰু দেশৰ প্রসাসনীক গাঁথনিক চোৱাচিতা কৰিবলৈ থকা বৃত্তিমুখী অর্হতাসম্পন্ন থকা শিখিত ভাৰতীয়ৰ মাজত মধ্যবিত্ত শ্রেণীৰ সৃষ্টি কৰিছিল।

অসমতো একে অৱস্থাই বর্তি আছিল। 11.3 অংশত ইয়াক বর্ণনা কৰা হৈছে যে পূর্বৰ আহোম বিষয়াসকল সম্পূর্ণ অযোগ্য বিবেচিত হৈছিল। উপনিৱেশিক প্রশাসনৰ বাবে বোজা হৈ পৰে। গতিকে আধুনিক শিক্ষাৰ মোগলৰ দ্বাৰা এক শিক্ষিত শ্রেণীৰ কৰা হৈছিল। যিয়ে চৰকাৰৰ বিষয়বাব পূর্ণ কৰিছিল আৰু এক মধ্যবিত্ত শ্রেণী হিচাপে উত্থান হৈছিল। ইয়াৰ উপৰিও অন্যান্য কাৰকৰ উপৰিও আধুনিক শিক্ষা, মুদ্রন সংস্কৃতিয়েও অসমীয়া মধ্যবিত্ত শ্রেণীৰ বিকাশত সহায় কৰিছিল।

চৰকাৰী চাকৰি কৰা সকলৰ উপৰিও, ব্যৱসায়ীক শ্রেণী, উমিলাসকলও আছিল, যি সকলো অসমীয়া মধ্যবিত্ত শ্রেণীটোৰ অংশীদাৰ আছিল। অসমীয়া ব্যৱসায়ী শ্রেণী প্রধানত চাহ বাগিচাৰ মালিক আৰু কাঠৰ সদচাৰ যেনে মনিৰাম দেৱান, মানিক চন্দ্র বৰুৱা, ভোলানাথ বৰুৱা, জগন্নাথ বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, কালি প্রসাদ চলিহা, শ্বেখ শ্বাহানুৰ আলি ইত্যাদিক সামৰি লৈছিল। নেতৃত্ব বহনকাৰী উকিল আছিল- কমলা কান্ত দাস, ৰাম প্রসাদ দাস, মহেন্দ্র মোহন লাহিৰি, কামিনী কুমাৰচান্দ, নবীন চন্দ্র দে, কৃষ্ণ চৌধুৰী ইত্যাদি।

নতুনকৈ উত্থান হোৱা মধ্যবিত্ত শ্রেণীটোৱে অসমীয়া সমাজত নতুন সামাজিক মূল্য আৰোপ কৰিছিল। শ্রেণী বৈষম্য তাত আছিল আৰু কমলা কান্ত ভট্টাচার্যই ইয়াক আতৰ কৰাৰ বাবে, জন্মসূত্রে ব্রাহ্মণ হিচাপে পবিত্র ভক্তক আতৰাই পেলাইছিল। ভগৱানে বিষ্ণুৰ শিলৰ প্রতিমূর্তি ব্যৱহাৰ কৰিছিল আৰু ৰাজহুৱাভাৱে অ-ব্রাহ্মণৰ দ্বাৰা বন্ধা খাদ্য খাইছিল। আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্র বৰুৱা আৰু গুণাভিৰাম বৰুৱাই মহিলাৰ মুক্তিৰ বাবে প্রবক্তাৰ বাপ লৈছিল। গুনাভিৰাম বৰুৱাই নিজেই বিধবা পুনৰ বিবাহক উদগনি দিয়াৰ বাবে বিধবাক বিয়া কৰাইছিল। কামিনী কুমাৰ চন্দা মহিলা মিঞাৰ বাবে এজন বিখ্যাত প্রবক্তা আছিল আৰু অস্পৃশ্যতা, শ্রেণী বৈষম্য ইত্যাদিৰ বিৰুদ্ধে কাম কৰিছিল।

যি আফিঙৰ আসক্তিৰ নিচিনা বিষয়েও মধ্যবিত্ত শ্রেণীক আকর্ষণ কৰিছিল। অসমীয়া বৌদ্ধিক যেনে আনন্দৰাম ঢেকিয়াল ফুকন, গুনাভিৰাম বৰুৱা আৰু হৰিবিলাস আগৰৱালা আদিয়ে 1853 চনত এ জে এফট মিলছৰ আগত অপকাৰী আফিঙৰ খেতিৰ আৰু আফিঙৰ আসক্তিৰপৰা অসম আৰু অসমৰ জনসাদাৰণক ৰক্ষা কৰিবলৈ প্রতিনিধিত্ব আগবঢ়াইছিল। 1871 চনত ভাইচৰম নর্থব্রুক অসমলৈ অহাৰ সময়ত জগন্নাথ বৰুৱা আৰু মানিক চন্দ্র বৰুৱাই অসমৰ প্রাকৃতিক সম্পদৰ বিকাশৰ বাবে ৰে'লপথৰ নির্মাণ ক্ষীপ্রতাৰে সম্পূর্ণ কৰিবলৈ অনুপ্রাণিত কৰিছিল।

হলিৰাম ঢেকিয়াল ফুকনে বংগ পত্রিকাত নিজৰ লিখনিৰ জৰিয়তে আৰু আনন্দৰাম ঢেকিয়াল ফুকনে অৰুণোদয়ত লিখা লিখনিৰ জৰিয়তে, অসমৰ জনগণক বংগৰ লগত সাংস্কৃতিক সম্পর্ক স্থাপন কৰিবলৈ আৰু ইংৰাজ লোকৰ অনুসৰণ কৰি জ্ঞান আহৰণৰ লগতে মানসিক উৎকর্ষতাৰ বিকশিত কৰিবলৈ অনুপ্রাণিত কৰিছিল। বলিনাৰায়ণ বৰাই 'মৌ'ৰ জৰিয়তে অসমৰ তৰুণ জনগণক নিম্নমানৰ চৰকাৰী চাকৰিৰ সৈতে সন্তুষ্ট নাথাকি কেন্দ্রীয় চৰকাৰ অধীনৰ উচ্চখাপৰ কার্যালয়ত অর্হতাসম্পন্ন কৰিবলৈ অনুপ্রাণিত কৰিছিল।

মধ্যবিত্ত শ্রেণীৰ নেতৃত্বৰ অধীনত দুখীয়া খেতিয়কসকলে জনপ্রিয় সভাৰ জৰিয়তে যাক অসমীয়া ভাষাত ৰাইজমেল হিচাপে জনা গৈছিল। উপনিবেশিক চৰকাৰৰ ভূমি ৰাজহ অৱস্থাৰ বিৰুদ্ধে মাত মাতিছিল। দিননাথ বেজবৰুৱা, ঘনশ্যাম বৰুৱা, মানিক চন্দ্র বৰুৱা আৰু অন্যান্য অসমীয়া মধ্যবিত্ত শ্রেণীক প্রতিনিধিত্ব কৰা সকল মৌজাদাৰ পৰিয়ালৰ আছিল আৰু ভূমি ৰাজহ কার্যই তেওঁলোকৰ ভূমিৰ স্বার্থত প্রভাবান্বিত কৰিছিল। সেইবাবে তেওঁলোকে বৃটিছৰ বিৰুদ্ধে যুজিবলৈ কৃষকৰ সৈতে সংযুক্ত হৈছিল। হৰিবিলাস আগৰৱালাই 1884 সেই অঞ্চলৰ কৃষকৰ অসন্তুষ্টিৰ বহিঃপ্রকাশ ঘটাবলৈ তেজপুৰ ৰাসত সভা গঠন কৰিছিল। 1886 চনত নগাঁও ৰাসত এছোচিয়েশন একে উদ্দশ্যত গঠন কৰা হৈছিল।

কৃষক সংগঠনৰ উপৰিও, অসমীয়া মধ্যবিত্ত শ্রেণীৰ দ্বাৰা বিভিন্ন সামাজিক, ৰাজনৈতিক সংস্থা স্থাপন কৰা হৈছিল। যোৰহাট-সার্বজনীন সভা আৰু আসাম এছচিয়েশ্যন ইয়াৰ ভিতৰত প্রধান আছিল আৰু জগন্নাথ বৰুৱাই এই দুই সংস্থাক গঠনত নেতৃত্ব লৈছিল। অন্যান্য কিছুমান সামাজিক-ৰাজনৈতিক সংস্থা আছিল। জ্ঞান প্রদানী সভা, চিলং এছচিয়েশ্যন, অসম দেশ হিতৈষিনী সভা ইত্যাদি। এইবোৰ সামাজিক-ৰাজনৈতিক সংস্থা অসমৰ মানুহৰ প্রতিনিধিত্বকাৰী গোটত পৰিণতহৈছিল। এইবোৰ সংস্থাৰ নেতাসকলে শান্তিপূর্ণ আৰু নমনীয় পন্থাৰে অসমৰ সামাজিক-ৰাজনৈতিক বিষয়ৰ ওফৰত মাত মাতিছিল আৰু উপনিবেশিক চৰকাৰৰ সন্মুখত আৱেদন আৰু টোকা দাখিল কৰিছিল।

অসমীয়া ভাষাৰ সঠিক স্থানত স্থাপন কৰাৰ বাবে, মধ্যবিত্ত শ্রেণীটোৱে খ্রীষ্টিয়ান মিছনাৰীসকলৰ সৈতে সংযুক্ত হৈ গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। এই প্রসংগত আমি পৰৱর্তী অংশত বিস্তৃতভাৱে অধ্যক্ষ কৰিম। উপনিবেশিক সময়ছোৱাত মধ্যবিত্ত শ্রেণীৰ গুৰুত্বপূর্ণঐ অৱদানৰ জৰিয়তে অসমীয়া সাহিত্যৰ যথেষ্ট বিকশিত হৈছিল। সেই সময়ৰ গুৰুত্বপূর্ণ সাহিত্যিক যেনে— লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্র বৰুৱা, চন্দ্র কুমাৰ আগৰৱালা আৰু জ্যোতি প্রসাদ আগৰৱালা মধ্যবিত্ত শ্রেণীৰ মাজৰপৰা আছিল। অসমীয়া ভাষা আৰু সাহিত্যৰ বিকাশৰ বাবে বৌদ্ধিক মধ্যবিত্ত শ্রেণীৰ দ্বাৰা সংগঠন যেনে— আসাম লিটেচাৰী চোছাইটি (1872) অসমীয়া ভাষা উন্নতি সাধিনী সভা (1888] গঠন কৰা হৈছিল।

অসমৰ জলন্ত সমস্যাৰ ওপৰত অসমীয়া মধ্যবিত্ত শ্রেণীটোৱে আকর্ষণ আৰু মাত মতাৰ লগতে জাতীয় বিষয়তো তেওঁলোকৰ লক্ষ্য ৰাখিছিল। জাতীয় ৰাজনীতিৰ পৰাও তেওঁলোক অকলশৰীয়াকৈ থকা নাছিল। অসমৰ বিভিন্ন সামাজিক, ৰাজনৈতিক সংস্থাৰ প্রতিনিধিসকলে ভাৰতীয় জাতীয় কংগ্রেছৰ বছৰেকীয়া অধিৱেশনত উপস্থিত আছিল। মধ্যবিত্ত শ্রেণীয়ে দিয়া নেতৃত্বৰ অধীনত ভাৰতৰ অন্যান্য অংশৰ নিচিনা অসমীয়া মানুহে ভাৰতৰ স্বাধীনতা আন্দোলনৰ স্বদেশীৰ পৰা ভাৰত ত্যাগ আন্দোলনলৈ অংশগ্রহণ কৰিছিল। আনকি অসমীয়া মধ্যবিত্ত শ্রেণীৰ প্রতিনিধি, মনিৰাম দেৱানে অসমত 1857 চনৰ বিদ্রোহক ত্বৰান্বিত কৰিবলৈ চেষ্টা কৰিছিল।

যদিও অসমৰ মধ্যবিত্ত শ্রেণী উপনিৱেশিকতাবাদৰ সৃষ্টি আছিল, কিন্তু খুৰ সোনকালেই সমাজ, সাংস্কৃতিক, অর্থনৈতিক আৰু ৰাজনৈতিক কামবোৰৰ নেতৃত্ব বহনকাৰী অতি গুৰুত্বপূর্ণ ভাব প্রকাশকাৰী অংশ হৈ পৰে।

Wঅগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ যোৰহাট সার্বজনীক সভা গঠনত কোনে গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল।

.....

প্ৰশ্ন নং ৭ ঃ তেজপুৰ ৰায়ত সভা কোনে গঠন কৰিছিল?

.....

প্ৰশ্ন নং ৮ ঃ কোন চনত নগাঁও ৰায়ত এচোচিয়েচন গঠন হৈছিল?

.....

১১.৬ ভাষা বিতর্ক

1826 ৰ পৰা 1873 চনৰ ভিতৰত অসম আৰু বেংগলক এক প্ৰশাসনীয় গাঁথনিৰ অধীনত সামৰি লোৱা হৈছিল। উপনিৱেশিক চৰকাৰে অসমৰ প্ৰশাসন ব্যৱস্থা ভালদৰে চলাবলৈ, বেংগলী ভাষাক চৰকাৰী ভাষা হিচাপে ব্যৱহাৰ কৰিছিল। যিহেতু বিষয়া-কৰ্মচাৰী মণ্ডলী ওচৰ চুবুৰীয়া জিলা বংগৰ পৰা অন্তৰ্ভুক্ত কৰা হৈছিল। তদুপৰি, আধুনিক শিক্ষাৰ সূচনা কৰিবলৈ, বেংগলীৰ লগতে ইংৰাজীকো অধ্যয়নৰ মাধ্যম কৰা হৈছিল। উপনিৱেশিক চৰকাৰৰ এনে কামে অসমীয়া ভাষাক পটভূমিৰপৰা দলিয়াই পেলাইছিল।

অসমীয়াৰ দৃষ্টিভংগীৰ পৰা, অসমীয়া আমাৰ প্ৰতি এনেধৰণৰ অসাৱধানতাৰ অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতিৰ বাবে অন্ধকাৰ যুগ হিচাপে স্বীকাৰ কৰা হৈছিল আৰু সেইবাবে তেওঁলোকৰ নিজা ভাষাৰ গৌৰৱক সু�ৰক্ষিত কৰিবলৈ প্ৰদেশৰ মানুহক প্ৰৰোচিত কৰিছিল। অসমীয়া মানুহৰ দ্বাৰা কৰা শক্তিশালী বিৰোধিকাৰ পৰিৱৰ্তে উপনিৱেশিক চৰকাৰে শক্তিশালীভাৱে বিশ্বাস কৰিছিল যে অসমীয়া ভাষা একো নাছিল, বৰং বেংগলী ভাষাৰ গঠন নাইবা এক সংস্কৰণ।

তথাপিও অসমীয়া মানুহৰ দ্বাৰা বেংগলী ভাষাৰ আধিপত্যক পৰিত্যাগৰ দ্বাৰা অসমীয়া ভাষাক সঠিক স্থানত পুনৰ স্থাপন কৰাৰ বাবে চেষ্টা কৰা হৈছিল। এই ক্ষেত্ৰত আনন্দৰাম ঢেকিয়াল ফুকনে এ জে মফট মিলছৰ অসম ভ্ৰমণৰ সময়ত উপনিৱেশিক চৰকাৰক অসমৰ আদালত আৰু বিদ্যালয়ত অসমীয়া ভাষাক পুনৰস্থাপন কৰিবলৈ এখন আবেদন দাখিল কৰিছিল।

আগলৈ ঢেকিয়াল ফুকনে যুক্তি দিছিল যে অসমত শিক্ষাক উদগনি দিবলৈ স্থানীয় ভাষাত অর্থাৎ অসমীয়া ভাষাত শিক্ষা দিয়াতো সম্পূৰ্ণৰূপে গুৰুত্বপূৰ্ণ আছিল। তেওঁ আনকি মিলছক বিভিন্ন পশ্চিমীয়া আৰু ভাৰতীয় ভাষাৰ কিতাপ অসমীয়াত প্ৰকাশ কৰিবলৈ দিছিল অনুৰোধ কৰিছিল আগতে অসমৰ মানুহে পশ্চিমীয়া প্ৰগতিশীল ধাৰণাৰ লাভ কৰিব পাৰে।

ইতিমধ্যে 1849 চনত অসমীয়া শিশুৰ লাভৰ বাবে ঢেকিয়াল ফুকনে অসমীয়া ভাষাত অসমীয়া ল'ৰাৰ মিত্ৰ নামেৰে আদিপাঠ প্ৰকাশন কৰিছিল। তেওঁৰ পুস্তিকা- এ ফিউ বিমার্কচ অন দী আচামীৰ লেংগুৱেজ এণ্ড অন ভাৰনেকুলাৰ এডুকেছন ইন আছাম (1855] অসমৰ বিদ্যালয়ত বেংগলী ভাষাক অধ্যয়নৰ মাধ্যম হিচাপে গ্ৰহণ ইয়াৰ উপৰিও ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱাই অসমীয়া ভাষাক সঠিক স্থানত বহুবাৰ বাবে কৈছিল। তেওঁ অসমীয়া ভাষাত বহু কিতাপ যেনে— অসমীয়া ব্যাকৰণ, আদিপাঠ, পাঠশালা, অসমীয়া ভাষাৰ ব্যাকৰণ ইত্যাদি সম্পাদনা কৰিছিল, যিবোৰ পিছলৈ প্ৰদেশৰ বিদ্যালয়ৰ পাঠ্যপুথি হিচাপে ব্যৱহাৰ কৰা হৈছিল। প্ৰথম অসমীয়া বিস্তৃত অভিধান হেমকোষ সম্পাদনা কৰাৰ স্থানৰো তেওঁলৈকে যায়।

আমেৰিকাৰ ব্যাপ্তিষ্ট মিছনাৰীসকলেও অসমত বঙালী ভাষাৰ প্ৰয়োগৰ বিৰোধিতা কৰিছিল। ইয়াৰ কাৰণ আছিল যে ইংৰাজী অসমত পৰিচিত ভাষা নাছিল আৰু গতিকে খ্ৰীষ্টিয়ান মিছনাৰীসকলে খ্ৰীষ্টান ধৰ্মক প্ৰদেশত প্ৰচাৰ কৰাৰ উদ্দেশ্যে স্থানীয় ভাষাক (অসমীয়া ভাষা) শিকিবলৈ বাধ্য হৈছিল শিৱসাগৰৰ পৰা তেওঁলোকে প্ৰথম মাহেকীয়া আলোচনী অৰুণোদয়, স্থানীয় ভাষাক উন্নীত কৰিবলৈ আৰু বৌদ্ধিক সচেতনতাৰ বাবে মানুহৰ মাজত পশ্চিমীয়া প্ৰগতিশীল ধাৰণাক যোগান ধৰিবলৈ প্ৰকাশ কৰিছিল।

ধৰ্মীয় কিতাপৰ লগতে খ্ৰীষ্টিয়ান মিছনাৰীসকলে অসমীয়া ভাষাত ব্যাকৰণ, অভিধান আৰু অন্যান্য পাঠ্যপুথি প্ৰকাশ কৰিবলৈ আৰম্ভ কৰিছিল। তেওঁলোকে শক্তিশালীভাৱে কৈছিল যে অসমত বিদ্যালয়ৰ মাধ্যম স্থানীয় ভাষাত দিয়া উচিত। তেওঁলোকে মত প্ৰকাশ কৰিছিল যে অসমীয়া পাঠ্যপুথি যোগান নধৰা পৰ্যন্ত অসমত

বঙালী পাঠ্যপুথি ব্যৱহাৰ কৰা উচিত।

মিচনাৰী কার্যবোৰ মাইলচ ব্রুনচন, (ভাষাবিদ), মিষ্টাৰ কাটাৰ, এ এইচ ডানফোর্ট, উইলিয়াম ৰবিনচন ইত্যাদিৰ দ্বাৰা নেতৃত্ব দিয়া হৈছিল। উইলিয়াম ৰবিনচনে অসমীয়া ভাষাত এখন ব্যাকৰণৰ কিতাপ প্রকাশ কৰিছিল। মাইলচ, ব্রনচনে এ দিছনাৰী ইন আসামীচ এণ্ড ইংলিচ সম্পাদনা কৰিছিল আৰু অসমীয়া ভাষাক ত্বৰান্বিত কৰিবলৈ 1867 চনত শিৱসাগৰৰ পৰা ইয়াক প্রকাশ কৰা হৈছিল। কেইজনমান বংগৰ বিখ্যাত ব্যক্তিয়েও অসমীয়া ভাষাৰ পৃথক পৰিচয়ক স্বীকাৰ কৰিছিল আৰু গতিকে ইয়াৰ উন্নতি আৰু বিকাশৰ প্রতি অৱদান আগবঢ়াইছিল। আশাতোষ বেনার্জীৰ স্বার্থহীন প্রচেষ্টাৰ বাবে কলিকতা বিশ্ববিদ্যালয়ত অসমীয়া স্নাতকোত্তৰ অধ্যয়নৰ বিষয় হৈ পৰে।

আনকি এ জে মফট মিলচে, স্বীকাৰ কৰিছিল যে অসমত অসমীয়া ভাষা পুনৰ স্থাপন কৰা উচিত। তেওঁ যুক্তি দর্শাইছিল যে এজন ইংৰাজ ডেকাই ইংৰাজী ভালদৰে নজনা পর্যন্ত লেটিন শিকিব নোৱাৰে আৰু একে ধৰণে অসমীয়াই নিজৰ ভাষা নজনাকৈ বিদেশী ভাষা শিকা উচিত নহয়। পৰিশেষত বিভিন্ন পর্যায়ৰ দ্বাৰা কৰা বিভিন্ন প্রচেষ্টাই সফলতা পাইছিল। যেতিয়া জর্জ কেম্পবেলে, বংগৰ লেফটেনেণ্ট গর্ভণৰে 1875 চনৰ 1 এপ্রিলত ঘোষণা কৰিছিল যে অসমৰ বিদ্যালয় আৰু আদালতত অসমীয়া ভাষাৰ পুনৰ প্রয়োগ কৰা উচিত।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৯ ঃ কোন চনত অসমীয়া ল'ৰাৰ মিত্র প্রকাশন কৰা হৈছিল।

.....

প্রশ্ন নং ১০ ঃ হেমকোষ কোনে সম্পাদনা কৰিছিল?

.....

প্রশ্ন নং ১১ ঃ কোনে এ ডিস্কনাৰী ইন আসামীক এণ্ড ইংলিছ সম্পাদনা কৰিছিল?

.....

2 ১১.৭ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে—

- উপনিৱেশিক শাসনৰ অধীনত অসমত কেনেকৈ আধুনিক শিক্ষা পদ্ধতিৰ সূচনা আৰু ইয়াৰ বিকাশ কৰা হৈছিল।
- অসমত মূদ্রণ সংস্কৃতিৰ আৰম্ভণিৰ লগতে সমাজৰ ওপৰত ইয়াৰ প্রভাৱ।
- অসমীয়া মধ্যবিত্ত শ্রেণীৰ বিকাশ আৰু তেওঁলোকৰ সমাজৰ প্রতি অবদান।
- ভাষা বিতর্কৰ সূচনা।

O ১১.৮ অধিক জানিবলৈ

1] বৰপূজাৰী, এইচ কে (2004), দ্য কম্প্রিহেনচিপ হিষ্টৰী অৱ আছাম, অধ্যায়-5, পাব্লিকেছন বোর্ড অৱ অসম, গুৱাহাটী।

2] বৰপূজাৰী এইচ কে (2014) ঃ কম্প্রিহেনচিপ হিষ্টৰী অৱ আছাম, খণ্ড - পঞ্চম, পাব্লিকেছন বোর্ড অৱ অসম, গুৱাহাটী।

3] বৰুৱা এচ এল (2003) ঃ এ কম্প্রিজেনচিভ হিষ্টৰী অৱ আচাম, মুন্সিৰাম মনোহৰলাল পাব্লিচার্চ, নতুন দিল্লী।
4] গোস্বামী, প্রিয়ম (2012) ঃ দ্য হিষ্টৰী অৱ আছাম, ফ্রম ইয়াণ্ডাবু টু পার্টিচন, 18-26-1947, অৰিয়েণ্ট ব্লেকচয়ান, কলিকতা।
5] আচার্য্য এন এন (2007) ঃ এ ব্রিফ হিষ্টৰী অব আচাম ফ্রম আৰলিয়েষ্ট টাইম, ওমচনচ পাব্লিকেচন, নতুন দিল্লী।

K১১.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ গুৱাহাটী বিদ্যালয়ক 1865 চনত কটন কলেজিয়েট হিচাপে উন্নীত কৰা হৈছিল।

২ নং প্রশ্নৰ উত্তৰ ঃ ফ্রেডৰিক উইলিয়াম চুডমার্চন কটন মহাবিদ্যালয়ৰ প্রথম অধ্যক্ষ আছিল।

৩ নং প্রশ্নৰ উত্তৰ ঃ 1948 চনত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল।

৪ নং প্রশ্নৰ উত্তৰ ঃ অৰুণোদয় প্রথম অসমীয়া মাহেকীয়া সংবাদ আলোচনী।

৫ নং প্রশ্নৰ উত্তৰ ঃ অসম মিহিৰ অসমৰ প্রথম সাপ্তাহিক কাকত।

৬ নং প্রশ্নৰ উত্তৰ ঃ চন্দ্রকুমাৰ আগৰৱালা জোনাকীৰ প্রথম সম্পাদক আছিল।

৭ নং প্রশ্নৰ উত্তৰ ঃ জগন্নাথ বৰুৱাই যোৰহাট সার্বজনীন সভা প্রতিষ্ঠাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল।

৮ নং প্রশ্নৰ উত্তৰ ঃ হৰিবিলাস আগৰৱালাই তেজপুৰ ৰায়ত সভা গঠন কৰিছিল।

৯ নং প্রশ্নৰ উত্তৰ ঃ 1886 চনত নগাঁও ৰায়ত এচোচিয়েছন গঠন কৰা হৈছিল।

১০ নং প্রশ্নৰ উত্তৰ ঃ 1849 চনত অসমীয়া ল'ৰাৰ মিত্র প্রকাশন কৰা হৈছিল।

১১ নং প্রশ্নৰ উত্তৰ ঃ হেমচন্দ্র বৰুৱাৰ দ্বাৰা হেমকোষ সম্পাদনা কৰা হৈছিল।

M১১.১০ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ 50 শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ ঃ কোন চনত কটন কলেজ স্থাপন কৰা হৈছিল?

প্রশ্ন ২ ঃ অৰুণোদয়ৰ প্রথম সম্পাদকজনৰ নাম লিখা?

প্রশ্ন ৩ ঃ উপনিৱেশিক অসমৰ দুটা সামাজিক, ৰাজনৈতিক সংগঠনৰ নাম লিখা।

প্রশ্ন ৪ ঃ কোন চনত অসমৰ বিদ্যালয় আৰু আদালতত অসমীয়া ভাষাৰ পুনৰ প্রয়োগ কৰা হৈছিল?

(খ) চমু প্রশ্ন (চমুটোকা লিখা) (প্রতিটো প্রশ্নৰ উত্তৰ 150-300 শব্দৰ ভিতৰত লিখক)

(ক) উপনিবেশিক অসমত প্রাথমিক শিক্ষা।
(খ) আনন্দৰাম ঢেকিয়াল ফুকন।
(গ) উপনিৱেশিক অসমত আধুনিক শিক্ষাৰ বিকাশত জেনকিন্সৰ ভূমিকা।
(ঘ) উপনিবেশিক অসমৰ কাকত
(ঙ) অসমীয়া মধ্যবিত্ত শ্রেণী
(চ) আমেৰিকান ব্যাপ্তিষ্ট মিছন

(গ) **ৰচনাধর্মী প্রশ্ন** (প্রতিটো প্রশ্নৰ উত্তৰ 300–500 শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ উপনিবেশিক অসমত আধুনিক শিক্ষাৰ আৰম্ভণিৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ঃ উপনিবেশিক অসমত ছপা মাধ্যমৰ বিকাশৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৩ঃ অসমীয়া মধ্যবিত্ত শ্রেণীৰ জন্ম আৰু বিকাশৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৪ঃ উপনিবেশিক অসমত ভাষাৰ বির্তকৰ বিষয়ে চমুকৈ লিখক।

অধ্যায় ১২ ঃ অর্থ সামাজিক বিকাশ

অধ্যায় গাঁথনি

12.1 উদ্দেশ্য
12.2 পৰিচয়
12.3 উদ্যোগৰ বিকাশ
12.4 যাতায়ত আৰু যোগাযোগৰ ব্যৱস্থাৰ বিকাশ
12.5 বাণিজ্য
12.6 বজাৰ আৰু ব্যৱসায়
12.7 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
12.8 অধিক জানিবলৈ
12.9 অগ্রগতিৰ খতিয়ান
12.10 আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ঔপনিবেশিক অসমত উদ্যোগিক বিকাশৰ বিষয়ে জানিব পাৰিব।
- ঔপনিবেশিক অসমত যাতায়ত আৰু যোগাযোগ ব্যৱস্থাৰ বিষয়ে বর্ণনা কৰিব পাৰিব।
- ঔপনিবেশিক অসমৰ ব্যৱসায়-বাণিজ্যৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- ঔপনিবেশিক অসমত বজাৰ ব্যৱস্থাৰ বিকাশ তথা তাত হোৱা ব্যৱসায়ৰ বিষয়ে জানিব পাৰিব।

১২.২ পৰিচয়

ঔপনিবেশিক শাসনে অসমীয়া মানুহৰ অর্থ-সামাজিক জীৱনত গভীৰ পৰিবর্তনৰ সূচনা কৰিছিল। আহোম ৰাজতন্ত্রৰ অধীনত অকলশৰীয়াভাৱে বিকশিত অসমৰ স্থানীয় অর্থনীতিক ঔপনিবেশিক অর্থনীতি তথা গোলকীয় অর্থনীতিৰ সৈতে সংলগ্ন কৰা হৈছিল। ঔপনিবেশিক চৰকাৰে অসমত গধুৰ উদ্যোগৰ লগতে কিছুসংখ্যক লঘু উদ্যোগও স্থাপন কৰিছিল । ঔপনিবেশিক অর্থনীতিক স্বার্থক উদগনি জনাবলৈ অসমৰ যাতায়ত আৰু যোগাযোগ ব্যৱস্থাৰ ক্ষীপ্র উন্নতি সাধন কৰা হৈছিল। কেঁচা সামগ্রীৰ ৰপ্তানি তথা উৎপাদিত সামগ্রীৰ আমদানিৰ ফলস্বৰূপে বাণিজ্যিক সম্বন্ধৰ প্রসাৰ ঘটিছিল। স্থানীয় তথা বহিঃৰাজ্যৰ পৰা অহা মাৰোৱাৰী, বেংগলী আদি ব্যৱসায়ীৰ লগত বাণিজ্যিক লেনদেনৰ সুবিধার্থে অসমৰ বিভিন্ন স্থানত বজাৰসমূহ গঢ় লৈ উঠিছিল। বহিঃৰাজ্যৰ পৰা অহা ব্যৱসায়ী তথা উদ্যেগসমূহত কাম কৰিবলৈ অহা শ্রমিক সকলৰ আগমনে অসমৰ জনসংখ্যাৰ গাঁঠনিৰ পৰিৱর্তন কৰিছিল আৰু ইয়াৰ ফলস্বৰূপে অসমৰ গাঁঠনিৰ ও পৰিৱর্তন হৈছিল।

১২.৩ উদ্যোগৰ বিকাশ

সপ্তম অধ্যায়ত আমি ইতিমধ্যে ঔপনিবেশক অসমত কিদৰে চাহ, কয়লা, আৰু তৈল উদ্যোগৰ বিকাশ হৈছিল সেই বিষয়ে বিতংভাৰ আলোচনা কৰিছো। বৈদেশিক বিভিন্ন বিনিয়োগ, আমদানিকৃত যন্ত্র (মেচিন) তথা

শ্রমৰ সহায়ত অসমত স্থাপিত উদ্যোগসমূহৰ ভিতৰত এই তিনিটা উদ্যোগ উল্লেখযোগ্য আছিল। অসমত প্রাকৃতিকভাৱে চাহপাত, কয়লা, আৰু তেল পোৱা গৈছিল আৰু ঔপনিবেশিক চৰকাৰে এই প্রাকৃতিক সম্পদসমূহক বিচাৰি উলিয়াইছিল আৰু তেওঁলোকৰ ব্যৱসায়িক স্বার্থৰ খাতিৰত এই সম্পদসমূহৰ উদ্যোগিকৰণ কৰিছিল।

এই গুৰু উদ্যোগ তিনিটাই অসমত অন্য কিছুসংখ্যক নির্ভৰশীল (ancillary) উদ্যোগৰ বিকাশত সহায় কৰিছিল। কিন্তু অসমৰ স্থানীয় অর্থনীতিৰ বিকাশত এই গুৰু উদ্যোগসমূহে কোনো ধৰণৰ অৰিহণা যোগোৱা নাছিল। আনকি কিছু সংখ্যক পৰম্পৰাগত উদ্যেগেও অসমত ঔপনিবেশিক আমোলত সফলতাৰে নিজৰ অস্তিত্ব বজাই ৰাখিবলৈ সক্ষম হৈছিল, যদিও ঔপনিবেশিক চৰকাৰে এই পৰম্পৰাগত উদ্যোগসমূহৰ প্রতি এক নিৰুৎসাহসমূলক নীতিগ্রহণ কৰিছিল। কিছুমান উল্লেখযোগ্য নির্ভৰশীল (ancillary) উদ্যোগ আছিল।

- **কাঠৰ মিল**

  দিহিং নদীৰ পাৰত ব্রহ্মপুত্র নদীৰ সংযোগস্থলৰ সমীপতে অসমৰ প্রথমটো কাঠৰ মিল স্থাপন কৰা হৈছিল। এই মিলটো ভাগ ইন্ধনৰ দ্বাৰা পৰিচালিত হৈছিল আৰু চাহ উদ্যোগিসকলৰ লগতে অন্যান্য লোকসকলক এই মিলটোৱে চাহপাতৰ বাকচ আৰু কাঠৰ যোগান ধৰিছিল। 'প্লেন্টাৰচ্ স্তোৰচ্ কোম্পানী (Planter's stores Company) নামৰ এটা কাঠৰ মিল ডুমডুমাত স্থাপন কৰা হৈছিল। অসমৰ ৰেলসেৱাৰ আৰম্ভণিৰ ফলস্বৰূপে ৰেলপথ নির্মাণত ব্যৱহাৰ কৰা কাঠৰ শাৰী (Sleeper) ৰ এক বৃহৎ চাহিদাৰ সৃষ্টি হৈছিল আৰু এই চাহিদা পূৰণৰ বাবে বৃহৎসংখ্যক কাঠৰ মিল অসমত স্থাপন কৰা হৈছিল । ১৮৮৯-৯০ চনত কাঠৰ মিল আছিল আৰু ১৯০১ চনত এই সংখ্যাৰ ১৪ টা লৈ বৃদ্ধি হৈছিল। কাঠ উদ্যোগৰ লগত জড়িত অসমৰ ব্যৱসায়ী সকলৰ ভিতৰত দিননাথ বেজবৰুৱা, ভোলানাথ বৰুৱা, মানিক চন্দ্র বৰুৱা, চন্দ্র কুমাৰ আগৰৱালা ইত্যাদিৰ নাম উল্লেখযোগ্য।

- **প্লাইউড**

  কাঠ কাটিবৰ বাবে স্থাপন কৰা কাঠৰ মিলসমূহ অসমত প্লাইউড উদ্যোগৰ প্রতিষ্ঠাৰে সহায় কৰিছিল। প্লাইউড, প্রস্তুত কৰিবৰ বাবে কাঠৰ কেইবাটাও টুকুৰা আঠাৰে লগ লগোৱা হৈছিল যাতে সংকোচন ৰোধ কৰিব পৰা যায়। প্লাইউড উদ্যোগৰ বিকাশ মূলত চাহ উদ্যোগৰ বাবেই হৈছিল কাৰণ চাহপাতৰ বাকচৰ লগতে মূলত চাহ উদ্যোগ লগত জড়িত অন্য কিছুমান সামগ্রীও প্লাইউডৰ দ্বাৰা প্রস্তুত কৰা হৈছিল। ১৯২৮ চনত 'আসাম চো মিল' (Assam saw Mill) আৰু 'টিমৱাৰ কোম্পানী' (Timber Company) ৰ উন্নতি হোৱাৰ পিছৰেপৰা অসমত প্লাইউড উদ্যোগত বিকাশে এক গতি লাভ কৰিছিল।

- **লৌহ আৰু তীখা উদ্যোগ**

  ইংৰাজ সকল আগৰেপৰাই অসমত লোহাৰ অৱস্থিতিৰ বিষয়ে অৱগত আছিল। চাহ, কয়লা আৰু তৈল উদ্যোগৰ প্রতিষ্ঠাৰেপৰা স্বাভাৱিকতে অসমৰ স্থানীয় লোহাৰ গুৰুত্ব বাঢ়িবলৈ ধৰে। খনিৰ পৰা কিছু লোহা গুণগত মান নির্ণয় কৰিবৰ বাবে কলিকতা (বর্তমানৰ কলিকাতা) লৈ প্রেৰণ কৰা হৈছিল আৰু পৰীক্ষণৰ পাছত সেই লোহা উন্নত মানৰ বুলি নির্ণয় কৰা লৈছিল । আশা কৰা হৈছিল যে লোহাৰ নিষ্কাষণ আৰু গলনৰ গঠিক পদ্ধতি অৱলম্বন কৰিলে ভাৰতৰ পূর্বাঞ্চল সম্পূর্ণৰূপে আমদানিকৃত লোহাৰ পৰা মুক্ত কৰিব পৰা যাব।

  চাহপাতৰ কাৰখানাত ব্যৱহৃত যন্ত্রপাতি, ৰেল আৰু কৃষিকার্য্যত ব্যৱহৃত আঁহিলা ইত্যাদি প্রস্তুত কৰিবৰ বাৰে লোহাৰ স্থানীয়ভাৱে এক বৃহৎ পৰিমাণৰ চাহিদা আছিল। অসমত তীখা উদ্যোগ স্থাপন কৰাৰো এক সম্ভাৱনা আছিল। কিন্তু চৰকাৰী বা বেচৰকাৰী অসমক ভাৰতবর্ষৰ ভিতৰতে এক উল্লেখযোগ্য লৌহ আৰু তীখা উৎপাদনকাৰী অঞ্চল হিচাপে প্রতিষ্ঠা কৰিবলৈ কোনো ধৰণৰ ব্যৱস্থা গ্রহণ কৰা হোৱা নাছিল।

  সেই সময়ত মাত্র এটা ৰেলৰ কাৰখানা যোৰহাট চহৰত আছিল আৰু এই কাৰখানাটো পশ্চিমীয়া বিত্তৰ সহায়ত আৰু তত্ত্বাৱধানত প্রতিষ্ঠা কৰা হৈছিল। এই কাৰখানাটোত লোহাৰ বেৰ, বিজুঁলি খুঁটা, লোহাৰ দর্জ্জা ইত্যাদি সামগ্রীহে উৎপাদিত কৰা হৈছিল। বৃহৎ আকাৰৰ চাহবাগিছা সমূহৰো নিজাৰবীয়া

কাৰখানা আছিল। এইবিলাকৰ উপৰিও অসমৰ প্ৰায় প্ৰতিখন গাঁৱতেই মাত্ৰ কমাৰসকলৰ মাজতহে লৌহ শিল্প সীমাবদ্ধ আছিল। এক বুজন পৰিমাণৰ কেঁচা লোহা আৰু তীখা সেই সময়ত অসমলৈ আমদানি কৰা হৈছিল।

- **পৰম্পৰাগত উদ্যোগসমূহ**

ৰেচম শিল্প, পিতল শিল্প, কাঁহ শিল্প, বাঁহ-বেতৰ শিল্প, ইত্যাদি অসমৰ পৰম্পৰাগত উদ্যোগ অতি প্ৰাচীন কালৰে পৰাই অসমত প্ৰচলিত আছিল। অসমীয়া লোকসকল প্ৰধানকে কৃষিজীৱি আছিল বাবে এই পৰম্পৰাগত উদ্যোগসমূহ তেওঁলোকৰ বাবে গৌণ জীৱিকাস্বৰূপে আছিল। এই উদ্যোগসমূহত উৎপাদিত সামগ্ৰীসমূহৰ অসমীয়া সমাজৰ দৈনন্দিন প্ৰয়োজন পূৰণৰ বাবে ব্যৱহাৰ কৰা হৈছিল। পৰিস্থিতি সাপেক্ষে ৰাহি হোৱা উদ্যোগিক সামগ্ৰীবোৰ কৃষিজাত বস্তুৰ দৰেই বিক্ৰি কৰা হৈছিল।

ঔপনিবেশিক চৰকাৰে তেওঁলোকৰ উদ্যোগত উৎপাদিত সামগ্ৰী সমূহ অসমৰ বজাৰত বিক্ৰি কৰিবৰ উদ্দেশ্যে অসমৰ উক্ত পৰম্পৰাগত উদ্যোগসমূহক উদগণি যোগোৱাৰ পৰিৱৰ্তে এই উদ্যোগসমূহৰ প্ৰতি এক নিৰুৎসাহ মূলক আৰু দমনমূলক নীতিগ্ৰহণ কৰিছিল। ইয়াৰ উপৰিও পৰম্পৰাগত সামগ্ৰীসমবৰ ৰাইজৰ চাহিদা অনুপাতেহে উৎপাদন কৰা হৈছিল। সেইবাবে উদ্যোগৰ যন্ত্ৰ উৎপাদিত সামগ্ৰীসমূহৰ দৰে পৰম্পৰাগত সামগ্ৰীসমূহ বজাৰত বিক্ৰি কৰিবৰ বাবে সকলো সময়তে প্ৰস্তুত নাছিল।

যন্ত্ৰ উৎপাদিত কমখৰচী সামগ্ৰীসমূহৰ আগমনৰ ফলস্বৰূপে পৰম্পৰাগত সামগ্ৰীসমূহৰ চাহিদা কমি আহিছিল। বহু ঠাইত পৰম্পৰাগত উদ্যোদসমূহৰ অৱনতি ঘটিছিল। যদিও সম্পূৰ্ণৰূপে ধ্বংস হৈ যোৱা নাছিল। প্ৰকৃততে পৰম্পৰাগত উদ্যোগসমূহত উৎপাদিত সামগ্ৰীসমূহ অসমীয়া সমাজ জীৱনৰ এক এৰাব নোৱাৰা অংগ আছিল আৰু সেইবাবে এই সামগ্ৰীসমূহৰ সলনি অন্য যন্ত্ৰ উৎপাদিত সামগ্ৰী সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰাটো সম্ভৱ নাছিল। ফলস্বৰূপে, আন্তঃগাঠনিৰ বিকাশৰ অবিহনেও এই পৰম্পৰাগত উদ্যোগসমূহে নিজৰ অস্তিত্ব বৰ্ত্তাই ৰাখিবলৈ সক্ষম হৈছিল। এক ব্যতিক্ৰম হিচাপে ৰেচম উদ্যোগত কিছুমান আধুনিক যন্ত্ৰপাতি যেনে, উৰণীয়া মাকুযুক্ত তাঁতশাল (Fly-Shuttle loom) জেকৰ্ৱার্ড (Jacquard) যন্ত্ৰ, ইত্যাদিক ব্যৱহাৰ আৰম্ভ হৈছিল।

১২.৪ যাতায়ত আৰু যোগাযোগ ব্যৱস্থাৰ বিকাশ

ঔপনিৱেশিক আমোলত অসমত যাতায়ত আৰু যোগাযোগ ব্যৱস্থাৰ এক উল্লেখযোগ্য পৰিবৰ্তন হৈছিল। স্থল পৰিবহন আৰু জলপৰিবহণ ব্যৱস্থাৰ উন্নতি সাধন কৰাৰ লগতে অসমত ৰেল পৰিবহণ ব্যৱস্থাৰও আৰম্ভণি কৰা হৈছিল। যদিও উপৰোক্ত, উন্নতিসমূহ ঔপনিবেশিক প্ৰশাসন আৰু তেওঁলোকৰ বাণিজ্যিক লাভালাভৰ প্ৰতি লক্ষ্য ৰাখি কৰা হৈছিল। তথাপি যাতায়ত আৰু যোগাযোগ ব্যৱস্থাৰ উন্নতিয়ে অসমক ভাৰতৰ অন্যান্য অঞ্চলৰ সৈতে সংযোজিত কৰিছিল, যাৰ ফলস্বৰূপে অসমৰ জনসাধাৰণৰ বহুত সুবিধা হৈছিল।

- **স্থল পৰিবহণ**

আহোমসকলে নগৰ গাওঁসমূহক সংলগ্ন কৰি অসমত এক উচ্চ মানদণ্ডৰ যোগাযোগ ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছিল। কিন্তু আহোমসকলৰ ৰাজত্বৰ শেষৰফালে, মানসকলৰ আগ্ৰাসনৰ ফলস্বৰূপে সৃষ্টি হোৱা আভ্যন্তৰীণ কন্দলৰ ফলত আহোম প্ৰশাসনে যোগাযোগ ব্যৱস্থা সুকলমে বৰ্ত্তাই ৰাখিবলৈ ব্যৰ্থ হৈছিল। প্ৰদেশৰ বহুত বাট-পছৰ হাবি-বননিৰে পূৰ্ণ হৈ পৰিছিল। প্ৰদেশৰ বহুত বাট-পথ হাবি-বননিৰে পূৰ্ণ হৈ পৰিছিল যাৰফলত এই পথসমূহ ব্যৱহাৰৰ বাবে অসুবিধাজনক তথা অসম্ভৱপ্ৰায় হৈ পৰিছিল।

সেই গতিকে ঔপনিবেশিক চৰকাৰে এই পথসমূহ মেৰামতি তথা পুনৰ গঠন কৰি যাতায়তৰ বাবে সুচল কৰি তুলিব লগা হৈছিল। প্ৰাৰম্ভনিতে ডেভিদ স্কটে স্থানীয় ৰাজহ বিষয়াসকলক তেওঁলোকৰ তত্ত্বাবধানত থকা অঞ্চলসমূহৰ বাট-পথবোৰ মেৰামতি কৰি যাতায়তৰ বাবে সুচল কৰি ৰাখিবলৈ নিৰ্দেশ দিছিল। কিন্তু, আনৰ পাইক প্ৰথাৰ অধীনত থকা কৰৰ পৰিৱৰ্তে দেহখাতি দিয়া নিয়ম ইংৰাজাসকলে

উঠাই দিছিল। ফলত স্থানীয় লোসকলে দেহখাতি দিয়াৰ পৰিৱর্তে ধনৰ মাধ্যমৰে কৰ দিছিল আৰু সেয়েহে এই সকল স্থানীয় লোকক পথ নির্মাণত কৰা শ্রমদানৰ বাবে পাৰিশ্রমিক দিবলগীয়া হৈছিল। তৎসত্বেও পথনির্মাণ কার্য্যত দৰং জিলাৰ স্থানীয় লোকসকলে ঔপনিবেশিক বিষয়া লেফটেন্ত মেথি (Licutenent Matthie) আৰু ৰাডাৰফোর্ড (Rutherford) ক ক্রমে ১৮৩৬ আৰু ১৮৩৮ চনত স্বইচ্ছাৰে কৰিছিল।

১৮২৮ চনত ঔপনিবেশিক বিষয়া জোনছে (Jones) চেৰাপঞ্জীৰ মাজেৰে পাৰ হৈ যোৱা শ্বিলং -গৌহাটী (বর্তমানৰ গুৱাহাটী) পথৰ নিৰীক্ষণ কৰিছিল তথা সামৰিক বাহিনীৰ চলাচলৰ বাবে বৰপানী আৰু বগাপানী নদীৰ ওপৰেৰে শিলৰ দলং নির্মাণ কৰিছিল। তাৰ পিছৰ বছৰ ১৮২৯ চনত জয়ন্তীয়াপুৰৰ পৰা ৰহালৈ যোৱা পথটিৰ সন্ধান কৰি তাক মেৰামতি কৰা হৈছিল। ১৮৪২ চনৰ ভিতৰত কাছাৰ-মণিপুৰ পথৰ নির্মাণকার্য্য সম্পূর্ণ কৰা হৈছিল। উপৰোক্ত নির্মাণকার্য্যৰ বাহিৰে বংগ চৰকাৰে ধনৰ অভাৱত অজু হাতত আৰু কোনো বিশেষধৰণৰ নির্মাণমূলক কার্য্য অসমত কৰা হোৱা নাছিল।

১৮৫৩ চনত এ, জে, মোফাট মিলচে (A.J.Moffatt Mill) ব্রহ্মপুত্র নদীৰ দুয়োপাৰে ক্রমে উত্তৰ আৰু দক্ষিণ পৰাৰে দুটা মুখ্য বৃহৎ পথ (Trunk Road) নির্মাণৰ পৰামর্শ দিছিল। ইয়াৰ উপৰিও তেওঁ শিলৰ দলং নির্মাণৰ পৰামর্শ দিছিল যিহেতু অস্থায়ী দলংবোৰ ঘনে ঘনে মেৰামতি কৰি থাকিবলগীয়া হৈছিল। কিন্তু তেওঁ বহন তথা ব্যয়বহুল পথৰ নির্মাণৰ পৰিপন্থী আছিল কাৰণ অসমত চকাযুক্ত বাহনৰ চলাচল নিচেই নগণ্য আছিল।

কিন্তু ১৮৬০ চনৰ আগলৈকে ঔপনিবেশিক চৰকাৰে এই ক্ষেত্রত বিশেষ কোনো পদক্ষেপ গ্রহণ কৰা নাছিল। ১৮৬০ চনৰ জয়ন্তীয়া বিদ্রোহৰ সময়তহে সামৰিক বাহিনীৰ যাতায়তৰ বাবে ঔপনিবেশিক চৰকাৰ স্থলপথৰ উন্নতি কৰিবৰ বাবে বাধ্য হৈছিল। ১৮৬৪ চনত 'আসাম ট্রাংঙ্ক ৰোড্ (Assam Trunk Road) ৰ নির্মাণকার্য্য আৰম্ভ হৈছিল। ইয়াৰ চাৰিবছৰৰ পিছত ১৮৬৮ চনত অসমত গড়কাপ্তানী বিভাগ (Public Works Depeartment) স্থাপন কৰা হৈছিল আৰু এই বিভাগে অসমত যোগাযোগ ব্যৱস্থাৰ নির্মাণ তথা চোৱাচিতাৰ দায়িত্ব বহন কৰিছিল।

গড়কাপ্তানী বিভাগে অসম-খাছী আৰু জয়ন্তীয়া পাহাৰ পথ, চিলেট, কাছাৰ পথ, ডিব্রুগড়-জয়পুৰ পথ, ডিব্রুগড়-ডিব্রুমুখ পথ, নগাওঁ লাওখোৱাঘাট পথ ইত্যাদিৰ চোৱাচিতা কৰিছিল। শ্বিলঙলৈ ৰাজধানী স্থানান্তৰ কৰা পিছত, গড়কাপ্তানী বিভাগে গৌহাটী আৰু শ্বিলঙৰ মাজত গৰু গাড়ী চলোৱা পথৰ (Gauhati Shillong Cart Road) নির্মাণকার্য্য সম্পূর্ণ কৰিছিল। পার্বত্য অঞ্চলত সাম্রাজ্যবাদী আধিপত্য অধিক শক্তিশালী কৰাৰ উদ্দেশ্যেৰে গড়কাপ্তানী বিভাগে কিছুমান সৰু বৰ পথ, যেনে, শ্বিলং হাফলং পথ, তুৰা-শিঙিমাৰী পথ, গোলাঘাট-ডিমাপুৰ পথ, কহিমা নিচুগার্ড পথ, ক'হিমা -ইম্ফল পথ, ইত্যাদিৰ নির্মাণ কৰিছিল।

অসমৰ জিলাসমূহত থকা বাটপথবোৰ, যিবোৰৰ প্রায়ভাগেই গৌণ পথ আছিল, পৰিচালনা কৰিবৰ বাবে ১৮৮০ৰ দশকত জিলা সমিতিসমূহ স্থাপন কৰা হৈছিল। স্থানীয় বাটপথ আৰু অন্যান্য উৎসৰ পৰা সংগৃহীত কৰৰ পৰা জিলা সমিতিসমূহক বাটপথ পৰিচালনা কৰিবৰ বাবে অনুদান প্রদান কৰা হৈছিল, যদিও এই ধনৰ পৰিমাণ পর্য্যাপ্ত নাছিল। উজনি অসমত চাহখেতিৰ ক্রমাগত বিকাশ হোৱাত স্থানীয় প্রশাসনৰ সহযোগত চাহ খেতিয়কসকলে নিজাববীয়াকৈ প্রাচীন পথ তথা দলং সমূহ মেৰামতি কৰিছিল।

১৯০৩ -০৪ চনলৈকে সর্বমুঠ ৩১৭৩ মাইল স্থলপথ অসমত নির্মাণ কৰা হৈছিল যাৰ ভিতৰত মাত্র ৪২ মাইল পথহে পকী আছিল। এই পৰিসংখ্যা ১৯১১-১২ চনত বৃদ্ধি হৈ সর্বমুঠ ৩৫৫৯ মাইল স্থলপথ হৈছিল আৰু তাৰে ৩৭৫ মাইল পকী আছিল। ১৯২৬-২৭ চনত পথ পৰিষদ (Road Board) গঠন কৰাৰ পিছৰে পৰাই অসমত ক্ষীপ্রতাৰে স্থলপথৰ উন্নতি পৰিলক্ষিত হৈছিল।

ঔপনিবেশিক অসমত সৱহসংখ্যক স্থলসংখ্যক স্থলপথেই বছৰৰ মাত্ৰ কেইটামান মাহত হে (খৰালি কালত) ব্যৱহাৰৰ উপযোগী আছিল। বাৰিষাৰ আগমনৰ লগে লগেই এই পথবোৰ ব্যৱহাৰৰ অনুপযোগী হৈ পৰিছিল। কেৱল গৰুগাড়ীহে পথত চলাচল কৰিব পাৰিছিল। ১৯০৪ চনত অসমত পোন-প্ৰথমবাৰৰ বাবে মটৰ বাহন (Motor car) ৰ প্ৰচলন হৈছিল। জলপৰিবহণ আৰু ৰেল পৰিবহণ যাতায়ত আৰু যোগাযোগ ব্যৱস্থাৰ প্ৰধান মাধ্যম আছিল।

- **জল পৰিবহণ**

অসম এক নদী প্ৰধান প্ৰদেশ আৰু নদীসমূহৰ ভিতৰত ব্ৰহ্মপুত্ৰ নদী মুখ্য আছিল আৰু এই নদীয়ে ভাৰতৰ অন্যান্য অংশৰ লগত সংলগ্ন কৰে। ঔপনিবেশিক শাসনৰ আৰম্ভনিৰ সময়ছোৱাত যোগাযোগৰ মাধ্যম হিচাপে স্বদেশত নিৰ্মিত নাও সমূহৰে নদীত পৰিবহণ কৰা হৈছিল। কিন্তু স্বদেশৰ নিৰ্মিত নাওঁসমূহেৰে অসমৰ নদীসমূহত যাতায়ত কৰাতো অসুৰক্ষিত তথা বিপদসংকুল আছিল। বিশেষকৈ বাৰিষা কালত তীব্ৰ সোঁতৰ বাবে জল পৰিবহণ যথেষ্ঠ বিপদজনক আছিল।

সেয়েহে ১৮৩১ চনত ডেভিদ স্কটে অসমত পৰীক্ষণসমূলক ভাৱে ভাণশক্তি চালিত বাহন (steamer) প্ৰচলন কৰিবলৈ অনুমতি লাভ কৰিছিল। কিন্তু বাস্তৱক্ষেত্ৰত এই পদক্ষেপ কাৰ্যকৰী হোৱা নাছিল। তাৰ পিছত, সেই সময়ৰ অসমৰ এক গুৰুত্বপূৰ্ণ চাহ প্ৰতিষ্ঠান 'আসাম কোম্পানী' (Assam Company) য়ে লণ্ডনত থকা 'নিয়ন্ত্ৰণ পৰিষদ' (Board of control) ক ব্ৰহ্মপুত্ৰ নদীত ভাপশক্তি চালিত বাহনৰ পৰিবহণ কৰিবৰ বাবে অনুৰোধ কৰিছিল। এই বাণিজ্যিক প্ৰতিষ্ঠানে তেওঁলোকৰ ভাপশক্তি চালিত বাহন 'আসাম' (Assam) গৌহাটী আৰু কলিকতাৰ মাজত চলাচল কৰিবলৈ আৰম্ভ কৰিছিল। তাৰ পাছত ১৮৪৭ চনত ঔপনিবেশিক চৰকাৰেও কলিকতা আৰু গৌহাটী মাজত ভাপশক্তি চালিত বাহনৰ চলাচল আৰম্ভ কৰিছিল।

ঔপনিৱেশিক কালত অসমত বাণিজ্যৰ বিস্তাৰ তথা উদ্যোগৰ বিকাশ পৰিলক্ষিত হয়। এই উন্নতিৰ পৰিপ্ৰেক্ষিতত ভাপশক্তি চালিত বাহনৰ প্ৰচলন কৰি অসমৰ জলপৰিবহণ ব্যৱস্থাৰ উন্নতি সাধন কৰাটো প্ৰয়োজনীয় হৈ পৰিছিল। সামগ্ৰীসমূহ কঢ়িয়াই নিয়াৰ বাবে ভাপশক্তিচালিত বাহনসমূহৰ আকাৰ নিচেই ক্ষুদ্ৰ আছিল। ব্ৰহ্মপুত্ৰ নদীৰ সুঁতৰ বিপৰীতে পৰিবহণ কৰিবৰ বাবে এই বাহনসমূহ উপযুক্ত নাছিল। গতিকে গৌহাটী অতিক্ৰম কৰি এই বাহনসমূহ চলাচল কৰা হোৱা নাছিল। সেই গতিকে ভাপশক্তি চালিত বাহনসমূহ অসুবিধাজনক আছিল আৰু তাৰ উন্নতিকৰণ কৰাটো আৱশ্যক আছিল।

5 জানি থোৱা ভাল

শ্ৰমিকৰ পৰিবহণৰ বাবে চাহ উদ্যোগীসকলক নদীৰ মাধ্যমেৰে উপযুক্ত পৰিবহণ ব্যৱস্থাৰ অতি প্ৰয়োজন আছিল। চাহ উদ্যোগত ব্যৱহৃত যন্ত্ৰপাতিসমূহ অসমলৈ আনিবৰ বাবে তথা এই উদ্যোগসমূহত উৎপাদিত চাহপাত ৰপ্তানি কৰিবৰ বাবে উন্নতমানৰ নদী পৰিবহণ ব্যৱস্থাৰ আৱশ্যক আছিল। ইয়াৰ উপৰিও অত্যৱশ্যকীয় সামগ্ৰী যেনে কৃষিজাত সা-সামগ্ৰী, ঔষধপাতি, ধান তথা অন্যান্য সামগ্ৰীসমূহ যোগান ধৰিবৰ বাবে নদী পৰিবহণৰ প্ৰয়োজন আছিল।

১৮৫০ ৰ দশকত আয়ুক্ত জেনকিনচে প্ৰস্তাৱ দিছিল যে অন্তত প্ৰতি বছৰে তিনি বা চাৰিবাৰকৈ ভাৰশক্তিচালিত বাহনসমূহ ডিব্ৰুগড়লৈকে পৰিবহণ কৰিব লাগে। কিন্তু জেনকিন্চৰ এই প্ৰস্তাৱ নৌ বিভাগে (Marine Department) প্ৰত্যাখ্যান কৰিছিল কাৰণ তেওঁলোকৰ মতে এই যাত্ৰাৰ প্ৰসাৰৰ ফলত ৰেকাৰ অৰ্থনৈতিক ক্ষতিৰ সন্মুখীন হ'ব পাৰে। জেনকিন্চৰ উক্ত প্ৰস্তাৱ ১৮৫৩ চনত এ.জে মোফট মিলচে্ পুনৰ উত্থাপন কৰিছিল। এই প্ৰস্তাৱৰ সমৰ্থনত মিলচে যুক্তি দৰ্শাইছিল যে এই প্ৰস্তাৱৰ কাৰ্য্যকাৰীতাই চৰকাৰী বিভাগসমূহৰ কাৰ্যদক্ষতা বৃদ্ধি কৰিব, সৈন্যবাহনীৰ যাতায়ত সুচল কৰিব, ইত্যাদি যিহেতু ইন্ধন হিচাপে স্থানীয়ভাৱে কয়লা উপলদ্ধ আছিল।

আনকি এই উক্ত বিষয়টোক গুৰুত্বসহকাৰে ল'বলৈ তদানীন্তন গৱর্ণৰ জেনেৰেল লর্ড ডেলহাউচিক 'আসাম কোম্পানী'য়ে এখন স্মাৰকপত্রও প্রদান কৰিছিল।

মিলচ্ৰ পৰামর্শ তথা উদ্যোগিক শ্রেণীয়ে আগবঢ়োৱা প্রস্তাৱৰ ভিত্তিত ভাপশক্তিচালিত বাহনৰ নাটনি সত্বেও বংগদেশৰ ঔপনিবেশিক চৰকাৰ ব্রহ্মপুত্র নদীত চলাচল কৰিবলৈ কলিকতাৰপৰা ডিব্রুগড়লৈ তিনিখন ভাপশক্তিচালিত বাহন প্রেৰণ কৰিবলৈ বাধ্য হৈছিল। ১৮৫৫ চনৰ মার্চ মাহৰ পৰা মেঘনা, যমুনা আৰু থেমছ নামৰ তিনিখন ভাপশক্তিচালিত বাহন গংগা নদীৰ পৰিৱর্তে ব্রহ্মপুত্র নদীত পৰিবহণ কৰিবৰ বাবে প্রেৰণ কৰা হৈছিল। এই বাহনসমূহ ডিব্রুগড়লৈ চলাচল কৰিছিল কিন্তু ক্ষুদ্র আকাৰৰ হোৱাৰ বাবে সীমিত সামগ্রীহে পৰিবহণ কৰিব পাৰিছল। জৰুৰীকালীন অৱস্থাত এই বাহনসমূহৰ অসমৰপৰা লৈ যোৱা হৈছিল। সেই শক্তি অসমত ভাপশক্তিচালিত পৰিবহণ ব্যৱস্থা অনিয়মীয়া আছিল।

কলিকতা আৰু উজনি অসমৰ মাজত নিয়মীয়াভাৱে ভাপশক্তিচালিত বাহনৰ চলাচল প্রৱর্তন কৰাৰ উদ্দেশ্যেৰে ১৮৫৮ চনত 'ইণ্ডিয়ান জেনেৰেল ষ্টীম নেভিগেচন কোম্পানী (Indian General Steam Navigation Company) নামৰ এটা সংযুক্ত প্রতিষ্ঠান (Joint Stock Navigation Company) গঠন কৰা হৈছিল। 'ৰিভাৰ ষ্টীম নেভিগেচন কোম্পানী (River Steam Navigation Company) নামৰ এক প্রতিষ্ঠানৰ সহযোগত উক্ত প্রতিষ্ঠানে ১৮৬০ চনৰ জুলাই মাহৰপৰা প্রত্যেক ছয় সপ্তাহত দুখনকৈ বাহন চলাচল কৰিবলৈ আৰম্ভ কৰিছিল। চৰকাৰী ভাপশক্তি চালিত বাহনসমূহে যি হাৰত চৰকাৰী খনিসমূহৰ পৰা কয়লা ক্রয় কৰিছিল সেই একেই হাৰতে চৰকাৰী খনিসমূহৰপৰা কয়লা ক্রয় কৰিবলৈ এই নতুনকৈ চলাচল কৰা বাহনদুখনকো অনুমতি প্রদান কৰা হৈছিল।

ভাপশক্তি চালিত বাহনৰ নিয়মীয়া চলাচলৰ ফলস্বৰূপে সামগ্রী তথা যাত্রীসকলৰ যাতায়ত বৃদ্ধি পাবলৈ ধৰিছিল। কিন্তু এই যাতায়ত ব্যৱস্থা ব্যয়বহুল আছিল। কলিকতাৰ পৰা গৌহাটিলৈ এটা টিকটৰ মূল্য আছিল ১৫০ টকা আৰু প্রতি এক বর্গফুট সামগ্রীৰ ওজনৰ মূল্য আছিল ১ টকা। এই বাহনসমূহে নির্ধাৰিত সময়মতে চলাচল কৰা নাছিল তথা বন্দৰসমূহৰ পৰা যাত্রা আৰম্ভ কৰাত যথেষ্ঠ পলম কৰিছিল তথা বন্দৰসমূহৰ পৰা যাত্রা আৰম্ভ কৰাত যথেষ্ঠ পলম কৰিছিল। ইয়াৰ উপৰিও এই বাহনসমূহ বৃহৎ পৰিমাণৰ সামগ্রী কঢ়িয়াই নিবৰ বাবে অপাৰগ আছিল। সেই গতিকে অসমৰ বাণিজ্যৰ এক বৃহৎ অংশৰ সামগ্রীৰ সৰবৰাহ দেশীয়া নাৱেৰে কৰা হৈছিল।

এই অৱস্থাৰ উন্নতি সাধন কৰিবৰ বাবে ১৮৭৩ চনত তদানীতন্ত বংগৰ লেফ্টেন্ড গৱর্ণৰ জর্জ কেমবেল (Geroge Campbell) গোনালুওো আৰু অসমৰ মাজত ভাপশক্তিচালিত বাহনৰ চলাচল আৰম্ভ কৰিবলৈ তথা এই সেৱা নিয়মীয়াকৈ চলাই নিবৰ বাবে ভাপশক্তিচালিত বাহন চলোৱা প্রতিষ্ঠান সমূহক চৰকাৰী ৰাজসাহার্য্য প্রদান কৰিবলৈ ভাৰত চৰকাৰক অনুৰোধ কৰিছিল। তদানীন্ত অসমৰ আয়ুক্ত হোপকিনচনেও (Hopkinson) এই প্রস্তাৱ সমর্থন কৰিছিল যিহেতু তেওঁৰ মতে অসমৰ উন্নতিৰ বাবে ই আৱশ্যক আছিল। কিন্তু তেওঁ গোৱালুওোৰপৰা ডিব্রুগড়লৈ প্রতি সপ্তাহৰ এখন ভাপশক্তিচালিত বাহনৰ চলাচল বেচৰকাৰী প্রতিষ্ঠানৰ পৰিবর্তে চৰকাৰী উদ্যোগত হোৱাটো বিচাৰিছিল।

১৮৭৪ চনত অসমৰ নৱ-নিযুক্ত মুখ্য আয়ুক্ত আৰ,এইচ.,কিচিঞ্জে (R.H.Kcatinge) চৰকাৰী পৃষ্ঠপোষকতাত কলিকতাৰ পৰা উজনি অসমলৈ এক দ্রুতবেগী জলপৰিবহণ ব্যৱস্থাৰ প্রৱর্তনত গুৰুত্বপূর্ণ কৰিছিল। কিয়নো তেওঁৰ মতে এনে ব্যৱস্থাই যাতায়তক সুলভ তথা কার্যদক্ষ কৰিব। এনে অৱস্থাৰ পৰিপ্রেক্ষিতত ভাৰত চৰকাৰে অসমত ভাপশক্তিচালিত পৰিবহণ ব্যৱস্থাৰ উন্নতিৰ বাবে পৰামর্শ দিছিল। এইক্ষেত্রত আগভাগ লোৱা ভাপশক্তিচালিত বাহনৰ চলাচল কৰা প্রতিষ্ঠানসমূহক চৰকাৰী ৰাজসাহার্য্য প্রদান কৰিবলেও এই কমিটিয়ে পৰামর্শ দিছিল।

তথাপিও ধনৰ অভাৱত চৰকাৰে উক্ত কমিটিয়ে দিয়া পৰামর্শসমূহ কার্য্যকৰী কৰিবলৈ ব্যর্থ হৈছিল আৰু সেইবাবে তদানীতন্ত জল পৰিবহণ ব্যৱস্থাৰ কোনো পৰিবর্তন হোৱা নাছিল। ১৮৭৭ চনৰ মে মাহত কিটিঞ্জে জলপৰিবহণ আৰু মালবাহী সেৱাৰ পৃথকীকৰণ কৰিবলৈ প্রস্তাৱ আগবঢ়াইছিল, যদিও এই প্রস্তাৱ কার্য্যকৰী কাৰ নহ'ল। তাৰ পিছত ১৮৮৩ চনত ডিব্রুগড় আৰু ধুবুৰীৰ মাজত চৰকাৰী ৰাজসাহার্য্যৰ সহায়ত দৈনিক ডাক পৰিবহণ (Daily Mail service) ব্যৱস্থাৰ প্রৱর্তনৰ বাবে অসম চৰকাৰে 'ইণ্ডিয়ান জেনেৰেল ষ্টীম নেভিগেচন কোম্পানী

আৰু 'ৰিভাৰ ষ্টীম নেভিগেচন কোম্পানী'ৰ লগত এক চুক্তি স্বাক্ষৰ কৰিছিল। তাৰ পিছত ১৮৮৫ চনত মালপৰিবাহী সেৱা (despatch service) আৰম্ভ কৰা হৈছিল যাৰ ফলত গোৱালুণ্ডো আৰু উজনি অসমৰ মাজত সামগ্ৰীৰ পৰিবহণত সুবিধা হৈছিল। ইতিমধ্যে ধুবুৰী আৰু গোৱালুণ্ডোৰ ভাপশক্তিচালিত বাহনৰ বন্দৰ সমূহক সংলগ্ন কৰি ৰেলপথ নিৰ্মাণ কৰা হৈছিল।

- ৰেল পৰিবহণ

যাত্ৰী তথা সামগ্ৰীসমূহৰ অসমৰপৰা অন্য ঠাইলৈ ক্ষীপ্ৰ আৰু সুচল পৰিবহণ কৰাৰ দাবী স্থল আৰু জল পৰিবহণ ব্যৱস্থাই পূৰণ কৰিবলৈ ব্যৰ্থ হোৱাত এই সমস্যাৰ সমাধান হেতু অসমত ৰেল পৰিবহণ ব্যৱস্থাৰ আৰম্ভণি কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছিল।

১৮৬০ ৰ দশকৰ সময়ছোৱাত অসমত ৰেল পৰিবহণৰ আৰম্ভণি হোৱা পৰিলক্ষিত হয়। ১৮৬২ চনৰ কলিকতাৰ পৰা পৰা দাহালৈ এটি ৰেলপথ স্থাপন কৰা হৈছিল আৰু এই পথটি ১৮৬৪ চনত গোনালুণ্ডোলৈ প্ৰসাৰিত কৰা হৈছিল।

কিন্তু উল্লেখযোগ্য যে ১৮৭০ ৰ দশকত অসমৰ সেই সময়ৰ আয়ুক্ত হোপকিনচন অসমত ৰেল পৰিবহণ প্ৰসাৰৰ পৰিপন্থী আছিল কিন্তু চাহখেতিৰ প্ৰসাৰ তথা তেল আৰু কয়লাৰ খনন আৰু সংগ্ৰহৰ বাবে উজনি অসমত ৰেল পৰিবহণৰ সূচনা কৰাটো আৱশ্যকীয় হৈ পৰিছিল। এই ক্ষেত্ৰত 'আসাম ৰেলৱে এণ্ড ট্ৰেডিং কোম্পানী (Assam Railway and Trading Company) ৰ সঞ্চালক ডº জন বেৰি হোৱাইটে আগভাগ লৈছিল।

১৮৭৮ চনত ডº জন বেৰি হোৱাইটে সেই সময়ৰ অসমৰ মুখ্য আয়ুক্ত ষ্টুৱাৰ্ড বেইলিক (steuart Bayley) ডিব্ৰুগড় ভাপশক্তি চালিত বাহনৰ বন্দৰলৈকে (Steamer port) যাতায়ত ব্যৱস্থাৰ উন্নতি কৰিবলৈ অনুৰোধ কৰিছিল কাৰণ এই অঞ্চলৰ স্থলপথ সমূহৰ অৱস্থা শোচনীয় আছিল। বেইলিয়ে নিজেই ডিব্ৰুগড়লৈ গৈছিল তথা অৱস্থা শোচনীয় আছিল। বেইলিয়ে নিজেই ডিব্ৰুগড়লৈ এক মিটাৰ গজ ৰেলপথ নিৰ্মাণৰ বাবে প্ৰস্তাৱ আগবঢ়াইছিল য'ত চৰকাৰী ৰাজসাহাৰ্য্য প্ৰদানৰ কথাও উল্লেখ আছিল। এই প্ৰস্তাৱ ভাৰত চৰকাৰে গ্ৰহণ কৰিছিল আৰু এই নিৰ্মাণৰ বাবে এক লাখ টকাৰ ৰাজসাহাৰ্য্য মঞ্জুৰ কৰিছিল।

উক্ত ৰেলপথটি নিৰ্মাণ কৰিবলৈ ১৮৮০ চনত নিৰীক্ষণ কৰা হৈছিল আৰু ১৮৮২ চনত ৰেল, ৰেলৰ ইঞ্জিন ইত্যাদি ইংলেণ্ডৰ পৰা ডিব্ৰুগড়লৈ প্ৰেৰণ কৰা হৈছিল। ইয়াৰ পিছত ১৮৮২ চনত পাইলা মে'ত ডিব্ৰুগড়ৰ ভাপশক্তি চালিত বাহনৰ বন্দৰৰ পৰা জয়পুৰলৈকে প্ৰথমটো মিটাৰগজ ৰেলপথ স্থাপন কৰা হৈছিল আৰু বছৰৰ শেষলৈকে এই পথটি চাবুৱালৈকে সম্প্ৰসাৰণ কৰা হৈছিল। ১৮৮৪ চনৰ ভিতৰত উজনি অসমৰ কয়লা খনি থকা অঞ্চলসমূহ ৰেলপথেৰে সংযোগ কৰা হৈছিল।

যোৰহাট প্ৰাদেশিক ৰেল পৰিবহণে ১৮৮৫ চনত মৰিয়নি আৰু তিতাবৰ চাব বাগিচাসমূহ কোকিলামুখ নদী বন্দৰৰ লগত সংলগ্ন কৰিছিল। সেই একেই বছৰতে তেজপুৰ বালিপাৰা ৰেলপথে দৰং জিলাত থকা চাহ বাগিচাসমূহ তেজপুৰ বন্দৰৰ লগত সংলগ্ন কৰিছিল। এই সকলোবোৰ ৰেলপথ, ১৮৮১ চনৰ ৩০ জুলাইত প্ৰতিষ্ঠা হোৱা 'আসাম ৰেলৱে কোম্পানী (Assam Railway Company) নামৰ প্ৰতিষ্ঠানটোৱে নিৰ্মাণ কৰিছিল আৰু এই প্ৰতিষ্ঠানটো 'আসাম ৰেলৱে এণ্ড ট্ৰেডিং কোম্পানী' নামৰ প্ৰতিষ্ঠানটোৰ এটা উপশাখা আছিল।

পূৰ্ব বংগ আৰু অসমৰ মাজত বাণিজ্যিক যোগাযোগ বৃদ্ধি কৰিবৰ উদ্দেশ্যেৰে ১৮৯২ চনত 'আহোম বেংগল ৰেলৱে কোম্পানী' নামৰ প্ৰতিষ্ঠানটো প্ৰতিষ্ঠা কৰা হৈছিল। এই উদ্দেশ্য কাৰ্য্যকৰী কৰিবলৈ বৰাক উপত্যকাৰ জৰিয়তে অসমক ভাৰতৰ অন্যান্য অঞ্চলৰ লগত সংলগ্ন কৰিবলৈ ভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছিল। ১৮৯৫ চনৰ ভিতৰত 'আসা বেংগল ' ৰেলখনৰ চিট্টাগঙৰ পৰা বদৰপুৰ লামডিং অংশটা পাহাৰীয়া অঞ্চলৰ মাজেৰে যোৱাৰ বাবে ইয়াৰ নিৰ্মাণকাৰ্য্য সম্পূৰ্ণ হৈছিল। বদৰপুৰ -লামডিং ৰেলপথটোৱে অসমক চিট্টাগং বন্দৰৰ লগত সংলগ্ন কৰিছিল। অসম-বেংগল ৰেলপথৰ গৌহাটী-যমুনামুখ অংশটো ১৮৯৭ চনত মুকলি কৰি দিয়া হৈছিল আৰু এই পথৰ নিৰ্মাণকাৰ্য্য ১৯০৩ চনত সম্পূৰ্ণ কৰা হৈছিল।

পূৰ্ব বংগৰ ৰাজশ্বাহী আৰু যমুনা খণ্ডটিক সেৱা আগবঢ়োৱাৰ উদ্দেশ্যেৰে ১৮৪৭ চনত 'ইষ্ট বেংগল ৰেলৱে কোম্পানী (East Bengal Railway Company) নামৰ এটা প্ৰতিষ্ঠান গঠন কৰা হৈছিল। ১৯০২ চনত

প্রতিষ্ঠানটোৰে পার্ব্বতীপুৰৰ পৰা ধুবুৰীলৈকে এটা মিটাৰগজ ৰেলপথ নিৰ্মাণ কৰিছিল। এই ৰেলপথটোৰ গোলকগঞ্জৰ পৰা ধুবুৰীলৈ থকা অংশটো ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰেদি যোৱা সবাটোকৈ পুৰণি মিটাৰগজ ৰেলপথ আছিল। এই পথটো ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰেদি আমিনগাওঁ আৰু বালিপাৰালৈ ক্ৰমে ১৯০৯ আৰু ১৯৩২ চনত সময়ছোৱাত পাণ্ডুৰ পৰা শ্বিলঙলৈ এটা মিটাৰগজ ৰেলপথ নিৰ্মাণ কৰিবৰ বাবে 'ইষ্ট-বেংগল ৰেলৰে কোম্পানী' নামৰ প্ৰতিষ্ঠানটোৰে এক নিৰীক্ষণ কৰিছিল। কিন্তু অৰ্থনৈতিক দিশৰ প্ৰতি লক্ষ্য ৰাখি এই প্ৰচেষ্টা কেতিয়াও বাস্তৱত কাৰ্য্যকৰী কৰা হোৱা নাছিল।

১৯২০ চনত শিলঘাট-চাপৰমুখ ৰেলপথ নিৰ্মাণ কৰা হৈছিল এই ৰেলপথ নিৰ্মাণ কৰা হৈছিল এই ৰেলপথৰ শাখা পথ এটি সেনচোৱাৰ পৰা মৈৰাবাৰীলৈ ১৯৩০ চনৰ জানুৱাৰী মাহত 'আসাম বেংগল ৰেলৰে কোম্পানী' 'আৰু 'ইষ্ট বেংগল ৰেলৰে কোম্পানী' নামৰ প্ৰতিষ্ঠান দুটা একত্ৰিত হৈ 'বেংগল আসমা ৰেলৰে কোম্পানী' নামৰ প্ৰতিষ্ঠানটো গঠন কৰিছিল। এই নতুন প্ৰতিষ্ঠানটোৰে পার্বতীপুৰ-ধুবুৰী ৰেলপথটো তিনিচুকীয়ালৈ প্ৰসাৰিত কৰিছিল। এনেদৰেই ক'ব পাৰি যে ঔপনিবেশিক কালত অসমত ৰেল পৰিবহনৰ এক উল্লেখযোগ্য বিকাশ হৈছিল।

অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমুহৰ উত্তৰ লিখক ঃ

প্ৰশ্ন নং ১ঃ অসমৰ দুটা পৰম্পৰাগত উদ্যোগৰ নাম লিখক ?

.....

প্ৰশ্ন নং ২ঃ ঔপনিবেশিক অসমত কোন চনত গড়কাপ্তানি বিভাগ স্থাপন কৰা হৈছিল ?

.....

প্ৰশ্ন নং ৩ঃ কোন চনত ইণ্ডিয়ান জেনেৰেল ষ্টীম নেভিগেচন কোম্পানী' নামৰ প্ৰতিষ্ঠানটো গঠন কৰা হৈছিল ?

.....

প্ৰশ্ন নং ৪ঃ অসমৰ কোনজন আয়ুক্ত অসমত ৰেল পৰিবহণ প্ৰসাৰৰ পৰিপন্থী আছিল ?

.....

১২.৫ বাণিজ্য

ইংৰাজসকলৰ আগমনৰ পূৰ্বে অসমত বাণিজ্য স্থানীয়ভাৱে উৎপন্ন সামগ্ৰীৰ লগত বিদেশী সামগ্ৰী বিশেষকৈ নিমখৰ বিনিয়মৰ সীমাবদ্ধ আছিল। আহোমসকলে অসমৰ বাণিজ্য আৰু ব্যৱসায়ৰ ওপৰত কঠোৰ নিয়ন্ত্ৰণ ৰাখিছিল। বিশেষকৈ বাহ্যিক আৰু সীমান্তৱৰ্তী বাণিজ্যৰ ওপৰত। অসম অধিগ্ৰহণ কৰাৰ পিছত এক বাণিজ্যিক প্ৰতিষ্ঠান হিচাপে ইংলিচ ইষ্ট ইণ্ডিয়া কোম্পানীয়ে (English East Indian Company) অসমত বাণিজ্যৰ প্ৰসাৰ আৰু বিস্তাৰৰ বাবে যত্নপৰ হৈছিল। আভ্যন্তৰীণ বহিঃবাণিজ্যৰ আৰু আৰু বিস্তাৰৰ বাবে যত্নপৰ হৈছিল। আভ্যন্তৰীণ বহিঃ বাণিজ্য আৰু সীমান্তৱৰ্তী বাণিজ্যৰ বিকাশ কৰিবৰ বাবে প্ৰচেষ্টা হাতত হৈছিল।

- **আভ্যন্তৰীণ বাণিজ্য ঃ** ঔপনিবেশিক শাসনৰ আৰম্ভণিৰ সময়ছোৱত অসমত আভ্যন্তৰীণ বাণিজ্যৰ কোনো নিৰ্ধাৰিত ব্যৱস্থা নাছিল। কৃষক তথা শিল্পীসকলে প্ৰায়েই তেওঁলোকৰ ৰাহি হোৱা উৎপাদিত সামগ্ৰীসমূহ স্থানীয় বজাৰত বিক্ৰি কৰিছিল। কিন্তু ঔপনিবেশিক শাসনৰ প্ৰাকমূহূৰ্তত অসমৰ বিশৃংখল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত এই বজাৰসমূহৰ অৱস্থা সন্তোষজনক নাছিল।

  সেয়েহে ঔপনিবেশিক শাসকসকলে অসমৰ আভ্যন্তৰীণ বাণিজ্য নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰিছিল। আভ্যন্তৰীণ বাণিজ্য মুক্ত আৰু নিকাভাৱে পৰিচালনা কৰিবলৈ তেওঁলোকে বাধাসমূহ দূৰ কৰিছিল। ওচৰ-চুবুৰীয়া পাহাৰীয়া জনজাতি যেনে গাৰো, নগা, ইত্যাদিক কিছুমান নিৰ্দিষ্ট নীতি-নিয়মৰ মাজেৰে ভৈয়ামৰ লোসকলৰ লগত বাণিজ্য কৰিবলৈ অমুমতি দিয়া হৈছিল।

আভ্যন্তৰীণ বিশৃংখলতা তথা মানসকলৰ আগ্রাসনৰ সময়ত ধ্বংসপ্রাপ্ত হোৱা সাপ্তাহিক আৰু পযেকীয়া বজাৰ (হাট) সমূহৰ পুনৰ গঠন কৰা হৈছিল। সৰ্বোচ্চ দাক্ দিয়োটাজনক হাটসমূহ বিক্রি কৰা হৈছিল আৰু তাৰেপৰা সংগৃহীত কৰ-কাটলৰ এটা অংশ চৰকাৰী কোষাগাৰত জমা দিয়া হৈছিল। ইয়াৰ উপৰিও বিভিন্ন মেলাসমূহত পাহাৰ-ভৈয়ামৰ লোকসকলে তেওঁলোকৰ সামগ্রীসমূহ বিক্রি কৰিবৰ বাবে মিলিত হৈছিল। কিছুমান বিশেষ শস্য যেনে মৰাপাট, ৰবৰ ইত্যাদিৰ বিক্রি কৰিবৰ বাবে কিছুমান নির্দিষ্ট অঞ্চলত কিছুমান বিশেষ বজাৰও বহিছিল।

এই বজাৰসমূহত অতীতৰ বিনিময় ব্যৱস্থাৰ পৰিবর্তে মুদ্রাৰ মাধ্যমেৰে লেনেদেন কৰা হৈছিল। এই মুদ্রাৰ প্রচলনে অসমৰ বজাৰ সমূহক কেঁঞা (মাৰোৱাৰী মহাজন) আৰু বেপাৰী (বঙালী ব্যৱসায়ী) সকলৰ আগমণৰ পথ প্রসস্ত কৰিছিল আৰু লাহে লাহে তেওঁলোকে অসমৰ আভ্যন্তৰীণ বাণিজ্যিক নিয়ন্ত্রিত কৰিবলৈ আৰম্ভ কৰিছিল। কেঁঞাসকলে লাহে লাহে অসমৰ প্রায় সকলো ক্ষেত্রতে নিজৰ প্রভূত স্থাপন কৰিছিল আৰু বজাৰসমূহত তেওঁলোকে নিজৰ দোকান স্থাপন কৰিছিল যাক স্থানীয়ভাৰে 'গোলা' () বুলি কোৱা হৈছিল। এই গোলাসমূহ আভ্যন্তৰীণ বাণিজ্যৰ মুখ্য কেন্দ্র হৈ পৰিছিল।

- **বহিঃ বাণিজ্য ঃ** মধ্যযুগত আহোমসকলৰ অধীনত অসমে এক সুকীয়া ৰাজনৈতিক অৱস্থিত গ্রহণ কৰিছিল আৰু বংগৰ জৰিয়তে ভাৰতীয় তথা ইউৰোপীয় ব্যৱসায়ীসকলৰ লগত বহিঃবাণিজ্যিক সম্পর্ক বজাই ৰাখিছিল। এই বাণিজ্যিক সম্পর্কক 'বংগৰ লগত বাণিজ্য' (Bengle trade) বুলি উল্লেখ কৰা হয়। ইয়াৰ উপৰিও ওচৰ-চুবুৰীয়া বিদেশী ৰাষ্ট্র যেনে ভূটান আৰু তিতাবৰ লগতো অসংৰ বাণিজ্যিক সম্পর্ক আছিল।
- **বংগৰ লগত বাণিজ্য ঃ** গোৱালপাৰাৰ কাষত ব্রহ্মপুত্র বংগৰ অসমৰ বাণিজ্যিক নিয়ন্ত্রিত কৰিবৰ বাবে পূর্বত কান্দাহাৰ অথবা হাদিৰাচকীত শুল্ক সংগ্রহ চকী (custom gate) আছিল। এই চকীখন বংগৰ ঔপনিবেশিক চৰকাৰৰ নিয়ন্ত্রনলৈ অনা হৈছিল আৰু ৰপ্তানি তথা আমদানি শুল্ক সংগ্রহ কৰিবৰ বাবে সেই শুল্ক সংগ্রহ চকীত শুল্ক সংগ্রহকাৰী বিষয়া নিয়োগ কৰা হৈছিল। কিন্তু ১৮৩৩ চনৰ চনদ আই ন প্রকাশ হোৱাৰ পিছত কান্দাহাৰ বা হাদিৰাচকীৰ শুল্ক সংগ্রহ চকী ৰদ্ কৰি বংগৰ সৈতে অসমৰ মুক্ত বাণিজ্যিক সম্পর্ক স্থাপন কৰা হৈছিল। কাৰণ ১৮৩৩ চনৰ চনদ আইনে মুক্ত বাণিজ্য নীতিৰ পোষকতা কৰিছিল।

বংগৰ লগত অসমৰ বাণিজ্যৰ এক শুদ্ধ মূল্যাংকন কৰি বাবে ১৮৭৭ চনৰপৰা পঞ্জীয়ন ব্যৱস্থাৰ আৰম্ভণি কৰা হৈছিল। বংগৰ সৈতে অসমৰ বাণিজ্য পঞ্জীয়ন কৰিবৰ বাবে দুটা স্থানৰ নির্বাচন কৰা হৈছিল, ব্রহ্মপুত্র উপত্যকাৰ বাবে ধুবুৰীত আৰু সুৰমা উপত্যকাৰ বাবে ভৈৰৰ বজাৰ, বংগৰ জৰিয়তে অসমৰ পৰা ৰপ্তানি, মৰাপাট, ৰবৰ, লা, ইত্যাদি আৰু আমদানি কৰা প্রধান সামগ্রীসমূহ আছিল সূতা, বিদেশী, কাপোৰ, কপাহী কাপোৰ, আফিং, নিমখ, লোহা আৰু তীখাৰে নির্মিত সা-সামগ্রী, যন্ত্র-পাতি ইত্যাদি।

- **ভূটানৰ লগত বাণিজ্য ঃ** ভূটীয়াসকল (ভূটানৰ লোকসকল) অসমলৈ বিভিন্ন পথেৰে আহিছিল। এই পথসমূহৰ ভিতৰত উল্লেখযোগ্য আছিল বিজনী, সিদ্রি, ৰিপু আৰু গোমা পথ। ঔপনিবেশিক কালত ভূটীয়াসকলে অসমৰ গোৱালপাৰা, কামৰূপ আৰু দৰং জিলাৰ লগত বাণিজ্যিক লেনেদেন কৰিছিল। পূর্বতে অসম- ভূটানৰ মাজত বাণিজ্য প্রধানকৈ ওদাৰগুৰি, ঘগ্রাপাৰ আৰু দৈমাৰা মেলাৰ জৰিয়তে কৰা হৈছিল। যিহেতু এই অঞ্চলকেইটা অসম-ভূটান সীমান্ত কাষৰীয়া আছিল।

ঔপনিবেশিক কালত কামৰূপ জিলাত অৱস্থিত দৰংগা আৰু সুবলখাতা নামৰ গিত্তিপথ দুটা ভূটানৰ লগত অসমৰ বাণিজ্যিক সম্পর্ক স্থাপন কৰিবৰ বাবে সন্ধান কৰি উলিওৱা হৈছিল। কম্বল, ঘোঁৰাৰ পোৱালি, কাঠ, মম, নিমখ, ৰবৰ , লা, ইত্যাদি সামগ্রী (বিশেষকৈ কপাহী কাপোৰ, ৰেচমী কাপোৰ, কাঁহেৰে নির্মিত সামগ্রী (বিশেষকৈ তাল), লোহা ইত্যাদি সামগ্রী অসমৰ পৰা ভূটামৰ ৰপ্তানি কৰা হৈছিল।

- **তিব্বতৰ লগত বাণিজ্য ঃ** অসম আৰু ন্দ্রতব্বতৰ মাজত বাণিজ্য প্রধানকৈ ভূটান আৰু টাৱাঙৰ মাজেৰে যোৱা ধনশিৰি তথা ওদাৰগুৰিৰ গিৰিপথেৰে কৰা হৈছিল। ওদাৰগুৰিত অনুষ্ঠিত বার্ষিক মেলাত তিব্বতীসকলে (তিব্বতৰ লোকসকলে) বাণিজ্যৰ সম্পর্ক স্থাপন কৰাৰ ক্ষেত্রত অসমৰ জানজাতিসকলে মধ্যস্থতাকাৰীৰ ভূমিকা পালন কৰিছিল। সামগ্রীৰ আদান-প্রদান জৰিয়তে বাণিজ্যিক লেনদেন কৰাতো পৰম্পৰাগত প্রথা আছিল।

  তিব্বতৰ বজাৰসমূহত বিদেশী কাপোৰ, বিভিন্ন ৰঙীণ কাপোৰ, ধাতু ভাৰতীয় নীল, ধপাত, নিমখ, চাহপাত, ধান, ৰেচমত সামগ্রী ইত্যাদিৰ এক বৃহৎ চাহিদা আছিল আৰু সেয়েহে তিব্বতী ব্যৱসায়ীসকলে এই সামগ্রীসকলে এই সামগ্রীৰ এক বৃহৎ চাহিদা আছিল আৰু সেয়েহে ব্যৱসায়ীসকলে এই সামগ্রীসমূহ তিব্বতলৈ আমদানি কৰিছিল। তাৰ বিনিময়ত তেওঁলোক সোম, ৰূপ, বিভিন্ন খনিজ পদার্থ, জন্তুৰ ছাঁল, নোম, ছাগলীৰ ঊল, ইত্যাদি সামগ্রী অসমৰ তথা অসমৰ যোগেদি ভাৰতৰ অন্যান্য অঞ্চললৈ ৰপ্তানি কৰিছিল। বার্ষিক মেলাৰ উপৰিও শদিয়া, উত্তৰ লক্ষীমপুৰ, তেজপুৰ, মার্ঘেৰিটা ইত্যাদি ঠাইত থকা বিভিন্ন বাণিজ্যিক কেন্দ্র তথা সাপ্তাহিক বজাৰলৈও তিব্বতীসকলে বাণিজ্যিক লেনেদেনৰ বাবে আহিছিল।
- **সীমান্তৱর্তী বাণিজ্য ঃ** অসমৰ পাহাৰ আৰু ভৈয়ামত লোকসকলৰ মাজত নিয়মীয়াভাৱে অহা-যোৱা আছিল। খাদ্য সামগ্রী তথা প্রয়োজনীয় সামগ্রীৰ বাবে পাহাৰৰ বাসিন্দাসকল তেওঁলোকৰ ওচৰ-চুবুৰীয়া ভৈয়ামৰ লোকসকলৰ ওপৰত নির্ভৰশীল আছিল। মণিপুৰী, আবৰ, ডফলা, মিচিমি, খামতি, নগা ইত্যাদি জনজাতিৰ লগত অসমৰ বাণিজ্যক সম্পর্ক আছিল এই বাণিজ্যিক সামূহিয়াভাৱে 'সীমান্তৱর্তী বাণিজ্য' বুলি উল্লেখ কৰা হয়।

  অসম আৰু মণিপুৰৰ মাজত বাণিজ্যিক লেনদেন কাছাৰ আৰু ক'হিমাৰ মাজেৰে যোৱা পথেৰে কৰা হৈছিল। কাছাৰ পথেৰে প্রধানকৈ কাঠ আৰু ভাঁৱ আমদানি কৰা হৈছিল। অসমলৈ প্রধানকৈ আমদানি কৰা সামগ্রীসমূহ আছিল কাঠ, বাঁহ, ধান আৰু গৰু। আনহাতে অসমৰ পৰা ৰপ্তানি কৰা প্রধান সামগ্রীসমূহ আছিল কপাহী সূতা আৰু কাপোৰ, শুদ্র সামগ্রী, তামোল তথা কেৰাচিন তেল।

  বজাৰৰ উপৰিও বিভিন্ন ভৈয়ামৰ লোকসকলে পাহাৰৰ লোকসকলক লগ পাইছিল। তেনে এখন মেলা আছিল প্রতি বছৰে ফেব্রুৱাৰী মাহত শদিয়াত অনুষ্ঠিত হোৱা মেলখনে। এইখন মেলাত প্রধানকৈ আবৰ, মিচিমি, খামতি আৰু নগাসকল বাণিজ্য কৰিবলৈ আহিছিল য'ত তেওঁলোক ৰবৰ, মম, মুখা, জাংফাই, হাতীদাঁত, গড়ৰ শিং ইত্যাদি বিক্রি কৰিছিল আৰু তাৰ বিনিময়ত এৰি কাপোৰ, বহন কাপোৰ আফিং, তীখাৰে নির্মিত বাচন, পিতলৰে নির্মিত বাচন-বর্তন মণি মুকুতা ইত্যাদি গ্রহণ কৰিছিল।

  পাহাৰীয়া জনজাতিসকলৰ লগত অসমৰ সীমান্তৱর্তী বাণিজ্যিক এক শক্তিশালী ৰূপত প্রতিষ্ঠা কৰিবলৈ, ঔপনিবেশিক চৰকাৰে পাহাৰৰ নামনি অংশত অৱস্থিত পৰম্পৰাগত বজাৰসমূহৰ ওপৰত তেওঁলোকৰ (ঔপনিবেশিক চৰকাৰৰ) নিয়ন্ত্রণ প্রতিষ্ঠা কৰিবলৈ যত্ন কৰিছিল। তাৰ পিছত পর্য্যায়ক্রমে ঔপনিবেশিক চৰকাৰে জনজাতিসমূহক তেওঁলোকৰ অধীনলৈ আনিছিল।

১২.৬ বজাৰ আৰু ব্যৱসায়

বাণিজ্যৰ বিষয়ে উপৰোক্ত উপ-অংশ কেইটাত আমি ইতিমধ্যে আলোচনা কৰিছো যে কিদৰে আভ্যন্তৰীণ, বহিঃ বাণিজ্য আৰু সীমান্তৱর্তী বাণিজ্য ভিন্ন পর্য্যায়ত কৰা হৈছিল আৰু সীমান্তৱর্তী বাণিজ্য ভিন্ন পর্য্যায়ত কৰা হৈছিল য'ত বজাৰসমূহে ব্যৱসায়িক লেনদেন কৰা হয়। ইতিমধ্যে উল্লেখ কৰা হৈছে যে অসমৰ পাহাৰ ভৈয়াম তথা বাহিৰৰ পৰা লোকসকল বজাৰত বিভিন্ন সামগ্রী বিক্রি তথা ক্রয় কৰিবলৈ আহিছিল।

অসমৰ প্রতিখন মুফচিল চহৰ বা সহদ স্থানত ঔপনিবেশিক চৰকাৰে ব্যৱস্থাৰ প্রচলন আছিল। কিন্তু ইতিমধ্যে উল্লেখ কৰাৰ দৰে প্রাক-ঔপনিবেশিক কালৰ বিশৃংখল অৱস্থাই প্রাচীন বহুতো বজাৰ ধ্বংস কৰিছিল

আৰু ফলস্বৰূপে প্ৰদেশৰ বাণিজ্য তথা ব্যৱসায় বাধাগ্ৰস্ত হৈছিল। সেয়েহে প্ৰাচীন বজাৰ সমূহ পুনঃ গঠন কৰি তথা প্ৰয়োজন সাপেক্ষে নতুন বজাৰ স্থাপন কৰি ঔপনিবেশকি চৰকাৰে অসমৰ সম্পূৰ্ণ বজাৰ ব্যৱস্থা পুনৰ সংগঠিত কৰিবলগীয়া হৈছিল।

অসমৰ প্ৰতিখন মুফচিল্ চহৰ বা সদৰ স্থানত ঔপনিবেশিক চৰকাৰে বজাৰ (হাট) আৰু মেলা স্থাপন কৰিছিল য'ত ওচৰ-চুবুৰীয়া গাওঁ সমূহৰপৰা লোকসকল ব্যৱসায়িক লেনদেনৰ বাবে আহিছিল। উদাহৰণ স্বৰূপে, ১৮৮১-৮২ চনত শিৱসাগৰ তথা নগাওঁ জিলাত ক্ৰমে ৪ খন আৰু ৭ খনকৈ হাট আছিল। ১৮৯১ চনৰ লোকপিয়ল (census) মতে চিলেট জিলাত ৩১৩ খন কাছাৰ জিলাত ১৮৮ খন তথা গোৱালপাৰা জিলাত ১১০ খন হাট বা বজাৰ আছিল।

কিন্তু বজাৰ তথা মেলাসমূহত হোৱা ব্যৱসায়িক লেনদেনত বহিঃৰাজ্যৰ ব্যৱসায়িক শ্ৰেণীৰ ক্ৰমান্বয়ে বাঢ়ি অহা আধিপত্য পৰিলক্ষিত হয়। এই ব্যৱসায়িক শ্ৰেণীটো কেঁঞা তথা বেপাৰীসকলক লৈ গঠিত হৈছিল। কেঁঞা সকলে নগদী শস্য আৰু কিছু ক্ষেত্ৰত খাদ্য শস্য উৎপাদন কৰিবৰ বাবে আগমন দিছিল আৰু উৎপন্ন শস্য অতি কম মূল্যত ক্ৰয় কৰি এই বিনিয়োগৰ লাভ লৈছিল। এই উৎপন্ন শস্য বিক্ৰি কৰি পোৱা ধনৰে কৃষকসকলে কেঁঞাসকলৰ পৰা লোৱা ঋণ পৰিশোধ কৰিবলগীয়া হৈছিল।

গোৱালপাৰা, কামৰূপ, দৰং আৰু নগাওঁ জিলাৰ পৰা কেঁঞাসকলে মৰাপাট সংগ্ৰহ কৰিছিল। মিকিৰ পাহাৰৰ কঁপাহ উৎপাদনকাৰীকলৰ পৰা কেঁঞাসকলে লামডিঙত কঁপাহ সংগ্ৰহ কৰিছিল। মিকিৰ জনজাতিসকলে লা খেতি কৰিছিল। আৰু উৎপন্ন হোৱা লা চুপৰমুখলৈ লৈ আহিছিল, য'ৰপৰা কেঁঞাসকলে এই লা সংগ্ৰহ কৰিছিল তথা কলিকতালৈ ৰপ্তানি কৰিছিল। বিদেশী কাপোৰ, খাদ্যবস্তু তথা বিলাসী সামগ্ৰীৰ বিনিময়ত বেপাৰীসকলেও খুচুৰা ব্যৱসায়ীসকলৰ জৰিয়তে স্থানীয় সামগ্ৰী সমূহ সংগ্ৰহ কৰিছিল। কিন্তু কেঁঞাসকলৰ তুলনাত এই বেপাৰীসকলৰ ব্যৱসায়ৰ পৰিসীমা সৰু আছিল।

কলিকতা, ঢাকা, নাৰায়ণগঞ্জৰ ব্যৱসায়ীসকলৰ লগত প্ৰত্যক্ষ সম্পৰ্ক থকাৰ বাবে বাবে সুষমা উপত্যকাৰ স্থানীয় ব্যৱসায়ীসকলৰ ব্যৱসায় সম্বন্ধে এক ভাল জ্ঞান আছিল। তুলনামূলকভাৱে সুৰমা উপত্যকাত বেপাৰীসকলে সুন্দৰভাৱে তেওঁলোকৰ ব্যৱসায় কৰিছিল। আনকি এই অঞ্চলৰ কৃষকসকলেও তেওঁলোকৰ সুবিধা অনুসৰি উৎপন্ন হোৱা শস্যৰ ৰাহি অংশ প্ৰত্যক্ষভাৱে বজাৰত বিক্ৰি কৰিছিল। তেওঁলোক আনকি ৰাহি যোৱা অংশ নাৱেৰে জল পৰিবহণৰ মাধ্যমেৰে বংগলৈ বিক্ৰি কৰিবলৈ লৈ গৈছিল।

Wঅগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্ন সমূহৰ উত্তৰ লিখক ঃ

৫ নং প্ৰশ্নঃ বংগৰ সৈতে হোৱা ব্যৱসায়ক নিয়ন্ত্ৰণ কৰিবলৈ গোৱালপাৰাৰ কাষত ব্ৰহ্মপুত্ৰত থকা শুল্ক সংগ্ৰহ চহীখনৰ নাম কি আছিল?

.....

৬ নং প্ৰশ্নঃ দুটা জনজাতিৰ নাম লিখক যাৰ লগত অসমৰ বাণিজ্যিক সম্বন্ধ আছিল?

.....

৭ নং প্ৰশ্নঃ বজাৰ মানে কি?

.....

৮ নং প্ৰশ্নঃ কেঁঞাসকলে সংগ্ৰহ কৰা দুটা নদগী শস্যৰ নাম লিখক?

.....

2 ১২.৭ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

এই অধ্যায় অধ্যয়ন কৰি আপুনি জানিব পাৰিলে —

- ঔপনিবেশিক আমোলত অসমৰ উদ্যোগিক অৱস্থাৰ বিষয়ে।
- ঔপনিবেশিক আমোলত কেনেদৰে অসমৰ যাতায়ত আৰু যোগাযোগ ব্যৱস্থাৰ পৰিবর্তন হৈছিল।
- ঔপনিবেশিক আমোলত অসমত কেনেদৰে ব্যৱসায় আৰু বাণিজ্য কৰা হৈছিল।
- অসমত ঔপনিবেশিক চৰকাৰে স্থাপন কৰা বজাৰ তথা সেই বজাৰসমূহত হোৱা ব্যৱসায়িক লেনদেনৰ বিষয়ে।

O ১২.৮ অধিক জানিবলৈ

অধিক জানিবলৈ

1) Barpujari, H.K (2004): *The Comprehensive History of Assam, Volume-1v,* Publication Board Assam, Guwahati.
2) Baruah, S.L(2003): *A Comprehensive History of Assam of Assam,* Munishram Manoharlal puvlishers, New Delhi.
3) Goswami, Priyan (2012) The History of Assam from Yandaboo to partition, 1826-1947, Orient Black Swan, Kalkata.
4) Goswami, Priyam, (1999), Assam in the Nineteenth Century _ Industrialisation & Colonial Penetration Spectrum Publication, Gauhati.

K ১২.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ ৰেচম আৰু কাঁহ শিল্প।
২ নং প্রশ্নৰ উত্তৰঃ ১৮৬৮ চনত।
৩ নং প্রশ্নৰ উত্তৰঃ ১৮৫৮ চনত।
৪ নং প্রশ্নৰ উত্তৰঃ আয়ুক্ত হোপকিন্‌চন।
৫ নং প্রশ্নৰ উত্তৰঃ কান্দাহাৰ অথবা হাদিৰাচকী।
৬ নং প্রশ্নৰ উত্তৰঃ আবৰ আৰু ডফলা।
৭ নং প্রশ্নৰ উত্তৰঃ বজাৰ এনে এক ঠাই য'ত ব্যৱসায়িক লেনদেন কৰা হয়।
৮ নং প্রশ্নৰ উত্তৰঃ মৰাপাট আৰু কঁপাহ।

M ১২.১০ আৰ্হি প্রশ্ন

ক) বস্তু ধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত দিব)

প্রশ্ন ১ঃ ঔপনিবেশিক অসমত স্থাপন কৰা তিনিটা গুৰু উদ্যোগৰ নাম লিখক?

প্রশ্ন ২ঃ ১৮২৮ চনত চিনেট-গৌহাটী পথৰ নিৰিক্ষণ কোনে কৰিছিল?

প্রশ্ন ৩ঃ তিনিখন ভাপশক্তি চালিত বাহনৰ (steams) নাম লিখক যিকেখিনৰ গংগানদীৰ পৰিবর্তে অসমৰ জলপথত ব্যৱহাৰ কৰা হৈছিল?

প্রশ্ন ৪ঃ কোন চনত অসমত প্রথম মিটাৰগজ্ ৰেলপথ স্থাপন কৰা হৈছিল?

প্রশ্ন ৫ঃ বেপাৰী সকল কোন আছিল?

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ শব্দৰ ভিতৰত দিব)

চমুটোকা লিখক

প্রশ্ন ১ঃ কাঠৰ মিল।

প্রশ্ন ২ঃ স্থল পৰিবহণ।

প্রশ্ন ৩ঃ ভাপশক্তিৰ দ্বাৰা পৰিচালিত জল পৰিবহণ (steem navigation)।

প্রশ্ন ৪ঃ ৰেলপথৰ নির্মাণ।

প্রশ্ন ৫ঃ বংগৰ সৈতে ব্যৱসায়।

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত দিব)

প্রশ্ন ১ঃ ঔপনিবেশিক অসমত উদ্যোগৰ বিকাশৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ঃ ঔপনিবেশিক অসমত যাতায়ত আৰু যোগাযোগ ব্যৱস্থাৰ বিকাশৰ বিষয়ে বর্ণণা কৰক?

প্রশ্ন ৩ঃ ঔপনিবেশিক অসমত কেনেদৰে ব্যৱসায় আৰু বাণিজ্য কৰা হৈছিল?

প্রশ্ন ৪ঃ ঔপনিবেশিক অসমত বজাৰ আৰু ব্যৱসায়ৰ বিকাৰ মূল্যাংকণ কৰক?

অধ্যায় ১৩ ঃ অসমীয়া জাতীয়তাবাদৰ উত্থান

অধ্যায় গাঁথনি

13.1 উদ্দেশ্য
13.2 পৰিচয়
13.3 অসমীয়া জাতীয়তাবাদ গঢ়ি উঠাৰ কাৰণবোৰ
13.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
13.5 অধিক জানিবলৈ
13.6 অগ্রগতিৰ খতিয়ান
13.7 আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- অসমীয়া জাতীয়তাবাদৰ উত্থানৰ কাৰণবোৰ আলোচনা কৰিব পাৰিব।

১৩.২ পৰিচয়

প্রিয় শিক্ষার্থীসকল, আপোনালোকে ইতিমধ্যে 1857 খ্রীষ্টাব্দৰ বিদ্রোহৰ অনুৰণন অসমত কেনেদৰে হৈছিল তথা বৃটিছ চৰকাৰৰ দমনমূলক নীতিৰ বিৰুদ্ধে অসমৰ বিভিন্ন ঠাইত কেনেদৰে কৃষক বিদ্রোহ সংঘটিত হৈছিল — তাৰ বিষয়ে জানিব পাৰিছে। বিদেশী শাসনৰ বিৰুদ্ধে হোৱা এই প্রতিবাদ আন্দোলনবোৰে অসমৰ জনসাধাৰণকৰাজনৈতিক সচেতন কৰি তুলিছিল। আৰু ইয়াৰ পৰবর্তী সময়ত অসমীয়া জাতীয়তাবাদ গঢ় লৈ উঠাত সহায় কৰিছিল।

এই অধ্যায়টিত আমি অসমীয়া জাতীয়তাবাদ গঢ় দিয়া কাৰকবোৰৰ বিষয়ে আলোচনা কৰিম। অসমীয়া জাতীয়তাবাদৰ ভাবাবেগ গঢ় লৈ উঠাৰ লগে লগে অসমৰ জনসাধাৰণ দেশীয় ভাৱে সচেতন হৈ পৰিল আৰু ভাৰতৰ জাতীয় আন্দোলনত সক্রিয়ভাৱে অংশগ্রহণ কৰিলে।

১৩.৩ অসমীয়া জাতীয়তাবাদ গঢ়ি উটাৰ কাৰণবোৰ

বৃটিছ শাসনৰ প্রতিষ্ঠাই অসমত ৰাজনৈতিক, আর্থিক আৰু সামাজিত দিশত, সুদুৰপ্রসাৰী পৰিৱর্তন সাধন কৰিলে। 1857 খ্রীষ্টাব্দত ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসনৰ অৱসান ঘটিল। কোম্পানীৰ শাসনৰ সমাপ্তিৰ পাচত ইংলণ্ডৰ ৰাণী ভিক্টোৰিয়াই 1857 খ্রীষ্টাব্দৰ 1 নৱেম্বৰৰ এক ঘোষণা যোগে প্রত্যক্ষভাৱে ভাৰতবর্ষৰ প্রশাসনৰ দায়িত্ব আনিছিল। ইয়াৰ পৰিণতি স্বৰূপে সময়ত ঔপনিৱেশিক চৰকাৰৰ দ্বাৰা শোষিত হোৱাৰ ভাবাবেগ জনসাধাৰণৰ মনত বৃদ্ধি পাইছিল।

এই ভাবাবেগৰ লগতে আন বহুতো সামাজিক শক্তি সংযোজিত হৈ অঞ্চলটোত ৰাজনৈতিক সচেতনতা বা সজাগতাৰ জন্ম দিছিল আৰু ইয়ে সময়ত গৈ অসমীয়া জাতীতাবাদ গঢ়ি তুলিছিল। আমি এতিয়া অসমীয়া জাতীতবাদ গঢ়ি উঠাৰ কিছুমান মুখ্য কাৰণ আলোচনা কৰিব লৈছো।

- **সম্ভ্রান্ত শ্রেণীৰ অসন্তুষ্টি ঃ** অসমীয়া ডাঙৰীয়া আৰু সম্ভ্রান্ত শ্রেণীৰ সদস্যসকলে বৃটিছ শাসনৰ প্রতি ভীষণভাৱে অসন্টুষ্ট আছিল। বৃটিছ চৰকাৰে সম্ভ্রান্ত শ্রেণীৰ ন্যস্ত স্বার্থ জড়িত পৰম্পৰাগত মর্যদা নোহোৱা কৰি পেলাইছিল। আহোম শাসনৰ অধীনত পোৱা লাভালাভ আৰু ঔদার্য্যৰ পৰা তেওঁলোক বঞ্চিত হৈছিল। তেওঁলোকৰ ওপৰত কৰ আৰোপ কৰাত তেওঁলোকৰ মর্যদা সাধাৰণ শ্রেণীলৈ অৱনত হৈছিল। নতুন প্রশাসনিক গাঁথনিটোক এটি বিদেশী ভাষা বংলাৰ আৰম্ভণি কৰাত ডাঙৰীয়া সকল প্রশাসনত এলাগী হৈ পৰিল। সম্ভ্রান্ত শ্রেণীৰ এক বৃহৎ সংখ্যক লোক আৰু তেওঁলোকৰ ওপৰতত্তিয়ালৈকে নির্ভৰশীল হৈ থকা এটি বৃহৎ অংশক কার্যৰ পৰা খেদি দিয়া হৈছিল। বংগৰ পৰা আমোলা লৈ অনা কার্যই এই বঞ্চনাৰ ভাবাবেগক আৰু অধিক কৰি তুলিলে আৰু প্রথমবাৰৰ বাবে অসমীয়া সম্ভ্রান্ত শ্রেণীৰ মাজত এক সার্বজনীন উদ্দেশ্য গঢ়ি তুলিলে।
- **মুদ্রা অর্থনীতি আৰু সর্বোচ্চ পর্যায়লৈ ৰাজহ বৃদ্ধি ঃ** মুদ্রা অর্থনীতিৰ সূচনা হোৱাত ই অর্থনীতিত এক তাৎক্ষণিক প্রবাৱ পেলালে। বৃটিছ চৰকাৰে পূর্বৰ সেৱা কৰ আঁতৰাই নগদ কৰ দিয়া ব্যৱস্থা আৰম্ভ কৰিলে। সেই সময়ত টকাৰ প্রচলন বৰ বেছি হোৱা নাছিল। যিহেতু মুদ্রা অর্থনীতিয়ে খেতিয়কসকলৰ এক জটিল অৱস্থাৰ অধীনলৈ ঠেলি দিলে সেয়েহে তেওঁলোক বৰ বেয়াকৈ ক্ষতিগ্রস্ত হ'ল। খেতিয়কসকলৰ হাতত বৰ বেছি পুঁজি নাছিল আৰু তেওঁলোকৰ বাবে নগদ ধন লাভ কৰাটো কঠিন কাম আছিল। অৰিৰতভাৱে বৃদ্ধি হৈ থকা ভূমি অংশ বিক্রী কৰিব লগা হৈছিল। প্রতিবাৰৰ কৰ নির্ধাৰণে খেতিয়কসকলৰ অৱস্থা শোচনীয় কৰি তুলিছিল।

  ৰাজহ বৃদ্ধিৰ বাবে বৃটিছে পদ্ধতিগতভাৱে ভূমি কৰ বৃদ্ধি কৰিছিল। কিন্তু একে সময়তে খেতিয়কসকলৰ মাটিৰ উৎপাদন বৃদ্ধি কৰাত সহায় কৰিবলৈ বৃটিছ চৰকাৰে কোনো পদক্ষেপ হাতত লোৱা নাছিল। তদুপৰি সঘনাই হোৱা বানপানীৰ সৈতে মোকাবিলা কৰিবলৈও বৃটিছ চৰকাৰে কোনো প্রচেষ্টা হাতত লোৱা নাছিল। অসমৰ জনগণে কিছুমান অতিৰিক্ত কৰ যেনে গোপচাৰ কৰ (grzing tax) (যাক গৰু-মহৰ ওপৰত লগোৱা মাচুলৰ নিচিনাকৈ লোৱা হৈছিল), নদীৰ ঘাটৰ ওপৰত কৰ, বজাৰৰ ওপৰত লোৱা কৰ, পুখুৰী আদিৰ ওপৰত লগোৱা কৰ আদি দিব লগা হৈছিল। এই সকেলাবোৰ কৰে জন সাধাৰণৰ মাজত ভীষণ অসন্টোষ্টিৰ সৃষ্টি কৰিছিল আৰু তেওঁলোক সকলোকে উমৈহতীয়া শত্রু বৃটিছৰ বিৰুদ্ধে একত্রিত কৰিছিল।
- **আফিং নীতি ঃ** জনগণৰ বহুতো ওজৰ আপত্তি বৃটিছৰ আফিং নীতিৰ সৈতে আছিল। 1860 খ্রীষ্টাব্দত চৰকাৰে আফিঙৰ খেতি নিষিদ্ধ কৰিছিল। কিন্তু চৰকাৰে এই খেতিৰ ওপৰত একাধিপত্য স্থাপনেৰে আফিঙৰ উৎপাদন বৃদ্ধি কৰিছিল। অসমত আফিঙৰ ওপৰত শুল্ক কৰ আৰোপ কৰি চৰকাৰে বৃহৎ পৰিমাণে অর্থ সংগ্রহ কৰিছিল। চৰকাৰে কিন্তু আফিঙৰ বিক্রী বন্ধ কৰা নাছিল আৰু ইয়াৰ সেৱন বৃহৎ পৰিসৰত অব্যাহত আছিল। আফিঙৰ ওপৰত লগোৱা এই শুল্ক কৰ অসমৰ জনগণৰ বাবে এক ডাঙৰ বোজা আছিল।
- **থলুৱা উদ্যোগৰ অৱনতি ঃ** থলুৱা উদ্যোগৰ আলৈ আথানি ঘটাত অসমৰ জনগণৰ কষ্ট আৰু বাঢ়িল। অসমৰ বজাৰত বৃটিছ উৎপাদিত সামগ্রী অনুপ্রৱেশ ঘটাৰ লগে লগে এক ঔদ্যোগিক অৱনতিৰ প্রক্রিয়া গঢ়ি উঠিল আৰু পৰম্পৰাগত উদ্যোগসমূহ ইমান বেছি ক্ষতিগ্রস্ত হ'ল যে বেছিভাগে অধঃপতনৰ ৰাস্তা ল'লে। পূর্বে ঔপনিবেশিক সময়ছোৱাৰ অর্থনীতিত কৃষি আৰু উদ্যোগৰ সমন্বয় ৰক্ষাৰ জৰিয়তে যি এক সুস্থ ভাৰসাম্য ৰক্ষা কৰা হৈছিল সি সমূলি ধ্বংস হ'ল। বৰঞ্চ জনসাধাৰণে অতিৰিক্ত আয়ৰ উৎসবোৰো হেৰুৱালে। ঔদ্যোগিক অৱনতিয়ে এনেদৰে অসমত অর্থনৈতিক শোষণ প্রক্রিয়াৰ প্রকোপ বঢ়ালে আৰু জনগণক ঔপনিবেশিক শাসনৰ কুফল সম্পর্কে সচেতন কৰি তুলিলে।

  বৃটিছ চৰকাৰে অসমত চাহ, কয়লা আৰু তৈল উদ্যোগ প্রতিষ্ঠা কৰিছিল। অৱশ্যে এইবোৰ উদ্যোগে অসমৰ অর্থনীতিত চকুত পৰা ধৰণৰ কোনো প্রভাৱ পেলাব পৰা নছিল। চাহ, কয়লা আৰু তেল ৰঙীন হেতুকে অসম ৰপ্তানি উদ্বৃত্ত অঞ্চললৈ পৰিণত হৈছিল। এই উদ্যোগবোৰে স্থানান্তৰিত

লোকসকলক জীৱিকাৰ কোনো উৎস প্ৰদান নকৰি তেওঁলোকৰ কৰ্মসংস্থাপন দিয়াত ব্যৰ্থ হৈছিল। ইউৰোপীয় সকলৰ মালিকীস্বত্ব থকা আৰু তেওঁলোকৰ দ্বাৰা প্ৰৰিচালিত তথা প্ৰব্ৰজিত বনুৱাৰ কৰ্ম শক্তিৰে অসমত গঢ়ি উঠা এই উদ্যোগীকৰণ আছিল এক বিচ্ছিন্ন পৰিঘটনা - যি মাথো কিছুমান শ্ৰেণীৰ মাজতে আৱদ্ধ আছিল আৰু ইয়াৰ থলুৱা লোকৰ সৈতে এই উদ্যোগীকৰণৰ কোনো সম্পৰ্ক নাছিল।

- **অৰ্থনৈতিকভাৱে পতিত মাটিৰ আবন্টন** ঃ ইউৰোপীয় সকলক পতিত মাটি আবন্টন দিয়াক লৈ স্থানীয় খেতিয়কসকলৰ মাজত ভীষম অস্টুষ্টিৰ সৃষ্টি হৈছিল। পতিত মাতি মঞ্জুৰ কৰাৰ ক্ষেত্ৰত কঠিন নীতি-নিয়ম সৃষ্টি কৰি বৃটিছ চৰকাৰে পৰোক্ষভাৱে থলুৱা লোকক পতিত মাটি লাভ কৰা প্ৰতি দ্বন্দ্বিতাখনত নিৰুৎসাহ কৰিছিল। এই নীতি-নিয়মবোৰে ইউৰোপীয় সকলৰ বাবে ইমান অনুকূল আছিল যে চাহ খেতিয়কসকলে মাটিৰ বাবে হেতা-ওপৰা লগাইছিল। যিবোৰ মাটি খেতিয়কসকলে পৰম্পাৰাগতভাৱে ব্যৱহাৰ কৰি আহিছিল সেইবোৰক পতিত মাটি হিচাপে চাহ কোম্পানীবোৰৰ হাতত প্ৰায়ে বিক্ৰী কৰিব লগা হৈছিল। বহু ক্ষেত্ৰত চাহ খেতিয়ক সকলে জনজাতীয় ঝুম খেতিয়কসকলৰ অধিকাৰ উলংঘা কৰিছিল। ইয়াৰ ফলত বহু খেতিয়ক স্থানচ্যুত হৈছিল। তাৰোপৰি চাহ খেতিয়কসকলৰ আটাইতকৈ বেছি মাটি থকা শ্ৰেণীটো হৈও বৃটিছ চৰকাৰক আটাইতকৈ কম ৰাজহ দিছিল।
- **প্ৰব্ৰজন** ঃ ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পৰা অসমলৈ বৃহৎ মাত্ৰাত মানুহৰ প্ৰব্ৰজন ঘটিছিল। এই প্ৰব্ৰজনকাৰী সকলৰ গৰিষ্ঠ সংখ্যকে আছিল চাহ বাগিচাৰ বনুৱা তথা কয়লা আৰু তৈল খণ্ডৰ বনুৱা। মানুহৰ এই প্ৰব্ৰজনে অসমৰ জনসংখ্যা বৃদ্ধি কৰিছিল। কিন্তু তাৰ বিপৰীতে অসমৰ খেতিয়ক সকলৰ উৎপাদন বৃদ্ধি হোৱা নাছিল। ক্ৰমবৰ্দ্ধমান জনসংখ্যাৰ প্ৰয়োজন অনুপাতে অসমৰ খেতিয়কে পৰ্যাপ্ত খাদ্য উৎপাদন কৰিব পৰা নাছিল। এনে এক পৰিস্থিতিত তদানীন্তন অৰ্থনীতি ক্ৰমান্বয়ে ভাঙি পৰিছিল আৰু আমদানীকৃত খাদ্য সামগ্ৰীৰ ওপৰত নিৰ্ভৰশীলতা বাঢ়ি গৈছিল। বৃহৎ মাত্ৰাত হোৱা প্ৰব্ৰজনে অঞ্চটোৰ জন গাঁথনিও সলনি কৰিছিল।
- **পশ্চিমীয়া শিক্ষাৰ সূচনা** ঃ আৰ্থিক অভাৱৰ এনে এক পটভূমিত পশ্চিমীয়া শিক্ষা আৰু নব্য প্ৰগতিবাদী ধৰাণা আৰু জ্ঞানৰ অনুপ্ৰৱেশে অসমীয়াৰ মনত এক যুক্তি জিজ্ঞাসা ৰোপন কৰিছিল। আৰ্থিক সংস্কাৰ আৰু সামাজিক কদাচাৰবোৰ নিৰ্মূল কৰাৰ বাবে এক প্ৰৱল দাবী গঢ় লৈ উঠিছিল। উচ্চ শিক্ষাৰ কোনো সুবিধা নোহোৱা হেতুকে অসমৰ ছাত্ৰসকলে শিক্ষালাভৰ বাবে বংগলৈ যাব লগা হৈছিল আৰু বংগ সেই সময়ত উদিত ভাৰতীয় জাতীয়তাবাদৰ কেন্দ্ৰবিন্দু আছিল। অসমৰ ছাত্ৰসকলে জাতীয়তাবাদী ভাবধাৰাৰে অনুপ্ৰাণিত হৈছিল আৰু ঘূৰি আহি অসমৰ মানুহৰ মাজত এই নতুন ধাৰণাবোৰ প্ৰচাৰ কৰিছিল।
- **বাতৰি কাকতৰ জন্ম আৰু বিকাশ** ঃ অসমৰ বাতৰি কাকতৰ বিকাশ সাধন হোৱাত ইয়ে জনগণৰ সচেতনতা বৃদ্ধি কৰালে। অসমৰ আমেৰিকান ব্যাপ্তিষ্ট মিছনেৰী সকলৰ দ্বাৰা শিৱসাগৰত প্ৰতিষ্ঠিত ছপাশালত 1844 চনত 'অৰুণোদই' প্ৰকাশ হোৱাকে বাতৰি কাকতৰ শুভাৰম্ভ বুলি ক'ব পাৰি। অতি কম সময়ৰ ভিতৰতে অসমত আন বহুতো কাকাত আৰু সাময়িক পত্ৰিকা যেনে 'আসাম বিলাসিনী', 'আসাম মিহিৰ', 'আসাম দৰ্পন', 'দ্য আসাম নিউজ' আদি প্ৰকাশ পালে। এই কাকত আৰু সাময়িক পত্ৰিকাবোৰে সাধাৰণ লোকক আধুনিক জ্ঞান প্ৰদান কৰাৰ লগতে সচেতনতা বৃদ্ধি কৰালে তথা সাম্প্ৰতিক বিষয়বোৰৰ ক্ষেত্ৰত জনমতৰ সৃষ্টি কৰালে। আফিঙ সেৱন, চাহ বাগিচাৰ কাম কৰাৰ দুখ লগা পৰিবেশ আদিৰ বিষয়ে নিৰবচ্ছিন্ন বাতৰি প্ৰকাশ কৰাৰ ফলত জনমতসহ এক পৰ্যায়ত গঢ় লৈ উঠিছিল যে অসমীয়া সকলো শ্ৰেণীৰ লোকৰ মাজত এই বিষয়বোৰ সচৰাচৰ আলোচিত হৈছিল।

তদুপৰি 1872 খ্ৰীষ্টাব্দত বংগৰ গভৰ্নৰ জৰ্জ কেম্পবেলে অসমীয়া ভাষাত হৃত মৰ্যদা যেতিয়া পুনৰ ঘূৰাই দিলে তেতিয়া শৈক্ষিক আন্দোলনটিয়ে সফলতা লাভ কৰিব আৰম্ভ কৰিলে। 1872 চনত বাংলা ভাষাৰ সলনি অসমীয়াৰ প্ৰৱৰ্তন কৰা হ'ল। অসমীয়া ভাষাৰ এই পুৰ্নসংস্থাপনে অসমৰ মানুহৰ অতিকৈ প্ৰয়োজনীয় মানসিক বল বৃদ্ধি কৰিলে আৰু বৃটিছ চৰকাৰৰ পৰা সংগঠিত ৰূপত যে দাবীবোৰ আদায় কৰিব পাৰি তাক প্ৰতীয়মান কৰিলে।

- **অসমীয়া বুদ্ধিজীৱী মহলৰ উত্থান** ঃ পশ্চিমীয়া শিক্ষাৰ সূচনা, বাতৰি কাকতৰ বিকাশ আৰু জনাধাৰণৰ আর্থিক দুদর্শাই অসমীয়া বুদ্ধিজীৱী মহলৰ গঢ় দিছিল। এই শ্রেণীৰ অসমীয়া লোকৰ আধুনিক ভাৱধাৰা আৰু পশ্চিমীয়া মূল্যবোধ সম্পর্কে জ্ঞান আছিল আৰু সাধাৰণ অসমীয়া মানুহতকৈ এওঁলোকৰ দৃষ্টিভংগী বেলেগ আছিল। এওঁলোকে অসমত নৱজাগৰণৰ বীজ ৰোপন কৰিছিল। আনন্দৰাম ঢেকিয়াল ফুকন আছিল এই নতুন যুগৰ সূচনা কৰোতা আৰু পাছলৈ তেওঁৰ কর্মৰাজি হেমচন্দ্র বৰুৱা, গুণাভিৰাম বৰুৱা তথা অনান্যসকলে আগু�ৰাই নিছিল। অসমীয়া নৱজাগৰণৰ লেখক লক্ষ্মীনাত বেজবৰুৱা, পদ্মনাথ গোহাঁই বৰুৱা আৰু অনান্য সকলে তেওঁলোকৰ লিখনিৰে অসমীয়া সাহিত্য তথা অসমীয়া মানুহৰ মনন পশ্চিমৰ প্রগতিবাদী চিন্তা আৰু অসমৰ সমৃদ্ধিশালী পৰম্পৰাৰে সমৃদ্ধ কৰি তুলিছিল।

  অসমৰ পৰম্পৰাগত ৰাইজ মেল বোৰ হৈছে সামাজিক, ৰাজনৈতিক বিষয়াবোৰ আলোচনা কৰিবলৈ গাৱৰ মানুহে পতা এখন সভা। অসমীয়া বুদ্ধিজীৱী মহলে 1884 চনত যোৰহাট সার্বজনিক সভা, 1903 চনত আসাম অছোছিয়েশ্বন আৰু 1915 চনত অসম ছাত্র সন্মিলনৰ লেখিয়া সামাজিক-ৰাজনৈতিক সংগঠন গঢ়ি তুলিছিল। প্রাৰম্ভিক অৱস্থাত এই সংগঠনবোৰে আঞ্চলিক দাবীবোৰৰ প্রতি গুৰুত্ব দিছিল যদিও ক্রমাগতভাৱে ভাৰতীয়া মূলসুঁতিৰ ৰাজনীতিৰ সৈতে জড়িত হৈ পৰিছিল। অসমীয়া জাতীযতাবাদ গঢ়ি উঠাত আৰু বৃটিছ শাসনৰ পৰা স্বাধীনতা প্রাপ্তিৰ জাতীয় আন্দোলনত এই সংগঠনবোৰ প্রভূত অৰিহণা আছিল।

চিন্তা চর্চা কৰক ১৩.১

- আনন্দৰাম ঢেকিয়াল ফুকনৰ বিষয়ে কেইশাৰীমান লিখক।

  .....

  .....

অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নসমূহৰ উত্তৰ লিখক ঃ

প্রশ্ন নং ১ ঃ কোন চনত ইষ্ট ইণ্ডিয়া কোম্পানীৰ অন্ত পৰিছিল?

.....

প্রশ্ন নং ২ ঃ কোন চনত আসাম এছোছিয়েশ্বন গঠন হৈছিল?

.....

প্রশ্ন নং ৩ ঃ 1844 চনত প্রকাশিত হোৱা বাতৰি কাকতখনৰ নাম কি?

.....

প্রশ্ন নং ৪ ঃ বৃটিছ চৰকাৰে কেতিয়া আফিঙৰ খেতি নিষিদ্ধ কৰিছিল?

.....

প্রশ্ন নং ৫ ঃ যোৰহাটত সার্বজনিক সভা কেতিয়া পতা হৈছিল?

.....

১৩.৪ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি জানি পাৰিলে যে—

- সমাজৰ বিভিন্ন স্তৰত জনসাধাৰণৰ মাজত হোৱা অসন্তুষ্টিৰ ফলত জনগণৰ মাজত ৰাজনৈতিক সজাগতাৰ উত্থান হৈছিল।
- পশ্চিমীয়া শিক্ষাৰ প্রসাৰে নতুন প্রজন্মৰ মানসিক উত্তৰণ ঘটাইছিল।
- প্রাচ্যৰ মাধ্যমৰ বিকাশে জনগণক সজাগ কৰাত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল।

১৩.৫ অধিক জানিবলৈ

ইংৰাজী গ্রন্থঃ

1) Baruah, S.L. (1985): *A Comprehensive History of Assam*, Delhi,
2) Bhuyan, A.C., (1999): *Political History of Assam*, Vol. III, Publication Board Assam, Guwahati.
3) Dutta, K.N (1958): *Landmarks in the Freedom Struggle in Assam*, Lawyers' Book Stall, Guwahati.

১৩.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ 1858।
২ নং প্রশ্নৰ উত্তৰঃ 1903¾
৩ নং প্রশ্নৰ উত্তৰঃ অৰুণোদই।
৪ নং প্রশ্নৰ উত্তৰঃ 1860¾
৫ নং প্রশ্নৰ উত্তৰঃ 1884¾

১৩.৭ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ 50 টা শব্দৰ ভিতৰ দিব)

প্রশ্ন ১ঃ আনন্দৰাম ঢেকিয়াল ফুকন কোন আছিল?

প্রশ্ন ২ঃ ৰাইজমেলৰ বিষয়ে চমুকৈ আলোচনা কৰক।

খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ 150 টা শব্দৰ ভিতৰ দিব)

প্রশ্ন ১ঃ চমুটোকা লিখা
ক) অসম সন্মিলন
খ) গণ মধ্যমৰ বিকাশ

গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ 300–500 টা শব্দৰ ভিতৰ দিব)

প্রশ্ন ১ঃ অসমীয়া জাতীয়তাবাদ উত্থান হোৱাত সহায় কৰা উপাদান সমূহৰ বিষয়ে আলোচনা কৰক।

অধ্যায় ১৪ ঃ অসম আৰু স্বাধীনতা সংগ্রাম-১

অধ্যায় গাঁথনি

14.1 উদ্দেশ্য
14.2 পৰিচয়
14.3 বংগ বিভাজন আৰু অসমত ইয়াৰ প্রভাৱ
14.4 অসমত অসযোগ আন্দোলন
14.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
14.6 অধিক জানিবলৈ
14.7 অগ্রগতিৰ খতিয়ান
14.8 আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বংগ বিভাজন আৰু অসমত ইয়াৰ প্রভাৱ সম্পর্কে ব্যাখ্যা কৰিব পাৰিব
- অসহযোগ আন্দোলনত অসমৰ ভূমিকা সম্পর্কে আলোচনা কৰিব পাৰিব।

১৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আমি অসমত জাতীয়তাবাদ উত্থান হোৱাৰ বিষয়ে আলোচনা কৰিলো। অসমীয়া জাতীয়তাবাদ ভাবাবেগ গঢ় লৈ উঠাৰ লগে লগে অসমৰ জনসাধাৰণ দেশীয়ভাৱে সচেতন হৈ পৰিল আৰু ভাৰতৰ জাতীয় আন্দোলনত সক্রিয়ভাৱে অংশগ্রহণ কৰিলে। অসমৰ জনগণে মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা তিনিওটা গণ আন্দোলনত জপিয়াই পৰিল। এই অধ্যায়ত আমি বংগ বিভাজন আৰু অসহযোগ আন্দোলনৰ বিষয়ে আলোচনা কৰিম।

১৪.৩ বংগ বিভাজন আৰু অসমত ইয়াৰ প্রভাৱ

বংগ প্রদেশখন বংগ, বিহাৰ, উৰিষ্যা আৰু চোটানাগপুৰ অঞ্চলৰে গঠিত আছিল। উদিত ভাৰতীয় জাতীয়তাবাদৰ ই আছিল কেন্দ্রবিন্দু। বৃটিছ চৰকাৰে প্রশাসনিক অসুবিধাৰ দেহাইদি দি বংগ বিভাজন কৰাৰ সিদ্ধান্ত লৈছিল। এখন বৃহৎ প্রদেশ হোৱা হেতুকে বৃটিছ চৰকাৰে বংগৰ শাসন চলাব পৰা নাছিল। কলিকতাৰ সচিবালয়ত বিৰাট কামৰ হেচা পৰিছিল আৰু বংগৰ গভর্নৰে এনে এখন বৃহৎ প্রদেশত নিজাববীয়াকৈ চকু দিব পৰা নাছিল।

এই খিনিতে উল্লেখ কৰাটো ভাল যে 19 শতিকাৰ যাঠি দশকৰ পৰা ক্ষেত্রীয় পুর্নবিনস্তকৰণ প্রক্রিয়া আৰম্ভ হৈছিল। 1896 চনত অসমৰ মুখ্য আয়ুক্ত উইলিয়াম ৰার্ডে চিতাগঙ মণ্ডল আৰু দুখন জিলা ঢাকা আৰু মৈমনচিঙ অসমলৈ হস্তান্তৰিত কৰাৰ পৰামর্শ আগবঢ়ালে। কিন্তু এই প্রস্তাৱটিক নতুন আয়ুক্ত হেনৰি কটনে আগবঢ়াই নিনিলে কিয়নো এনে এক পৰিৱর্তনক লৈ অজস্র প্রতিবাদ সৃষ্টি হ'ব বুলি তেওঁ অনুভৱ কৰিছিল। সেয়েহে হস্তান্তৰণৰ বিষয়টো সাময়িকভাৱে স্থগিত ৰখা হৈছিল। কিন্তু 1903 চনৰ আগডোখৰত বংগৰ লেফটেনেন্ট গভর্নৰ আন্দ্রে ফ্রেজাৰে পূর্বৰ চিতাগঙ সংমণ্ডল সহিত দুখন জিলা ক্রমে ঢাকা আৰু মৈমন চিঙৰ হস্তান্তৰণৰ প্রস্তাৱটোৰ নবীকৰণ কৰালে আৰু এই ক্ষেত্রত ভাৰতবর্ষৰ ভাইচৰয় লর্ড কার্জনৰ অনুমোদন আদায় কৰিলে। তেওঁ লক্ষ্য কৰিছিল যে চিতাগঙ সংমণ্ডল বা ঢ়াকা আৰু মৈমন সিঙৰ মানুহ তথা তাৰ প্রশাসনৰ অসমৰ চিলেট আৰু

কাছাৰ জিলাৰ মানুহ বা প্ৰশাসনকৈ বেলেগ নহয়। এই অঞ্চলবোৰৰ আবাসীসকল জাতিগত তথা ভাষিকভাৱে প্ৰায় একেই। তদুপৰি তেওঁলোকৰ ভূমি ৰাজহ ব্যৱস্থাৰো সাদৃশ্য আছে। সেয়েহে অসমৰ সৈতে চিতাগঙ সংমণ্ডল তথা ঢাকা আৰু মৈমন চিঙ জিলা জোৰ দি ভাইচৰয়ে 'পূৰ্ব বংগ আৰু অসম' মানে এখন নতুন প্ৰদেশ গঠন কৰাৰ পোষকতা কৰিছিল।

প্ৰশাসনিক দক্ষতা বৃদ্ধিৰ নামত বংগৰ বিভাজন কৰিব বিচৰা হৈছিল। বংগৰ জনসাধাৰণক ধৰ্মৰ ভিত্তিত বিভাজন কৰা আৰু বংগত ক্ৰমান্বয়ে গড় লৈ উঠা তথা তাৰ পৰা দেশৰ আন ঠাইলৈ বিয়পি পৰা জাতীয়তাবাদৰ জোৱাৰক প্ৰতিহত কৰাৰ বাবে লৰ্ড কাৰ্জনে ইচ্ছাকৃতভাৱে বংগ বিভাজন কৰিব বিচাৰিছিল। বিভাজনৰ নীতিৰে শাসন কৰা (divide and rule) এই আঁচনিৰে বৃটিছ চৰকাৰে হিন্দু আৰু মুছলমানক পৃথক কৰিছিল। নতুনকৈ সৃষ্টি কৰা 'পূৰ্ব বংগ আৰু অসম' ত মুছলমানসকল সংখ্যাগৰিষ্ঠ আছিল।

সমগ্ৰ দেশ বংগ বিভাজন আৰু 'পূৰ্ব বংগ আৰু অসম' গঠনৰ প্ৰস্তাৱিত আঁচনিত থৰ লাগি গৈছিল। 'পূৰ্ব বংগ আৰু অসম' নামৰ লৰ্ড কাৰ্জনৰ প্ৰদেশ গঠনৰ এই প্ৰস্তাৱটিয়ে সমগ্ৰ দেশতে তোলপাৰ লগাই দিছিল। সমগ্ৰ বংগ জুৰি এই ঘোষিত আঁচনিৰ বিৰুদ্ধে প্ৰতিবাদ আৰু আন্দোলন হৈছিল। এই আঁচনিক গৰিহনা দি বিভিন্ন ব্যক্তি আৰু সংগঠনে ভাৰত চৰকাৰৰ ওচৰত প্ৰস্তাৱ, টেলিগ্ৰাম আৰু স্মাৰক পত্ৰ প্ৰদান কৰিছিল। ভাৰতীয় জাতীয় কংগ্ৰেছৰ 1903 আৰু 1904 চনৰ অধিবেশনে বিভাজন আঁচনিৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছিল।

এই সময়ছোৱাত অসমত জাতীয়তাবাদে তেনেই এক কুমলীয়া অৱস্থা পাইছিলহি। বংগৰ সৈতে এক নিকট সম্পৰ্ক থকাৰ বাবে সুৰমা উপত্যকাত ব্ৰহ্ম পুত্ৰ উপত্যকাৰ তুলনাত বিভাজন আঁচনি সন্দৰ্ভত অধিক সজাগতা সৃষ্টি হৈছিল। প্ৰথম অৱস্থাত অসমৰ জনগণ বিভাজন সম্পৰ্কে নিমাত আছিল। তেওঁলোকে ৰাষ্ট্ৰীয় মূলসুঁতিৰ বিষয়বস্তুতকৈ আঞ্চলিক বিষয়বোৰৰ প্ৰতিহে অধিক সজাগ কৰিব পৰা নাছিল। সেয়েহে বিভাজনৰ পৰিণতি সম্পৰ্কে তেওঁলোকে অনুধাৱন কৰিব পৰা নাছিল। ব্যক্তিগত পৰ্যায়ত, অসমীয়া বুদ্ধিজীৱীসকলে বিভাজনৰ লগত জড়িত বিষয়বোৰ বিস্তাৰিতভাৱে আঙুলিয়াই দেখুৱাব চেষ্টা কৰিছিল। তেওঁলোকে এইটো স্পষ্ট কৰি দিছিল যদিহে অসমে বংগৰ আগবঢ়া জিলাবোৰৰ সৈতে সাঙোৰ কাব লগা হয় তেন্তে অসমীয়া লোকে জীৱনৰ প্ৰতিটো খোজতে পূৰ্ব বংগৰ বঙালী সকলৰ পৰা অসম প্ৰতিযোগিতাৰ মুখামুখি হ'ব লাগিব। যদিহে প্ৰশাসনৰ মূল ব্যৱস্থাপনা ঢাকালৈ লৈ যোৱা হয় তেন্তে অসমে যিমানখিনি গুৰুত্ব পাব লাগে সিমানখিনি নোপোৱা হ'ব। অৱশ্যে বুদ্ধিজীৱী সকলৰ এই প্ৰতিবাদ কাকতলৈ লিখা চিঠি আৰু প্ৰৱন্ধতে সীমাবদ্ধ আছিল।

অসমৰ সৈতে পূৰ্ব বংগৰ চিতাগঙ সংমণ্ডল, ঢাকা আৰু মৈমন চিঙ জিলা সংলগ্ন কৰি অসমৰ ক্ষেত্ৰ ধিকাৰ সংশোধন কৰিব বিচৰা এই প্ৰস্তাৱটিৰ ক্ষেত্ৰত আসাম এছোছিয়েশ্বনৰ দৃষ্টিভংগী কোন আৰু মুখ্য আয়ুক্তজনে জানিব বিচাৰিলে। 1904 চনৰ 14 ফ্ৰেব্ৰুৱাৰীত অনুষ্ঠিত আসাম এছোছিয়েশ্বনৰ সাধাৰণ সভাই এই প্ৰস্তাৱৰ বিৰোধিতা কৰিলে। এছোছিয়েশ্বনে হেনৰি কটনৰ মতামতক সমৰ্থন জনাই ক'লে যে প্ৰস্তাৱিত পৰিৱৰ্তনৰ পিছত অসমৰ বাবে স্বতন্ত্ৰ ..... অসামৰিক সেৱাৰ ব্যৱস্থা নাথাকিব। অসমৰ দুখন শীৰ্ষস্থানীয় বাতৰি কাকত 'এডভোকেট অফ আসাম' আৰু 'অসম বন্ধি'য়েও পূৰ্ব বংগৰ জিলাক অসমৰ সৈতে সংলগ্ন কৰাক তীব্ৰভাৱে বিৰোধিতা কৰিলে। অসম বংগৰ ৰেল সেৱাই এই প্ৰদেশখনৰ উন্নয়নৰ ক্ষেত্ৰত বিশেষভাৱে সুকীয়া প্ৰশাসনিক গোটৰ প্ৰয়োজনীয়তাৰ যুক্তিযুক্ততাক যোৰহাট সাৰ্বজনিক সভাই অযুক্তিকৰ বুলি খণ্ডন কৰিলে।

5 জানি থোৱা ভাল

ইউৰোপীয় চাহ খেতিয়কসকলে নতুনকৈ সৃষ্টি কৰিব খোজা 'পূৰ্ব বংগ আৰু আসাম' নামৰ প্ৰদেশখনত অসম নামটো সন্নিবিষ্ট থকা হেতুকে এই বিবাজনক আদৰণি জনাইছিল। তেওঁলোকৰ একমাত্ৰ ভয়টো এইয়ে আছিল যে যদিহে নতুন প্ৰদেশখনৰ অসমৰ নামটো নাথাকে তেন্তে 'আসাম টী' নামেৰে এৰি দিয়া চাহৰ বিক্ৰিত ইয়ে ক্ষতি কৰিব পাৰে।

বংগত বিভিন্ন কাৰণত বিভাজনৰ বিৰোধিতা কৰা হৈছিল আৰু তাৰ ভিতৰত আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰণটো আছিল বিভাজনৰ আঁচনিত জড়িত হৈ থকা সাম্প্ৰদায়িকতাৰ বিষয়টো। কিন্তু অসমৰ জনসাধাৰণে অনা অসমীয়াৰ আধিপত্যতাৰ সম্ভৱনাৰ কথা ভাবি লাহে লাহে বিভাজনক লৈ সচেতন হৈ পৰিছিল। প্ৰস্তাৱিত 'পূৰ্ব বংগ আৰু অসম' প্ৰদেশখনত অসমীয়া লোকে নিজৰ অস্তিত্ব হেৰুৱাব বুলি তথা চৰকাৰত থাকিব লগা ন্যায্য অংশীদাৰিত্বৰ পৰা অসমীয়া লোক বঞ্চিত হ'ব বুলি অসমৰ মানুহে ভয় খাইছিল। বংগ বিভাজনে অসমৰ মানুহক বৃটিছ শাসনৰ ধ্বংসকাৰী অভিপ্ৰায়ৰ বিষয়ে পতিয়ন নিয়াইছিল। সুৰমা উপত্যকাত জনসাধাৰণ ক্ষোভ তীব্ৰভাৱে ব্যক্ত কৰা হৈছিল।

বিভাজন বিৰোধী আন্দোলনৰ পিছতে আৰম্ভ হোৱা স্বদেশী আন্দোলনে জাতীয় সংগ্ৰমক এক নতুন শিখৰলৈ লৈ গৈছিল। সুৰমা ভেলী এছোছিয়েশ্বনে স্বদেশী আন্দোলন আৰম্ভ কৰিছিল আৰু বিভিন্ন ঠাইত বৰ্জনৰ আন্দেলন গঢ়ি উঠিছিল। গাৱৰ জনগণৰ মাজত 'স্বদেশী'ৰ বাৰ্তা বিয়পাই দিবৰ কাৰণে শিলচৰত এটি স্বদেশী মিছন গঢ়ি তোলা হৈছিল। কিন্তু স্বদেশীতকৈও বৰ্জনৰ ধাৰণাটিৰ প্ৰতি অসমৰ মানুহে বেছি আকৰ্ষিত হৈছিল কিয়নো ইয়ে থলুৱা উদ্যোগৰ পুনৰুজীৱনৰ আশা ভৰা এক প্ৰতিশ্ৰুতি দিছিল। অৱশ্যে এই আন্দোলন চহৰবোৰতে সীমৱদ্ধ আছিল। ধুবুৰী, গোৱালপাৰা, গুৱাহাটী, যোৰহাট, ডিব্ৰুগড় আৰু আন চহৰবোৰত বিদেশী সামগ্ৰী জ্বলাই দিয়া হৈছিল আৰু স্বদেশী সামগ্ৰী কিনাৰ এক উদ্দীপনা মানুহৰ মনত গা কৰি উঠিছিল। এই আন্দোলনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য এইয়ে আছিল যে এই ঠাইবোৰত হিন্দু আৰু মুছলমানৰ মাজত সুন্দৰ বুজাবুজি আছিল।

স্বদেশী আন্দোলন জনপ্ৰিয় কৰি তোলাৰ ক্ষেত্ৰত ছাত্ৰ সমাজে এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। বৰপেটা, তেজপুৰ আৰু আন ঠাইবোৰত ছাত্ৰ সমাজে প্ৰতিবাদী সভা আয়োজন কৰাৰ লগতে জনগণক বিদেশী সামগ্ৰী কিনিবলৈ মানা কৰিছিল। অসমৰ প্ৰতিঘৰতে সুতাকটা আৰু তাতশালৰ ব্যৱহাৰ হৈছিল আৰু সেয়েহে অতীতৰে পৰা মানুহৰ মাজত স্বদেশী বস্তুৰ প্ৰচলন আছিল। বিদেশী দ্ৰব্য বৰ্জনৰ বিষয়টিৰ ক্ষেত্ৰত বহু মানুহে এনে দ্ৰব্য ক্ৰয় কৰিবলৈ অস্বীকাৰ কৰিছিল।

অসমত ক্ৰমাগতভাৱে বিপ্লৱী আদৰ্শ আৰু গোপন সংগঠনবোৰ গঢ় লৈ উঠিছিল। বিপ্লৱী আদৰ্শ বিয়পোৱাৰ নেক্ষত্ৰত শিলচৰৰ কাষৰ অৰুণাচল আশ্ৰমে এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। এই অনুষ্ঠানটোৰ মুখপত্ৰ প্ৰজা-শক্তিৰ দ্বাৰা যুৱ চামৰ মাজত সংস্কাৰকামী আদৰ্শ আৰু স্বদেশী তথা স্বৰাজ আদৰ্শ প্ৰচাৰ কৰা হৈছিল। বংগৰ অনুশীলন সমিতিৰ নিচিনাকৈ এই সময়ছোৱাত অম্বিকাগিৰি ৰায়চৌধুৰীৰ নেতৃত্বত সেৱা সংঘৰ নিচিনা স্বেচ্চাসেৱী সংগঠন গঢ়ি তোলা হৈছিল। কিন্তু তৃণমূল পৰ্যায়ত ৰাজনৈতিক সচেতনতাৰ অভাৱ হোৱা হেতুকে অসমত বিপ্লৱী জাতীয়তাবাদ, স্বদেশী আৰু স্বৰাজ আদৰ্শই বিপুল সমৰ্থন লাভ কৰা নাছিল।

এই খিনিতে উল্লেখ কৰাটো ভাল যে বংগৰ স্বদেশী আন্দোলনৰ এক অভিন্ন অংগস্বৰূপ জাতীয় শিখাৰ ধাৰণাটোৱে সেই সময়ত অসমত বৰ বেছি গুৰুত্ব পোৱা নাছিল। যি নহওক 1911 চনত বংগ বিভাজনৰ প্ৰস্তাৱ বাতিল কৰাত অসমৰ মানুহে এক গভীৰ সকাহ পালে। 1912 চনৰ 1 এপ্ৰিলৰ পৰা অসম নিজা বিধায়িনী পৰিষদ থকা মুক্ত আয়ুক্তৰ দ্বাৰা পৰিচালিত এখন প্ৰদেশ হৈ পৰিল।

অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক ঃ

প্ৰশ্ন নং ১ ঃ স্বদেশী আন্দোলন জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত অসমৰ কোনটো শ্ৰেণীয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল?

.....

প্ৰশ্ন নং ২ ঃ বংগ বিভাজন কোন চনত ঘটিছিল?

.....

প্ৰশ্ন নং ৩ ঃ অসম এছোচিয়েশ্বনে কেতিয়া বংগ বিভাজন প্ৰস্তাৱটিৰ বিৰোধিতা কৰিছিল?

.....

১৪.৪ অসমত অসহযোগ আন্দোলন

বংগ বিভাজনক কেন্দ্ৰ কৰি গঢ়ি উঠা স্বদেশী আন্দোলনে ভাৰতবৰ্ষৰ জাতীয় ঐক্যতা আৰু সংঘবদ্ধতাৰ চেতনা খৰতকীয়া কৰি তুলিছিল। এই চেতনা আনকি কংগ্ৰেছৰ ভিতৰ ছোৱাতো গা কৰি উঠিছিল। 1906 চনত দাদাভাই নৌৰজীয়ে 'স্বৰাজ' কংগ্ৰেছৰ লক্ষ্য বুলি ঘোষণা কৰিছিল। কিন্তু যেতিয়া মহাত্মা গান্ধীয়ে নতুন পদ্ধতি আৰু কৌশলসহ ভাৰতৰ স্বাধানতাৰ বাবে ৰাজনীতিৰ ক্ষেত্ৰ খনত ভৰি দিলেহি তেতিয়াহে ভাৰতৰ জাতীয় কংগ্ৰেছে ভাৰতৰ স্বাধীনতা আন্দোলনৰ ইতিহাসত এক নতুন পৃষ্ঠা মুকলি কৰিলে। পাঞ্জাৱত সংঘটিত নৃশংসতা আৰু খিলাফত আন্দোলনে সমগ্ৰ ভাৰততে বিৰাট অসন্তোষৰ সৃষ্টি কৰিছিল। 1919 চনত কুখ্যাত ৰাৱলাট আইনখন বৃটিছ চৰকাৰে অনুমোদন কৰিছিল আৰু এই আইনযোগে চৰকাৰে অসাধাৰণ দমন ক্ষমতা লাভ কৰিছিল।

মহাত্মা গান্ধীয়ে এনে দমন নীতিৰ বিৰুদ্ধে পৰোক্ষ প্ৰতিৰোধ আন্দোলন গঢ়ি তুলিছিল। ভাৰতৰ বিভিন্ন প্ৰান্তত হৰতাল আৰু গণ বিক্ষোভ আন্দোলন আয়োজন কৰা হৈছিল। চৰকাৰে কঠোৰ হাতেৰে এই আন্দোলনক দমন কৰিছিল। এই দমনৰ আটাইতকৈ নৃকৃষ্টতম দৃষ্ঠান্ত আছিল জেনেৰেল ডায়চৰয়ৰ দ্বাৰা অমৃতসৰৰ জালিৱানাৱালাবাগত সংঘটিত হোৱা নিৰস্ত্ৰ জনসাধাৰণক কৰা নৃশংস গণহত্যা - যাক জালিৱানাৱালাবাগৰ গণহত্যা (1919) বুলিও জনা যায়। পাঞ্জাৱত সামৰিক শাসন জাৰি কৰা হৈছিল। জালিৱানাৱালাবাগৰ শুকাবহ ঘটনা এগৰাকী অবিসম্বাদী নেতা হিচাপে গান্ধীৰ উত্থানে জনসাধাৰণৰ সকলো শ্ৰেণীৰ মাজত এক সৰ্বভাৰতীয় ৰাজনৈতিক সজাগতা সৃষ্টি কৰাই নহয় লগতে 1921 চনৰ ঐতিহাসিক অসহযোগ আন্দোলনৰ পথো প্ৰশস্ত কৰিছিল।

প্ৰথম বিশ্বযুদ্ধত বিজয়ী মিত্ৰ শক্তিৰ (য'ত বৃটেইনো সন্নিবিষ্ট আছিল) দ্বাৰা তুৰ্কী সাম্ৰাজ্যৰ খণ্ড বিখণ্ড কৰা ঘটনাই ভাৰতীয় মুছলমান সকলৰ ধৰ্মীয় চেতনাত আঘাত হানিছিল আৰু তেওঁলোকৰ মাজত এক বৃটিছ বিৰোধী ভাৱনাৰ জন্ম হৈছিল। খিলাফত আন্দোলনত এই ভাৱনা প্ৰকট হৈছিল। অসমত খিলাফতৰ সমস্যাটোৱে ব্ৰহ্মপুত্ৰ আৰু বৰাক উভয় উপত্যকাৰ মুছলমান সম্প্ৰদায়ৰ লোকসকলৰ ধৰ্মীয় চেতনাক আলোড়িত কৰিছিল। পাঞ্জাৱৰ নৃশংসতা আৰু খিলাফৎ আন্দোলনৰ পৰা উদভৱ হোৱা আন্দোলনৰ এই শক্তিশালী পৰবাহক মহাত্মা গান্ধীয়ে 1921 চনৰ অহিংস অসহযোগ আন্দোলনৰ ৰূপ দিছিল। তেওঁ খিলাফৎ আন্দোলনৰ দাবীসমূহৰ সৈতে অসহযোগ আন্দোলনকাৰীসকলৰ দাবীবোৰক একগোট কৰিছিল কিয়নো তেওঁ বিশ্বাস কৰিছিল যে এনে কৰাৰ জড়িয়তেহে জাতীয় আন্দোলনত হিন্দু মুছলমানৰ সম্প্ৰীতি গঢ়িব পৰা যায়।

গোটেই দেশখনত আন্দোলনটি বিয়পি পৰিছিল আৰু এনে এগৰাকী সঁচা ভাৰতীয় নাছিল (যি লাগিলে দেশখনৰ একেবাৰে আওহতীয়া প্ৰান্তৰে নহওক কিয়) যাৰ হৃদয় স্বাৰাজ লাভৰ প্ৰাণময় পীড়ন আৰু ত্যাগৰ উদ্যমেৰে ভৰি পৰা নাছিল আৰু যি পাঞ্জাৱ আৰু খিলাফততে কৰা ভুল প্ৰতিবিধান দেখা নাছিল। গান্ধী টুপিটো স্বাধীনতা সেনানী সকলৰ বিশেষ পৰিচয় হৈ পৰিছিল আৰু চক্ৰৰ প্ৰতীকৰে সৈতে থকা কংগ্ৰেছৰ তিনি বণীয়া পতাকাখন জাতীয় সন্মানৰ প্ৰতীক হৈ পৰিছিল। বংকিম চন্দ্ৰৰ বন্দে মাতৰম্ গীতটি জাতীয় সংগীতৰূপে গোৱা হৈছিল।

অসমতো ইয়াৰ নেতাসকলে অসহযোগ আন্দোলনৰ সমর্থনত ওলাই আহিছিল। অসহযোগ আন্দোলনে ইয়াৰ সর্বোচ্চ শিখৰ পোৱাৰ সময়তে অসম প্ৰাদেশিক কংগ্ৰেছ কমিটি গঠন কৰি দিয়া হৈছিল যাতে আন্দোলনৰ কার্যসূচী সফলভাৱে কৰিব পৰা যায়। জনসাধাৰণৰ তীব্ৰ আকর্ষণ আছিল এই আন্দোলনৰ আটাইতকৈ গুৰুত্বপূর্ণ বৈশিষ্ট্য। ছাত্ৰ-ছাত্ৰী, শ্ৰমিক, পুৰুষ আৰু মহিলা এই উভয় শ্ৰেণীৰ, খেতিয়ক নির্বিশেষে সকলো শ্ৰেণীৰ লোকে স্বৰাজৰ কামনা অনুভৱ কৰিছিল কম অথবা বেছি মাত্ৰাত অসহযোগ আন্দোলনৰ প্ৰতি সহাৰি দিছিল।

অতি কম দিনৰ ভিতৰতে আসমে এই সংগ্ৰামৰ অগ্ৰণী স্থান গ্ৰহণ কৰিছিল। ভাৰতৰ স্বাধীনতা প্ৰাপ্তিৰ বাবে অসহযোগৰ পন্থা লোৱা ভাৰতীয় জাতীয় কংগ্ৰেছৰ আহ্বানটোৰ প্ৰতি আসাম এছোছিয়েশ্বনে তৎপৰাতাৰে সঁহাৰি জনাইছিল। অসমৰ বিভিন্ন শ্ৰেণীৰ লোকে এই আন্দোলনত জড়িত হৈ পৰাটো আছিল এক অনন্য বিশেষতা। অসমত হোৱা অসহযোগ আন্দোলনৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য আছিল আন্দোলনটিত চাহ বাগিছাৰ শ্ৰমিক জড়িত হোৱাটো। ইউৰোপীয় চাহ খেতিয়কৰ হাতত বাগিছাৰ বনুৱা সকলে অমানৱীয় অত্যাচাৰ সহিব লগা হৈছিল। তেওঁলোকৰ মজুৰিহে যে অতি কম আছিল এনে নহয় তেওঁলোকে লগতে অতিশয় সীমাদ্ধতাৰ মাজত কাম কৰিব লগা হৈছিল। অসহযোগ আন্দোলনে তেওঁলোকক প্ৰথমবাৰৰ বাবে বৃটিছ শোষণৰ বিৰুদ্ধে মাত মতাৰ সুযোগ প্ৰদান কৰিলে। 1921 চনৰ মহাত্মা গান্ধীৰ অসম ভ্ৰমণে আন্দোলনটিক উদ্দীপনা প্ৰদান কৰিলে আৰু চাহ বাগিছাৰ শ্ৰমিক সকলৰ সমস্যাৰাজিৰ প্ৰতি তেওঁ নজৰ দিলে। মহাত্মা গান্ধীয়ে স্বদেশীৰ ধাৰণাটো শ্ৰমিকৰ মাজত জনপ্ৰিয় কৰি তোলাৰ উপদেশ দিলে। গান্ধীৰ অসম ভ্ৰমণ যথেষ্ট সফল হৈছিল। গুৱাহাটী, তেজপুৰ, নগাঁও, যোৰহাট, ডিব্ৰুগড়, শিলচৰ চিলেটত কৰা তেওঁৰ সভাবোৰলৈ আনকি একেবাৰে ভিতৰুৱা গাৱৰ মানুহো আহিছিল। অসমত হোৱা অসহযোগ আন্দোলনৰ এক উল্লেখনীয় বৈশিষ্ট্য আছিল আফিঙ সেৱনৰ বিৰুদ্ধে হোৱা প্ৰচাৰ অভিযান। কংগ্ৰেছৰ স্বেচ্ছাসেৱক সকলে বিভিন্ন জিলাত ঘৰে ঘৰে গৈ আফিঙ সেৱনৰ কু-ফলবোৰৰ প্ৰচাৰ চলাইছিল।

1920 চনৰ ডিচেম্বৰ মাহত নাগপুৰত অনুষ্ঠিত হোৱা সৰ্ব ভাৰতীয় ছাত্ৰ সন্মিলনৰ সিদ্ধান্ত মৰ্মে অসমৰ ছাত্ৰসকলে 1921 চনৰ জানুৱাৰী মাহত অসহযোগ আন্দোলনত যোগদান কৰাৰ বাবে স্কুল-কলেজ বৰ্জনৰ এক শক্তিশালী আন্দোলন আৰম্ভ কৰে। ইয়াৰ ফলত ছাত্ৰ সকলে স্কুল-কলেজ ত্যাগ কৰিলে আৰু তেওঁলোকৰ বৃহৎ সংখ্যকে অসহযোগৰ বাৰ্তা গাৱত বিয়পাবৰ বাবে নিজকে স্বেচ্ছাসেৱকৰূপে পঞ্জীভুক্ত কৰালে। অসহযোগ আন্দোলন সফল কৰাত ছাত্ৰসকলে প্ৰভূত বৰঙণি যোগাইছিল। আন কথাত ক'বলৈ হ'লে অসমত এই আন্দোলন ছাত্ৰ সকলেই আৰম্ভ কৰিছিল। স্বাৰাজ লাভৰ মূল কাৰ্যসূচীবোৰ আছিল বিদেশী সামগ্ৰী বিশেষকৈ বিদেশী কাপোৰ বৰ্জন, খাদীবস্ত্ৰৰ প্ৰচাৰ, মদ আৰু আফিঙৰ দেকানৰ আগত ধৰ্মঘট কৰা আদি। ছখন মৌজাৰে গঠিত দক্ষিণ কামৰূপৰ বকোৰ নিচিনা কিছুমান জেগাত কৰ আৰু ৰাজহ নিদিয়া অভিযানৰো প্ৰস্তুতি চলাইছিল। বহুতো প্ৰসিদ্ধ উকীলে ওকালতি পৰিত্যাগ কৰি ইংৰাজ ব্যৱস্থাৰ অধীনত চলি থকা আদালতৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছিল। গ্ৰামাঞ্চলৰ পৰিবৃত্তৰ বাহিৰত বিবাদবোৰ নিষ্পত্তি কৰিব পৰা যায়। বাতৰি কাকত আৰু বিভিন্ন মঞ্চৰ পৰা অসহযোগৰ প্ৰচাৰ চলিছিল। জনসাধাৰণৰ সহযোগিতা অবিহনে চৰকাৰী বিষয়াবোৰৰ পক্ষে কাম চলাই নিয়াটো কঠিন হৈ পৰিছিল।

অসমত অসহযোগ আন্দোলনত মহিলাবোৰেও পুৰুষৰ সমানে অংশ লৈছিল। 1921 চনৰ আন্দেলনত ভাগ ল'বলৈ তেওঁলোকে আবুৰ আতৰাই ওলাই আহিছিল। শীৰ্ষ স্থানীয় নেতাসকলক আটক কৰাৰ পিছত মহিলা আন্দোলনকাৰী সকলৰ ভিতৰত তৰুণ ৰাম ফুকনৰ পত্নী আৰু বিধবা ভগ্নী ধৰ্ম সুন্দৰীয়ে আন্দোলন সফল কৰাত প্ৰভূত বৰঙণি আগবঢ়াইছিল। আন্দোলনৰ গতি আব্যাহত ৰাখিবলৈ মহিলাসকলে বিভিন্ন ঠাইত সভা অনুষ্ঠিত কৰিছিল। অসহযোগ আন্দোলনৰ সময়ত অসমত মহিলাবোৰক গ্ৰেপ্তাৰ প্ৰায় নাছিল যদিও এই বিষয়ত সন্দেহ নাই যে তেওঁ লোকৰ মাজত এক নতুন সজাগতা গঢ় লৈ উঠিছিল।

অসমৰ অসহযোগ আন্দোলনৰ প্ৰবীন নেতাসকলৰ ভিতৰত বয়োজেষ্ঠ ৰাজনীতিবিদসকলৰ ভিতৰত নবীন চন্দ্ৰ বৰদলৈ, চন্দ্ৰনাথ শৰ্মা, তৰুণ ৰাম ফুকন, কুলধৰ চলিহা, পণ্ডিত কনক চন্দ্ৰ শৰ্মা,ফৈজনুৰ আলি, লক্ষেশ্বৰ বৰুৱা, বসন্ত কুমাৰ দাস, শিবেন্দ্ৰ নাথ বিশ্বাস আৰু ব্ৰজেন্দ্ৰ নাৰায়ণ চৌধুৰী আৰু তুলনামূলকভাৱে যুৱ চামৰ ভিতৰত গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধি, ৰোহিনী কুমাৰ চৌধুৰী, গোপেন্দ্ৰলাল দাস, মহম্মদ তৈয়েবুল্লা, অমিয় কুমাৰ দাস, হেম চন্দ্ৰ বৰুৱা, দেৱেশ্বৰ শৰ্মা আদিয়ে উল্লেখযোগ্য। স্বাধীনতাৰ কাৰণে জীৱন জোৱা ত্যাগ স্বীকাৰ কৰা আন বহু কেইজন নেতাও অসহযোগ আন্দোলনত জড়িত আছিল।

অসহযোগ আন্দোলনে ইয়াৰ তাৎক্ষণিক আদৰ্শ ভাৰতবৰ্ষত প্ৰতিষ্ঠা কৰাত ব্যৰ্থ হ'ল। বৃটিছ চৰকাৰে এই আন্দোলন দমন কৰিবৰ বাবে কঠোৰ প্ৰচেষ্টা হাতত লৈছিল আৰু কাৰাগাৰবোৰ ৰাজনৈতিক বন্দীৰে ভৰি পৰিছিল। ইয়াৰ আপাত বিফলতাৰ বাবে জনসাধাৰণৰ ওপৰত এই আন্দোলনে পেলেৱা বৃহৎ প্ৰভাৱক ওলাই কৰাটো উচিত

নহ'ব। সর্বভাৰতীয় ৰাজনীতিত অসমে এই আন্দেলনৰ দ্বাৰাই সক্রিয়ভাৱে অংশ লৈছিল। জাতীয়তাবাদী অভ্যুত্থানৰ মূল সুঁতিত অসমে যোগ দিছিল। অসহযোগ গৰাকীৰ বিৰুদ্ধে বৃটিছ চৰকাৰে লোৱা দমনমূলক ব্যৱস্থাই জনগণৰ মনোবল ভাগি দিয়াৰ সলনি তেওঁলোকক স্বাধীনতা আন্দোলনৰ সেনানী হ'বৰ বাবে সংকল্পবদ্ধ কৰিহে তুলিছিল। বিহাৰৰ চৌৰাচৌৰিত হোৱা এক হিংসাত্মক কার্যত 22 গৰাকী আৰক্ষীৰ মৃত্যু হোৱাৰ বাবে গান্ধীজীয়ে 1922 চনত অসহযোগ আন্দোলন প্রত্যাহাৰ কৰিছিল।

W অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নসমূহৰ উত্তৰ লিখক ঃ

প্রশ্ন নং ১ ঃ কোন চনত দাদাভাই নৌৰজীয়ে স্বৰাজ কংগ্রেছৰ লক্ষ্য বুলি ঘোষণা কৰিছিল?

.....

প্রশ্ন নং ২ ঃ কোন চনত কুখ্যাত ৰাৱলাট আইন অনুমোদন কৰা হৈছিল।

.....

প্রশ্ন নং ৩ ঃ কোন চনত মহাত্মা গান্ধীয়ে আন্দোলনক এক নতুন উদ্দীপনা প্রদান কৰিবলৈ অসম ভ্রমণ কৰিছিল?

.....

প্রশ্ন নং ৪ ঃ বংকিম চন্দ্রৰ কোনটি গীতক জাতীয় সংগীতৰূপে গোৱা হৈছিল?

.....

2 ১৪.৫ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বংগ বিভাজন বিষয়ে আৰু লগতে অসমত বংগ বিভাজনৰ প্রভাৱৰ বিষয়ে জানিব পাৰিলে।
- অসহযোগ আন্দোলনত অসমৰ যোগদানৰ বিষয়ে জানিব পাৰিলে।

O ১৪.৬ অধিক জানিবলৈ

ইংৰাজী গ্রন্থঃ

1) Baruah, S.L. (1985): *A Comprehensive History of Assam*, Delhi,
2) Bhuyan, A.C., (1999): *Political History of Assam*, Vol. III, Publication Board Assam, Guwahati.
3) Dutta, K.N (1958): *Landmarks in the Freedom Struggle in Assam*, Lawyers' Book Stall, Guwahati.

K ১৪.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ ছাত্র

২ নং প্রশ্নৰ উত্তৰঃ 1905
৩ নং প্রশ্নৰ উত্তৰঃ 1904 চনৰ 14 ফ্রেব্রুৱাৰী।
৪ নং প্রশ্নৰ উত্তৰঃ ক) 1906
৫ নং প্রশ্নৰ উত্তৰঃ 1919
৬ নং প্রশ্নৰ উত্তৰঃ 1921 চন
৭ নং প্রশ্নৰ উত্তৰঃ বন্দে মাতৰম¼

M১৪.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ 50 টা শব্দৰ ভিতৰ দিব)

প্রশ্ন ১ঃ বংগী বিভাজৰ চৰকাৰী কাৰণ কি আছিল?

প্রশ্ন ২ঃ কোন চনত গান্ধী অসমলৈ আহিছিল?

প্রশ্ন ৩ঃ 'পূর্ণ স্বৰাজ'ৰ প্রস্তাৱ কোন চনত গৃহীত হয়?

খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ 150 টা শব্দৰ ভিতৰ দিব)

প্রশ্ন ১ঃ চমুটোকা লিখক ঃ
ক) বংগ বিভাজন আৰু অসম
খ) অসহযোগ আন্দোলনত ছাত্রৰ ভূমিকা

গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ 300–500 টা শব্দৰ ভিতৰ দিব)

প্রশ্ন ১ঃ বংগ বিভাজনৰ অসমৰ ওপৰত পৰা প্রভাৱৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ঃ অসহযোগ আন্দোলনৰ ওপৰত পৰা প্রভাৱৰ বিষয়ে বহলাই লিখক।

প্রশ্ন ৩ঃ স্বাধীনতা সংগ্রামত অসমৰ ছাত্র সমাজৰ যোগদানৰ বিষয়ে আলোচনা কৰক।

অধ্যায় ১৫ ঃ অসম আৰু স্বাধীনতা সংগ্রাম-২

অধ্যায় গাঁথনি

15.1 উদ্দেশ্য
15.2 পৰিচয়
15.3 অসম আৰু আইন অমান্য আন্দোলন
15.4 অসমত ভাৰত ত্যাগ আন্দোলন
15.5 বৰ্গীয়কৰণ মতানৈক্য আৰু স্বাধীনতা
15.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
15.7 অধিক জানিবলৈ
15.8 অগ্রগতিৰ খতিয়ান
15.9 আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- আইন অমান্য আন্দোলনত অসমে লোৱা ভূমিকা সম্পর্কে বর্ণনা কৰিব পাৰিব
- ভাৰত ত্যাগ আন্দোলন আৰু অসমত পৰা ইয়াৰ প্রভাৱ ৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১৪.২ পৰিচয়

অসহযোগ আন্দোলন প্রত্যাহাৰ কৰাৰ পিচত ভাৰতীয় জাতীয় আন্দোলনৰ গতিবেগ মন্থৰ হৈ পৰিল আৰু আইন অমান্য আন্দোলনৰ দ্বাৰাহে ই পুনৰ পূর্বৰ গতি লাভ কৰিলে। এই সময়ছোৱাত ঘটা বিভিন্ন ঘটনাৰ পৰিপ্রেক্ষিতত আইন অমান্য আন্দোলনৰ উত্থান হৈছিল। প্রথমতে 1927 চনৰ ছাইমন কমিছনে বৃটিছৰ বিৰুদ্ধে দেশৰ বিভিন্ন দল সংগঠনক সংঘবদ্ধ হোৱাৰ সুযোগ প্রদান কৰিলে। দ্বিতীয়তে চাইমন কমিছনৰ বিৰোধিতাক কেন্দ্র কৰি স্বাধীনতা আন্দোলনে এক নতুন শিখৰতা পাইছিল। যেতিয়া বোম্বাইত ছাইমন কমিছনৰ সদস্যসকলে ভৰি দিছিলহি তেতিয়া সমগ্র ভাৰতজুৰি ধর্মঘট, হৰতাল আদি সংঘটিত হৈছিল। তৃতীয়তে, পূর্ণ শাসন কতৃত্বৰ প্রতিশ্রুতিক বাদদি ছাইমন কমিছনে সাংবিধানিক সমস্যা সমাধানৰ বাবে লণ্ডনত এক ঘূৰণীয়া মেজমেল পতাৰ যি এক প্রস্তাৱ দিছিল তাক কংগ্রেছে নাকচ কৰিছিল আৰু 1929 চনৰ লাহোৰত বহা কংগ্রেছৰ অদিবেশনত পূর্ণ স্বৰাজ বা সম্পূর্ণ স্বাধীনতাহে কংগ্রেছৰ যুজৰ লক্ষ্য বুলি ঘোষণা কৰিছিল। এনেদৰে কংগ্রেছে আন্দোলনৰ এক নতুন পর্যায়ৰ বাবে নিজকে প্রস্তুত কৰি তুলিছিল। চতুর্থতে, 1930 চনৰ 26 জানুৱাৰী তাৰিখে 'স্বাধীনতা দিৱস' উদযাপন কৰাটো আছিল আন এক তাৎপর্যপূর্ণ ঘটনা। ভাৰতীয় জনগণৰ একতাক দেখুৱাবলৈ এই দিৱস পতা হৈছিল। বৃটিছে ভাৰতবর্ষক আর্থিক, ৰাজনৈতিক, সাংস্কৃতিক আৰু আধ্যাত্মিকভাৱে বিধ্বস্ত কৰা বুলি কংগ্রেছে যুক্তি দর্শাইছিল। কংগ্রেছৰ সদস্যসলক বিধানসভাৰ আসনবোৰ এৰি দিয়াৰ নিদের্শ দিয়া হৈছিল আৰু এক আইন অমান্য আন্দোলনৰ (য'ত য'ত পাৰি তাত কৰ নিদিয়াকৈ থকাটোও এই আন্দোলনত সন্নিবিষ্ট হৈছিল) প্রস্তুতি চলোৱা হৈছিল। এনে ঘটনাবোৰবলৈ লক্ষ্য ৰাখি গান্ধীজীয়ে নিজকে তথা দেশখনৰ জনগণক আইন অমান্য

আন্দোলন (1930] ৰ বা প্ৰস্তুত কৰি তুলিছিল। 'ইয়ং ইণ্ডিয়া' ত প্ৰকাশ হোৱা এক প্ৰবন্ধত গান্ধীজীয়ে স্পষ্টকৈ উল্লেখ কৰিছিল যে যিসকল লোকৰ অহিংস আন্দোলনৰ ওপৰত বিশ্বাস আছে তেওঁলোকেহে দেশৰ স্বাধীনতাৰ বাবে হোৱা আন্দোলনবোৰত যোগদান কৰিব। তেওঁ লগতে জনসাধাৰণক হিংসা অথবা ক্ৰোধৰ পন্থা নল'বলৈ আবেদন জনাইছিল। বৃটিছ চৰকাৰে প্ৰয়োগ কৰা আনিবোৰ মানি নচলিবলৈ জনসাধাৰণক উপদেশ দিয়া হৈছিল। উল্লিখিত কাৰ্যসূচীৰ আধাৰত হোৱা এনেঅহিংস আন্দোলনক 'আইন অমান্য আন্দোলন' বুলি জনা গৈছিল।

অসমত কংগ্ৰেছ নেতৃবৃন্দৰ মাজত আইন অমান্য আন্দোলনক লৈ কাজিয়াৰ সূত্ৰপাত হৈছিল। যিহেতু তেওঁলোকৰ মতবিৰোধবোধ সমাধা কৰিব পৰা নগৈছিল সেয়েহে তেওঁলোকৰ এটি দলে তেওঁলোকৰ পদবোৰৰ পৰা ইস্তাফা দিছিল। তৰুণ ৰাম ফুকন, নবীন চন্দ্ৰ বৰদলৈ আদিৰ নিচিনা প্ৰবীন নেতাসকলে অসম প্ৰদেস কংগ্ৰেছ কমিটিৰ পৰা ওলাই আহিছিল। বিষ্ণুৰাম মেধি, গোপীনাথ বৰদলৈ, সিদ্ধিনাথ শৰ্মা, তৈয়াবুল্লা আৰু অম্বিকাগিৰি ৰায় চৌধুৰীৰ নিচিনা যুৱ নেতাসকলৰ হাতত নেতৃত্বৰ ভাৰ পৰিছিল। আইন অমান্য আন্দোলনত ছাত্ৰ সমাজে এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। লীলাধৰ বৰুৱা এনে এগৰাকী নেতা আছিল যিয়ে ছাত্ৰসকলক অনুপ্ৰেৰণা জগাই অসমৰ আইন অমান্য আন্দোলনক এক নতুন গতি প্ৰদান কৰিছিল।

বৃটিছ সামগ্ৰী বৰ্জনৰ ঘটনাৰ পিছত 1930 চনৰ এপ্ৰিল মাহত মহাত্মা গান্ধীয়ে তেওঁৰ লোণ সত্যাগ্ৰহ আৰম্ভ কৰিছিল। অসমত থলুৱা পদ্ধতিৰে নিমখ প্ৰস্তুত কৰি নিমখ আইনখন উলংঘা কৰা হৈছিল তথা বিভিন্ন ঠাইত বন আইনখনৰো উলংঘা কৰা হৈছিল। বিষ্ণুৰাম মেধিয়ে দৃঢ়তাৰে এই আন্দোলন চলাই নিছিল আৰু তেওঁক হেমচন্দ্ৰ বৰুৱা আৰু আন নেতাসকল যেনে অমীয় কুমাৰ দাস, ডা0 ভূৰেনেশ্বৰ বৰুৱা, সিদ্ধিনাথ শৰ্মা, দেৰেশ্বৰ শৰ্মা ক্ষ্মীনাথ শৰ্মা, গড়মূৰ সত্ৰৰ গোস্বামী সত্ৰাধিকাৰ আৰু আন বহুতে সহায় কৰিছিল।

এই আন্দোলনত মহিলাবোৰেও অংশ লৈছিল। গুৱাহাটীৰ কটন মহাবিদ্যালয়ৰ আগত পিকেটিং কৰিবৰ বাবে চন্দ্ৰপ্ৰভা শইকীয়ানী আৰু দুৰ্গাপ্ৰভা বৰাই ওলাই আহিছিল। আন বহুতো কৰ্মী আৰু সমৰ্থকে এই আন্দোলনত সক্ৰিয়তা দেখুৱাইছিল। যুৱ নেতা তথা কংগ্ৰেছ কৰ্মী মহেন্দ্ৰ মোহন চৌধুৰী, বিজয় চন্দ্ৰ ভগৱতী, দেবেন্দ্ৰ নাথ শৰ্মা, পূৰ্ণ শৰ্মা, লক্ষীধৰ বৰা আৰু আন নেতাসকলে আন্দোলনত অগ্ৰণী ভূমিকা লৈছিল। আটক আৰু কাৰাবাস, পুৰুষ-মহিলা নিৰ্বিশেষে সকলোৰে ওপৰত লাঠিচালনা আৰু ভূমি ৰাজহ দিব নোৱাৰাৰ বাবে গাওঁবাসীৰ সম্পত্তি চৰকাৰে জব্দ কৰাটো সেই সময়ত সাধাৰণ কথা হৈ পৰিছিল।

অৱশ্যে অসমত আইন অমান্য আন্দোলনটি কম বেছি পৰিমাণে এটি ছাত্ৰ আন্দোলনহে আছিল। মহাত্মা গান্ধী আৰু জৱাহৰলাল নেহেৰুক গ্ৰেপ্তাৰ কৰা ঘটনাই অসমৰ ছাত্ৰ সমাজক এনেদৰে চুই গৈছিল যে তেওঁলোকে সম্ভৰত পন্থাৰে বৃটিছৰ বিৰুদ্ধাচৰণ কৰিবলৈ অংগীকৰাবদ্ধ হৈছিল। অসমত পোনতে স্কুলীয়া শিশুসকলে শ্ৰেণীবৰ্জন কৰি বৃটিছ আচৰণৰ বিৰোধীতা কৰিছিল। ছাত্ৰ-ছাত্ৰীৰ অংশ গ্ৰহণে বৃটিছ শোষণ-নীতিত বৃহৎ ক্ষতি সাধন কৰিছিল আৰু সেইবাবে বৃটিছ চৰকাৰে ছাত্ৰ-ছাত্ৰীক ৰাজনৈতিক আন্দোলনত জড়িত থকাৰ পৰা বিৰত থাকিবলৈ তাৎক্ষণিক ব্যৱস্থা ল'ব লগা হৈছিল। চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয়ৰ সকলো প্ৰধান শিক্ষকলৈ জে কানিংহামে এখন প্ৰচাৰ পত্ৰ (26 এপ্ৰিল, 1930) জাৰি কৰিছিল। এই প্ৰচাৰ পত্ৰখনক 'কানিংহাম চাৰ্কুলাৰ নামে জনা গৈছিল আৰু এইখনে ছাত্ৰ-ছাত্ৰীসকলক কোনো ৰাজনৈতিক আন্দোলনত যোগ দিয়াটো বাৰণ কৰিছল। এই চাৰ্কুলাৰ খনত স্পষ্টকৈ উল্লেখ আছিল যে পিতৃ-মাতৃ অথবা অভিভাৱকে তেওঁলোকৰ সন্তান বা প্ৰতিপালিত শিশুৱে ৰাজনৈতিক কৰ্মৰাজিৰ পৰা বিৰত থাকিব বুলি লিখিতভাৱে প্ৰতিশ্ৰুতি দিব লাগিব। বিদ্যালয়ত পুনৰভৰ্ত্তি হোৱা ছাত্ৰৰ সন্মুখত এনে লিখিত প্ৰতিশ্ৰুতিত স্বাক্ষৰ লোৱা হ'ব। অৱশ্যে চাৰ্কুলাৰখনে ছাত্ৰ-ছাত্ৰী সকলক ৰাজনীতিত অংশগ্ৰহণ কৰাৰ পৰা বিৰত ৰখাত বিফল হ'ল। বৰঞ্চ এইখনে সমগ্ৰ দেশতে এক তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে।

কামিংহাম চাৰ্কুলাৰৰ বিৰুদ্ধে এক কঠিন আন্দোলন গঢ়াৰ ক্ষেত্ৰত অসম ছাত্ৰ সন্মিলনেও এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। আন কথাত ক'ব হ'লে চাৰ্কুলাৰখন জাৰি কৰাৰ পিছত অসমৰ আইন অমান্য আন্দোলনটো আপাতত এক ছাত্ৰ আন্দোলন হৈ পৰিছিল। কানিংহাম চাৰ্কুলাৰ খন অসমৰ আইন অমান্য আন্দোলনটিৰ ৰাজহাড় আছিল বুলি সঠিক ভাৱেই কোৱা হয়। অসমৰ সকলোফালে ছাত্ৰ সকলে চাৰ্কুলাৰখনৰ বিৰোধিতা কৰি শৈক্ষিক প্ৰতিষ্ঠান বৰ্জন কৰিছিল, বিদ্যালয় আৰু মহাবিদ্যালয়ৰ আগত হৰতাল কৰিছিল, চাৰ্কুলাৰ বিৰোধী শ্লোগান আদিৰে

শোভাযাত্রা বাহিৰ কৰিছিল। ছাত্র-ছাত্রীৰ ওপৰত চলা চৰকাৰী নিপীড়নে নতুন বিদ্যালয় গঢ়াৰ ক্ষেত্রত উৎসাহ যোগাইছিল। গুৱাহাটীৰ কামৰূপ একাডেমী, শিৱসাগৰ বিদ্যাপীঠ, ডিব্রুগড়ৰ পাব্লিক হাইস্কুল আৰু আন আন বিদ্যালয়বোৰ সেই সময়ত স্থাপিত হৈছিল। এই সকলোবোৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয় আছিল আৰু এইবোৰৰ চৰকাৰৰ সৈতে কোনো সম্পর্ক নাছিল।

গান্ধীজীয়ে দ্বিতীয় ঘূৰণীয়া মেজমেল (1930) ত অংশগ্রহণ কৰিবলৈ যোৱাত আইন অমান্য আন্দোলন সাময়িকভাৱে প্রত্যাহাৰ কৰা হৈছিল। কিন্তু দ্বিতীয় ঘূৰণীয়া মেজমেলৰ আলোচনা ব্যর্থ হোৱাত এই আন্দোলন পুনৰ আৰম্ভ হৈছিল। আইন অমান্য আন্দোলনৰ দ্বিতীয় পর্যায়ত কংগ্রেছৰ বৃহৎ সংখ্যক সদস্যই অংশ লৈছিল। এই খিনিতে উল্লেখ কৰাটো ভাল হ'ব যে নবীন চন্দ্র বৰদলৈৰ নিচিনা অভিজ্ঞ প্রবীন নেতা কংগ্রেছলৈ পুনৰ উভতি অহাত এই আন্দোলনৰ প্রতি সঁহাৰি ভালেখিনি বৃদ্ধি হ'ল। আইন অমান্য আন্দোলনত অংশ লোৱা মহিলাসকলৰ ওপৰতো চৰকাৰী দমন কার্য চলিছিল।

অসমৰ পাহাৰীয়া জনজাতি সকলৰ মাজতো আইন অমান্য আন্দোলনৰ প্রভাৱ অনুভূত হৈছিল। গান্ধীজীৰ আইন অমান্যৰ আহ্বানে নাগাসকলক বৃটিছ শাসনৰ পৰা ৰক্ষা পাবলৈ অনুপ্রেৰণা দিছিল। আইন অমান্য আন্দোলনৰ ফলশ্রুতিতে কুবাল নাগাসকলে বৃটিছৰ বিৰুদ্ধে প্রথম বিদ্রোহৰ পতাকা উৰুৱাইছিল।

দুর্ভাগ্যবশতঃ বৃটিছ চৰকাৰে আইন অমান্য আন্দোলন দমন কৰিব সক্ষম হৈছিল। অৱশেষত 1934 চনত আইন অমান্য আন্দোলন আনুষ্ঠানিকভাৱে উঠাই লোৱা হৈছিল। ইয়াৰ পিছত বছৰত বৃটিছ সংসদে 1935 চনৰ ভাৰত চৰকাৰ আইনখন বাৰণ কৰিছিল।

অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নসমূহৰ উত্তৰ লিখক ঃ

প্রশ্ন নং ১ ঃ কোন চনত আইন অমান্য আন্দোলন আনুষ্ঠানিকভাৱে উঠাই লোৱা হৈছিল?

.....

প্রশ্ন নং ২ ঃ দ্বিতীয় ঘূৰণীয়া মেজমেল কেতিয়া অনুষ্ঠিত হৈছিল?

.....

১৫.৪ অসমত ভাৰত ত্যাগ আন্দেলন

1942 বর্ষতো দেশখনৰ বাকী প্রান্তৰ লেখিয়াকৈ অসমৰ জনসাধাৰণৰ বাবেও অতীব গুৰুত্বপূর্ণ আছিল। গোপীনাথ বৰদলৈ মন্ত্রীসভাই ইস্তাফা দিয়াৰ পিছত ছাদুল্লাৰ নেতৃত্বত এখন নতুন মন্ত্রীসভা গঠন গৈছিল। হেন সময়তে দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হোৱাত ইয়াৰ প্রভাৱ দেশখনৰ স্বাধীনতা আন্দোলনতো পৰিল। যদিও কংগ্রেছ নাজিবাদী জার্মানী ফেবিষ্ট ইটালীৰ নীতিবোৰৰ বিৰোধিতা কৰিছিল তথাপি বৃটেইনৰ যুদ্ধ প্রয়াসৰ প্রতি সমর্থন দিবলৈ কংগ্রেছ অনিচ্ছুক আছিল। নাজি আৰু ফেচীবাদী সকলৰ বিৰুদ্ধে বৃটেইনে কৰা যুদ্ধত কংগ্রেছ এটা চর্ততহৈ সহায়তা দিব বিচাৰিলে আৰু সেইয়া হ'ল যুদ্ধ শেষ হোৱাৰ লগে লগে বৃটেইনে ভাৰতৰ পূর্ণ স্বাধীনতা প্রদান কৰিব লাগিব। বৃটিছ চৰকাৰে অৱশ্যে এই চর্ত মানি নললে।

বৃটেইনৰ যুদ্ধৰ প্রচেষ্টাৰ প্রতি সম্ভাব্য সকলো ধৰণে সহায় কৰিব বুলি ছাদুল্লাই দিয়া অল্লিখিত প্রতিশ্রুতিৰ বাবদ তেওঁক অসমত মন্ত্রীসভা গঠন কৰিব অনুমতি দিয়া হৈছিল। যি নহওক, অসমৰ কংগ্রেছীসকলে এই যুদ্ধৰ বিৰুদ্ধে শক্তিশালী প্রতিবাদ আৰম্ভ কৰিছিল। সেই সময়ত গান্ধীজী আৰু কংগ্রেছৰ নিদের্শ অনুসৰি যুদ্ধ বিৰোধী বার্তা প্রচাৰ কৰিবৰ বাবে সত্যাগ্রহ কমিটিবোৰ গঠন কৰা হৈছিল। অসমত যুদ্ধ বিৰোধী প্রচাৰে যথেষ্ট জনপ্রিয়তা লাভ কৰিছিল। অসমত যুদ্ধ বিৰোধী প্রচাৰে যথেষ্ট জনপ্রিয়তা লাভ কৰিছিল। এনে এক কঠিন ক্ষণত নতুনকৈ হোৱা ছাদুল্লা মন্ত্রীসভাক অলেখ সমস্যাই ঘেৰি ধৰিছিল। ইয়াৰে এটা আছিল বংগৰ পূব প্রান্তৰ পৰা হোৱা অনুপ্রৱেশ।

অসমীয়া মানুহে এই অনুপ্ৰৰেশক তেওঁলোকৰ সংস্কৃতি আৰু অস্তিত্বৰ প্ৰতি এক ভাবুকি বুলি গণ্য কৰিছিল।

কিন্তু জাতীয় দৃষ্টিভংগীৰ ফালৰ পৰা আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো আছিল ছাদুল্লা চৰকাৰে যুদ্ধৰ পুঁজিৰ প্ৰতি বৰঙণি দিয়াটো। এই অৰ্থ চৰকাৰী চাকৰিয়াল সকলৰ দৰমহাৰ পৰা কটা হৈছিল। প্ৰতিযোগিতা, প্ৰদৰ্শনী আদি আয়োজন কৰিও অৰ্থ সংগ্ৰহ কৰা হৈছিল। চৰকাৰে যুদ্ধৰ পুঁজিৰ বাবে অৰ্থ সংগ্ৰহ কৰা প্ৰচেষ্টাৰ বিৰুদ্ধে অসমৰ ছাত্ৰ সমাজে প্ৰতিবাদ সাব্যস্ত কৰিছিল। 1941 চনৰ ডিচেম্বৰ মাহত কটন মহাবিদ্যালয়ৰ ছাত্ৰসকলে ধৰ্মঘট কৰিছিল। তেওঁলোকে উলিওৱা এক শোভাযাত্ৰাত পুলিচে লাঠিচালনা কৰাত 40 গৰাকী কলেজীয়া ছাত্ৰ আঘাত প্ৰাপ্ত হৈছিল। এই নৃশংস ঘটনাই ছাদুল্লা মন্ত্ৰীসভাৰ মৃত্যু ঘন্টা বজাইছিল। অসমৰ সকলো ঠাইতে হোৱা প্ৰতিবাদ আৰু নিন্দা সহ্য কৰিব নোৱাৰি 1941 চনত মুখ্যমন্ত্ৰীত্বপদৰ পৰা ছাদুল্লাই ইস্তাফা দিছিল।

এই সময়ছোৱাতে যুদ্ধৰ পৰিস্থিতি দিনক দিনে শোচনীয় হৈ পৰিছিল। জাপানে জাৰ্মানীৰ পক্ষত যোগ দিয়াত দ্বিতীয় বিশ্বযুদ্ধৰ গতি গুৰুত্বপূৰ্ণভাৱে সলনি হ'ল। এই পৰিস্থিতিত বাধ্য হৈ বৃটিছ চৰকাৰে ভাৰতীয় নেতৃবৃন্দৰ লগত আলোচনাৰ পথ মুকলি কৰিব লগা। জাপানে ভাৰতবৰ্ষ পূব প্ৰান্তৰ ছিংগাপুৰ আৰু পাছলৈ বাৰ্মা অধিকাৰ কৰাত বৃটিছে ভাৰতীয় সাম্ৰাজ্যৰ সুৰক্ষাক লৈ শংকিত হৈ পৰিল। যুদ্ধত ভাৰতীয় লোকৰ সহযোগিতা নিশ্চিত কৰাৰ অৰ্থে ভাৰতীয়সকলৰ দাবীবোৰৰ কিছুমান বিবেচনা কৰিবলৈ বৃটিছ চৰকাৰে ক্ৰিপছ্ মিছন নিয়োগ কৰিছিল। সেই অনুসাৰে 1942 চনত চাৰ ষ্টেফ'ৰ্ড ক্ৰিপছ্ে ভাৰত ভ্ৰমণ কৰিছিল। ক্ৰিপছ্ৰ প্ৰস্তাৱবোৰ কংগ্ৰেছ আৰু মুছলিম লীগে উভয়ৰে বাবে গ্ৰহণীয় নাছিল। স্বাভাৰিকতে দুয়োটা পক্ষই বেলেগ বেলেগ কাৰণত এই প্ৰস্তাৱবোৰ প্ৰত্যাখ্যান কৰছিল। কংগ্ৰেছে আভ্যন্তৰীণ ব্যৱস্থাপনাক সমালোচনা কৰিছিল য'ত দেশৰ প্ৰতিৰক্ষা ব্যৱস্থা বৃটিছে নিয়ন্ত্ৰণ কৰিব বুলি কোৱা হৈছিল। লগতে ক্ৰিপছ্ে অনা এই প্ৰস্তাৱসমূহত কংগ্ৰেছে ভাৰতক বিভাজন কৰাৰ এক ষড়যন্ত্ৰ দেখা পাইছিল। মহাত্মা গান্ধীয়ে ক্ৰিপছ্ৰ প্ৰস্তাৱবোৰক পতনমুখি এটি বেংকৰ 'পোষ্ট ডেটেড চেক' বুলি আখ্যা দিছিল। মুছলিম লীগে ক্ৰিপছ্ৰ প্ৰস্তাৱবোৰ প্ৰত্যাখ্যান কৰাৰ কাৰণ এইয়ে আছিল যে এই প্ৰস্তাৱত পাকিস্তান গঠনৰ কোনো উপলব্ধ নাছিল। এনদৰে ক্ৰিপছ্ মিছন বিফল হৈছিল আৰু ইয়ে কোনো এটি ৰাজনৈতিক দলকে সন্টুষ্ট কৰিব পৰা নাছিল।

মিত্ৰ শক্তিৰ পৰাজয় তথা পিছুৱাই যোৱাৰ খবৰ আৰু লগতে ক্ৰিপছ্ মিছনৰ বিফলতাই ভাৰতবৰ্ষৰ পৰিস্থিতি হঠাতে সলাই পেলাইছিল। ক্ৰিপছ্ মিছনৰ বিফলতাই বুজাবুজিৰ সকলো দুৱাৰ বন্ধ কৰি দিছিল। গান্ধীজীৰ দৃষ্টিত বৃটিছৰ বাবে একমাত্ৰ সমাধাৰ পথটি আছিল বৃটিছে ভাৰত ত্যাগ কৰাত। এই ধাৰণাটিয়েই ক্ৰমাগতভাৱে ভাৰত ত্যাগ আন্দোলনটি গঢ়ি তোলে। ভাৰতৰ মাটিৰ পৰা বৃটিছক বহিষ্কাৰ কৰাৰ বাবে এক গণ আন্দোলন গঢ়াৰ গান্ধীজীৰ আঁচনিটো সম্পৰ্ক আলোচনা কৰিবলৈ কংগ্ৰেছ ৱৰ্কিং কমিটিয়ে 1942 চনৰ জুলাইত ৱাৰ্দ্ধাত মিলিত হয়। এই ক্ষেত্ৰত ৱকিং কমিটিয়ে এক প্ৰস্তাৱ গ্ৰহণ কৰে আৰু 1942 চনৰ 7–8 আগষ্টত বোম্বাইত বহা সৰ্বভাৰতীয় কংগ্ৰেছ কমিটিৰ অধিবেশনত ইয়াক অধিষ্ঠিত কৰা হয়। এনেদৰে 'কৰা অথবা মৰা' (do or die) এই শ্লোগানেৰে ভাৰতবৰ্ষত ভাৰতত্যাগ আন্দোলন আৰম্ভ হৈছিল।

যদিও 1942 চনৰ 8 আগষ্টতে ভাৰত থ্যাগ আন্দোলনৰ প্ৰস্তাৱ লোৱা হৈছিল তথাপি 1942 চনৰ 9 আগষ্টৰ দোকমোকালিতে গান্ধীজী সহিত বেছিভাগ কংগ্ৰেছী নেতাক গ্ৰেপ্তাৰ কৰাত এই প্ৰস্তাৱবোৰ প্ৰয়োগ কৰাত দেশতে প্ৰতিবাদৰ জোৱাৰ উঠিল। বৃটিছ চৰকাৰে নেতাসকলক গ্ৰেপ্তাৰ কৰাক লৈ অসমতো তাৎক্ষণিক প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ল। অসমত এক গণ আন্দোলন গঢ়ি উঠিল আৰু গান্ধীজীৰ 'কৰা অথবা মৰা' শ্লোগানে জনসাধাৰণৰ অন্তৰ চুই গ'ল। ভাৰতবৰ্ষৰ আন প্ৰান্তত হোৱাৰ লেখিয়াকৈ অসমতো বৃটিছ চৰকাৰে আন্দোলনটি দমন কৰিবলৈ ব্যাপক প্ৰস্তুতি চলালে। অসমৰ গভৰ্নৰ আন্দ্ৰে কেলাই প্ৰথমতে ভাৰতবৰ্ষৰ বেলেগ প্ৰান্তত সংঘটিত ঘটনাবোৰৰ বাতৰি অসমত প্ৰচাৰ কৰিবলৈ অনুমতি নিদিয়াৰ পৰিকল্পনা কৰিছিল।

ভাৰত ত্যাগ আন্দোলনৰ প্ৰস্তাৱ গ্ৰহণৰ পিছতে অসমৰ শীৰ্ষস্থানীয় বেছিভাগ কংগ্ৰেছী নেতাকে গ্ৰেপ্তাৰ কৰা হৈছিল। মহম্মদ তৈয়াবুল্লা, গোপীনাথ বৰদলৈ আৰু সিদ্ধিনাথ শৰ্মাক ধুবুৰীত গেৰপ্তাৰ কৰা হ'ল। পিতাম্বৰ দেৱ গোস্বামী আৰু কৃষ্ণদেৱ গোস্বামীৰ নিচিনা নেতাক কাৰাগাৰলৈ প্ৰেৰণ কৰা হ'ল। শাৰিৰীক অসুস্থতাৰ বাবে হেম চন্দ্ৰ বৰুৱাক অৱশ্যে গ্ৰেপ্তাৰ কৰা নকৰিলে। অসমত ভাৰত ত্যাগ আন্দোলনৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য

আছিল এইয়ে যে ইয়াৰ জনসাধাৰণে চৰকাৰী দমনৰ বিৰুদ্ধে অহিংস হৈ থাকিব পৰা নাছিল বা থকা নাছিল। কামৰূপ, নগাওঁ, দৰং, শিৱসাগৰ আদিৰ নিচিনা অসমৰ বিভিন্ন জিলাত তথা আন আন ঠাইত হিংসাত্মক ঘটনা সংঘটিত হৈছিল। এনে অঞ্চলবোৰত জনসাধাৰণে চৰকাৰী সম্পত্তিৰ ওপৰত আক্ৰমণ চলাইছিল আৰু ৰেলৰে অথবা টেলিগ্ৰাফ লাইন নষ্ট কৰিছিল।

এগৰাকী 18 বছৰীয়া ছোৱালী কনকলতা বৰুৱাই সাহসিকতাৰ নিদৰ্শন দাঙি ধৰিছিল। গহপুৰ আৰক্ষী থানাত তিনিবৰণীয়া জাতীয় পতাকা উত্তোলন কৰিবৰ বাবে কলকলতা বৰুৱাই হাতত পতাকা লৈ এটি বিশাল সমদলৰ নেতৃত্ব দিছিল। আৰক্ষী থানাত প্ৰৱেশ কৰিব খোজোতেই বৃটিছ আৰক্ষীয়ে তেওঁৰ ওপৰত গুলীবৰ্ষন কৰে আৰু ইয়াৰ ফলত তেওঁৰ মৃত্যু হয়। কনকলতা ঢলি পৰাত তেওঁৰ হাতৰ পৰা মুকুন্দ্ৰ কাকতিয়ে পতাকাখন লৈ আগবাঢ়ে আৰু তেওঁৰো একে দশা হয়। ইয়াৰ বাহিৰেও নিৰ্যাতনৰ বহু ঘটনা সংঘটিত হৈছিল। ৰাষ্ট্ৰদ্ৰোহৰ অপৰাধত কুশল কোঁৱৰক যোৰহাট কাৰাগাৰত ফাঁচী দিয়া হৈছিল। কুশল কোঁৱৰ আৰু আন পাঁচজনৰ বিৰুদ্ধে ৰেল বগৰোৱা অভিযোগ অনা হৈছিল। সুৰমা উপত্যকাৰ জনসাধাৰণেও ভাৰত ত্যাগ আন্দোলনত এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। ইয়াৰ জনগণে কমিটি গঠন কৰিছিল আৰু তাৰ জৰিয়তে সত্যাগ্ৰহ আন্দোলন কৰিছিল। ছিলেট জিলাৰ মহিলাসকলেও এই আন্দোলনত সক্ৰিয়ভাৱে অংশ লৈছিল। ছিলেটত হোৱা আন্দোলনত দুগৰাকী গুৰুত্বপূৰ্ণ মহিলা নেত্ৰী আছিল আৰু সৰলাবালা আৰু স্নেহলতা।

সমাজৰ বিভিন্ন শ্ৰেণীৰ লেকাৰ অংশ গ্ৰহণেৰে আগষ্ট বিপ্লৱ এক গণ আন্দোলনত পৰিণত হৈছিল। ভাৰত ত্যাগ আন্দোলনত অসমৰ মহিলাসকলে স্মৰণীয় ভূমিকা গ্ৰহণ কৰিছিল। 1942 চনৰ প্ৰৱল আন্দোলনৰ সময়ছোৱাত অসমৰ মহিলা চামে সাহস আৰু অৱদানৰ দিশেৰে সম্ভৱত দেশৰ আন সকলো মহিলাকে চেৰ পেলাইছিল। তেওঁলোকৰ বহুতেই নিজকে শান্তি সেনাৰ সদস্যভুক্ত কৰিছিল। অমল প্ৰভা দাস, পুষ্পলতা দাস, চন্দ্ৰপ্ৰভা শইকীয়ানী আৰু বহুতে জনগণৰ মাজত সাংগঠনিক কামত লিপ্ত আছিল।

এই আন্দোলনটিৰ আন এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল আত্মগোপনকাৰী কাৰ্যকলাপ, যিয়ে আন্দেলনকাৰী সকলক নেতৃত্ব প্ৰদান কৰিছিল। প্ৰকৃতাৰ্থত জনপ্ৰিয় কংগ্ৰেছী নেতাসকলক গ্ৰেপ্তাৰ কৰাৰ পিছত এই গোপন আন্দোলনে জনগণৰ মনোবল ধৰি ৰাখিছিল। আত্মগোপনকাৰী নেতা ছাদীয়া আদি আৰু আছফ আলি অসম ভ্ৰমণ কৰিছল আৰু তেওঁলোকে হেমচন্দ্ৰ বৰুৱা, মহেন্দ্ৰ নাথ হাজৰীকা আৰু আন সকলক লগ ধৰি কামকাজৰ নিৰ্দেশনা দিছিল। অসমত সক্ৰিয় হোৱা আত্মগোপনকাৰী সংঘবোৰৰ ভিতৰত বৰপেটাৰ 'অহিংস বিপ্লৱী সংঘ', নগাৱৰ 'মৃত্যুবাহিনী' আৰু দৰঙৰ 'শান্তি বাহিনী'ৰ নাম উল্লেখনীয়। দৰং জিলাত শান্তি বাহিনী আৰু মৃত্যু বাহিনীৰ স্বেচ্ছাসেৱক সকলে জ্যোতিপ্ৰসাদ আগৰৱালাৰ তত্ত্বাবধানত বৃটিছ ৰাজৰ বিৰুদ্ধে জনগণক সংগঠিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। এনে আত্মগোপনকাৰী সংগঠন বোৰৰ কামকাজৰ স্বৰূপবোৰ আছিল কৰ নিদিয়া অভিযান চলোৱা, বৃটিছৰ বিৰুদ্ধে বিদ্ৰোহ কৰা ইত্যাদি। সমান্তৰাল চৰকাৰৰ উত্থান ঘটাটো আছিল অসমত ভাৰত ত্যাগ আন্দোলনৰ এক উল্লেখযোগ্য বিশেষতা। চাৰিগাৱত লক্ষেশ্বৰ বৰুৱাক ৰাষ্ট্ৰপতি পাতি এক স্বাধীন ৰাষ্ট্ৰ গটন কৰা হৈছিল।

এই আন্দোলন দমন কৰাত অৱসেষত পুলিচী নিৰ্যাতন আৰু চৰকাৰী দমনে সফলতা লবিছিল। তথাপিও জনসাধাৰণৰ অংশ গ্ৰহণ আৰু জাতীয় স্বাৰ্থৰ কাতিৰত জনগণৰ ত্যাগ স্বীকাৰৰ দিশৰ পৰা ভাৰত ত্যাগ আন্দোলনে ভাৰতৰ স্বাধীনতা আন্দোলনত এক নতুন পৰ্বৰ সূচনা কৰিছিল। এটি আন্দোলনৰ গুৰুত্ব ইয়াৰ সাৰ্বজনিক চৰিত্ৰত নিহিত হৈ থাকে। এই খিনিতে উল্লেখ কৰাটো ভাল যে এই আন্দোলনটিত জনসাধাৰণৰ ক্ৰমবৰ্দ্ধমান অংশগ্ৰহণে বৃটিছক প্ৰত্যয় নিয়াইছিল যে ভাৰতত থকা তেওঁলোকৰ শাসনৰ বাঘজৰী সোনকালে বা কিছু দিনৰ পিছত হ'লেও পতন হোৱাটো খাটাং। ভাৰতৰ স্বাধীনতা আন্দোলনৰ শেষ পৰ্ব বুলি এই আন্দোলনক আখ্যা দিয়া হয়। 1942 চনৰ পিছত ভাৰতীয় লোকৰ সৈতে সংঘাতত লিপ্ত হোৱাৰ কোনো বিপদ মূৰ পাতি লোৱা নাছিল।

১৫.৫ বৰ্গীয়কৰণ মতানৈক্য আৰু স্বাধীনতা

দ্বিতীয় বিশ্বযুদ্ধৰ সমাপ্তিত বৃটিছ লেবাৰ গভাৰ্ণমেণ্টে ভাৰতৰ ক্ষমতা হস্তান্তৰ সমস্যাৰ সমাধান কৰিবৰ বাবে চাৰ পেট্রিক লৰেন্সৰ নেতৃত্বত কেবিনেট মিছনক ভাৰতলৈ পঠায়। কেবিনেট মিছনে ভবিষ্যৎৰ সংবিধান নির্মাণ কৰিবৰ বাবে এখন সাংবিধানিক সভা (Constituent Assembly) গঠন কৰাৰ সিদ্ধান্ত লয়। সেই মর্মে 1946 চনত সাংবিধানিক সভা গঠন কৰিবৰ বাবে নির্বাচন পতা হয়। এই মিছনৰ সিদ্ধান্ত মর্মে অসমক বংগদেশৰ লগত লগ লগাই পূব-ভাৰতত এখন মুছলমান প্রাধান্য ৰাজ্য স্থাপনৰ আঁচনি কৰা হয়। অসমৰ জনসাধাৰণে মিছনৰ এই সিদ্ধান্তৰ তীব্র প্রতিবাদ কৰে। এই আঁচনি অনুসৰি অসমৰ সাংবিধানিক সভাৰ প্রতিনিধিয়ে বংগৰ একাংশ প্রতিনিধিৰ লগত একেলগে বহিব লাগিবি। অসম কংগ্রেছৰ সেইসময়ৰ নেতা গোপীনাথ বৰদলৈয়ে প্রাদেশিক শায়ত্ব শাসনৰ ওপৰত অধিক গুৰুত্ব দি ছিলেটক অসমৰ লগত লগ কৰাৰ বিৰোধিতা কৰে আৰু লগতে জিন্নাৰ অসমক পাকিস্তানৰ লগত লগ কৰে এখন মুছলিম প্রাধ্যান্য ৰাজ্য স্থাপন কৰাৰো বিৰোধিতা কৰে। অন্য হাতে মুছলিম লীগৰ নেতা ছাদুল্লাই মিছনক প্রতিয়ন যোৱাৰ বিচাৰে যে অসমখন এখন মুছলিম সংখ্যাগৰিষ্ঠ ৰাজ্য। তেওঁ লগতে কেৱল ছিলেট জিলাৰ পৰিৱৰ্ত্ত গোটেই অসম প্রদেশখনকেই পূব বংগৰ লগত একেলগ কৰাৰ কথা উনিকিয়ায়। বংগৰ লগত একেলগ কৰা মিছনৰ এই সিদ্ধান্তটো গোটেই অসমৰ চুকে কোণে প্রতিবাদৰ জোৱাৰ উঠে। মহাত্মা গান্ধীৰ সহৃদয়তাৰ বাবে আৰু গোপীনাথ বৰদলৈৰ নেৰানেপেৰা প্রচেষ্টাত কেবিনেট মিছনৰ সদস্যসকল অবশেষত অসমক বংগৰ লগত একেলগ কৰাৰ সিদ্ধান্তটো বাতিল হয় আৰু মিছনৰ বর্গীয়কৰণ আঁচনি অসফল হয়। তেনেসময়তে লর্ড মাউন্টবেটনক ভাৰতৰ নতুন ভাইচৰয় ৰূপে নিযুক্তি কৰা হয়। তেওঁ ততাতৈয়াকৈ ভাৰত বিভাজনৰ বাবে উঠি পৰি লাগে আৰু 1947 চনৰ 15 আগষ্টত ভাৰতৰ হাতলৈ ক্ষমতাৰ হস্তান্তৰ কৰা হয়। ইয়াৰ লগে লগে বাৰ শতিকা যোৱা বিদেশী শাসনৰ পৰা মুক্ত হৈ ভাৰত এখন গণতান্ত্রিক দেশ ৰূপে প্রতিষ্ঠিত হয় আৰু গণভোটৰ ভিত্তিত চিলেটক পাকিস্তানলৈ হস্তান্তৰিত কৰা হয়। এইদৰেই স্বাধীনতা সংগ্রামে অসমক ভাৰত গণতন্ত্রৰ অন্তর্ভূক্ত কৰে।

অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নবোৰৰ উত্তৰ লিখক ঃ

প্রশ্ন নং ৩ ঃ কেবিনেট মিছন কাৰ নেতৃত্বত আহিছিল?

.....

প্রশ্ন নং ৪ ঃ ষ্টেফ'র্ড ক্রিপছে কোন বছৰত ভাৰত ভ্রমণ কৰিছিল?

.....

প্রশ্ন নং ৫ ঃ ভাৰতৰ শেষ ভাইচৰয় কোন আছিল?

.....

১৫.৬ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি —

- ভাৰতৰ স্বাধীনতা সংগ্রামত অসমৰ যোগদানৰ বিষয়ে জানিব পাৰিলে।
- আইন অমান্য আৰু ভাৰত ত্যাগ আন্দোলনত অসমৰ ভূমিকাৰ বিষয়ে জ্ঞাত হ'ল।

১৫.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থঃ

1) Baruah, S.L. (1985): *A Comprehensive History of Assam*, Delhi,
2) Bhuyan, A.C., (1999): *Political History of Assam*, Vol. III, Publication Board Assam, Guwahati.
3) Dutta, K.N (1958): *Landmarks in the Freedom Struggle in Assam*, Lawyers' Book Stall, Guwahati.

১৫.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ (ক) 1931 চনত (খ) 1931 চনত
২ নং প্রশ্নৰ উত্তৰঃ পি লৰেঞ্চ
৩ নং প্রশ্নৰ উত্তৰঃ 1942 চন
৪ নং প্রশ্নৰ উত্তৰঃ মৃত্যু বাহিনী, শান্তি বাহিনী
৫ নং প্রশ্নৰ উত্তৰঃ লর্ড মাউণ্টবেটেন

১৫.৯ আহিঁ প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ 50 টা শব্দৰ ভিতৰ দিব)

প্রশ্ন ১ঃ বংগী বিভাজৰ চৰকাৰী কাৰণ কি আছিল?
প্রশ্ন ২ঃ গান্ধী অসমলৈ কেতিয়া আহিছিল?
প্রশ্ন ৩ঃ পূর্ণ স্বৰাজৰ প্রস্তাৱ কেতিয়া গৃহীত হৈছিল?
প্রশ্ন ৪ঃ ভাৰত ত্যাগ আন্দোলনৰ অসমৰ দুজন শ্বহীদৰ নাম উল্লেখ কৰক।

খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ 150 টা শব্দৰ ভিতৰ দিব)

প্রশ্ন ১ঃ কানিংহাম চার্কুলাৰ কি?
প্রশ্ন ২ঃ ভাৰত ত্যাগ আন্দোলনত অসমে কি ভূমিকা পালন কৰিছিল?
প্রশ্ন ৩ঃ চমুটোকা লিখক ঃ
ক) বংগ বিভাজন আৰু অসম
খ) অসহযোগ আন্দোলনত ছাত্রৰ সহযোগিতা

গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ 300–500 টা শব্দৰ ভিতৰ দিব)

প্রশ্ন ১ঃ অসমীয়া জাতীয়তাবাদ গঢ় লৈ উঠাৰ গুৰুত্বপূর্ণ কাৰকবোৰ আলোচনা কৰক।
প্রশ্ন ২ঃ অসমত বংগ বিভাজনৰ প্রভাৱ কেনেদৰে পৰিছিল সেই বিষয়ে আলোচনা কৰক।
প্রশ্ন ৩ঃ অসমত অসহযোগ আন্দোলনৰ প্রভাৱ কেনেদৰে পৰিছিল — ব্যাখ্যা কৰক।
প্রশ্ন ৪ঃ অসমত আইন অমান্য আন্দোলনৰ প্রভাৱ কিদৰে পৰিছিল তাৰ এক বর্ণনা দাঙি ধৰক।
প্রশ্ন ৫ঃ ভাৰত ত্যাগ আন্দোলনত অসমে কি ভূমিকা লৈছিল?

প্রসঙ্গ পুথি

Books:

English

1) Barpujari, H.K.(2003)*: The Comprehensive History of Assam*, Vol. I, Vol.II, Vol.III, Vol.IV & Vol. V, 2nd edn, Publication Board Assam, Guwahati
2) Baruah, S.L.,(2004): *A Comprehensive History of Assam*, 3rd edn, Munshiram Manoharlal, Delhi
3) Bhuyan, A.C., (1999): *Political History Assam*, Publication Board Assam, Vol. I, II,III, 2nd edn, Guwahati.
4) Dutt, K.N (1993): *Landmarks in the Freedom Struggle in Assam*, Lawyers' Book Stall
5) Gait, E.,(2004): *A History of Assam*, Eastern Book House, Revised, Guwahati.
6) Saikia Rajen (2000): *Social and Economic History of Assam 1853-1921*, Munshiram Manoharlal, Delhi.

Assamese

1) Barbarua, H. (1981):*Ahomar Din*, Guwahati.
2) Bora, D.,(1983): *Moamariya Gana Abbhyuthan*, Vol. I & II Banlata Prakashan.
3) Kalita, R.C. (2006): *Asamar Kalanukramik Itihash*, Publication Board Assam.

Website and Electronic Resources:

1) Gogole Images.